# ডিব্রুয়ান

১৭ তম সংখ্যা ■ ১৯৯৪-৯৫ চন



সম্পাদনা

অমিয় কুমাৰ বড়া

# ডিব্ৰুৱান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

সপ্তদশ সংখ্যা

১৯৯৪–৯৫

প্ৰীতি আৰু শুভেচ্ছাৰে -

শ্ৰী/শ্ৰীযুত/শ্ৰীযুক্তা ______________________

______________________ লৈ

—অমিয় কুমাৰ বড়া
সম্পাদক "ডিব্ৰুৱান"
১৯৯৪-৯৫ চন।

# DIBRUAN

THE ANNUAL JOURNAL OF
DIBRU COLLEGE

VOL XVII 1994–95

Editor : Amiya Kumar Borah

## সম্পাদনাৰ আঁৰত


উপদেষ্টা ঃ

অধ্যাপক — প্ৰদীপ কুমাৰ চেতিয়া ফুকন
অধ্যাপক — মহেশ চন্দ্ৰ জৈন
অধ্যাপক — বীৰেণ বৰুৱা
অধ্যাপিকা — ৰুমা ফুকন

সম্পাদক — অমিয় কুমাৰ বড়া

সদস্য ঃ— হেৰম্ব কুমাৰ গগৈ
গনেশ কুৰ্মী
ঘনজ্যোতি বড়া
মনোজ কুমাৰ বড়া
সুকয় কুমাৰ গগৈ
গীৰিন্দ্ৰ কুমাৰ লাহন

বেতুপাত অংকন — চন্দন চুতীয়া

অঙ্গ সজ্জা — অমিয় কুমাৰ বড়া, ঘনজ্যোতি বড়া

প্ৰকাশক — ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰক — প্ৰিন্টৱেল
লাচিত নগৰ, ডিব্ৰুগড় — ১
ফোন — ২২৩১৭


## কৃতজ্ঞতা


☐ মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰী যুত মহেন্দ্ৰ নাথ গগৈ দেৱলৈ

☐ সকলো সময়তে দিহা পৰামৰ্শ দিয়া—
অধ্যাপক প্ৰদীপ চেতিয়া ফুকন, বীৰেণ বৰুৱা, মহেশ জৈন আৰু ৰুমা ফুকনলৈ।

☐ সম্পাদনা সমিতিৰ সমূহ সদস্যলৈ।

☐ এই সংখ্যাৰ সমূহ লেখক লেখিকালৈ।

☐ অতি ব্যস্ততাৰ মাজতো সময় উলিয়াই আমাক সাক্ষাৎকাৰ দিয়া আন্তৰ্জাতিক খ্যাতিসম্পন্ন অভিনেতা শ্ৰী যুত বিষ্ণু খাৰঘৰীয়া দেৱলৈ।

☐ অনুবাদ কবিতা এটি দি আমাৰ আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰা ডঃ কবীন ফুকন দেৱলৈ।

☐ বেতুপাতৰ শিল্পী চন্দন চুতীয়া দেৱলৈ।

☐ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ।

☐ মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় সহযোগ আৰু পৰামৰ্শ তথা অনুপ্ৰেৰণা যুগোৱা বন্ধু নীলোৎপল, জিন্তু, প্ৰাঞ্জল, অজিত, দীপক, সুখিধৰ, মহেন্দ্ৰ, বুবুল, ৰঞ্জন, গিতুল, নীলিম, পঙ্কজ, ৰাজীৱ, বিজীত, ৰাজা, শান্তনু, পৰাণজ্যোতি, দেৱ, ভূপেন, ৰিতুল, জিপচন, জিতু, চন্দন
বান্ধৱী — জেচ্‌মিন, অজন্তা, নীলামণি, বিনীতা, মেঘালি,
ভন্তী — কবিতা, গীতাঞ্জলী, বীনা,
ভাইটি — কুকিল, অনুপম, নিখিলেশ, নবীন, চপ্‌ন জয়ন্ত,

☐ প্ৰিন্টৱেলৰ স্বতাধিকাৰী শ্ৰী ৰানা বৰুৱা দেৱলৈ

☐ প্ৰিন্টৱেলৰ সমূহ কৰ্মীবৃন্দলৈ

# শ্ৰদ্ধাঞ্জলি

মৃত্যুৰ কঠিন পৰশে চুই যায়
কাৰোবাৰ দুখ, উচুপনি............
আমি শ্ৰদ্ধাৰে সোঁৱাৰিছো।
মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নাট্যকাৰ মনোৰঞ্জন ফুকন
অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ লীলা গগৈ,
ডঃ মহেশ্বৰ নেওগ, ডঃ মহেন্দ্ৰ বৰা,
অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া
চিত্ৰাভিনেতা- বিজয় শংকৰ, দুৰ্গেশ্বৰ বৰঠাকুৰ
ইজৰাইলৰ প্ৰধান মন্ত্ৰী ইট্‌জাক ৰবীন
মুক্তিযোদ্ধা ৰবীন কাকতী
কৌতুক অভিনেতা ৰাণা তামুলী
পঞ্জাৱৰ মুখ্যমন্ত্ৰী বিয়ন্ত সিং
সন্ত্ৰাসৰ বলি হোৱা নিৰপৰাধী ৰাইজ আৰু বহুতো
নামী অনামী ব্যক্তিক।

## সূচীপত্ৰ


সম্পাদকীয়

● প্ৰবন্ধ

☐ ডঃ লীলা গগৈ দেৱৰ উপন্যাস "নৈ বৈ যায়" এটি আলোচনা — হেৰম্ব কুমাৰ গগৈ।
☐ "টুমু পৰৱ" সম্পৰ্কে এভুমুকি — গণেশ কুৰ্মি
☐ নকল সংস্কৃতি বনাম শিক্ষাৰ সংকট আৰু ইয়াৰ প্ৰতিকাৰ — শশীকান্ত শইকীয়া
☐ ক্ষয়িষ্ণু যুৱ মানসিকতা ঃ কাৰণ আৰু প্ৰতিকাৰ — দিব্যজ্যোতি নেওগ
☐ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু তেওঁৰ জীৱনাদৰ্শ — ৰমানন্দ পেগু
☐ ট্ৰেনজিষ্টৰ — পংকজ কুমাৰ দত্ত
☐ বিশ্ব বৰেণ্য ক্ৰিকেটাৰ ব্ৰেডমেন — শান্তনু গগৈ
☐ আমি অসমীয়া নহঁও দুখীয়া (ৰম্য ৰচনা) — সুৰুয কুমাৰ গগৈ
☐ মানুহৰ মগজু বনাম যন্ত্ৰৰ মগজু ঃ এটি আলোকপাত — বুবুল কুমাৰ গগৈ

● গল্প

☐ হৃদয় এক নদীৰ নাম — জয়ন্ত মাধৱ গগৈ
☐ আমি বোৰেই কুকুৰ — দেবজিত হাজৰিকা
☐ প্ৰতীক্ষা — বিনীতা বৰুৱা
☐ আকুল অপেক্ষা — হেমন্ত স্বৰ্গাৰী
☐ অব্যক্ত বেদনা — মেঘালী বৰগোহাঁই
☐ আৰ্তনাদ — অমিয় কুমাৰ বড়া
☐ অন্তৰঙ্গ আলাপ ঃ অভিনেতা, শিল্পী বিষ্ণু খাৰঘৰীয়াৰ সৈতে —

● কবিতা

☐ শান্তি — অজন্তা শইকীয়া
☐ প্ৰতীক্ষা — দেবকান্ত গগৈ
☐ প্ৰেমৰ অনুভূতি — অজানিতা সোনোৱাল
☐ হৃদয় বনাম কবিতা — বিজিত কুমাৰ নেওগ
☐ মোৰ পৰা—অন্তৰঙ্গ হৃদয়লৈ — গিৰীণ কুমাৰ লাহন
☐ কাপুৰুষ — ঘনজ্যোতি বড়া
☐ দুৰ্দিন — চন্দ্ৰগুপ্ত বড়া
☐ জীৱন — মনোজ কুমাৰ বড়া

# উচৰ্গা



" অসত্য মা সদৰ্গময়

তমসো মা জ্যোতিৰ্গময়

মৃত্যু মা অমৃতং গময়

ওঁম শান্তি শান্তি শান্তি ........"

দুঃসময়ৰ হাজাৰ প্ৰাচীৰ ভেদি পৃথিৱীত

যিসকল শান্তিকামী লোকে শান্তি প্ৰতিষ্ঠাৰ বাবে অহৰহ

যুঁজ দি আহিছে সেইসকললৈ সুপ্ৰভাত জনাই ।

ডিব্ৰুয়ান'ৰ এই সংখ্যাটি উচৰ্গা কৰিলোঁ ।

-সম্পাদনা সমিতি



শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ
প্ৰাক্তন অধ্যক্ষ



শ্ৰীযুত নন্দলাল বৰগোহাঁই
প্ৰাক্তন উপাধ্যক্ষ



শ্ৰীযুত ভূপেন বুঢ়াগোহাঁই
উপাধ্যক্ষ



শ্ৰীযুত মাহেন্দ্ৰ নাথ গোগ
অধ্যক্ষ



শ্ৰীযুত পি, বি, দত্ত
প্ৰাক্তন অধ্যাপক

# সম্পাদকীয়

## আমি য'ত আছো

বৰ্ত্তমান সৰ্বব্যাপি দূৰ্নীতিৰ অবাধ প্ৰৱেশে জনজীৱন দুৰ্ঘোৰ ভাবে বিপন্ন কৰিছে। আমোলাতন্ত্ৰৰ পৰা চৰকাৰ তন্ত্ৰলৈকে সকলোতে দূৰ্নীতিৰ দুগন্ধ সততে বিৰাজমান। ৰাজনৈতিক নেতাসকলৰ আকাশলঙ্ঘী দূৰ্নীতিৰ প্ৰয়োভেৰে ভাৰতৰ দৰে দুখীয়া আৰ্থিক নীতিৰ অচল কৰি তুলিছে। হাৱালা কেলেংকাৰীয়েই চৰকাৰী নেতাৰ পৰা বিৰোধী নেতাৎসকলো দূৰ্নীতিত নিমৰ্জিত হোৱাৰ জলন্ত প্ৰমাণ দিয়ে। আমেৰিকা, দক্ষিণ কোৰিয়াৰ দৰে উন্নত দেশবোৰতো চৰকাৰী নেতাই দূৰ্নীতি কৰে। সেইবিলাক দেশত আৰ্থিক টনকীয়ালৰ বাবে দূৰ্নীতিয়ে হয়তু দেশৰ আৰ্থিক স্থিৰতাত একো পৰিবৰ্তন কৰিব নোৱাৰে। কিন্তু ভাৰতৰ নিচিনা দুখীয়া দেশত, দূৰ্নীতিয়ে আৰ্থিক উন্নতিৰ দিশত বৰ বেয়াকৈ কুঠাৰঘাট কৰে। গণতন্ত্ৰ প্ৰেমী জনগণে আজি কাৰো ওপৰত বিশ্বাসগামী হব পৰা নাই। ভাৰতীয় গণতন্ত্ৰ আজি কুটিল পাকচক্ৰৰ দ্বাৰা আক্ৰান্ত। দেশৰ প্ৰতিটো সিদ্ধান্তত আজি আদালতে হস্তক্ষেপ তথা ৰায় দিবলগা হৈছে। বৰ্ত্তমান দেশত ন্যায়পালিকা আৰু নিৰ্বাচন আয়োগৰ বাহিৰে সকলোতে দূৰ্নীতিৰ চাপ প্ৰত্যক্ষ হৈছে। একমাত্ৰ ন্যায়পালিকা আৰু নিৰ্বাচন আয়োগেহে গণতন্ত্ৰৰ প্ৰকৃত স্বৰূপ বজাই ৰখাও সমৰ্থবান হৈছে। ন্যায়পালিকাৰ নিৰপেক্ষ ৰায় আৰু নিৰ্বাচন আয়োগৰ নিকা নিৰ্বাচন নীতিয়ে জনগণক প্ৰতীয়মান কৰে যে ভাৰতীয় গণতন্ত্ৰ পূণৰ নকৈ ঠন ধৰি উঠিব। ৰাজনৈতিক নেতা, ধৰ্মীয় নেতা, সামাজিক নেতা, ছাত্ৰ নেতা, গোষ্ঠী নেতা, এই সকলো নেতা শ্ৰেণীৰ ওপৰত জনসাধাৰণ আজি সন্দেহী আৰু বিতুষ্টি হৈ পৰিছে। জনগণে আজি বিকল্পৰ সন্ধান কৰিছে। কিন্তু দুখৰ বিষয়, বিকল্পৰ ছৱিখনো সুস্পষ্ট নহয়। মুঠৰ ওপৰত ভাৰতীয় গণতন্ত্ৰত আজি এক জটিল সমস্যাই দেখা দিছে। নৈতিকতাৰ স্খলনে আৰু প্ৰমূল্যৰ চৰম অৱমূল্যানে জনজীৱনত এক হতাশা কঢ়িয়াই আনিছে। আজি সমাজত নৈতিক সংযম সহকাৰে জীয়াই থকা মানুহৰ সংখ্যা তেনেই তাকৰ হৈ আহিছে। আঙুলীৰ মূৰত লেখিব পৰা বিধৰ কেই-জনমানেহে নৈতিকতাৰ অৱক্ষয় নোহোৱাকৈ বৰ্তি আছে।

দূৰ্নীতিৰ সমান্তৰালভাবে সন্ত্ৰাসবাদীৰ কাৰ্য্যকালাপে গোটেই সমাজখনকে এক সংশয় আৰু অস্থিৰতাত ভোগাইছে। পৃথিৱীত এনেকুৱা এখন ঠাই নাই, য'ত, সন্ত্ৰাস, লুণ্ঠন, হত্যা ঘটা নাই। ইয়াৰ কাৰ্যকলাপে প্ৰতিজন মানুহৰ ভাবুকি স্বৰূপ হৈ পৰিছে। শান্তিৰ ধোল-ধাল বজোৱা বিশ্বৰ বৃহৎ শক্তি আমেৰিকাই গোপনভাৱে তৃতীয় শ্ৰেণীৰ দেশবোৰলৈ অস্ত্ৰ-শস্ত্ৰ যোগান ধৰি সন্ত্ৰাসবাদী ক্ৰিয়া কলাপ সক্ৰিয় কৰি ৰাখিছে। ভাৰতবৰ্ষ আজি সন্ত্ৰাসবাদীৰ কৱলত। উত্তৰ-পূৰ্বাঞ্চলকে ধৰি কাশ্মিৰ, পঞ্জাব আদি সকলোতে সন্ত্ৰাসবাদী কাৰ্যকলাপে চূড়ান্ত ৰূপ লৈছে। আজি হাতত খোলা মাৰণাস্ত্ৰ লৈ ফুৰাটোও এক তথাকথিত ফেছনত পৰিণত হৈছে।

উপৰোক্ত ছৱিখনে আমাক বিচলিত কৰি তুলিছে। কৰবাত যেন ডাঙৰ বিজুতি ঘটিছে। সেই বিজুতি বিশ্লেষণ কৰাৰ সময় সমাগত। আমাৰ মনবোৰ প্ৰদূষিত হৈছে। অকল পাৰিপাৰ্শ্বিক দিশটো প্ৰদূষণৰ পৰা মুক্ত কৰিলেই নহব লগতে মুক্ত কৰিব লাগিব আমাৰ মন আৰু ভাববোৰৰ

পৰাও। সন্ত্ৰাসবাদী সকলক হত্যাৰে শেষ কৰিবলৈ যোৱাতো ভুল হব, যদিহে তাৰ আগতে মানুহৰ অন্তৰত থকা দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদী মনটো হত্যা কৰা নহয়। পৃথিবীৰ অস্ত্ৰ-শস্ত্ৰ বনোৱা কাৰাখানাবোৰ ধ্বংস কৰাতকৈ এই কামটো বোধকৰো তেনেই সহজ হব। অস্ত্ৰৰ প্ৰতি আনুগত্য থকা সকলে ইতিহাসৰ দুখিলামান পাত লুটিয়ালেই অনুমান কৰিব পাৰিব যে, হত্যা, লুণ্ঠন আৰু হিংসাৰে একো সমস্যাৰে স্থায়ী সমাধান আনিব নোৱাৰে। বৰঞ্চ ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়াই সমাজত এক বিশৃংখলতাৰহে সৃষ্টি কৰাৰ ভয় থাকে। নৈতিকভাবে সবল স্থিতি এটা লৈ জীয়াই থকাৰ পৰম তৃপ্তি খিনি পাবলৈ হলে আমাৰ পৰস্পৰৰ ভাতৃত্ব বোধ, মানৱতাবোধ, সহানুভূতি আদি থাকিবই লাগিব। এই ভাবেৰে উদ্ধুদ্ধ হব পাৰিলে আমাৰ মাজত থকা সৌহাদ্যপূৰ্ণ সম্পৰ্কভ কেতিয়াও প্ৰদূষিত নহব। অস্ত্ৰ নিৰ্মাণ নন্ধ কৰাতকৈ এনে মানসিকতা গঢ়ি তুলিব পাৰিলে সমস্যাটোৰ এটা স্থায়ী সমাধান হব বুলি মই বিশ্বাস কৰো। কাৰণ হিচাপে মই কওঁ যে, অস্ত্ৰ নিৰ্মান কাৰখানাবিলাক ধ্বংস কৰিব পাৰিলেও মানুহৰ মনত থকা অস্ত্ৰ-নিৰ্মাণ প্ৰক্ৰিয়াটো ধ্বংস কৰিব নোৱাৰি।

আনহাতে পৃথিৱীৰ অন্য এটা ভয়াবহ সমস্যা হৈছে ড্ৰাগচৰ অবাধ প্ৰচলন। ইয়েই মানুহৰ মাজত আজি ত্ৰাসৰ সৃষ্টি কৰিছে। ড্ৰাগচৰ ভয়াবহ প্ৰচলনে তিনিশকোটী আয়ুসৰ পৃথিৱীখনক হয়তু আৰু মাত্ৰ কেইটামান দশকতেই ধ্বংস কৰি পেলাব। (হাৱলৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে) কিন্তু অতি দুৰ্ভাগ্যজনক ভাবে প্ৰত্যক্ষ কৰিছো যে এনে ভয়াবহ পৰিস্থিতিক প্ৰত্যাহ্বান জনাবলৈ কোনো স্বেচ্ছাসেৱক সংগঠনেই আগবাঢ়ি অহা নাই। আনকি ৰাষ্ট্ৰসংঘও এই বিষয়ে নিমাত, তেওঁলোকে কোনো বলিষ্ঠ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই এতিয়াও। নিজৰ ধ্বংস কামনা কৰা মানুহৰূপী এই প্ৰাণীবিধ সচাঁকৈয়ে বৰ আচৰিত আৰু ৰহস্যময়। মানুহ বৈজ্ঞানীকে মানুহৰ এই ৰহস্য উদঘাটন কৰিবলৈ চৰম ভাবে বিফল হৈছে। মহাসূদূৰৰ অজান প্ৰাণীৰ সন্ধানত ব্ৰতী হোৱা আৰু Test tube অত মানুহ সৃষ্টি কৰিব পৰা মানুহৰ আজিকোপতি অতি ওচৰতে থকা মানুহকে ভালদৰে চিনি পোৱা নাই, ৰহস্য উদ্‌ঘাটন কৰিব পৰা নাই।

## সাহিত্যৰ মাজেৰে

সমাজ পৰিবৰ্তনত সাহিত্যৰ ভূমিকা অপৰিসীম। সাহিত্যৰ শব্দ শক্তিৰে মানুহক উদ্বেলিত কৰি অশুভ শক্তিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব পাৰে সাহিত্যিক সকলে। সময়ে জনসাধাৰন উদ্বেলিত হলেও উদ্বেলিত সেই বৃহৎ শক্তিক সঠিক ৰূপত প্ৰয়োগ কৰিব নোৱাৰাৰ বাবে অভাবনীয়ভাবে শক্তিৰ অপচয় হৈছে। সেই অমোঘ শক্তিক সঠিক ৰূপত প্ৰয়োগৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰি সাহিত্যিক সকলে। এই প্ৰয়োগে সমাজ পৰিৱৰ্তন তথা প্ৰগতিত এক বিপুল সম্ভৱনা কঢ়িয়াই আনিব। কিন্তু অপ্ৰিয় হলেও সত্য যে, জনসাধাৰণক উদ্বেলিত কৰা বাদেই, বৰ্ত্তমান সমাজৰ বিধস্ত ছৱিখনেই স্পষ্ট ৰূপত ডাঙি ধৰিবলৈ অক্ষম আজিৰ তথাকথিত সাহিত্যিক সকল। ইয়াতকৈ দুখৰ কথা কি হব বাৰু। সাহিত্যই যদি সমাজৰ দাপোন তেন্তে সমাজৰ অৱক্ষয়ৰ ৰূপটো চিত্ৰায়িত কৰিবলৈ কিয় গভীৰ প্ৰচেষ্টা কৰা নাই সাহিত্যিকে। □

# প্ৰবন্ধ

"এটা প্ৰবন্ধ একোখন চিঠিৰ দৰে,
ইয়াক এজনে আন এজনক উদ্দেশ্য কৰি লিখে;
লেখক আৰু পাঠক
উভয়েই ইয়াৰ অন্তৰঙ্গ।"

—ডঃ মহেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি,
পণ্ডিত, গৱেষক, ডঃ মহেশ্বৰ নেওগৰ সোঁৱৰণত
আলোচনীৰ এই শিতানটি উৰ্চগা কৰিলো।

—সম্পাদক

প্ৰবন্ধ

# ডঃ লীলা গগৈ দেৱৰ উপন্যাস

# 'নৈ বৈ যায়'

## এটি আলোচনা



— শ্ৰীহেৰম্ব কুমাৰ গগৈ
স্নাতক, তৃতীয় বাৰ্ষিক ( বিজ্ঞান )

☐ লেখকৰ চমু পৰিচয় ঃ

ড° লীলা গগৈ অসমীয়া সাহিত্য জগতৰ এটি চিনাকি নাম। ১৯৩০ চনৰ ২৫ নৱেম্বৰত শিৱসাগৰৰ চেৰেকাপাৰ হাতীমুৰীয়া গাৱঁত— জন্ম লাভ কৰা ড° গগৈদেৱ একেধাৰে প্ৰখ্যাত সাহিত্যিক, বুৰঞ্জীবিদ, শিশু সাহিত্যিক, হাস্যৰসিক, উপন্যাসিক, গীতিকাৰ আৰু সফল অনুবাদক আছিল। ১৯৫০ চনত সংস্কৃত বিষয়ত লেটাৰ সহ প্ৰৱেশিকা পৰীক্ষা পাছ কৰি চাকৰি, ঘৰুৱা আহুকালৰ মাজেদিয়েই আই, এ; বি, এ, এম, এ পৰীক্ষাত উত্তীৰ্ন হয়। ইং ১৯৮২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা ডীন ড° মহেন্দ্ৰ বৰাদেৱৰ তত্বাৱধানত "The Buranijis : Historical Literature of Assam" নামৰ গৱেষণা গ্ৰন্থৰ বাবে পি, এইচ, ডি ডিগ্ৰী লাভ কৰে। ১৯৩৪ চনতে শিশু উপযোগী ধেমেলীয়া কবিতা পুথি "খৰাশিয়ালৰ বিয়া"ৰে আৰম্ভ কৰি 'অসমৰ সংস্কৃতি', 'বেলিমাৰ গল' আদি পঞ্চাশৰো অধিক বাচক-বনীয়া গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি থৈ যায়। তেখেতৰ সাহিত্যক স্বীকৃতি স্বৰূপে অসম সাহিত্য সভাই ১৬০তম মৰিগাওঁ অধিবেশনৰ সভাপতি হিচাবে বৰণ কৰে। যোৱা ১৯৯৪ চনৰ ২৩ জুলাইত তেখেতৰ আকস্মিক ভাৱে পৰলোক প্ৰাপ্তি ঘটে। "নৈ বৈ যায়" ড° গগৈদেৱৰ অসমীয়া উপন্যাস সাহিত্যলৈ বিশেষ অৱদান।

☐ পাতনি ঃ

"নৈখন বৈ আছে। কতদিন, কতযুগ বৈ আছে। কত মানুহ আহিছে। কত গৈছে। কতই ক'ত নতুন সৃষ্টি পাতিছে ; সৃষ্টি পুৰণি হৈছে। চিন নাইকিয়া হৈ গৈছে। নৈ আছে, নৈ বৈ থাকিব। নৈৰ জগত আমাৰ জীৱন এনাজৰীয়ে মেৰিয়াই থৈছে।" ... ...

... এইখন দিখৌ নৈ। নদীৰ পাৰৰ সহজ সৰল গ্ৰাম্য জীৱনৰ উত্থান পতন, হাঁহি কান্দোনৰ সোণ সেৰীয়া কথাৰে সুগঠিত হৈছে ড° লীলা গগৈদেৱৰ সুবৃহৎ উপন্যাস "নৈ বৈ যায়।" এটা শতিকাযুৰি অসমীয়া সমাজখনৰ মানুহবোৰ ঘটনাবহুল জীৱনৰ বাস্তৱ দলিল স্বৰূপ "নৈ বৈ যায়"। সৰস কাহিনী, অপূৰ্ব ৰচনাশৈলী আৰু বৈচিত্ৰময় চৰিত্ৰৰে উপন্যাস খনিয়ে ড° গগৈদেৱৰ হাতত প্ৰাণ পাই উঠিছে।

☐ চমুকৈ উপন্যাসৰ কাহিনী ঃ

নিছিগাধাৰে বৈ আছে দিখৌ। তাৰ পাৰতেই সেন্দুৰীপাম। এখন শইচ সোণালী গাওঁ। ওচৰতে সোণাদৈ ঘাট। বৰৈ ফুকনৰ ঘৰৰ সোণাদৈ গাভৰুক ৰজাই চিকাৰলৈ যাওঁতে বাটত দেখি মনে খালে। পিছত খুজা-বঢ়া কৰি চকলং কৰি কুৱঁৰী পাতে। তাৰে পৰাই এইঘাটৰ নাম সোণাদৈ ঘাট। আৰু এই বৰৈ ফুকনৰ ঘৰৰে সুঠাম ডেকা ভগী। ভগীৰথ ফুকন। যৌৱনৰ ভৰ

দুপৰীয়া ৱৰচোমনিত দামুৰি বিচাৰিবলৈ যাওঁতে নৈ সিপাৰৰ ভকৰ্ণ যুৱতী সুৱাগীক নৈৰ ঘাটত গা-ধুই থকা দেখে। ভগী, কালিদাসৰ দুষ্মন্ত হৈ পৰিল। সুৰীয়া বিহুগীতৰে ৰিঙিয়াই মনৰ কথা কৈ দিলে সুৱাগীক। সুৱাগী জাপিসজীয়া গাৱঁৰ ছোৱালী। মাজুৰ জীয়েক। মাজু কানীয়া। কেও কিছু নাইকিয়া টোকোনা মানুহ। আনহাতে ভগী বৰৈ ফুকনৰ ঘৰৰ ডেকা। ৰজাৰ বাব খোৱা সম্ভ্ৰান্ত মানুহ। ভগীৰ অকল মাক আছে। দেউতাক নাই। ঢুকাল। ভগী আৰু মাক, বৰদেউতাকৰ লগতে থাকে। বৰদেউতাকো লেখৰ মানুহ। মাজুৰ দৰে কানীয়া টোকোনা মানুহৰ লগত সম্বন্ধ জানো হব পাৰে?

আনহাতে ভগীৰ হৃদয়ৰ গানে যুৱতী সুৱাগীৰ হৃদয়তো জানো কঁপনি তোলা নাই? "গানে মোৰ নোছোৱে আকাশ, ছোৱে জানো হৃদয় তোমাৰ! ভগীৰ বিহুগীতৰ সুৰ বোৱতী দিখৌৰ দৰে সুৱাগীৰ হৃদয়ৰ পাৰ ভাঙি বাগৰি গল। সুৱাগীৰ ধন নাই সঁচা, মন আছে। সুৱাগীয়ে বুজে— "যিমানৰ মানুহ সিমানত থাকিব লাগে। নেচাই ডেলে গাজৈকে ঘাটি।"

বহাগ আহে। মনলৈ ৰঙীন আশা আহে। "পো তুলিলো বোৱাৰীলৈ"। ভগীৰ মাকে পুতেকৰ বিয়াৰ কথা ভাৱে। মনে মনে লাহৰৰ জীয়েক নাদুকীক চাই থৈছে। মাজুৰ লগত বৰৈ ফুকনৰ ঘৰৰ মিতিৰ হবই নোৱাৰে। সকলোৱে মিলিজুলি নাদুকীৰ লগত ভগীৰ বিয়া ঠিক কৰিলে। ভগীৰ মনত হাজাৰ ভাৱৰ হেন্দোলনি। এফালে মনৰ আশা, আনফালে মাকৰ কথা। শেষত সি মনতে ঠিক কৰিলে যে নাদুকীক আনিলেও সুৱাগীক আনিবই। নাদুকীক আঙুঠি পিন্ধোৱা হৈ গল। বিয়াৰ ঘো-জা চলিল। হঠাতে নাদুকীৰ বাপেক মৰিল। বিয়া হুহুকিল। ভগীয়ে ভালেই পালে।

সাতবিহু। বিহু উৰুৱাৰ দিন। কেইবাশ বছৰীয়া বুঢ়া কেন্দুগছ জোপাৰ তলতে সাতখন গাঁৱৰ ডেকা-গাভৰুৱে বিহু মাৰিছে। সুৱাগীও বিহুতলীলৈ আহিছে। নাচিছে। জোনাক নিশা ভগীৰ পেপাঁৰ সুৰে সুৱাগীৰ হৃদয় উন্মনা কৰিছে। নাচি নাচি ঘামেৰে জুৰুলিজুপুৰি-হোৱা কেতেকী বৰণীয়া সুৱাগীৰ মুখখনলৈ চাই ভগীয়ে কলে— "সুৱাগী যাওঁগে ব'ল। আজিয়েই"। আৰম্ভ হল এক নতুন যুৰীয়া জীৱনৰ।

জোনৰ স্নিগ্ধ জোনাক সদায়েই জানো সুন্দৰ কেতিয়াবা এই মিঠা জোনাকতো জ্বলি উঠে প্ৰলয়ৰ অগ্নিশিখা। ভগীৰ এই কাৰ্য্য ঘৰৰ কোনেও ভাল নাপালে। বৰদেউতাকৰ পৰিয়ালটো ভগী আৰু ভগীৰ মাকক এৰি থৈ ৰংদৈ পথাৰলৈ উঠি গল। আনহাতে নাদুকী; আঙুঠি পিন্ধোৱা ছোৱালী কোনে বিয়া কৰাব? নতুবা আঙুঠি ঘূৰাই আনিবলৈ কোন যাব? ঘটনাৰ পাকচক্ৰত পৰি নাদুকীকো বিয়া কৰালে ভগীৰথ ফুকনে।

নাৰী ৰহস্যময়ী। সুৱাগী আৰু নাদুকীৰ সঁতিনী জীৱন আৰম্ভ হল। নাদুকী টুটুকীয়া, কপটী, অজীন পাতকী। সুৱাগীৰ ল'ৰা ছোৱালী কেবাটাও। নাদুকী নিঃসন্তান। লাহে লাহে দন্দ হ'বলৈ ধৰিলে। নাৰীক মনৰ অদমনীয় ঈৰ্ষাৰ্ত সূৰ্পনখাৰ দৰে জ্বলি পুৰি নাদুকী এদিন মাকৰ ঘৰলৈ গলগৈ।

নৈ বৈ যায়। বৈয়ে থাকে। উটি যোৱা পানী উভটি নাহে। একেখিনি পানীতে দুবাৰ গা ধুব নোৱাৰি। পুনৰ নতুন পানী আহে। ইয়াৰ পিছতো বহুত দিন বাগৰি আহিল। ভগীৰ লৰা-ছোৱালী ডাঙৰ হল। নাতি-নাতিনীও দিয়া অন্য হল। সমাজখনত পৰিবৰ্ত্তনেই নহল কিমান। দেশ স্বাধীন হল নামতহে, কামত একো নহল। দিন বাগৰিল। দেশ প্ৰগতি হল? প্ৰাশ্চাত্যৰ দূষিত বতাহে গাৱঁৰ সহজ সৰল জীৱন দূষিত কৰিলে। সকবোপা বিজন ডাক্তৰ হল। পাহৰি গল মাক বাপেকৰ বুকুৰ মৰম। শেষত চকু মেল খালে। এই সকলোবোৰেই নীৰৱ সাক্ষী হৈ ৰল ভগীৰথ আৰু বুঢ়া দিখৌ। নৈ নৈ যায়।

উপন্যাস খনৰ ভাষা, বৰ্ণনা প্ৰভৃতি:

গভীৰ সংবেদনশীলতা আৰু সুক্ষ্ম আত্মদৃষ্টিয়ে উপন্যাসখনিৰ চৰিত্ৰবিশ্লেষণত পাৰদৰ্শিতা অৰ্জন কৰিছে। ভাষা প্ৰাঞ্জল নিভাঁজ গাৱলীয়া শব্দ ৰাজিয়ে উপন্যাসখনিক কেঁচা, সজীৱ ৰূপত গঢ় দিছে। লগতে আছে হিয়াৰ আমঠু যেন বিহুগীত, বনঘোষাৰ চিনাকী সুৰবোৰ। খণ্ডবাক্য, ফকৰা-যোজনা আদিৰ সুব্যৱহাৰে বৰ্ণনাশৈলী অধিক মনোগ্ৰাহী কৰি তুলিছে। উপন্যাসখনিৰ কথাবস্তু উপস্থাপনৰ পদ্ধতি সৰল। নায়ক-নায়িকাই সলনি-সলনিকৈ ভিন্ন পৰিস্থিতিৰ মাজেৰে কাহিনী আগব ঢাই নিছে। উপন্যাসৰ বিষয় বস্তু উপস্থাপনৰ এই পদ্ধতি নতুন। একোটা চিত্ৰপটৰ লগত জীৱনৰ সংগতি কোনো আঁৰ-বেৰ নোহোৱাকৈ মিলি যায় ইয়াৰ ভাষাৰ যোগেদি। যেনে— সুৱাগীৰ ভাষাৰে— "সূতা ছিগাৰ ভাঁও জুৰি, গাটো আগলৈ হাউলাই দি ব দুপাতিৰ ওপৰেদি হাত দুখন পাৰ কৰি সূতা ঘোৰোৱাৰ ভাওঁ জুৰোঁ। মনে মনে ভাৱো মোৰ আৰু তেওঁৰ (ভগীৰ) মনে মনে মিল হোৱা সূতাডালো ইমূৰ সিমূৰ লগ খাইছে। মোৰ তাতঁৰ সূতা ছিগাদি আশা ছিগি যায়। আকৌ মোচোৰা দি লগ লগাও। কেতিয়াবা সূতাডালত আঁউল লাগে। জঁট খায়, আঁত হেৰায়। আকৌ বিচাৰি উলিয়াই যোৰা দিওঁ। সেই যোৰা নিছিগে। মোৰ আশাও যদি এনেকৈয়ে যোৰা খাই তাঁতৰ দীঘবাণিৰ লগত তাৰ খাই মিলি যায়....।"

সমাজ পৰিবৰ্ত্তনশীল। এই পৰিবৰ্ত্তনৰ চিহ্ন নৈ খনেই বহন কৰিছে। ভগীৰ ভাষাত— "নৈখন বৈ আছে। লক্ষণ সলনি হৈছে। বুকুখন বাম হৈ আহিছে। সোঁত কোবাল হৈছে। পাৰত খহনীয়া বাঢ়িছে। মানুহৰ মনতো খহনীয়া, গৰাটো খহনীয়া।... যি সোঁতা চিনাকি পানীত মই জোবোৰা মাৰি গা ধুইছিলো, সি কাহাননিও উলটি নাহে। নতুন এসোঁতা আহিব। সেই নতুন অচিনাকি সোঁতটো বা কেনেকৈ আহে।" ভগীৰ মনত এইয়া আতংকৰেই ইংগিত নহয় জানো?

উপন্যাসখনিত লিখকৰ প্ৰত্যুৎপন্নমতিতাৰো পৰিচয় পোৱা যায়। যেনে— "বিহুমনা চাপৰিত এতিয়া বিহুমনা কাইটৰ সঁচ নাই, বিহুমনা নাই; বিহুমন আছে। বহাগৰ বিহুত— "দুৱাৰ মুখত কাইট দিলে বিপদ বিঘিনী নাহে, সুৱাগী আহিব পাৰিব"— ভগীয়ে কয়।

সুন্দৰ উপমাৰ ফকৰা যোজনা, খণ্ডবাক্য আদিৰ প্ৰয়োগ ৰচনাশৈলীক মনোহাৰীত্ব প্ৰদান কৰিছে। যেনে— 'বিনৈবনৰ গছবোৰ ধানৰ সৈতে একে। একে গছ, একে পাত। ধানৰ সমানে সমানে বাঢ়ে। ধান নিৰাওতে চিনি পালে উঘালি পেলায়। চিনিব নোৱাৰিলে ৰৈ যায়। সমাজতো বিনৈ গজিছে। ধানৰ সমানে সমানে বিনৈগছ বঢ়াদি বাঢ়ি সমাজ ছাটি পেলাইছে।" ইত্যাদি।

সৃষ্টিশীল ৰচনা:—

নৈ বৈ যায়। এক সাৰ্থক সৃষ্টিশীল ৰচনা। এই সৃষ্টিৰ আকুলতা উপন্যাসখনিৰ বহু ঠাইত প্ৰতিভাত হৈছে।

"বহাগ মাথো এটি ঋতু নহয়।" বহাগৰ আগমনৰ লগে লগে সৃষ্টিৰ পৰশত প্ৰকৃতি ঠন ধৰি উঠে। মনবোৰো সজীৱ হৈ উঠে। এটি এটিকৈ বিহুনামবোৰ ওলাই আহে। ভগীৰ মতে "বিহুনামবোৰ মোৰ তেজত মিহলি হৈ আছে।"

দিখৌ নৈৰ পাৰতে গঢ়ি উঠিছে সেন্দুৰীপামৰ সমাজ। — "দুয়োটা গৰাৰ মাজেৰে নৈখন বৈ আছে। কত দিন, কত যুগ বৈ আছে। কত মানুহ আহিছে, কত গৈছে। কতই নতুন সৃষ্টি পাতিছে, পুৰণি হৈছে, চিন নাইকিয়া হৈ গৈছে। নৈ বৈ আছে, নৈ বৈ থাকিব। নৈৰ লগত আমাৰ জীৱন এনাজৰীয়ে মেৰিয়াই থৈছে।"

মাটি আৰু গাৱলীয়া মানুহৰ সম্পৰ্ক নিবিড়। মাটিয়েই মানুহ, মানুহেই মাটি। ভগীয়ে কয়— "এই মাটিডৰা সেই নৈখন, সৌ হাবিখন, এই বিলখন, আমাৰ আপোন, নাড়ীৰ সম্বন্ধ। সেইটো বেলি, সৌ চপৰা ডাৱঁৰ, সেইখন ৰামধেনু, আমাৰ অতি চিনাকি। ডাৱৰ পানীগছা হৈ আকাশলৈ উৰে, মেঘ হৈ বৰষুণ দিয়ে। তৰাং পথাৰ জীপাল হয়। পথাৰৰ বোকা যিমান কোমল, যিমান মিহি হয়, আমাৰ আশাও সিমানেই সতেজ হয়। পথাৰ, মাটি, বোকা আৰু আমাৰ জীৱন একেডাল নাড়ীৰে গোঁঠা।"

নিবিড় সহজ সৰল গ্ৰাম্য জীৱনত জাতিভেদ, ধনী দুখীয়া নাই। নাই সাম্প্ৰদায়িকতাৰ বীজ। সকটি তাতৈ সম্প্ৰীতিৰ প্ৰতীক। সকটি তাতৈৰ গাৱত— "মচজিদত নামাজ পঢ়ে, আজান দিয়ে, জিকিৰ গায়। ৰোজা, ৰেকাত, নামাজ, ফৰজ বিশ্বাস কৰে। কিন্তু বিহুৰ দিনা কাপোৰ কানি, ঢৰা-পীৰা তিয়ায়।

আমাৰ লগতে গৰু গাঁ-ধুৱায়," মেজি পুৰিবলৈ যায়। ডেকা-গাভৰুৰ মাজত সোমাই বিহুনাম গায়। আসন পাতি আইৰ নাম গায়। ভাই দেখা দিলে, আথৈফুল কৰাই দি শৰাই দিয়ে; মাননি দিয়ে" ......।" এইয়াই সম্প্ৰীতি এনাজৰী চেনেহৰ। সৃষ্টিৰ আদিম সত্বাৰে বান্ধ খাই থকা অসমীয়া সমাজ।

আই অসমী বৈচিত্ৰময়ী। সেউজীয়া পোছাকেৰে হিমালয় তনয়া সাজনি-কাচনি। জীৱনৰ বিয়লি বেলাত গভীৰ উপলব্ধিৰ পাৰ ভাঙি নিঃসৰিত হোৱা ভগীৰথ ফুকনৰ সোণসেৰীয়া কথা কেইষাৰ—"এখন গাওঁ, এখন ঠাই, এখন ৰাজ্য, এখন দেশ এনেয়ে কাঠফুলা গজাদি থিতাদহে মাটি ফুটি নোলায়, ওলাব নোৱাৰে। গাওঁখন, ৰাজ্যখন বহুত দিনৰ অভিজ্ঞতা, ঠেকাখুন্দা, লাভ-লোকচানৰ হিচাপ নিকাচ লৈ সৃষ্টি হয়। প্ৰকৃতিয়ে সম্বল দিয়ে, মন দিয়ে, শক্তি দিয়ে। জেঠ-আহাৰ মহীয়া পোনা মাছ পাতত দিয়াৰ গোন্ধ; ঢেকীয়া শাকত পকা খৰিছা দি ৰন্ধা মাছৰ আঞ্জাৰ গোন্ধ; খৰিকা দিয়া, পোৰা মাছৰ পিটিকাত নেমুটেঙা চেপি দিয়াৰ গোন্ধ, জপাৰ পৰা উলিয়াই অনা খাৰ কাঢ়ি সাঁচি যোৱা শালেকটা মুগাৰ ৰিহা-মেখেলাৰ গোন্ধ; শাওঁন ভাদ মাহৰ বোকা ৰ'দত চোতালত কুঁজি থেকেৰা, পকা খৰিছা শুকুওৱাৰ গোন্ধ, তুমি পৃথিৱীৰ আন কতো নোপোৱা। এয়া, আমাৰ জাতিৰ যুগজয়ী সম্পদ।"

□ হাস্যৰসৰ চিটিকনি ঃ

নৈ বৈ যায়। পাৰত খলকনি তোলে। নৈৰ পাৰৰ মানুহবোৰৰ মনটো হাঁহিৰ খলকনি উঠে। ড° গগৈদেৱৰ এই উপন্যাস খনিটো হাস্যৰসৰ চিটিকনি পৰিছে। অৱশ্যে 'বৃকোদৰ বৰুৱাৰ নিয়া', 'নীলা খামৰ চিঠিৰ দৰে ইয়াত ৰসেৰে উপচি চৌচোৱাই থকা হাস্যৰসৰ চৌচোৱনি শুনিবলৈ পোৱা নাযায়, যায় পাহাৰীয়া নিজৰাৰ দৰে জিৰি জিৰি ধ্বনিহে। এই হাস্যৰস আত্মোপলব্ধিৰ গভীৰ ব্যঞ্জনাৰে নিসৰিত ৰসহে। যেন হাঁহিমেই নে কান্দিমেই এনে লগা। ভৰ দুপৰীয়া বৰচোমনিত দামুৰি বিচাৰিবলৈ গৈ ভগীয়ে নৈৰ ঘাটত স্বৰাগীক গা ধুই থকাহে দেখিলে। ভগীৰ ভাষাৰে— "খেতৰে পোৱা দামুৰি বিচাৰিবলৈ গৈ মোৰ মনটোকহে ৰৰখেতৰে পালে।' এৰা, নেপাবই বা কিয়? এদিন গভীৰ নিশা বাট হেৰুৱাই ভগীয়ে স্বৰাগীৰ ঘৰত ওলালগৈ। ভগীৰ নিজৰ মনতে— "এৰা; মোক ৰাতিও পৰুৱাই পাইছে, দিনতো পৰুৱাই পাইছে।" পাবই—। স্বৰাগীও জানো কম আছিল? ভগীৰ সম্বন্ধে মাক বাপেকে পতা কথাবোৰ স্বৰাগীয়ে চকুমুদি টোপনি ভাও জুৰি নাকেৰে নিশাহ এৰি মনে মনে শুনি আছিল।

আশা, যাৰ নাম মৃত্যুঞ্জয়। স্বৰাগীৰ ধন নাই সচাঁ, মন আছে। অৱদমিত আশাবোৰ দমাব নোৱাৰি- "বৰঘৰৰ ভিতৰত মনে মনে ওৰনি লৈ চাইছিলো, পিছ মুহূৰ্ত্তত লাজ লাগি গৈছিল।- স্বৰাগীয়ে কয়। ভগীয়েতো ভাৱেই—বহাগৰ বিহুত "দুৱাৰ মুখত কাইট দিলে বিপদ বিঘিনি নাহে, স্বৰাগী আহিব পাৰিব।" বিছতলীত স্বৰাগীক দেখি ভগীৰ মনটো কেনেকুৱা লাগিছিল যে— "চেং চেং ভক্ ভক। এৰা, যৌৱনৰ চাকনৈয়াত পৰা ডেকালৈ কি আহুদি লাগিছে? নাদুকীতো আছেই। ভগীয়ে কয়— "বনৰীয়া হাতী ধৰি বশ মনায়। বইঠ্ বুলিলে বহে, মাইল' বুলিলে উঠে। মইহে নাদুকীক বলাব নোৱাৰিলো। নাদুকী মোৰ জীৱনলৈ আৱতৰীয়া বেঙেনা অহাদি আহিছিল। বেচেৰী!

দিন কাল সলনি হল। ঘৰখনৰ মানুহগৰাকীৰ হাততেই সকলো চাবি কাঠি। তেওঁকে লৈ পৰিয়ালৰ সকলো মৰণাৰ গৰুৰ দৰে ঘূৰি থাকে। "মৰণাৰ গৰুক মোখোৰা দিয়াৰ দৰে আজিকালি, ঘৈণীয়েকে মতাটোক মোখোৰা দি থয়। সঁচা কথাটো এষাৰ মাতিব নোৱাৰে।" এইয়া ভগীৰ কথাহে।

□ লোক সংস্কৃতিৰ বহঁঘৰা ঃ

সংস্কৃতি সমাজৰ দাপোন। ই এটা জাতিৰ জীৱনৰ ধাৰা। সংস্কৃতিয়েই জীৱন যাত্ৰাৰ আদৰ্শ আৰু পথ। 'নৈ বৈ যায়' উপন্যাস খনি লোক-সংস্কৃতিৰ ভৰত দোঁ খাই পৰিছে। সেইফালৰ পৰা ইয়াক লোক সংস্কৃতিৰ বহঁঘৰা বুলিব পাৰি। উদাহৰণ স্বৰূপে—

মাঘ মাহত খামচৈয়া সোণালী পথাৰৰ ধান দাই শেষ হৈছে। ভগীয়ে পথাৰৰ পৰা লখিমী আনিছে। কাকো মতা নাই। "বাটত লখিমী আনোতে কথা



পাতিব নেপায়।" মাঘৰ বিহু। তামোল পান এটা মেজিত দি সেৱা কৰি ভগীয়ে মনতে মানস কৰিছে "অগ্নিদেৱতা, মোক ৰাখিবা। মহটোক জিকাই দিবা। স্বৰাগী যেন মোৰ হাতৰ পৰা হাৰি যাব নোৱাৰে।" এয়া, অসমীয়া সমাজৰ বিশ্বাস।

মাঘৰ বিহুৰ মেজি জ্বলোৱাৰ দিনা পথাৰত মহ যুজ হোৱাতো পৰম্পৰা। তাহানি আহোম স্বৰ্গদেউ সকলে ৰংঘৰত বহি ম'হযুজ, শেন যুঁজ চাইছিল। ভগীৰ মহ'টো কলিমনৰ মহটোৰ লগত যুঁজ হৈছিল। ইটো ম'হে সিটো ম'হক কাচিছে। ভগীৰ ম'হ জিকিল। গোটেই দিনটো ম'হৰ যুজেই হৈ থাকিল।

শিপিনীয়ে বুঢ়া বিচুকৰমক স্তুৰঁৰি তাঁত বয়। পূৰ্ণিমাত তাঁত কাটিব নেপায়। মাঘ বিহুত ছোৱালীবোৰে 'মাঘ নোৱাৰলৈ নেযাবি', খোপা খোপে লাগিবি" বুলি লাগনী গছবোৰ খেৰৰ জৰীয়ে বান্ধে।

এনে অলেখ উদাহৰণেৰে থুপ খাই আছে উপন্যাসখন। গৰু বিহুৰ দিনা পুৱা গৰু গোহালিত শুই থাকিলে পানী তাকৰীয়া হয়, থিয় হৈ থাকিলে বানপানী হয়, নাহৰ পাতত মন্ত্ৰ লিখি বহাগ বিহুত বেৰত গুজি থলে বজ্ৰপাত নপৰে। মুখচোকা শিপিনীৰ ব-চুঙাৰে গগনা সাজিলে মাত ডাঙৰকৈ দিয়ে। মূগাচোঙীয়াই এমাহ ব্ৰতত থাকিব লাগে, খৰাং বতৰত বৰষুণ হবলৈ পথাৰত নাঙল, ঢেঁকী ওভোটাই পোতা, ভেকুলীৰ বিয়া পতা, বহাগ বিহুত এশ এবিধ শাক খোৱা, ঢাপেদি বগা পাগুৰীয়ে গৈ থকা সোৱা বুঢ়া ডাঙৰীয়া আদি অনেক লোকবিশ্বাসৰ কথাই দোৰোল খাই পৰিছে এই অনুপম উপন্যাসখনিত।

উপন্যাসখনিৰ নাৰী চৰিত্ৰ ঃ

উপন্যাসখনিৰ নাৰী চৰিত্ৰৰ ভিতৰত নায়িকা স্বৰাগীৰ চৰিত্ৰটোৱেই স্পষ্টভাৱে পৰিস্ফূত হৈছে। সুৱাগী শান্ত, ধীৰ। সুৱাগীৰ মনত যৌৱনৰ চঞ্চল উন্মাদনা নাই-আছে সুগভীৰ প্ৰেম, ভালপোৱা। ভগীয়ে প্ৰথম বৰচোমনিৰ পৰা জোকোৱা দিনা সুৱাগীৰ মনো পৰশি গৈছিল। পিছ মুহূৰ্ত্তত উপলব্ধি কৰিছিল— "ভাৱিছিলো, আমাৰ নিচিনা টোকোনা মানুহৰ ছোৱালী ফুকনৰ ঘৰলৈ নিবনে? ডেকা ল'ৰা, মুখ চুপতি মাৰিছে, নতুবা পানী খেলি সোঁত চাইছে।" সুৱাগী দুখীয়া। সুৱাগীয়ে বুজে যে সিহঁত বৰৈফুকনৰ ঘৰৰ জোৰৰ নহয়। ভগীয়ে বিহুগীতেৰে জুকলি বোৱাইছে। সুৱাগীয়ে ভাৱে—"মই কি কৰিম? যিমানৰ মানুহ সিমানত থাকিব লাগে। ধন নাই, সচাঁ, মন আছে।"

সুৱাগী গাৱঁৰ ছোৱালী। মাক-বাপেকলৈ শ্ৰদ্ধা আৰু মৰম বেলেগ। সিদিনা মাকৰ লগত মহায়েকৰ ঘৰৰ পৰা আহোতে ভগীয়ে বৰচোমনিৰ পৰা জোকাইছে। সুৱাগীৰো বিহুনামেৰে উত্তৰ দিবৰ মন গল। কিন্তু— 'লগত আই আছিল। জুটুলী পুটুলী হলেও আই। মই আইৰ পেটৰ পোৱালী; মানুহে কি বুলিব?" সুৱাগী ধীৰ, স্থিতপ্ৰগা, আত্মমৰ্য্যদা সম্পন্ন নাৰী। সুৱাগীৰ মতে—"আই বোপায়ে যদি ৰাইজৰ দেখা-শুনাকৈ দিব খুজিছে, মই পলাই যাম কেলৈ?"

নাদুকীৰ আৱিৰ্ভাৱে উপন্যাসখনৰ কাহিনী জটিল পৰ্য্যায়লৈ লৈ গৈছে। ভগীৰ লগত নাদুকীৰ বিয়া ঠিক হলত নাদুকীৰ মাকে কোমল চাউল উলিয়াই দিবলে' কবলৈ সুৱাগীহঁতৰ ঘৰলৈ আহিল। গঞা মানুহ চাউল উলিয়াই দিবই লাগিব। সুৱাগীও তেজ মঙহৰে মানুহ। "তেওঁৰ লগত নাদুকীৰ বিয়া। কোনটো সতেৰে মই ধান বঢ়াই চাউল উলিয়াও। ধানবোৰ সিজি ফটাৰ আগতে মই মানুহজনী সিজি, বুকু ফাটি যাওঁ যেন হব।' প্ৰেমৰ এই পাই হেৰুৱা বেদনা সচাঁই মৰ্মান্তিক।"

বিয়া হৈ গল। স্বৰাগীৰ মনৰ আশা পূৰ হল। সিপিনে নাদুকী আঙুঠি পিন্ধি বোৱাৰী হ'বলৈ ঠেং দাঙি আছে। তাকে লৈ ঘৰত অশান্তি। স্বৰাগীয়ে মনে মনে ভাৱে— "উইচিৰিঙাৰ মৰিবলৈকে পাখি গজে।" ভগীয়ে মনত কষ্ট পোৱাটো স্বৰাগীয়ে সহিব নোৱাৰে। "কাম কৰিবলৈ মোৰ ভয় নাই। ভয়, একেখন হৃদয়ক মই দুভাগ হ'বলৈ দিব নোৱাৰো।" ই নাৰী মনৰ স্বভাৱজাত অনুভূতি। হৃদয়ৰ টান। স্বৰাগীৰ মনটো মুকলি। সমাজৰ বিভেদকামী নীতি নিয়মবোৰ দেখি স্বৰাগীৰ মনত ক্ষোভ— "মানুহবোৰৰ আচাৰ আছে, বিচাৰ নাই।"

নাদুকী, স্বভাৱত চঞ্চল, কপটীয়া, অজীনপাতকী। নাদুকী আহিব দিনাখনৰে পৰা ঘৰখনত

শান্তি নাই। তাই ঈৰ্ষাপৰায়ণা। নাহুকীৰ লৰা-ছোৱালী নাই। সুৱাগীৰ কেবাটাও। নাৰীয়ে পুৰুষৰ সমস্ত হৃদয় বিচাৰে। ভাগ হোৱাটো নিবিচাৰে। অত্যন্ত প্ৰতিহিংসা আৰু ঈৰ্ষাৰ দাবানলত দগ্ধ হৈ নাহুকী এদিন গলহে। ভগীয়ে তাইক মাটি-ডৰা-চেৰেক দিব খুজিছিল। তাই কলে—"মাটি মোক কেলেই? মাটিয়ে মোক খাবনে মইয়ে মাটি খাম।"

উপন্যাসখনিৰ নাৰী চৰিত্ৰ কেবাটিও। ভগীৰ মাক বিধৱা। গিৰিয়েক ঢুকুৱাৰ দিন ধৰি ভগীক জাককৰা পৰিয়ালত তুলি তালি ডাঙৰ দীঘল কৰোতে নাকনি-কাকনিকৈ শিকিলে। মাকে নিজৰ পুত্ৰক কেতিয়াও দোষ দিব নিবিচাৰে। ভগী আৰু সুৱাগীৰ কথা ওলাই গলত ভগীৰ মাকে কৈছে—"বৰচোমনিত মুগা পুহিবলৈ গৈ ই ল'ৰা গুচিল। এই পাৰে ই, সিপাৰে তাই। পানীঘাটত গা-দেখুৱাই গা-দেখুৱাই ইয়াক বলিয়া কৰিলে।" আকলশনীয়া এইগৰাকী নাৰীৰ মনৰ দৃঢ়তা উল্লেখনীয়। বৰদেউতাকৰ পৰিয়ালটোৰে ভগীক এৰি থৈ যোৱাত দৃঢ়মনা মাকে কৈছে—'সেওঁ হলে গকা-ধানেও বাট দিয়ে, এতিয়া সকটি হৈ সৰকিব লাগিব। বৰ কথা নকৰি, ওপৰলৈ পানী নাছটিয়াবি।"

আনকালে সুৱাগীৰ মাক। ওৰেটো জীৱন কানীয়াৰ লগত কটাই কটাই সজ হৈ গৈছে। ঘৰখনত এজনী ভৰুণ গাভৰু। "জীয়েকৰ মনৰ কথা মাকেহে বুজে।" জীয়েকক উলিয়াই দিবলৈ মাকৰ কিমান হেপাঁহ! গিৰিয়েক কানীয়া। ঘৰখনৰ একো খবৰ খাতি নলয়। শেহত মাকে সুৱাগীক ক'লে—"মই তোক দহমাহ দহদিন ভাৰ বৈ ছমাহ গু-কালি ধুই ডাঙৰ কৰিলো। এতিয়া পাখি গজিল। উৰণীয়া হলি। উৰি-যা।" মাতৃ হৃদয়ৰ এই বেদনা বৰ অসহ্যকৰ।

ইয়াৰোপৰি কেতেকী, তগৰ, লয়নী, বনপিঠাগুৰিৰ পেহীদেউ আদি নাৰী চৰিত্ৰ সমূহত অতি কম সময়ৰ বাবে হলেও নাৰীত্বৰ মহত্ব উজ্বলি উঠিছে।

□ ফঁকৰা যোজনা, খণ্ডবাক্য আদিৰ প্ৰয়োগ :—

বুৰঞ্জীবিদ ড° গগৈদেৱে অনেক বুৰঞ্জীমূলক উপমা, খণ্ডবাক্য, ফ'কৰা-যোজনা, পটন্তৰ আদিৰ প্ৰয়োগে উপন্যাসখনিৰ ৰচনাশৈলী অধিক মনোগ্ৰাহী কৰি তুলিছে। একোটি জটিল পৰিস্থিতিকো একোটা যোজনাই সহজে আউল ভাঙি দিছে। লোকগীত, বনঘোষাৰ সুপ্ৰয়োগে সোণত সুৱগা চৰায়ছে।" "বোকাতহে পদুম ফুলে, লুইতেহে জানে বঠা কিমানলৈ বহে, ময়দাৰ হাতীৰে ওদালৰ ডোল ছিঙিবই, সৰহীয়াৰ নাওঁ বাঁমেৰেও যায়, সৰিয়হৰ জনম ধৰিলে বেতেৰীৰ চেপা খাবই লাগিব, হাতীৰ দাঁত এবাৰহে ওলায়, আদা কলে ঠেঙুলি ভাঙিবই লাগিব, যুজঁৰ কুকুৰা যুজঁত মৰে, তেজধুলে উটে, মঙহ ধুলে নুটে; একে গাঁতেতে দুবাৰ আলু নুকৰে, লালুকীলৈ কি তপত পানী লাগিছে? পানীত জীয়াই থাকিব লাগিলে ঘঁৰিয়ালৰ লগত যুঁজ কৰি লাভ নাই, আদিৰ সুপ্ৰয়োগে উপন্যাসখনিৰ ভাষাত বিশিষ্টতা প্ৰদান কৰিছে।

□ সামৰণি :—

নৈ বৈ যায়। নিছিগাধাৰে দিখৌ বৈ আছে। বৈ থাকিব। এটা শতাব্দী জোৰা সামাজিক জীৱনৰ উত্থান-পতন লক্ষ্য কৰিছে ভগীৰথ ফুকনে। দেশৰ প্ৰগতি হৈছে। সমাজৰ চিন্তাধাৰাৰ পৰিবৰ্ত্তন হৈছে। কিন্তু ইয়াৰ মাজতো ক'ৰবাত বিষধৰ সাপ সোমাই আছে। পো-জীৰ, নাতি-পুতিৰ সীমাহীন সুখ-স্বাচ্ছন্দ্য দেখিও ভগীৰথ ফুকনে শান্তি পোৱা নাই। কৰবাত কেণা লাগিছে। অতীতৰ পৰা নিৰবছিন্ন ভাৱে বৈ থকা দিখৌৰ পানীখিনিৰ কৰবাত যেন দূষিত হৈ গল। এয়ে উপন্যাসখনিৰ সাৰ কথা। ●

"লাও তল যাব, শিল ওপঙিব, কোৱা বগা হ'ব, বগা ক'লা হব, ব্ৰহ্মপুত্ৰ উভটি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে।"
— দেওধাই অসম বুৰঞ্জী — ১৫০ পৃষ্ঠা



**প্ৰবন্ধ**

# বিশ্বজনীন ভাৱ-ধাৰাত

## ধৰ্ম আৰু বিজ্ঞান

—প্ৰদীপ কুমাৰ চেতিয়া ফুকন

আমি যাক বিশ্বজনীন ধৰ্ম বুলি কওঁ; একে দিনাই হোৱা নাই। বহুতো যুগৰ সাধনাৰ মূৰত কোনো এক মহাত্মাৰ যোগেদি বিশ্বজনীন আদৰ্শ লৈ বিভিন্ন ধৰ্মৰ জন্ম হয়। হিন্দু, বৌদ্ধ, খৃষ্টিয়ান, ইছলাম, জৈন আদি যিয়েই নহওক লাগে প্ৰত্যেক ধৰ্মৰ মূলতে ধৰ্মবাদৰ কথা চিন্তা কৰা হয়। অৱশ্য হিন্দু ধৰ্মৰ প্ৰৱৰ্ত্তক কোন সঠিককৈ কব নোৱাৰি। ধৰ্ম মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। পৃথিৱীৰ বুকুত প্ৰথম যিদিনা মানুহৰ আৱিৰ্ভাৱ বা উৎপত্তি হল; সেই দিন ধৰি আজিলৈকে মানৱজীৱনৰ আৰু সভ্যতাৰ ইতিহাসৰ ধৰ্মই এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। মেক্সমুলাৰৰ দৰে পণ্ডিতে এনে মত পোষণ কৰিছে যে, মানৱ জীৱনৰ প্ৰকৃত ইতিহাস ধৰ্মৰ ইতিহাস। মানৱ অভিজ্ঞতাৰ এক বিৰাট অংশ ধৰ্ম অভিজ্ঞতা। আধুনিক বিজ্ঞান নৃতত্বৰ এটা প্ৰধান বিষয় বস্তু হ'ল ধৰ্ম। সৃষ্টিৰ আদিম কালৰে পৰা যি ধৰ্ম অবিনাশী আৰু অক্ষয় ভাৱে সমগ্ৰ পৃথিৱীত প্ৰৱৰ্তিত হৈ আহিছে। ঋষি-মুনি, সন্ত সাধু, মহামানৱ মহাপুৰুষ সকলে গভীৰ সাধনা আৰু উদাৰ বাণীৰে যি ধৰ্মৰ প্ৰৱাহ, প্ৰৱাহিত কৰি তুলিল, জগতে গভীৰ আধ্যাত্মিক দৃষ্টি, উদাৰতা, সাৰ্বজনীনতা, জ্ঞান-বিজ্ঞান, দৰ্শন, সাহিত্য, নৃত্য-গীত আৰু কলা সৃষ্টিয়ে যি ধৰ্মৰ বেদী চিৰকালৰ নিমিত্তে প্ৰানোদীপ্ত কৰি তুলিলে; সেই বিলাক যেন আজি নানা কাৰণত ঘূণে ধৰিছে।

আজি মানৱজাতি এক সাংঘাতিক সংঘৰ্ষৰ যুগত উপনীত হ'ব লগাত পৰিছে। আমাৰ সমাজত সত্য অসত্যৰ, পাপ পূন্যৰ, ভাল বেয়াৰ সংঘৰ্ষ চলি অহাৰ উপৰিও প্ৰাচীন পৰম্পৰা আৰু বৈজ্ঞানিক চিন্তাৰ মাজত প্ৰৱল সংঘৰ্ষ সংঘটিত হ'ব লাগিছে। এনেবিলাক কাৰণৰ বাবেই হওঁক বা আৰ্থসামাজিক বিপৰ্য্যয়ৰ কাৰনেই হওঁক আমাৰ সমাজৰ মাজত বিভেদ সৃষ্টি হৈছে। অন্ধকাৰ বা অজ্ঞানতাৰ মুল কাৰণ লোভ, মোহ, কাম, ক্ৰোধ, দম্ভ, অহঙ্কাৰ, ঘৃণা, স্বাৰ্থপৰতা, পৰশ্ৰীকাতৰতা, আদিৰ ভাৱ মনৰ পৰা দূৰ কৰি জ্যোতি তথা জ্ঞানৰ সহায়ত বিশ্বজগতক শান্তিৰ বিৰাজ কৰাৰ অৰ্থে চিন্তা কৰাৰ সলনি কেতিয়াবা জীৱশ্ৰেষ্ঠ মানৱে পশুত্বৰ আচৰণ দেখুৱায়। ধৰ্মৰ প্ৰকৃত ধাৰণা সম্যক ভাৱে উপলব্ধি কৰিব নোৱাৰাৰ বাবেই পৃথিৱীৰ মানৱ জাতিয়ে বিভিন্ন সময়ত ধৰ্মৰ নামত সূৰ্য্য চন্দ্ৰ, ইন্দ্ৰ অগ্নি, বায়ু, বৰুণ, পৃথিৱী, সাগৰ, গছ, লতা, সাপ, শিল, পুতলা আদি পূজা কৰি ধন, ৰত্ন, ৰূপ, স্বাস্থ্য, শিক্ষা, বল, বিক্ৰম লাভ কৰাৰ-উপৰিও কেতিয়াবা ইন্দ্ৰিয় সমূহৰ পৰিতৃপ্তিৰ লালসা কৰিবলৈ পিচ হুহঁকা নাই।

বৰ্তমান যুগ হৈছে বৈজ্ঞানিক যুগ আৰু যান্ত্ৰিক যুগ। পশ্চিমীয়া দেশ সমূহত বিজ্ঞানে অতি আচৰিত আৱিষ্কাৰ সমুহ কৰিব লাগিছে। যাৰ ফলত মানুহেই জগতৰ সৰ্বময় কৰ্তা এই ভাৱ পৰিলক্ষিত হৈছে। এই যান্ত্ৰিক আৰু বৈজ্ঞানিক সভ্যতাৰ প্ৰভাৱ ভাৰতীয় সকলৰ মনতো সময়ে সময়ে প্ৰভাম্বান্বিত কৰি নহাকৈ থকা নাই। আধ্যাত্মিক জ্ঞানৰ দেশ বুলি খ্যাতি লাভ কৰা ভাৰত ভূমিত আজি বৈজ্ঞানিক চিন্তা ধাৰাৰে পৰিপুষ্ট হৈ উঠিছে। সেই নিমিত্তে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে মানুহৰ মনত সন্দেহৰ ভাৱ সঞ্চাৰ হোৱাতো অস্বাভাৱিক কথা নহয়।

আধুনিক যুগত বস্তুবাদী সভ্যতা-সংস্কৃতিয়ে আমাৰ মনত ইমান গভীৰ প্ৰভাৱ পেলাইছে যে এখন দেশৰ ঐতিহ্য ৰক্ষা আৰু উন্নতিৰ কাৰণে যে ধৰ্মীয়

নৈতিক আৰু জাতীয় শিক্ষাৰ নিতান্ত প্ৰয়োজন সেই কথা পাহৰি পেলাইছো।

বৰ্তমান ক্ৰমবৰ্দ্ধমান বৈজ্ঞানিক ভাৱধাৰা আৰু বিভিন্ন দৰ্শনে আমাৰ মাজত সুমুৱাই দিয়া আধ্যাত্মিকতাৰ খেলি-মেলিবো অন্যতম। ধৰ্ম সদায় দৰ্শনৰ দৰে যুক্তি আৰু সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত আৰু বিজ্ঞানৰ দৰে প্ৰমাণ বুলি আমি প্ৰায় ভাগে ভবাৰ থল আছে। ধৰ্মৰ স্থান দৰ্শন আৰু বিজ্ঞান সকলোৰে ওপৰত বুলি কলেও বঢ়াই কোৱা নহব। বহুতো মনীষীয়ে ধৰ্মৰ ধাৰণা বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল বুলি ব্যাখ্যা দিলেও বৈজ্ঞানিক সত্যৰ দৰে ন্যায়িক যুক্তিৰ অভাৱ হলে, বিশ্বজগতৰ হিত সাধন কাৰী ধৰ্মৰ সৃষ্টি অসম্ভৱ। বিজ্ঞানে উন্নতি কামী বিশ্বৰ শান্তি, শৃংখলা আৰু উন্নতিৰ ভালেখিনি আহিলা যোগান ধৰিলেও এই বিজ্ঞানেই মানৱ জাতিক যোগান ধৰা কেতবোৰ আহিলা সময়ত বিশ্বৰ ধ্বংসৰ কাৰণ হৈ পৰাৰ পৰিলক্ষিত হৈছে। বিজ্ঞানে মানুহক যিমান খিনি শক্তি আৰু ঐশ্বৰ্য্যৰ প্ৰকৃত ব্যৱহাৰৰ কাৰণে মানুহক দিছে; মানুহ সিমানেই সামৰ্থ্যহীন আৰু স্বাৰ্থপৰায়ণ হবলৈ ধৰিছে। ইফালে ধৰ্মৰ নামত মানৱ সমাজৰ এক শ্ৰেণীয়ে জাত-পাতৰ বিচাৰ কৰি ধৰ্মক এক জটিল ৰূপে বিশ্বৰ আগত ভাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। কিন্তু প্ৰকৃত ধৰ্মীয় অনুশাসনে মানুহক সামৰ্থ্যযুক্ত আৰু পৰম ঐশ্বৰ্য্যৰ অধিকাৰী কৰি সমগ্ৰ বিশ্বৰ দেশবিলাকক একাত্ম হৈ জীয়াই থকাৰ শিক্ষাহে দিয়ে। মানৱ জাতিৰ বিকাশৰ প্ৰথম পৰ্য্যায়বোৰত ধৰ্ম আছিল "বিজ্ঞান সমূহৰ বিজ্ঞান"।

অৱশ্য এই কাৰণে নহয় যে প্ৰাচীন দাৰ্শনিক সকলৰ এক অনন্য গুণ আছিল। ইয়াৰ কাৰণ আছিল এইটোৱেই যে বৈজ্ঞানিক জ্ঞান দুৰ্বল ভাৱে বিকশিত আৰু নিচেই প্ৰাৰ্থমিক পৰ্য্যায়ত আছিল। ক্ৰমশঃ মানুহৰ জ্ঞান প্ৰসাৰিত হোৱাৰ লগে লগে বিজ্ঞানে বেলেগে বেলেগে ভুমুকি মাৰিলে; প্ৰথমতে প্ৰাকৃতিক বিজ্ঞান, গণিতশাস্ত্ৰ, পদাৰ্থবিদ্যা, জ্যোতিবিদ্যা, ৰসায়ন, ভূতত্ব, জীৱবিদ্যা আৰু তাৰ পিছত সমাজ আৰু মানুহ সম্পৰ্কীয় বিজ্ঞান মনস্তত্ব, ইতিহাস, অৰ্থনীতি ইত্যাদিয়ে দেখা দিয়ে। জীৱন, মৃত্যু, সুখ আৰু জীৱনত কোন পথ বাছি লব লাগে। তেনেহলে আমি দাৰ্শনিক হৈ পৰো বা ধৰ্মৰ কথা চিন্তা কৰো অথবা বিজ্ঞানেই ইয়াৰ উত্তৰ দিব পাৰিব নেকি; এই বিলাক প্ৰশ্নৰ সম্পৰ্কে আমি ভাৱিবলৈ বাধ্য নহওঁনে?

আধুনিক বিজ্ঞান সমূহৰ অধ্যয়ণতো যুক্তি তৰ্কৰ আৱশ্যক। বিজ্ঞানে পৰিদৃশ্যমান জগতৰ বিভিন্ন বস্তু সমূহৰ অধ্যয়ণ কৰোঁতে যুক্তিৰ উপৰিও বাস্তৱ প্ৰমাণৰ প্ৰশ্ন নুঠে। ধৰ্মৰ ভিতৰুৱা যিবিলাক ধাৰণা, বিশ্বাস, নীতি-নিয়ম আদি আছে। সেই সকলৰ মনোবৈজ্ঞানিক আধাৰ আৰু আদৰ্শৰ অনুশীলনেই হ'ল ধৰ্মৰ দৰ্শন। আনহাতে ধৰ্মবিজ্ঞান বুলি কলে ধৰ্মৰ শ্ৰেণী বিভাগ আৰু ইয়াৰ অন্তৰ্ভূক্ত ধাৰণাৰ বিশ্বাস আদিৰ বিশ্লেষাণত্মক কথা আহি পৰে। আকৌ ইহুদী সম্প্ৰদায়ৰ নয়নৰ মনি স্পিনজা" ও আছিল এগৰাকী ধৰ্ম প্ৰান ব্যক্তি। তেওঁ ঘোষণা কৰিছিল— ধৰ্ম শাস্ত্ৰত প্ৰতিটো উক্তিয়েই আক্ষৰিক ভাৱে সত্য বুলি ধৰিলোৱাতো পৰিচয় হল, অজ্ঞ মানুহৰহে; যি উৎপত্তিৰ কাৰণ নাজানে। স্পিনজা'ৰ দৰে আইনষ্টাইনৰ মতেও, প্ৰকৃতিয়েই হল ভগবানৰ প্ৰতিভূ। তেওঁ কৈছিল যে সাধাৰণ— মানুহৰ কল্পনাত ঈশ্বৰ হল এনে এক সত্তা যাৰ কৃপাদৃষ্টিত মানৱ জাতিৰ উপকাৰ হয়। কিন্তু বিজ্ঞানীৰ ধৰ্মানুভূতিত লুকাই থাকে প্ৰকৃতিৰ বিৰাট মানুহৰ ৰূপক সত্যৰূপে বুজিবলৈ কৰা আপ্ৰান চেষ্টাতেই। আইনষ্টানে কৈছিল— মই নিজে বিশ্বাস কৰোঁ যে মহাজাগতিক ধৰ্মীয় ভাৱনাই হল বৈজ্ঞানিক গৱেষণাৰ বাবে আটাইতকৈ শক্তিশালী আৰু মহৎ প্ৰেৰণা। বিজ্ঞান সংঘবদ্ধ জ্ঞানৰ প্ৰতীক। ই নিশ্চিত সত্যৰ সন্ধানী। প্ৰকৃতিয়ে কেনেভাৱে আচৰণ কৰে, পৰীক্ষা আৰু যুক্তিৰ সহায়েৰে ই তাক স্ফুট ফটিয়াকৈ জানিবলৈ বিচাৰে। জানিব পাৰি যে পৃথিৱীৰ সকলো দেশৰ সামন্ত যুগৰ দৰে য়ুৰোপৰ সামন্তযুগটোও আছিল বিশ্বাসৰ যুগ। এই যুগত ধৰ্মৰ প্ৰভাৱ অত্যন্ত প্ৰবল; সেয়ে বিজ্ঞানে এই যুগত বিশেষ স্থান পোৱা নাছিল। বিজ্ঞান চৰ্চা কৰাৰ অপৰাধত ব'জাৰ বেদনা যাজক সম্প্ৰদায়ৰ সন্দেহৰ পাত্ৰহৈ পৰিছিল। গণিত আৰু জ্যোতিবিজ্ঞানৰ ওপৰত যাজক সকলৰ আস্থা নাছিল। ক'পাৰনিকাছ, গেলিলিঅই গীৰ্জাৰ গঞ্জনা সহ্য কৰিব লগীয়া হৈছিল। সামন্ত যুগীয় চিন্তাচৰ্চাৰ পৰা উদ্ধাৰ পাবলৈ সোতৰ শতিকাৰ পৰ্য্যন্ত বিজ্ঞানে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। অকল পদাৰ্থ বা জ্যোতিবিজ্ঞানেই নহয়, বিজ্ঞানৰ অন্য শাখা বিলাকতো ধৰ্মৰ লগত কন্দলত লিপ্ত হবলগীয়া নোহোৱাকৈ থকা নাই। মৃত মানুহৰ শৰীৰ কটা-চিঙা অপৰাধত চিকিৎসা বিজ্ঞানৰ "এনাটমি শাখাটোৰ জনক ভেছেলিয়ছৰ ওপৰত নৰহত্যাৰ অভিযোগ অনা হৈছিল। কিন্তু সোতৰ শতিকাৰ শেষৰ ফালে বিজ্ঞানৰ ওপৰত ধৰ্মৰ হেতা ওপৰা যথেষ্টখিনি কমি আহিল। সোতৰ শতিকাত বিশেষকৈ ইংলেণ্ডৰ নিউটন, বইল, কেভেণ্ডিছ, হাৰ্ভে প্ৰমূখ্য কেইবাগৰাকী প্ৰতিভাশালী বিজ্ঞানীৰ জন্ম হয়। আধুনিক সভ্যতাৰ প্ৰায় সকলোবোৰ অৱদানৰ বাবে সময়ে সময়ে জন্ম হোৱা পৃথিৱীৰ আধুনিক বিজ্ঞানৰ বিজ্ঞানী সকল ধৰ্ম বিৰোধী নাছিল। বৰং কেপলাৰ প্ৰমুখ্য কোনো কোনো বিজ্ঞানী অতিশয় ধৰ্ম প্ৰানা লোক আছিল। কিন্তু তেওঁলোকৰ কাৰ্য্যৱলীত যি উদ্দেশ্য নিহিত আছিল; সি আছিল ধৰ্মীয় উদ্দেশ্যৰ বিপৰীত। ধৰ্মৰ ভেঁটি হল বিশ্বাস, কিন্তু বিজ্ঞানী সকলৰ কাৰ্য্য কলাপবোৰৰ ভেঁটি আছিল যুক্তি আৰু পৰীক্ষা। এনে বিলাক কাৰণত বিজ্ঞানী সকল নিজে ধৰ্মবিৰোধী নহলেও ধৰ্মৰ লগত লাহে লাহে বিজ্ঞানৰ এক তীব্ৰ সংঘৰ্ষৰ আৰম্ভ হৈ আহিছে।

আধুনিক বিজ্ঞানৰ নৱ-নৱ আৱিস্কাৰে ঈশ্বৰ বিশ্বাসৰ ওপৰত আঘাট হানিছে। আজি জল, স্থল, বায়ু আদি সকলোতে বিজ্ঞানৰ জয়যাত্ৰা চলিছে। মানৱে আৱিস্কাৰ কৰিছে শ-শ বিস্ময়কৰ বস্তু। আজি কৃত্ৰিম উপগ্ৰহৰ আৱিস্কাৰে মানুহক লক্ষ-লক্ষ কিলোমিটাৰ দূৰৰ বস্তু টেলিভিছনৰ সহায়েৰে ঘৰতে বহি উপভোগ কৰিব পৰা কৰিছে। আকৌ অন্যহাতেদি বিজ্ঞানে আনি দিছে মানৱৰ বাবে ভয়ঙ্কৰ দিন।

সূক্ষ্মভাৱে বিচাৰ কৰিলে বিশ্বপ্ৰকৃতিৰ জড় আৰু শক্তিৰ একমাত্ৰ বাস্তৱ সত্তা নহয়। বিজ্ঞানৰ জগত ধৰ্মৰ কোনো বিভেদ নাই। বৰং পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। সেয়ে মহামতি আইনষ্টাইনে কৈছিল— "ধৰ্মক বাদ দি বিজ্ঞান খুৰা আৰু বিজ্ঞানক বাদদি ধৰ্ম অন্ধ। ধৰ্মহীন বিজ্ঞান আৰু বিজ্ঞানহীন ধৰ্মই মানুহৰ শুভবুদ্ধি উদয় হোৱাত ব্যাঘাত জন্মায়। সেইবাবে আজি বিজ্ঞানৰ জগতে মানৱ ধৰ্মকো স্থান দিয়া হৈছে। □

বিজ্ঞানে মানুহৰ চিন্তা শক্তি এনে ভাৱে বৃদ্ধি কৰিছে আৰু শাৰীৰিক শ্ৰম এনেভাৱে কমাই তুলিছে যে এসময়ত মগজুৰ বৃদ্ধি হৈ হৈ মানুহৰ মুৰটো ডাঙৰ হৈ পৰিব আৰু হাতভৰিৰ চালনা নোহোৱাৰ বাবে চিয়া হৈ কেঙ্গেকৰ আগঠেং দুখনৰ দৰে হ'বগৈ আৰু শেষত মানুহটো হৈ পৰিব কুষ্মাণ্ডসদৃশ।

— ডাৰউইন

# "টুযু - পৰৱ" সম্পৰ্কে এভুমুকি


— গণেশ কুৰ্মি

স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)


'টুযু-পৰৱ' চাহ জনগোষ্ঠিৰ মাজত একতা, আত্মীয়তা, সহৃদয়তাৰ ভাৱ জগাই তোলা এক বিশেষ জাতীয় - উৎসৱ। খেতি সামৰাৰ শেষত ; অৰ্থাৎ, ভাদৰ মাহৰ শুক্লা একাদশীৰ দিনা চাহ-জনগোষ্ঠিৰ লোকসকলে যিদৰে 'কৰম-পৰৱ' উদযাপন কৰে ; ঠিক একেদৰে খেতি চপোৱাৰ শেষত ! অৰ্থাৎ মকৰ সংক্ৰান্তিৰ দিনা টুযু-পৰৱ উদ্‌যাপন কৰা দেখা যায়। মকৰ সংক্ৰান্তিৰ দিনা এই পৰৱ উদ্‌যাপন কৰা হয় বাবে ইয়াক 'মকৰ পৰৱ' বুলিও কোৱা হয়। দুয়োটা পৰৱেই কৃষিৰ লগত জড়িত ; যদিও, পালন কাৰ্য্যত যথেষ্ট খিনিয়ে প্ৰভেদ দেখা যায়। বাৰু সি যিকি নহওঁক, এই প্ৰৱন্ধটিৰ যোগেদি টুযু আৰু কৰম দুয়োটা পৰৱক একেলগে সামৰি নলৈ আৰু 'টুযু - পৰৱ'ৰ কোনো এক নিৰ্দিষ্ট দিশৰ লগত সংহতি নাৰাখি মুল - পৰৱটোৰ বিধি বিধানৰ ওপৰত এটি চমু আলোকপাত কৰিবলৈহে লোৱা হৈছে।

উদ্‌যাপনৰ ফালৰ পৰা লক্ষ্য কৰিলে 'টুযু-পৰৱ' (পূজা)ৰ মুলতঃ দুটা স্পষ্ট ভাগ পৰিলক্ষিত হয়। তাৰে এটা ঘৰত আৰু আনটো নৈৰ ঘাটত। ভোগালী বিহু বা মাঘ বিহুৰ দিনাই 'টুযু-পৰৱ' পালন কৰা হয়। যদিও, পুহ - মাহ সোমোৱাৰ লগে লগে মেঘ বিহীন ফৰকাল বতৰে এক আনন্দৰ শিহৰণ তুলি ডেকা-গাভৰুৰ মন উতলা কৰে। পূজাৰ কেইদিনমান আগৰে পৰা ওচৰ-চুবুৰীয়াৰ গাভৰুহঁত এঘৰত গোট খাই পূজা কাৰ্য্য নিয়াৰিকৈ পৰিচালনা কৰিবলৈ এগৰাকীক পৰিচালিকা হিচাপে পাতে। পৰিচালিকা গৰাকীক, 'টুযুৰ-মা' বুলি কোৱা হয়। সাধাৰণতে, 'টুযু পৰৱ' পতা হয় 'টুযুৰ-মা'ৰ ঘৰত। সময় আৰু সুবিধানুসাৰে তিনি, পাঁচ বা ন' দিনমান আগৰে পৰা গাভৰুহঁত নিতৌ সন্ধিয়া পূজা থলীত গোট খাই আৰু টুযু গীত গাই গাই টুযু - দেৱীক জাগৰণ কৰে, এটি গীতেৰে....

তেল দিলাম শলিতা দিলাম
স্বৰ্গে দিলাম বাতি গ'
সকল দেৱী সইন্‌ঝা লেও মা'
ঘৰেৰ কুলৱতী গ'।
গাই আইল' বাছুৰ আইল'
আইল'ৰে ভগৱতী গ';
সইন্‌ঝা নিয়ে বাহৰাও মা' গ'
ঘৰেৰ কুলৱতী গ'।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে কিবা যেন আধৰুৱা হৈয়ে ৰ'ল ; এনে ভাৱৰ উদয় হয়। সেয়া হ'ল— ডেকাসকলৰ কথা, বুঢ়া-বুঢ়ী সকলৰ কথা আৰু কণ-কণ ল'ৰা-ছোৱালী বিলাকৰ কথা। এই উৎসৱ বা পৰৱত কেৱল যে গাভৰুহঁতেই ভাগ লই এনে নহয়। গাভৰুহঁতে যেতিয়া একান্ত-ভক্তি ভাৱে জাগৰণ গীত গাবলৈ আৰম্ভ কৰে। নৃত্য-গীতৰ সুৰ-সমলয়ে ডেকা সকলৰ গাত যেন এক আনন্দৰ শিহৰণৰ ভাৱ জগাই তোলে। লগে লগে ডেকাসকলো ঢোল-তাল লৈ নামি আহে আখৰাৰ মাজলৈ'।

উপৰোক্ত গীতফাঁকিৰে তেল শলিতা দি মাটিৰ চাকি জ্বলাই স্বৰ্গৰ দেৱী ও ঘৰৰ আই - লক্ষ্মীক উপাসনা কৰা বুজাইছে।



টুযু - দেৱীৰ বাহন হিচাবে চৌড়ল বা মড়ল ব্যৱহাৰ কৰা হয়। আদিতে চৌড়লটো চন্দন কাঠেৰে সজা হৈছিল। কিন্তু, আজিকালি চন্দন - কাঠৰ অভাৱত বাঁহ - কাঁঠিৰে সজা হয়। সোণৰ মন্দিৰ - স্বৰূপ, চৌড়লটো দেখিবলৈ পাল্কিৰ নিচিনা। ইয়াৰ এফালে দুৱাৰ ৰাখি বাকী তিনিওটা ফাল ৰঙিণ কাগজেৰে ধুনীয়া কৰি বেৰন দি তাৰ মাজতে টুযু - দেৱীৰ মুৰ্ত্তিটো স্থাপন কৰা হয়। কিছুমানে আকৌ মুৰ্ত্তিৰ সলনি চৌড়লটোৰ ভিতৰত টুযুৰ প্ৰতিমুৰ্ত্তি গৌৱৰেৰে তৈয়াৰ কৰি লয়।

টুযুকে আনিতে যাব
চন্দন কাঠেৰ চৌড়লে ;
যদি টুযু দয়া কৰে
ৰাখব সনাৰ মন্দিৰে।

টুযু-দেৱীৰ মুৰ্ত্তিটো পূজা থলীৰ যথা স্থানত স্থাপন কৰি পূজা কাৰ্য্য আৰম্ভ কৰা হয়, নানা তৰহৰ ফল-মূল, ফুল - তুলসী, ধূপ - ধুনা, পিঠা - পনা আদি দেৱীক নৈবেদ্য আগবঢ়াই ভক্তি অঞ্জলি প্ৰদান কৰে এটি জাগৰণ গীতেৰে ০ ০ ০ ০

তেল দিলাম শলিতা দিলাম
০ ০ ০ ০ ০ ০ ০ ০ ০ ০
* * * *
০ ০ ০ ০ ০ ০ ০ ০ ০ ০
সইন্‌ঝা নিয়ে বাহৰাও মা' গ'
ঘৰেৰ কুলৱতী গ'।

পূজা - কাৰ্য্য শেষ হোৱাৰ লগে লগে সকলোকে মাহ-প্ৰসাদ দিয়া হয়। কিছু সময় জিৰণি লৈ ডেকা গাভৰুহঁতে ঢোল - বাজনা বজাই অৱশিষ্ট গোটেই নিশা আনন্দত মতলীয়া হৈ টুযুৰ নৃত্য - গীত গাই কটাই দিয়ে। ৰাতিপুৱা হোৱাৰ লগে লগে চৌড়ল বা মুৰ্ত্তিটো টুযুৰ - মা [ অথবা উপবাসে থকা কোনোবা এগৰাকী গাভৰু ]ৰ মুৰত তুলি দি আখৈ, ফুল আদি চটিয়াই চটিয়াই সকলোৱে মিলি জুলি গীত গাই গাই দেৱী বিসৰ্জ্জন দিবলৈ নৈ ঘাটৰ অভিমুখে আগবাঢ়ে। ওচৰত নৈ নাথাকিলে ডাঙৰ খাল - বিল বা পুখুৰীলৈ নিয়ে। বিসৰ্জ্জন দিয়াৰ পূৰ্বে টুযু - দেৱীক ওচৰ-চুবুৰীয়াৰ দুই এক ঘৰলৈ বিদায় বিচাৰি ফুৰাবলৈ নিয়া হয়। নিয়াৰ সময়ত এদলে আন এদলক পেংলাই কৰি অৰ্থাৎ নিজৰ টুযুক উচ্চস্থান দি অন্য-দলৰ টুযুক হেয়জ্ঞান কৰি গীতেৰে গাই গাই আগবাঢ়ে নৈৰ ঘাটৰ অভিমুখে— ০ ০ ০ ০

তদেৰ টুযু হামদেৰ টুযু
কাঠ কুঢ়াতে গেল' গ'
তদেৰ টুযুকে সাপ চাবেছে
হামদেৰ টুযু অঝা গ।

নৈৰ ঘাটত নানা ঠাইৰ পৰা অসংখ্য টুযুৰ দল গোট খায়। প্ৰত্যেক দলেই নিজ নিজ টুযুক কেন্দ্ৰ কৰি গীত গাই গাই নাচিবলৈ ধৰে। যেন এনেভাব হয়, নৈৰ ঘাটত আনন্দ-ফুৰ্ত্তিৰ, ৰং - ৰহস্যৰ এক নতুন পৰিবেশৰ সৃষ্টি হৈছে। বহুতে আকৌ, বিসৰ্জন দিয়াৰ সময়ত টুযু - দেৱীক আৰু জল দেৱতাক সাক্ষী ৰাখি ফুল (সখি) পাতে। ইয়াকে ডেকা - গাভৰু, ল'ৰা - ছোৱালী বিলাকে মাতৃ সকলক সম্বোধন কৰি গীতেৰে গাই এইদৰে প্ৰকাশ কৰে ০ ০ ০ ০

অ' মা অ' মা ফুল - পাতাব
ফুলকে হামি কি দিব ;
বাজাৰ যাব পাইচা পাব
ফুলকে হামি ফুলতেল দিব।

নিৰ্জন নদীৰ ঘাট। তাতে খৰালি কাল। এক বিস্তৃৰ্ণ ঠাই বালিৰে আগুৰি থাকে। সেয়ে বিসৰ্জ্জন দিয়াটো টুযু - দেৱীক বিয়া দিয়াৰ মনস্থ কৰি গীতেৰে এইদৰে প্ৰকাশ কৰে ০ ০ ০ ০

জলে জলে যাব বলি
জলে তোমাৰ কে আছে ;
মনেতে ভাবিয়ে দেখ'
জলে শশুৰ ঘৰ আছে।

দিনটো জোৰা নৃত্য - গীতে ৰইসকাঁহঁতৰ দেহ-মন ক্লান্তি অৱসাদৰ প্লাৱণে বেৰি ধৰে। আনফালে দেৱী বিসৰ্জ্জনে মণ - প্ৰাণ আছন্ন কৰি তোলেহি। মুঠৰ ওপৰত ৰংৰহস্যৰ, এক আনন্দৰ উৎসৱ বুলি কোৱা হৈছে ; যদিও, দেৱী বিসৰ্জ্জনৰ বিচ্ছেদে কিছু-সময়ৰ বাবে হ'লেও সকলোৰে অন্তৰত বিষাদৰ সৃষ্টি কৰি তোলে।

এইখিনিতে এটা কথা উল্লেখ নকৰিলেও হয় যে — চাহ জনগোষ্ঠিলোকসকলৰ এটি লোক বিশ্বাস আছে যে — 'টুসু - দেৱী' - ৰ পূজা কৰিলে হেনো দৈনন্দিন জীৱনৰ আশা - আকাংখ্যাৰ লগতে পোৱা নোপোৱা বেদনা, দুখ - বেজাৰ, বেমাৰ - আজাৰ আদিৰ পৰা হাত সাৰি থাকিব পাৰি।

আজি 'টুসু - পৰৱ' কেৱল চাহ জনগোষ্ঠিৰ লোক সকলৰ দ্বাৰা পূজিত হৈ আছে। এনে নহয়, ভাৰতৰ অন্যান্য গোষ্ঠিৰ দ্বাৰাও পূজিত হৈ আহিছে। ❁

এয়ে হ'ল 'টুসু পৰৱ' আৰু ইয়াৰ গীতৰ সম্য ব্যাখ্যা।

সকল সক জাতিবোৰে নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে সেই জাতিটোৰ প্ৰতিজনে নিজ নিজ ক্ষেত্ৰত যোগ্য ব্যক্তি হ'ব লাগিব। নিজৰ কৰ্ত্তব্য আৰু দায়িত্ব সৰ্ব্বশ্ৰেষ্ঠ ভাৱে পালন কৰিব লাগিব।

— ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য



**প্ৰবন্ধ**

# "নকল সংস্কৃতি বনাম শিক্ষাৰ সংকট আৰু ইয়াৰ প্ৰতিকাৰ"

—শশীকান্ত শইকীয়া, এম, কম
প্ৰবক্তা

শিক্ষা হ'ল মানৱ জীৱনৰ এক প্ৰয়োজনীয় উপাদান, যিয়ে জীৱনটো সু - পথে পৰিচালনা কৰি সৰ্বাংগ সুন্দৰ কৰি গঢ়ি তোলে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে শিক্ষা সম্পৰ্কে এনেদৰে কৈছিল — "মোৰ ধাৰণামতে শিশুৰ অন্তৰ্নিহিত শাৰীৰিক, মানসিক, আধ্যাত্মিক শক্তিসমূহৰ পূৰ্ণ বিকাশ কৰোৱাই হ'ল শিক্ষা।" অৰ্থাৎ যি প্ৰক্ৰিয়াই শিশুৰ জন্মগত প্ৰবৃত্তি, গুণ আৰু ক্ষমতা আদিৰ পূৰ্ণ বিকাশ সাধনৰ জৰিয়তে সৎ, নিষ্ঠাবান, কৰ্মঠ উদ্যোগী ব্যক্তিত্বসম্পন্ন এজন সু-নাগৰিকৰ গঢ় দিয়ে আৰু ব্যক্তিক, শিল্প, বানিজ্য, উন্নতি সাধনৰ বাবে যোগ্য কৰি তোলে সিয়েই হ'ল প্ৰকৃত শিক্ষা।

আজি আমি প্ৰচলিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে সেই দিশত কিমানখিনি সফল হ'ব পাৰিছো বা নোৱাৰিছো সেই বিষয়টো বিশ্লেষণ কৰি চোৱাৰ সময় আহি পৰিছে। আমাৰ বোধেৰে প্ৰচলিত শিক্ষা ব্যৱস্থাই দেশৰ বুজন সংখ্যক মানৱ সম্পদক পংগু কৰাই নহয় দেশৰ মানৱ সম্পদ ৰাজিৰ অপচয়ৰ লগতে বিপথে পৰিচালিত হৈছে। বৰ্ত্তমান সমাজ ব্যৱস্থাত উচ্চ শিক্ষাৰে শিক্ষিত যুৱক - যুৱতীয়ে শিক্ষা সমাপ্ত কৰি কৰ্মঠ, উদ্যোগী, তথা প্ৰফুল্লিত হোৱাৰ পৰিবৰ্তে হৈ পৰে হতাশাগ্ৰস্ত, ক্ষোভিত, তথা উশৃংখল। পূৰ্বৰ চামৰ এনে মানসিকতাৰ বাবে পিছৰ প্ৰজন্ম সমূহৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰা দেখা যায়। ফলত পিছৰ প্ৰজন্ম সমূহ শিক্ষা আহৰণত হেঙাৰ স্বৰূপে থিয় দিয়ে। ইয়াৰ পৰিণতিত, শিক্ষা আহৰণত কুপনাজি তথা প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে পৰিচালিত হয়। ফলস্বৰূপে পৰীক্ষা গৃহত অবাধ নকল সংস্কৃতিৰ জন্ম হৈছে। পৰীক্ষা গৃহত নকল কৰাটো বৰ্ত্তমান পৰীক্ষা পদ্ধতিত অতি সাধাৰণ কথাত পৰিণত হৈছে। সমাজ ব্যৱস্থাৰ সঘন পৰিবৰ্ত্তনৰ ফলত শিকাৰুৱে সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাই নিজকে ধন্য মানি বাঃ বাঃ দিছে। দেশখনৰ, সমাজখনৰ প্ৰতিটো অংগত যেতিয়া ঘুনে ধৰিছেই তেন্তে পৰীক্ষা গৃহত নকল কৰাটো এজন পৰীক্ষাৰ্থীৰ বাবে দোষণীয় হয় নে নহয় সেই প্ৰশ্নটো বিজ্ঞজনৰ বাবে থলো। আমাৰ বোধেৰে সমাজ ব্যৱস্থাৰ প্ৰতিটো স্তৰত ভ্ৰষ্টাচাৰ, অনৈতিকতা, অন্যায় অনীতিয়ে যেতিয়া চালি ধৰিছে, তেন্তে পৰীক্ষা গৃহত নিৰীক্ষকৰ দায়িত্বত থকা সময় ছোৱাত 'নিকা সমাজ' গঢ়াৰ সপোন ৰচি নকল সম্পৰ্কে হৈ চৈ কৰি আস্ফালন কৰি ফুৰাটো পৰ্ব্বতত কাছ কণী বিচৰাৰ দৰে হয়। এজন উচ্চ শিক্ষিত বিষয়াই যেতিয়া অন্যায়, অনীতিৰে দুহাতে ধন বুটলে সেই বিষয়াই সন্তানক পৰীক্ষা গৃহত নকল কৰাৰ বিপক্ষে কেতিয়াও সজোৰে মাত মাতিব নোৱাৰে। সমাজ হ'ল পৰিবেশৰ দাস।

পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰে সমাজৰ সুন্দৰতা। আজি সমাজৰ প্ৰতিটো অংগ দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত। সেই কেন্সাৰ ৰোগৰ প্ৰভাৱে প্ৰতিজন সমাজ সচেতন ব্যক্তিকে চুই গৈছে।

নকল কৰাটো দোষনীয়হে, আইন বিৰোধী নহয়। সেইবুলি শিক্ষাৰ্থী তথা শিকাৰুৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ নপৰা নহয়। নকল সংস্কৃতিয়ে শিকাৰুৰ মস্তিষ্ক অনুৰ্ব্বৰ কৰি শিকাৰুক বিপথে পৰিচালিত কৰে। শিক্ষা গুৰু আৰু শিকাৰুৰ মাজত থকা মধুৰ সম্পৰ্ক নকল সংস্কৃতিয়ে দূৰত্বৰ পৰা দূৰত্বলৈ আঁতৰাই নিয়ে। ফলশ্ৰুতিত পৰীক্ষা-গৃহত নিৰীক্ষক লাঞ্চিত হ'ব লগীয়াত পৰিছে। এজন কৰ্তব্য নিষ্ঠা নিৰীক্ষকক "নিজেই নকল কৰি পাছ কৰিছে, সেয়ে নকল ধৰিছে—" ধৰণৰ লঘু বাক্য মহাবিদ্যালয়ৰ পৰ্য্যায়ৰ পৰীক্ষাৰ্থীৰ মাজতো শুনা যায়। এনে মন্তব্যই পৰীক্ষাৰ্থী গৰাকীৰ অনুৰ্ব্বৰ মস্তিষ্কৰ কথাকে প্ৰকাশ কৰে। তদুপৰিও একেটা পৰীক্ষা কেন্দ্ৰৰে এচাম নিৰীক্ষকে একাংশ পৰীক্ষাৰ্থীক নকল কৰিবলৈ সুবিধা দিয়া, তাৰে একাংশক নকলৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰোৱা 'নীতি যাক "In Justice" নামেৰে প্ৰকাশ কৰা হয়, সেই নীতি কিমান ন্যায় সংগত, সেইটো এটা চিন্তনীয় বিষয়।

সকলো অভিভাৱকে পৰীক্ষাত নিজ সন্তানৰ ভাল ফলাফল কামনা কৰে। পৰীক্ষাত পাছ কৰি Certificate সংগ্ৰহ কৰাটোৱেই হ'ল একাংশ অভি-ভাৱকৰ ইচ্ছা। তেহেলৈ নকল কৰিয়েই হওঁক বা হাড় ভঙা পৰিশ্ৰম কৰিয়েই হওঁক। বৰ্ত্তমান সমাজৰ কম বেছি প্ৰতিজন অভিভাৱক সমাজ ব্যৱস্থা সম্পৰ্কে সচেতন, সেয়ে নিজ সন্তানক ন্যায়, নীতিৰ বিষয়ে শিক্ষা দিয়াৰ পৰিবৰ্ত্তে মৌন ব্ৰত পালন কৰা দেখা যায়। পৰীক্ষা গৃহত নকল কৰা এচাম পৰীক্ষাৰ্থীৰ যেতিয়া ফলাফল আশানুৰূপ নহয়, তেতিয়া সেই চাম পৰীক্ষাৰ্থীয়ে আত্মাশুদ্ধি কৰাৰ পৰিবৰ্ত্তে— "বহুত লিখিছিলো, বিশ্ববিদ্যালয় বা বৰ্ডে নম্বৰ নিদিলে" ধৰণৰ সন্তীয়া মন্তব্য দিয়া দেখা যায়। সেই চাম পৰীক্ষাৰ্থীৰ মন্তব্যই পিছৰ এচাম পৰীক্ষাৰ্থীক বৰ্ড বা বিশ্ববিদ্যালয় সম্পৰ্কে বিৰূপ মনোভাৱ সুমুৱাই বিপথে পৰিচালিত কৰে।

শিক্ষা সংকটৰ এই সন্ধিক্ষণত আমি শিক্ষক চাম বাৰু দোষমুক্ত হয় নে? আমাৰ একাংশ শিক্ষকে শিক্ষাৰ পৰিবেশ সৃষ্টি নকৰাকৈ পাঠ দান কৰা, পাঠ-দানৰ সময়ত পাল মৰা, পৰীক্ষা বহী নিষ্ঠা সহকাৰে মূল্যাংকন নকৰা, একে নিশাৰ ভিতৰতে হাজাৰ হাজাৰ বহী পৰীক্ষা কৰা, ইত্যাদি দোষৰ পৰা শিক্ষক সমাজ কেতিয়াও মুক্ত হ'ব নোৱাৰে। এনে কাৰ্য্যৰ পৰা পৰোক্ষভাৱে এচাম শিক্ষকে নকল সংস্কৃতিত উদগণী দিয়া হে পৰিলক্ষিত হোৱা দেখা গৈছে।

প্ৰতিকাৰ ঃ

নকল সংস্কৃতি যিহেতু সমাজৰ এক ডাঙৰ ব্যাধি, সেয়ে ইয়াৰ প্ৰতিকাৰৰ অবিহনে এখন সুস্থ সমাজৰ কথা কেতিয়াও কল্পনা কৰিব নোৱাৰি। প্ৰচলিত পৰীক্ষা পদ্ধতিৰ আমূল পৰিবৰ্ত্তনৰ বিনে ইয়াক প্ৰতিকাৰ কৰা অসম্ভৱ। আমাৰ বোধেৰে প্ৰচলিত পৰীক্ষা পদ্ধতি পৰিবৰ্ত্তন কৰি বেংক, বীমা আদি বৃহৎ প্ৰতিষ্ঠানে পৰিচালনা কৰা পৰীক্ষা সমূহৰ দৰে আমাৰ পৰীক্ষা পদ্ধতি পৰিচালিত হ'লে এই নকল সংস্কৃতিৰো বহু পৰিমানে হ্ৰাস হ'ব। এইখিনি কৰিবলৈ লাগে মাথো আমাৰ একাগ্ৰতা আৰু ঐকান্তিক প্ৰচেষ্টা। তেনে কৰিলে পৰীক্ষাৰ্থী সকলো নিজেই অধ্যয়ণৰ বাবে আগবাঢ়ি আহিব। যিহেতু তেনে পদ্ধতিত নকল কৰাৰ সুকণ্ডা খুব কমেইহে থাকে। +++

জ'ৰা-ছোৱালীক প্ৰকৃত মানুহ হবলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ ন'হয়।

—পদ্মনাথ গোহাঞিবৰুৱা



# ক্ষয়িষ্ণু যুৱ মানসিকতাঃ কাৰণ আৰু প্ৰতিকাৰ

শ্ৰীদিব্যজোতি নেওগ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

সাম্প্ৰতিক কালত যুৱ মানসিকতাৰ যে দ্ৰুত অৱক্ষয় ঘটিছে এই কথা কোৱা বাহুল্য মাথোন। যুৱ সমাজৰ উশৃংখলতা, নৈতিকতা বিহীন, অসামাজিক কাৰ্য্যকলাপৰ মাত্ৰা ইমানেই বাঢ়িছে যে ই এখন সুস্থ, সভ্য সমাজৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। সেয়ে সমাজৰ সকলো ব্যক্তি এই বিষয়ে চিন্তিত হৈ পৰিছে। যুৱ সমাজৰ এই ভয়াবহ দুৰাৰোগ্য মাৰাত্মক ব্যাধি স্বৰূপ যুৱ উশৃংখলতাৰ ওপৰত আলোক পাত কৰাই আমাৰ এই প্ৰবন্ধৰ উদ্দেশ্য।

যুৱ উশৃংখলতাৰ ওপৰত আলোকপাত কৰিবলৈ যাওঁতে আমাৰ মনত প্ৰশ্নৰ উদয় হয় - যুৱ সমাজে সংঘতিত কৰা অপৰাধ সমূহৰ বাবে কেৱল তেওঁ লোকেই দায়ীনে? যুৱ সমাজক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব পৰা যাবনে? ইত্যাদি প্ৰশ্ন সমূহ বিভিন্ন প্ৰেক্ষাপটত বিচাৰ বিশ্লেষণ কৰিলেহে ইয়াৰ সদোত্তৰ পোৱা যাব। বিকৃত যুৱ মানসিকতাৰ প্ৰধান কাৰণ সমূহ সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষা-পটত প্ৰথমে বিচাৰ কৰি চোৱা হওক।

সামাজিক কাৰণ ঃ— ব্যক্তিৰ জীৱনত পৰিবেশ পৰিস্থিতিৰ প্ৰভাৱ অপৰিসীম। সমাজৰ এটা অংশ হিচাপে যুৱ-চামৰ ওপৰত সামাজিক প্ৰভাৱ পৰাটো স্বাভাৱিক। সেইয়ে যুৱ-সমাজৰ চিন্তা-চৰ্চা, কাৰ্য্য-কলাপ আৰু মানসিকতাত সেই সমাজৰ হুবহু প্ৰতি-ফলন দেখা যায়। বৰ্তমান আমাৰ সমাজখন বৰ দুৰ্বল আৰু নিৰাপত্তাহীন যত যুক্তি আৰু সততাৰ কোনো মূল্য নাই। ব্যক্তি কেন্দ্ৰীক এই সমাজত পৰিয়ালবোৰ একোটা দ্বীপৰ দৰে হৈ পৰিছে। সমাজৰ চৌপাশে ঘটি থকা দুৰ্নীতি, ভণ্ডামীবোৰৰ লগত যুৱ সমাজ অভ্যস্ত হৈ পৰিছে। দুৰ্নীতি পৰায়ণ বিষয়া, হত্যাকাৰী, ধৰ্ষণকাৰীক ৰাজনৈতিক শাসক বৰ্গই ৰক্ষনাবেক্ষন দিয়া কাৰ্য্য দেখি শুনি যুৱক সকল ক্ষুদ্ধ আৰু বিভ্ৰান্ত হৈ পৰিছে। ইয়াৰ ফলত তেওঁলোকৰ সামাজিক চেতনা নিস্ক্ৰিয় হৈ পৰিছে আৰু লগে লগে অপৰাধ প্ৰৱণতা বৃদ্ধি পাইছে। বহু বিষয়া কৰ্মচাৰীয়ে পুত্ৰ-কন্যাৰ জীৱন সুখময় কৰিবৰ বাবে হাতত তুলি দিয়ে অসৎ পন্থাৰে ঘৰলৈ কঢ়িয়াই অনা টকাৰ টোপোলা। এই দৰে প্ৰয়োজনতকৈ বেছি টকা হাতলৈ অহাৰ বাবে তেওঁলোকে এই ধন বিভিন্ন অপকৰ্মত ব্যৱহাৰ কৰে আৰু ক্ৰমাৎ ধ্বংসৰ পথত আগবাঢ়ি যায় আৰু সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে।

ৰাজনৈতিক কাৰণ ঃ আমাৰ দেশৰ ৰাজনীতি বুৰ্জোৱা ৰাজনীতি, শোষকৰ ৰাজনীতি। এনে ৰাজনীতিৰ মূল লক্ষ্য হল-চাল-চাতুৰিৰে জনগণৰ ধন-সম্পত্তি লুণ্ঠন কৰা। জন সাধাৰণৰ কল্যাণ সাধন ইয়াৰ উদ্দেশ্য নহয়। সেয়ে আমাৰ দেশত সুস্থ ৰাজনীতিৰ বিকাশ হোৱা নাই। সেইবাবে আমাৰ দেশৰ ৰাজনীতিত দুৰ্নীতি, ভণ্ডামী হত্যা আদিৰ ইমান পয়োভৰ। আমাৰ দেশৰ ৰাজনৈতিক নেতা সকলে দলৰ স্বাৰ্থত বিভিন্ন সময়ত দেশৰ বহু ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ, ভাতৃ-ঘাতি সংঘৰ্ষৰ সৃষ্টি কৰিছে আৰু এই ক্ষেত্ৰত যুৱক সকলক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। শাসক চক্ৰই ইয়াৰ শাসন শোষণ বৰ্ত্তাই ৰখাৰ স্বাৰ্থও আমাৰ সমাজত বিভিন্ন ধৰণৰ বিলাসী সামগ্ৰী, বিকৃত ৰুচীপূৰ্ণ আলোচনী আৰু অশ্লীল চিনেমাৰ প্ৰচলন কৰিছে। এই সকলোবোৰৰ প্ৰভাৱৰ ফলত যুৱ-সমাজৰ চিন্তা-চৰ্চা তথা মানসিকতা তৰল আৰু অগভীৰ হৈ পৰিছে আৰু অপৰাধ প্ৰৱণতা বৃদ্ধি পাইছে।

অৰ্থনৈতিক কাৰণঃ— আমাৰ দেশৰ ভুল আৰ্থিক নীতিৰ ফলত দেশীয় অৰ্থনীতিৰ বিকাশ স্তব্ধ হৈ পৰিছে। আৰু এতিয়া মুক্ত অৰ্থনীতিৰ নামত বিদেশী

ঋণৰ কবলত পৰি হাবু-ডাবু খাইছে। ইয়াৰ উপৰিও বৃহৎ অৰ্থনৈতিক কেলেংকাৰী, চৰকাৰী চাকৰিৰ নিযুক্তিত ব্যাপক দুৰ্নীতি আৰু ভুল উদ্যোগীক নীতিৰ ফলত দেশীয় অৰ্থনীতিৰ বাজহাড় ভাঙি পৰিছে। লাখ-লাখ নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপনৰ কোনো পথ নেদেখি বিভিন্ন অপকৰ্ম যেনে-ড্ৰাগছৰ ব্যৱসায়, চুৰি-ডকাইতি, হত্যা-ধৰ্ষণ আদি আত্মধ্বংসী কাৰ্য্যত লিপ্ত হৈ পৰিছে।

উপৰোক্ত কাৰণ সমূহৰ উপৰিও যুৱ সমাজৰ অপৰাধ প্ৰৱণতা বৃদ্ধিত আমাৰ শিক্ষা ব্যৱস্থাৰো কিছু পৰিমাণে অৰিহণা আছে। বৃটিছ সাম্ৰাজ্যবাদী হতে প্ৰচলন কৰি থৈ যোৱা শিক্ষা ব্যৱস্থাৰ কোনো বিশেষ পৰিবৰ্ত্তন ০ ০ ০ আমাৰ দেশীয় চৰকাৰে নকৰিলে। সেয়ে আমাৰ শিক্ষা ব্যৱস্থা আজিও উপনিবেশিক শিক্ষা ব্যৱস্থা হৈ আছে। এনে শিক্ষা ব্যৱস্থাই আমাৰ একো উপকাৰ সাধন কৰিব নোৱাৰে। এই শিক্ষা ব্যৱস্থাৰ ফলত দুৰ্নীতি পৰায়ণ বিষয়া, ভণ্ড ৰাজনীতিবিদ, আদৰ্শবিহীন লিখক সাহিত্যিক আদিৰ সৃষ্টি হৈছে।

প্ৰতিকাৰ ঃ— উপৰোক্ত আলোচনাৰ দ্বাৰা আমি অপৰাধী যুৱ সমাজক খোৱা তুলসীৰ পাত বলি কৰ খোজা নাই। আমি কব বিচাৰিছো যে অপৰাধ কৰা যুৱ সমাজেই কেৱল দায়ী নহয়। তেওঁলোকক অপৰাধ সংঘতিত কৰিবৰ বাবে আমিয়েই এটা বাস্তৱ পৰিবেশ দিছো। এইখিনিতে যুৱ-সমাজৰ প্ৰতি আমাৰ এটা অনুৰোধ তেওঁলোকে যেন বাস্তৱ পৰিস্থিতিৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। কেৱল ভোগ-বিলাসত ব্যস্ত নাথাকি দৰিদ্ৰ সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰক আৰু তেওঁলোকৰ কল্যাণৰ বাবে যিকোনো পদক্ষেপ গ্ৰহণ কৰক। যুৱ-সমাজে এই কথা জনা উচিত যে মানৱ ইতিহাস সংগ্ৰামৰ ইতিহাস। সেয়ে জীৱন যুঁজত জয়ী হবলৈ হলে সংগ্ৰামৰ বিকল্প নাই। যুৱ-সমাজে সমাজৰ উপকাৰ কৰিব নোৱাৰিলেও অন্ততঃ অপকাৰ নকৰাৰ নীতি গ্ৰহণ কৰা উচিত। শেষত এটা কথা কব লাগিব যে আমাৰ সমাজ ব্যৱস্থা ৰাজনীতি, অৰ্থনীতি, শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন সাধন কৰিব লাগিব। নহলে সমাজ, ৰাজনীতি, অৰ্থনীতি আৰু শিক্ষা ব্যৱস্থাত থকা বেমাৰ সমূহৰ লক্ষণ ক্ৰমবৰ্দ্ধমান যুৱ উশৃংখলতা, অপৰাধ প্ৰৱণতা হ্ৰাস নহৈ বৃদ্ধিহে হব। সেয়ে আহক আমি সকলোৱে প্ৰকৃত বেমাৰৰ (লক্ষণৰ নহয়) চিকিৎসা আৰম্ভ কৰো।◉

আজি আমাৰ ছাত্ৰ সমাজেও তেওঁলোকৰ স্থান বুজিবলৈ আৰু তেওঁলোকৰ যে ছাত্ৰ হিচাপে বিশেষ এটা মৰ্য্যাদা আছে, সেই কথাটো বুজিবলৈ ইচ্ছা কৰিছে। সেই কাৰণেই তেওঁলোকে ৰাজনীতি আলোচনা, সমাজনীতি আলোচনা আৰু জাতীয় আন্দোলনৰ অলপ-অচৰপ সংশ্ৰৱত থাকিব খুজিছে। এই বিষয়ে আমাৰ ৰাইজৰ একো আপত্তি থাকিব নালাগে।

— কৃষ্ণকান্ত সন্দিকৈ



প্ৰবন্ধ

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু তেওঁৰ জীৱনাদৰ্শ

— ৰমানন্দ পেগু
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান

'কলাগুৰু' আখ্যাৰে আভৰণ পিন্ধোৱা অসম আকাশৰ ভোটাতৰা, দলিত-পীড়িতৰ আশাৰ প্ৰদীপ, হিয়াৰ আমঠু, কল-কলনাদকাৰী মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে বিশাল ব্যক্তিত্বৰ অধিকাৰী, সুউচ্চ হিমালয়ৰ দৰে স্থিতপ্ৰজ্ঞ, অচল অটল বিষ্ণুপ্ৰসাদ ৰাভা আছিল একাধাৰে কবি নাট্যকাৰ, গীতিকাৰ, প্ৰৱন্ধকাৰ, সমালোচক, নৰ্তক, সংগীতজ্ঞ, অভিনেতা, চিত্ৰকৰ, খেলুৱৈ, সুবক্তা, সমাজসেৱী, বিপ্লৱী ৰাজনীতিবিদ আৰু আছিল উত্তৰপূৰ ভাৰতৰ সংস্কৃতিৰ প্ৰতীক স্বৰূপ, সুন্দৰৰ পূজাৰী, দৰিদ্ৰ শোষণমুক্ত এখনি সুন্দৰ কলা সংস্কৃতিৰে ভৰপূৰ সমাজ প্ৰতিষ্ঠা কৰিব বিচৰা শিল্পী। তাতোতকৈ সঁচা অৰ্থত তেওঁ আছিল জনতাৰ শিল্পী। ৰাইজৰ হিয়া কোঁহৰ পৰা এটুপি এটুপি সুন্দৰৰ ৰং বুটলি আনি ৰাভাই নিজৰ মন কোঁহত ভৰাই লৈছিল আৰু সেই মনকোঁহকে বহঘৰা মৌ কোঁহ ৰচি তাৰ পৰা টোপাল টোপাল ৰং নিগৰি উলিয়াই ৰাইজৰ মাজত বিলাই দিছিল।

এইগৰাকী জীৱন সংগ্ৰামী শিল্পীয়ে ১৯০৯ চনৰ ৩০ জানুৱাৰীত ৰূপৰ চৰুত হাত থৈ সেই সময়ৰ ইংৰাজ চৰকাৰৰ উচ্চ খাপৰ ঢাকাস্থ পুলিচ চুবেদাৰ চৰ্দাৰ গোপাল চন্দ্ৰ ৰাভাৰ গৃহত জন্মগ্ৰহন কৰে। বিষ্ণুৰাভাৰ প্ৰাথমিক শিক্ষা ঢাকা চহৰত সৈনিক স্কুলত আৰম্ভ হয়। এই ল'ৰালি কালছোৱাতে তেওঁ পিতাকৰ পৰাই বাঁহী (চিফুন) বজোৱা, চেতাৰ বজোৱা ইত্যাদি বিদ্যা, খেলা-ধূলা, নাট, সংগীত আদি সকলোতে পাৰ্গতালি লাভ কৰে। সাত বছৰ বয়সতে অকণি ৰাভাই আলিবাবা নামৰ নাটকত অভিনয় কৰি দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। ১৯১৭ চনত দেউতাকৰ মৃত্যুৰ পিছত বিষ্ণুৰাভা তেজপুৰলৈ আহে। ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত দৰং জিলাৰ সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি প্ৰৱেশিকা পৰীক্ষা পাছ কৰে আৰু "কুইন্স এম্‌ প্ৰেছ" পদক লাভ কৰে। উচ্চ শিক্ষাৰ বাবে বিষ্ণু ৰাভাই কলিকতালৈ গৈ চেণ্ট'প'ল কলেজত আই, এছ, ছি পঢ়ি ১৯২৮ চনত প্ৰথম বিভাগত উত্তীৰ্ন হয়। তাৰ পিছত তেওঁ বিপন কলেজ, কোঁচ বিহাৰৰ ভিক্টোৰিয়া কলেজ আৰু ৰংপুৰৰ কাৰ মাইকেল কলেজত পঢ়ে। ১৯২৯ চনত প্ৰথমে পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি, এছ, ছি পঢ়িবলৈ লয় যদিও পিছত তেওঁ কলা বিভাগতহে পঢ়িবলৈ লয়। সেই সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষৰ কোটি কোটি জনসাধাৰণে অহিংস ব্ৰতেৰে স্বদেশী আন্দোলনত জপিয়াই পৰে। ইংৰাজ চৰকাৰে কঠোৰ দমন নীতিৰে এই আন্দোলন বন্ধ কৰিবলৈ প্ৰজাৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায়। ফলত প্ৰজাসকল বিক্ষুব্ধ হৈ আৰম্ভ কৰিলে বিক্ষোভৰ। এই বিক্ষোভৰ লেলিহান

শিৱাই সাহসী স্পষ্টবাদী ছাত্ৰনেতা বিষ্ণুপ্ৰসাদ ৰাভাৰ লুইতপৰীয়া তেজত বিদ্ৰোহৰ অগনি জ্বলাই তুলিলে। আৰু এদিন মাৰ্জনিনা ৰিজেন্ট হাট্ চনৰ বঙলাৰ বঙলা মুখত আৰু কোঁচবিহাৰৰ ৰাজপ্ৰসাদৰ সিংহ দুৱাৰত 'ইউনিয়ন জেক' নমাই তাৰ ঠাইত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা নিৰ্ভয় মনেৰে উৰুৱাই দিলে। ফলশ্ৰুতিত বিষ্ণুৰাভাক ভিক্টোৰিয়া কলেজৰ পৰা বহিস্কাৰ কৰি দিয়া হল। ইয়াতেই বিষ্ণুৰাভাৰ বিপ্লৱী মনৰ পৰিচয় ফুটি উঠিছে। ১৯৩১ চনত তেওঁৰ কলেজীয়া জীৱনৰ ইতি পৰে।

অসম তথা বাহিৰৰ নানা অনুষ্ঠান প্ৰতিষ্ঠানত ৰাভাদেৱে গীত আৰু নৃত্য কলা পৰিবেশন কৰি প্ৰশংসিত হৈছিল। ১৯৩০ চনত শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি তেওঁ শ্ৰেষ্ঠ শিল্পী হিচাপে সেই সময়ৰ কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ পৰা "ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ" আৰু কলাগুৰু উপাধি লাভ কৰিছিল।

অসমীয়া সাহিত্যলৈ ৰাভাদেৱে বাচকবলীয়া অৱদান দি থৈ গৈছে। ৰাভাৰ এই লিখনিবিলাকৰ মাজতেই তেওঁৰ চিন্তাধাৰা আদৰ্শ উজ্বলকৈ প্ৰতিফলিত হৈছে। ৰাভাৰ প্ৰায়বোৰ লিখনিৰে মূল আদৰ্শ সমাজতান্ত্ৰিক বাস্তৱবাদ। 'বৃহত্তৰ অসমৰ পৰিকল্পনা' শ্ৰীশ্ৰী শংকৰদেৱৰ বৰবায়ন', 'হিয়াৰ পুং', মামীৰ হাৰ আদি প্ৰবন্ধ, গল্প, উপন্যাস মিছিং কনেঙ, একাংকিকা নাটক মুক্তি দেউল, নৃত্য নাটিকা সোণপাহি আদি লিখনিত এই আদৰ্শ প্ৰস্ফুটিত হৈ উঠিছে।

ৰাভাৰ জীৱনৰ প্ৰতি কোঁহে কোঁহে অঁকা আছিল শিৱ আৰু সুন্দৰৰ প্ৰতিচ্ছবি, দলিত পীড়িতৰ অন্তস্ফুৰিত আশা আকাংখ্যা, ভৱিষ্যত দিক দৰ্শনৰ স্পৃষ্ট-বিদ্ৰোহ আৰু উত্তৰণৰ প্ৰয়াস। সেয়েহে তেওঁ এখন হাতত কলম আৰু আনখন হাতত সৈনগান লৈ শদিয়াৰ পৰা ধুবুৰীলৈ বিপ্লৱী সংগ্ৰামী আৰু জাগৰণ গীতেৰে অসমৰ আকাশ আলোড়িত কৰি তুলিছিল। বিচাৰিছিল ধনী আৰু দুখীয়াৰ মাজত বৈষম্য দূৰ কৰিবলৈ। আৰু প্ৰতিক্ৰিয়াশীল শোষক শ্ৰেণীটোক নিচিহ্ন কৰিবলৈ তেওঁ জীৱনজোৰা সংগ্ৰামত লিপ্ত হৈছিল।

সমাজবাদ প্ৰতিষ্ঠাৰ সংগ্ৰামত ৰাভাই কাৰ্লমাক্সৰ দৃষ্টিভংগীৰ লগত পৰিচয় হৈ লেনিন বাদৰ সম্যক জ্ঞানৰ উপলব্ধিৰে ৰাইজৰ লগত মিলি গৈ, ৰাইজৰ হিয়াৰ আমঠু হৈ দৰিদ্ৰ কৃষক-বনুৱাৰ মুক্তিৰ হকে যুঁজিবলৈ যোৱাটো ৰাভাৰ জীৱনাদৰ্শৰ এক অবিস্মৰণীয় দিশ। এই মাৰ্ক্সবাদী দৃষ্টিভংগীলো কি তাক চমুকৈ উল্লেখ কৰা হল—

(১) জগতৰ সকলো বস্তু পৰিবৰ্ত্তনশীল। সকলো বস্তুৰে ক্ৰমবিকাশ চলি আছে। পুৰণিৰ গৰ্ভতহে নতুনৰ আৱিৰ্ভাৱ হয়।

(২) প্ৰত্যেক বস্তুৰে পৰিবৰ্ত্তন আছে বিৰোধৰ মাজেদি। ইতিহাসতো দেখিবলৈ পোৱা যায় বিৰোধৰ বন্ধ। সামাজিক প্ৰকৃতিৰ মূলতে আছে সমাজৰ ভিতৰত দ্বন্দ্ব।

(৩) আৰ্থিক অৱস্থা সামাজিক জীৱনৰ আটাইতকৈ ডাঙৰ কথা। যতেই শ্ৰেণীভেদ দেখা যায় তাতেই শ্ৰেণী সংগ্ৰামে প্ৰধান বিষয়ৰূপে ধৰা দিয়ে। কমিউনিষ্ট সকলে এই সত্যক স্বীকাৰ কৰি লয়। আনবিলাক মতত বৈজ্ঞানিক দৃষ্টিভংগী নথকাত শ্ৰেণী সংগ্ৰামৰ তাৎপৰ্য্য বুজিবলৈ অসমৰ্থ হয়। ফলত ভুল পথে পৰিচালিত হয়।

(৪) প্ৰকৃততে যি বাস্তৱ অৱস্থাৰ ওপৰত সমাজৰ বহিঃ প্ৰকাশ কৰে, সেইটো সমাজৰ আৰ্থিক গঠনৰ বাহিৰে আন একো নহয়। উপাদানৰ প্ৰকৃতি হল সেই বাস্তৱ জ্ঞানৰ মূল কথা। যুগে যুগে উপাদানৰ প্ৰকৃতি বদলি হোৱাৰ দৰে ভিন ভিন সমাজৰ উদ্ভৱ হয়।

(৫) প্ৰচলিত গণতন্ত্ৰ বুৰ্জোৱা গণতন্ত্ৰ। ই শ্ৰেণী নিৰপেক্ষ নহয়। মাত্ৰ শোষক শ্ৰেণীৰ স্বাৰ্থকহে ই ৰক্ষণাবেক্ষন দিয়ে।

মাৰ্ক্সীয় দৰ্শনৰ লগত শংকৰদেৱৰ সাংস্কৃতিক সমন্বয় তথা সাম্যবাদৰ মণিকাঞ্চন সংযোগ ঘটোৱাটো বিষ্ণুৰাভাৰ জীৱনাদৰ্শৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। মহাপুৰুষ জনাৰ কথা, কাম আৰু সৃষ্টিৰ মাজেদি যি সমতাৰ ভাৱ প্ৰকাশ পাইছিল তাৰ প্ৰতি লোকজীৱনক আকৃষ্ট কৰাত ৰাভাই বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভা আছিল মুক্তি সংগ্ৰামৰ অক্লান্ত



সৈনিক। সাম্ৰাজ্যবাদী বৃটিছক ওফৰাই দেশে স্বাধীনতা লাভ কৰাৰ পিছত গণতান্ত্ৰিক শাসন ব্যৱস্থাতো তথাকথিত বুৰ্জোৱা গণতন্ত্ৰই বাহাল থকাত ৰাভাই এহাতে সৈনগান লৈ বজ্ৰকণ্ঠে ঘোষণা কৰিছিল "ইয়ে আজাদী ঝুথ হেই।" যেতিয়া চাৰিওফালে শোষক শ্ৰেণীৰ শোষণত কৃষক বনোৱাৰ মৃতপ্ৰায় অৱস্থা হৈছিল, তেতিয়া ইহুদি জাতিয়ে গোৱাৰ দৰে মেচিন গানেৰ সন্মুখে এই ফুলেৰ গান! গাবলৈ ৰাভাৰ অন্তৰে কান্দি উঠিছিল। বুজোৱা ধনী শ্ৰেণীৰ কু-চক্ৰান্ত দেখি তেওঁ গাইছিল—

ধনী! মহাজন!! জমিদাৰ!!!
ছচিয়াৰ! ছচিয়াৰ!!
শেষ যুদ্ধৰ আমি ৰনোৱা
পৃথিৱীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ।

পৃথিৱীৰ এজন দাৰ্শনিক কাৰ্লমাক্সয়ে যেনেকৈ পৃথিবীৰ ইতিহাসৰ অমৃত পান কৰি বৈপ্লৱিক আৰু বৈজ্ঞানিক চিন্তাৰ প্ৰবাহে নিপীড়িত, অৱহেলিত, লাঞ্চিত, অপমানিত লোকসকলৰ মুক্তিৰ পথ উন্মুক্ত কৰি থৈ গল। ঠিক সেইদৰে অসমৰ বিষ্ণুৰাভাই দলিত; পীড়িত লোকসকলৰ মুক্তিৰ হকে লিখিছিল—

গাম পীড়িতৰ চিৰ বিজয়ৰ গান
ফিৰাই আনিম দলিতৰ সন্মান
মৰা জগতৰ হৃদয়ত ঢালি প্ৰাণ
আনিম ধৰাত চিৰ শান্তিৰ আভাষ।

কৃষক বনুৱাৰ জয়গান গাই ৰাভাই স্বাগতম জনাইছিল এটা নতুন যুগৰ—

ভাঙ্, ভাঙ্, ভাঙ্, ভাঙ্,
লোহাৰ শিকলি ভাঙ্,
ছিঙ্, ছিঙ্, ছিঙ্, ছিঙ্,
দাসৰ বান্ধোন ছিঙ্,
খোল খোল খোল
কাৰাৰ ফাটেক খোল
ভাঙ্, ভাঙ্'
দুৱাৰৰ দাঙ
হালোৱা হুজুৱা হেৰা মজদুৰ কিষাণ
মুক্তিমান, মুক্তিমান মুক্তিমান!

এজন জাতীয়তাবাদী যোদ্ধা হিচাপে বিষ্ণুৰাভা নাছিল বিছিন্নতা বাদী আৰু সংকীৰ্ণমনা। গীতৰ লহৰে, সুৰৰ ঝংকাৰে, শব্দৰ ছন্দেৰে তেওঁ পৃথিৱীৰ হালোৱা-বনুৱাৰ জয়গান গাইছিল। ত্যাগ, নিষ্ঠা, সংযম, অক্লান্ত পৰিশ্ৰম আৰু আদৰ্শৰে মৃতপ্ৰায় অসমীয়াৰ সমাধিস্থ চেতনাক উজ্জীৱিত কৰি অসমীয়া জাতিক শংকৰদেৱৰ আদৰ্শেৰে একীভূত কৰি, ভাতৃত্ববোধেৰে উদ্বুদ্ধ কৰি এখন বৃহত্তৰ অসম গঢ়াৰ সপোন দেখাই নহয় তাক বাস্তৱত ৰূপ দিবলৈও বিচাৰিছিল বিষ্ণুৰাভাই। ৰাভাই ২য় বছৰ ২১শ সংখ্যা আৱাহনত লেখিছিল— "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি সমূহক আন আন উন্নত জাতিৰ লগতে একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতা সকলে এতিয়াৰে পৰাই চেষ্টা কৰক। তাকে নকৰিলে অৱনত জাতিসকলৰ বুকুত বিদ্ৰোহৰ জুয়ি জ্বলাই অসমত এটা গৃহকন্দলৰ বাঁহ সাজি দিয়া হব।" ৰাভাৰ এই সৰ্তকবাণীয়ে আজিৰ বাস্তৱকে দোঁহাৰিছে।

এইগৰাকী জীৱন সংগ্ৰামী শিল্পী সাধকৰ জীৱনাদৰ্শৰ বিষয়ে লিখি শেষ কৰিব বিচৰাটো অমূলক ধাৰাণা মাথোন। এই মহান শিল্পী গৰাকী জীৱনৰ শেষছোৱাত দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৯৬৯ চনৰ ২০ জুনৰ নিশা ২·২০ বজাত শেষনিশ্বাস ত্যাগ কৰি সুন্দৰৰ ৰাজ্যলৈ গুচি গল। বাজি ৰ'ল জীৱন নাটৰ শেষ ৰাগিনী কল্যান খৰমান। বিষ্ণুৰাভা আজি আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁৰ আদৰ্শ, অফুৰন্ত কৰ্ম প্ৰেৰণা কালজয়ী হৈ জীয়াই থাকিব। ●

প্ৰবন্ধ

# ট্ৰেনজিষ্টৰ

— পংকজ কুমাৰ দত্ত
প্ৰথম বাৰ্ষিক, উচ্চতৰ
মাধ্যমিক (বিজ্ঞান শাখ)

যোৱা কেইদশক মানৰ পৰা মানৱ সভ্যতা অভাৱনীয় দ্ৰুততাৰে বিকশিত হৈছে। এই দ্ৰুত অগ্ৰগতিৰ মূলতে হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা। এনে এটি প্ৰযুক্তিৰ নাম হৈছে ইলেক্ট্ৰনিকছ (electronics)। ইলেক্ট্ৰনিক্‌ছৰ কথা কলেই ক'ব লাগিব ট্ৰেনজিষ্টৰৰ কথা। যাক কোৱা হয় "The heart of the modern electronics" 1948 চনত আৱিস্কাৰ হোৱা এই ট্ৰেনজিষ্টৰ হৈছে দৈনন্দিন কাম কাজত ব্যৱহাৰ হোৱা ইলেক্ট্ৰনিক্ আহিলাৰ মূল অংগ। TRANSFER, RESISTOR এই শব্দ দুটা লগ লাগি এই ট্ৰেনজিষ্টৰ (Transistor) শব্দটোৰ সৃষ্টি হৈছে।

Radio, T. V আদি যন্ত্ৰৰ Cabinat বা আবৰণটো খুলিলে ভিতৰত থকা দেখাত চুঙা আকৃতিৰ তিনিডাল তাঁৰ বা প্ৰ'ড থকা সৰু বস্তুটোৱেই হল— Transistor. ইয়াৰ গাত এটা সৰু ত্ৰিভুজ বা ৰঙা ফোঁট থাকে। এই চিনৰ নিচেই ওচৰৰ তাঁৰডাল হ'ল Collector (কালেক্টৰ), মাজৰ ডালৰ নাম Base (বেছ) আৰু শেষৰ ডালৰ নাম emitter (এমিটাৰ)। এই ট্ৰেনজিষ্টৰটো হল P-N-P type ট্ৰেনজিষ্টৰ। আকাৰত ছুইছবৰ্ডৰ ছকেটৰ প্লাগপিনৰ প্ৰায় সমান।

কিছুমান ট্ৰেনজিষ্টৰৰ ব্যাস এটা বুটামতকৈ সৰু। দেখাত ক'লা, সৰু মাদুলীৰ দৰে। বাকীবিধ ট্ৰেনজিষ্টৰ হল N-P-N ট্ৰেনজিষ্টৰ। এনেকুৱা আৰু এবিধ N-P-N ট্ৰেনজিষ্টৰ আছে। এইবিধ হল BU Type ট্ৰেনজিষ্টৰ। ই আন্য ট্ৰেনজিষ্টৰতকৈ বহুত ডাঙৰ আৰু আকাৰত হাত ঘড়ীৰ দৰে। ইয়াৰ গাত দুডাল প্ৰ'ড থাকে। ট্ৰেনজিষ্টৰৰ দুই মূৰত দুটা ফুটা থাকে। প্ৰ'ড দুডালৰ ওচৰত থকা ফুটাটো ওপৰলৈ ডাঙি ধৰিলে বাওঁফালৰ প্ৰ'ডডাল বেছ, আৰু সোঁফালৰ প্ৰ'ডডাল এমিটাৰ। এই ট্ৰেনজিষ্টৰটোৰ ধাতুৰ শৰীৰটোৱেই হৈছে কালেক্টৰ। এনেধৰণৰ ট্ৰেনজিষ্টৰ T. V ৰ E.H T অৰ্থাৎ Extra High Tension চেক্সনত ব্যৱহাৰ হয়। যদিও আন আন ধৰণৰ ট্ৰেনজিষ্টৰ আছে। সাধাৰণতে এই তিনিবিধ ট্ৰেনজিষ্টৰৰ ব্যৱহাৰেই বেছি।

ট্ৰেনজিষ্টৰৰ গঠন :— গঠন হিচাপে ট্ৰেনজিষ্টৰক P-N-P আৰু N-P-N এই দুটা ভাগত ভগাব পাৰি। ট্ৰেনজিষ্টৰ হল দুটা P-N জাংছনৰ সমষ্টি। এনে জাংছন সাজিবলৈ জাৰ্মেনিয়াম বা ছিলিকন (দুয়োটাৰ যোজ্যতা চাৰি) crystal ব্যৱহাৰ হয়। জাৰ্মেনিয়াম (Ge) পৰমাণুৰ লগত আৰ্ছেনিক (As) যোগ কৰি জাৰ্মেনিয়াম পৰমাণু ঋণাত্মক (—) কৰিতোলা হয়। এই ধৰণৰ জাৰ্মেনিয়ামত বহুপৰিমাণে +ve charge বা Hole থকাৰ বাবে ইয়াক P-Type জাৰ্মেনিয়াম বোলা হয়। Hole ক electron ৰ অভাৱত সৃষ্টিহোৱা ধন (+) আধান বুলিব পাৰি। এটুকুৰা P-Type আৰু এটুকুৰা N-Type লগলগাই P-N- জাংছন তৈয়াৰ কৰা হয়। এই P-N জাংছনকে আজিকালি Crystal Diode হিচাপে ব্যৱহাৰ কৰা হয়। সহজ লভ্যতা আৰু আন কিছুমান সুবিধাৰ বাবে বেছিভাগ ইলেক্ট্ৰনিক আহিলা সাজিবলৈ আজিকালি ছিলিকন (Si) ব্যৱহাৰ কৰা হয়। একে টুকুৰা ছিলিকনতে $10^{-8}$ মি. মি. দূৰত্বত P-Type আৰু N-Type পদাৰ্থ সুমোৱাই P-N জাংছন সজা হয়।

দুটা P-Type জাৰ্মেনিয়ামৰ টুকুৰাৰ মাজত এটা N-Type জাৰ্মেনিয়াম বহুৱাই এটা ট্ৰায়ড তৈয়াৰ কৰা হয়। এই ট্ৰায়ডটো ওলোটাকৈ দুটা ডায়ড থকাৰ দৰে হয়। এই জাৰ্মেনিয়াম তিনি টুকুৰাৰ পৰা তিনিডাল তাঁৰ বাহিৰ কৰিলে এটা P-N-P ট্ৰেনজিষ্টৰ তৈয়াৰ হ'ব। এনে ট্ৰেনজিষ্টৰৰ উদাহৰণ Ac-128.

ঠিক সেইদৰে দুটা N-Type জাৰ্মেনিয়াম বা ছিলিকনৰ মাজত এটা P-Type জাৰ্মেনিয়াম বা ছিলিকনৰ টুকুৰা বহুৱাই তৈয়াৰ কৰা ট্ৰায়ডৰ পৰা তিনিডাল তাঁৰ উলিয়াই আনিলে এটা N-P-N ট্ৰেনজিষ্টৰ তৈয়াৰ হ'ব। P-Type ৰ পৰা বাহিৰ হোৱা অৰ্থাৎ মাজৰ ডাল Base, বাকী N-Type ৰ পৰা বাহিৰ হোৱা দুডাল ক্ৰমে কালেক্টৰ আৰু এমিটাৰ। N-P-N ট্ৰেনজিষ্টৰক ছিলিকন ট্ৰেনজিষ্টৰো বোলে।






ব্যৱহাৰিক ৰূপ



P-N-P Type
ট্ৰেনজিষ্টৰৰ সাংকেতিক চিহ্ন



N-P-N Type
ট্ৰেনজিষ্টৰৰ সাংকেতিক চিহ্ন

দুয়োবিধ ট্ৰেনজিষ্টৰৰ প্ৰতীক একেই। কেৱল P-N-P ট্ৰেনজিষ্টৰৰ কাঁড়চিন ভিতৰমুৱা আৰু N-P-N ট্ৰেনজিষ্টৰৰ কাঁড়চিন বাহিৰ মুৱাকৈ অঁকা হয়। N-P-N ট্ৰেনজিষ্টৰৰ উদাহৰণ B - F 194.

ট্ৰেনজিষ্টৰৰ কাম : ট্ৰেনজিষ্টৰে পৰিবৰ্দ্ধক (amplifire), অচিলেটৰ (o cil t r) হিচাপে কাম কৰে। প্ৰযুক্ত শক্তিতকৈ প্ৰাপ্ত শক্তি বৃদ্ধি হোৱা প্ৰক্ৰিয়াক পৰিবৰ্দ্ধন (amplification) বোলে। ট্ৰেনজিষ্টৰে শক্তি পৰিবৰ্দ্ধন কৰে। Power Amplifire আৰু Audio Amplifire ৰ মূল অংগ হৈছে ট্ৰেনজিষ্টৰ। ট্ৰেনজিষ্টৰে কম শক্তি সম্পন্ন সংকেতৰ শক্তি বৃদ্ধি কৰি ৰেডিঅ'ৰ শব্দ শক্তিশালী কৰি তোলে। এনে সংকেত এমিটাৰ বৰ্তনীত প্ৰয়োগ কৰিলে কালেক্টৰ বৰ্তনীত শক্তিশালী সংকেত পোৱা যায় যাক লাউড স্পীকাৰত ধৰা পেলাব পাৰি। Oscillator হিচপে ট্ৰেনজিষ্টৰে ভালদৰে কাম কৰে। Oscillator হৈছে গ্ৰাহক যন্ত্ৰৰ এটা উচ্চ কম্পনাংক উৎপাদন কৰা বিভাগ।

ট্ৰেনজিষ্টৰৰ ব্যৱহাৰ :— ওপৰত উল্লেখ কৰাৰ দৰেই আমাৰ নিত্য ব্যৱহাৰ্য্য সকলো ইলেকট্ৰনিক আহিলাৰ প্ৰয়োজনীয় অংগ হল ট্ৰেনজিষ্টৰ। TAPE RECORDER, T.V, RADIO ৰ পৰা আৰম্ভ কৰি EMERGENCY LIGHT, VOLTAGE STABILISER, MUSICAL CALLING BEL আদিলৈকে ট্ৰেনজিষ্টৰ ব্যৱহাৰ হয়। ইয়াৰ ওপৰিও COMPUTER ত ও ট্ৰেনজিষ্টৰ ব্যৱহাৰ হয়। ট্ৰেনজিষ্টৰ আৱিস্কাৰ হোৱাৰ পিছত ৰেডিঅ'ৰ আকৃতি ইমান সৰু হল যে ইয়াক পকেটত লৈ ফুৰিব পৰা হল। আগতে ব্যৱহাৰ কৰা বায়ুশূন্য নলী (VACUUM TUBE) ৰ সলনি ট্ৰেনজিষ্টৰ ব্যৱহাৰ হল।

ট্ৰেনজিষ্টৰ ব্যৱহাৰৰ সুবিধা :— (১) ট্ৰেনজিষ্টৰ আকাৰত অতি সৰু আৰু ওজনো কম।

(২) তুলনা মূলকভাৱে ই বহুতদিন কাম কৰে।

(৩) খুন্দা খুন্দলি খালেও সহজে বেয়া নহয়।

(৪) H le আৰু ইলেক্ট ন সৃষ্টি কৰিবলৈ কম শক্তি খৰচ হয়। ইয়াত কোনো তাপশক্তি ব্যৱহাৰ নহয়।

(৫) কম ভল্টেজটো কাম কৰিব পাৰি। অতি কম

শক্তি ব্যৱহাৰ কৰি সুন্দৰ output পাব পাৰি। সেয়ে 1.5 Volt ৰ পৰা 12 volt লৈকে যিকোনো ভল্টেজত ই কাম কৰে। (৬) ট্ৰেনজিষ্টৰক Rectijire, Switch, amplifire আৰু কম্পিউটাৰৰ Logic gate হিচাপে ব্যৱহাৰ কৰিব পাৰি। যিহেতু ট্ৰেনজিষ্টৰ দুটা ডায়ডৰ সমষ্টি সেয়েহে ইয়াক ডায়ড ( Diode ) হিচাপে ব্যৱহাৰ কৰিব পাৰি। ডায়ডৰ Alternating current ( A. C ) ক Direct current ( D. C ) লৈ পৰিবৰ্ত্তন কৰা ধৰ্মক Rectification বোলে। সেয়ে ট্ৰেনজিষ্টৰৰ Base, Emitter বা Base Collector ক Rectifire হিচাপে ব্যৱহাৰ কৰিব পাৰি।

বৰ্ত্তমান ট্ৰেনজিষ্টৰৰ গুৰুত্ব উন্নত দেশ সমূহত কমি গৈছে আৰু ইয়াৰ ঠাই Integrated Crcuiit ( বা আই, চি ) য়ে লৈছে। ইয়াৰ কাৰণ হৈছে এখন ইলেক্ট্ৰনিক বৰ্ত্তনীত উপাদানবোৰ চল্ডাৰিং কৰা বৰ আমনি দায়ক কাম। সেয়েহে আজিকালি । ইঞ্চমান ছিলিকনৰ টুকুৰাত হাজাৰ হাজাৰ ট্ৰেনজিষ্টৰ আৰু অনান্য উপাদান স্থাপন কৰা হয়। আৰু এই ইন্টিগ্ৰেটেড চাৰ্কিটখন সংযোগ কৰিবলৈ 10 - 40 টা সংযোগী পিন থাকে।

আমাৰ এই চমু প্ৰবন্ধৰ সামৰণিত ইলেক্ট্ৰনিক জগতত বিপ্লৱৰ সৃষ্টি কৰা ট্ৰেনজিষ্টৰৰ আৱিষ্কাৰক জ'ন বাৰ্ডিন, ৱাল্টাৰ ব্ৰেটেইন আৰু বিলিয়াম শ্বকলিক শ্ৰদ্ধাৰে সোৱঁৰো আহক। ●


* সহায়ক গ্ৰন্থপঞ্জী ঃ

(১) ইলেক্ট্ৰনিক বিজ্ঞান মডেল — শ্ৰী সুনীল বৰ্মন।

(২) ট্ৰেনজিষ্টৰলৈ - ভৱানী কান্ত শৰ্মা।

(৩) বিজ্ঞান পৰিচয় ( ষষ্ঠভাগ ) - দশম শ্ৰেণী।




# বিশ্ব বৰেণ্য ক্ৰিকেটাৰ ব্ৰেড্‌মেন


— শান্তনু গগৈ
স্নাতক ৩য় বাৰ্ষিক
( বিজ্ঞান শাখা )


ক্ৰিকেটৰ নমস্য পুৰুষ ব্ৰেডমেনৰ নাম নুশুনা মানুহ খুব কমেইহে ওলাব। যিদৰে ফুটবলত পেলে, হকীত ধ্যানচাঁন্দক সম্ৰাট বুলিব পাৰি ঠিক তেনেদৰে ক্ৰিকেটতো ব্ৰেডমেনক সম্ৰাট বুলি কলে হয়তো বৰ বেছি বঢ়াই কোৱা যেন নালাগিব।

ব্ৰেডমেনৰ গুণ - গৰিমা তথা খ্যাতিৰ বিষয়ে এটা প্ৰবন্ধতে লিখি শেষ কৰিব নোৱাৰি। এই প্ৰবন্ধটিত স্বকীয় বৈশিষ্ট্যৰে মহীয়ান এই গৰাকী ক্ৰিকেটাৰৰ জীৱনৰ কিছুমান দিশহে আলোকপাত কৰিব বিচাৰিছো।

১৯০৮ চনত অষ্ট্ৰেলিয়াৰ চিড্‌নী চহৰৰ অন্তৰ্গত কুটামুন্দা নামৰ এখনি গাঁৱত ব্ৰেডমেনে জন্মলাভ কৰে। জৰ্জ ব্ৰেড্‌মেন আৰু এমলি ব্ৰেড্‌মেনৰ পাচঁটা সন্তানৰ ভিতৰত ডন আছিল আটাইতকৈ সৰু। তেওঁৰ ওপৰত আছিল তিনিগৰাকী বায়েক আৰু এজন ককায়েক। "যি মুলা বাঢ়ে দুপাততে চিন"। এই গৰাকী ক্ৰিকেটাৰেও জীৱনৰ আৰাম্ভণিতে তেওঁৰ প্ৰতিভাৰ পৰিচয় দিছিল। ব্ৰেড্‌মেনে জীৱনৰ প্ৰথমখন খেলত ৫৫ ৰান কৰি অপৰাজিত আছিল আৰু দ্বিতীয়খন খেলত শতৰান সংগ্ৰহ কৰিছিল। জীৱনৰ প্ৰথমভাগতে ডনে যি সফলতা লাভ কৰিছিল, সেইটো সম্ভৱ হৈছিল কেৱল তেওঁৰ আশাসুধীয়া চেষ্টা আৰু কৰ্মৰ ফলত।

ব্ৰেডমেনে জীৱনৰ প্ৰথমখন টেষ্টমেছ খেলিছিল ১৯২৮ চনত ইংলণ্ডৰ বিপক্ষে অষ্ট্ৰেলিয়াৰ ব্ৰিচবেন খেলপথাৰত। জীৱনৰ প্ৰথমখন খেলত ডন সফল হ'ব পৰা নাছিল। তেওঁ অষ্ট্ৰেলিয়াৰ পক্ষে দুয়োটা ইনিংছত কেৱল ১৮ ৰান আৰু ১ ৰানৰ অৱদান আগবঢ়াইছিল; ফলত দ্বিতীয় টেষ্টৰ বাবে তেওঁ দ্বাদশ ব্যক্তিহে নিৰ্বাচিত হয়। নেট অনুশীলনৰ সময়ত এজন খেলুৱৈয়ে আঙুলিত দুখপোৱাৰ বাবে সেইটো চিৰিজৰ তৃতীয় টেষ্টত ডনে মূলদলত স্থান লাভ কৰে। সেইখন খেলত কিন্তু ডন সফল হৈছিল। তেওঁ দুয়োটা ইনিংছতে যথাক্ৰমে ৭৯ আৰু ১১২ ৰান সংগ্ৰহ কৰিছিল। তাৰ পিচত আৰু ডনে পিছলৈ ঘূৰি চাবলগীয়া নহৈছিল। জীৱনৰ প্ৰথম টেষ্ট চিৰিজতে তেওঁ দুটা শতক আৰু দুটা অৰ্দ্ধশতক সহ প্ৰতি ইনিংছতে গড়ে ৬৬.৮৫ ৰান সংগ্ৰহ কৰিছিল।

ৰবিশংকৰৰ চেটাৰৰ সুৰে বা ভূপেন হাজৰিকাৰ কণ্ঠৰ একেটি গীতৰ টানে যিদৰে মানুহৰ মন জয় কৰিব পাৰে ঠিক তেনেদৰে ব্ৰেড্‌মেনৰ প্ৰত্যেকটো ছটেই যেন দৰ্শকৰ হৃদয় জয় কৰিব পাৰে। ব্ৰেডমেন এনে এটা স্থানত উপস্থিত হৈছিল যে ৫০-৬০ ৰান কৰিলে মানুহে তেওঁক বিফল হোৱা বুলিহে কৈছিল। ব্ৰেডমেনৰ বেটিঙৰ দিশটোলৈ চকুদিলেই আমি তেওঁৰ ক্ৰিয়াশৈলী তথা পাৰদৰ্শিতাৰ কথা উমান পাব পাৰো। ডনে সৰ্বমুঠ ৫২ খন টেষ্টমেছত অংশগ্ৰহন কৰি মাথোন ৮০ টা ইনিংছতে ২৯ টা শতৰান ( ১৭ টা শতক, ১০ টা দ্বিশতক, দুটা ত্ৰিশতক ) আৰু ১৩ টা অৰ্দ্ধশতক সহ সৰ্বমুঠ ৬,৯৯৬ ৰান সংগ্ৰহ কৰে। ব্ৰেডমেনে জীৱনৰ

শেষৰখন খেলত ৪ ৰান কৰিব পৰাহলেই তেওঁৰ বেটিঙৰ গড় ১০০ হলহেঁতেন, কিন্তু দুভাৰ্গ্যৰ কথা যে সেইদিনা অভেল খেলপথাৰত উপস্থিত ৫০ হাজাৰ দৰ্শকক হতাশ কৰি ডন শূণ্য ৰাণতেই আউট হয়।

ডন ব্ৰেড মেনৰ টেষ্টমেচত সৰ্ব্বোচ্চ ৰান আছিল ৩৩৪। তেওঁ এইৰান সংগ্ৰহ কৰিছিল ৪ টা বাউণ্ডেৰীসহ মাথোন ৩৭৫ মিনিটত। ইয়াৰপৰাই তেওঁৰ বেটিঙৰ আক্ৰমণাত্মক দিশটোৰ উমান পাব পাৰি। ডনে কেতিয়াও উইকেটত কেৱল টিকি থকাটো নিবিচাৰিছিল, তেওঁৰ উদ্দেশ্য আছিল উইকেটত থাকি ৰান সংগ্ৰহ কৰাহে। ডনৰ মাৰমুখী বেটিঙৰ বিষয়ে স্পষ্টভাৱে জানিবলৈ হলে তেওঁৰ এটা ইনিংছৰ কথা মনত পেলাব লাগিব। এবাৰ এখন ২য় শ্ৰেণীৰ মেছত ডনে বৰ নিকলচন নামৰ এজন বলাৰৰ ৮ টা বলৰ তিনিটা অভাৰত ৬, ৬, ৪, ২, ৪, ৪, ৬, ১; দ্বিতীয় অভাৰত ৬, ৪ ৪ ৬, ৬, ৪, ৬, ৪, তৃতীয় অভাৰত ৬ ৬, ১ (আন্যজন বেটচ্‌মেনে একৰান লোৱাৰ পিছত), ৪ ৪, ৬, ২,। এনেকুৱা চমকপ্ৰদ বেটি; চাবলৈ বাৰু কোন ক্ৰিকেট প্ৰেমীৰ মন নাযাব!

১৯৩২ চনৰ ৩০ এপ্ৰিল তাৰিখে বেড্‌মেনে জেচি মেঞ্জিচৰ লগত বিবাহপাশত আৱদ্ধ হয়। ১৯৪৯ চনৰ ১ জানুৱাৰী তাৰিখে ব্ৰেডমেনৰ প্ৰতিভাক সন্মান জনাই নাইটহুড উপাধি প্ৰদান কৰা হয়; ফলত ডন ব্ৰেডমেনৰ পৰা তেওঁ চাৰ ব্ৰেডমেন হ'ল। ব্ৰেডমেন এজন প্ৰখ্যাত লিখকো আছিল। ক্ৰিকেটৰ অমৰ কাহিনীয়ে ৰচনা কৰিছিল "ভি' আৰ্ট অব ক্ৰিকেট" "ফেয়াৰৱেল টু ক্ৰিকেট" আদি অনুপম গ্ৰন্থৰ। ক্ৰিকেটৰ বুৰঞ্জীত এইগৰাকী ক্ৰিকেটাৰৰ নাম সোণালী আখৰে লিখা থাকিব। তেওঁৰ প্ৰতিভাই তেওঁক চিৰস্মৰণীয় কৰি ৰাখিব। ●

> বুদ্ধি মানুহৰ হাতৰ বস্তু, কিন্তু প্ৰতিভা হ'ল এনে বস্তু যিহে মানুহক হাতৰ বস্তু কৰি তোলে।
>
> — লোবেল



ৰম্য ৰচনা

# আমি অসমীয়া নহওঁ দুখীয়াঃ

—সুকয় কুমাৰ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান)

"আমি অসমীয়া নহওঁ দুখীয়া ................"

আৰে ভাই কলেই হ'বনে, দুখীয়া নহওঁ বুলি; চোৰ লগাই গালেই হ'বনেকি দুখীয়া নহওঁ বুলি। তইঁতৰ আছে কিটো নিজৰ বুলিবলৈ। নাই চাউল, নাই দাইল, নাই আলু, নাই কাপোৰ, নাই তেল-নাই, নাই আৰু নাই, চবতো নায়েই। তেনেহলে ইমান ফুটনি কিহৰ? পঞ্জাৱ হাৰিয়ানাই যদি চাউল নিদিয়ে, বিহাৰ, উত্তৰপ্ৰদেশে যদি দাইল আলু নিদিয়ে বচ অসমীয়াই খাবলৈ নেপায় মৰিল। গুজৰাটে যদি গাখীৰ নপঠিয়াই তেনেহলে লগে লগে অসমীয়াৰ 'লাল চাহ' আৰম্ভ হৈ গল। অসমৰ কেচঁুৱাই ভীম কল খাবলৈ আৰম্ভ কৰিব লাগিব আৰু ভীমকল গছনো আছে কেইজোপা? বোম্বাই মাদ্ৰাজৰ পৰা যদি কাপোৰ নপঠিয়াই লগে লগে অসমীয়া নাঙঠ। বাংগালোৱে যদি ধূপ নপঠিয়াই অসমীয়াৰ পূজা-পাৰ্বনত ধূপেই নজ্বলে। শ্ৰীৰামপুৰত এক দিনৰ কাৰণে ৰেল বন্ধ হলে এক সপ্তাহৰ কাৰণে অসমীয়াৰ পেট 'ভি' বন্ধ। অসমৰ মানুহ জীয়াই জীয়াই মৰিল। তেনেহলে 'অসমীয়া চবৰ' কিয় ইমান গৰম গৰম কথা?

তুমি কলেই হবনে, অসমীয়া দুখীয়া বুলি, কলেই হবনে অসমৰ অসমীয়াৰ একো নাই বুলি? কি নাই অসমীয়াৰ? ডাঙৰ ডাঙৰ চাহৰ বাগান আছে, কয়লা আছে, তেলৰ পুং আছে, গঁড় আছে, জেৰেঙা-পথাৰৰ দৰে খেতি কৰিবলৈ ডাঙৰ ডাঙৰ পথাৰ আছে কাজিৰঙা মানাহৰ দৰে ডাঙৰ ডাঙৰ হাবি জংঘল আছে, সেইবোৰত হাতী, বাঘ, বান্দৰ, চৰাই আৰু বহুত মূল্যবান গছ আছে, কাম কৰিবলৈ পালোৱান পালোৱান ডেকা লৰা আছে, ঘৰে ঘৰে সুন্দৰী সুন্দৰী গাভৰু ছোৱালী আছে, ইংলিছ মিডিয়াম, হিন্দী মিডিয়াম, অসমীয়া মিডিয়ামৰ স্কুল আছে, কলেজ আছে, গাৱে ভূৱেও বিদেশী আছে, তিনি আলি, চাৰি আলিৰ মূৰে মূৰে আৰু বাচ ষ্টেপেজবোৰত দাদাইত আছে, তেখেতসকলে কৰো বুলিলেই সকলো কৰিব পাৰে, নকৰে বুলিহে। আৰু স্বৰ্গদেউ ঈশ্বৰৰ নিচিনা ৰাজনীতিজ্ঞ পুৰুষ আছে বিভিন্ন সংগঠন আছে, সেই সংগঠন বোৰে নিতৌ অসমৰ উন্নতিৰ কাৰণে দেহে-কেহে খাটিছে,— তেন্তে? ইমান দিলাক থকাৰ পিছতো তুমি কেনেকৈ নাই বুলি কৈছাহে? তোমাৰ চকু নাই নেকি? তুমি কণা নেকি? একো দেখা নাই যে?

আৰে, এইচব থাকিলে কি হব? এনেয়ে নকয় নহয় "বোলে আছে গৰু নেবায় হাল, হোৱাতকৈ নোহোৱাই ভাল।" থাকিলেই হব নেকি, সেইবোৰ যদি একো কামত নাহে। চাহৰ বাগান থাকিলে কি হ'ল তাৰ গুদাম আছে কলিকতাত, হেড অফিচ আছে কলিকতাত, মালিক থাকে অসমৰ বাহিৰত। চব চাহপাত কলিকতাতহে জমা হয়- চাহ বিক্ৰি কৰা কেইটা পইচা অসমৰ মানুহে পায়; কেইটা অসমীয়াই এক নম্বৰ চাহ খাবলৈ পাইছে, কয়লা থাকিলে কি হব, তাক মাটিৰ তলৰ পৰা উলিয়াবলৈ বাহিৰৰ মানুহ আহিব লাগে। আৰু তাহাঁতি সেইবোৰ কামত লগাবলৈ চব নিজৰ জেগালৈ লৈ যায়। তেলৰ পুং থাকিলে কি হব? লেতেৰা তেলহে, সেইবোৰ তেল বিহাৰতহে 'চাফা' হয়। তাৰপৰা আহিলেহে অসমীয়াই তেল পাব। নহলে গোটেই অসম আন্ধাৰ। গঁড় থাকিলে কি হব, তাক বাহিৰৰ মানুহে চিকাৰ কৰি খড়গটো চুৰি কৰি লৈ যায়। তেনেহলে কিহত ধনী অসমৰ অসমীয়া? এইচব কথা বাদ দিয়কনা। দিল্লীত মন্ত্ৰী হবৰ লায়েকৰ মানুহ এটাওতো অসমত নাই। পাৰোতেনো লোকৰ পৰা ধাৰ কৰি আনিব লগা হৈছেনে? একেই ঘৰৰে ভাই

ককাই কেইটা কাজিয়া লাগি তেজ গৰম হলে তাক ঠাণ্ডা কৰিবলৈ বাহিৰৰ পৰা পুলিচ আনিব লগা হৈছে। নিজৰ লৰা কেইটাক বুজাই বঢ়াই ঠাণ্ডা কৰিবলৈ মানুহ নাই। তেনেহলে কিটো আছে অসমীয়াৰ ?

পাৰিব কোনোবা অসমীয়াই ৰিক্সা চলাব, ঠেলা চলাব, পাৰিব পাইখানা চফা কৰিব ? বিয়া এখনৰ, পিক্‌নিক এটাৰ ভাত ৰান্ধিব পাৰিব ? নাই। এইবোৰতো বাদেই, অসমীয়াই নিজে থকা ঘৰটোও সাজি লব নাজানে। আনে আহি ঘৰটো সাজি নিদিলে অসমীয়াৰ থাকিবলৈ ঘৰেই নাই। আনে আহি আলিটো বান্ধি নিদিলে খোজ কাঢ়িবলৈ আলি নাই। বাহিৰৰ মানুহ আহি কাপোৰবোৰ চিলাই নিদিলে পিন্ধিবলৈ কাপোৰেই নাই, দিলেই যেনিবা বোম্বাই মাদ্ৰাজে থানে থানে কাপোৰ ; বিহাৰী নাপিত কেইটা আহি দাড়ি-চুলি কাটি নিদিলে চব অসমীয়া লৰা বাবাজী হব। মাৰোৱাৰী কেইটাৰ গেলামালৰ দোকান কেইখন নহলে অসমীয়াৰ দিনতে আন্ধাৰ। **কেইটা অসমীয়াই এইবোৰ কৰিছে ? তেন্তে কিয় "অসমীয়া চব'ৰ ইমান গৰম গৰম** কথা ? অ' আগৰ দিনৰ কথা বেলেগ আছিল, তেতিয়া ককাইদেউ, বাইদেউ, দেউতা, আইতা সকলে নিজৰ সকলো লাগতিয়াল বস্তু নিজেই তৈয়াৰ কৰি লৈছিল। কিন্তু অতীতক সুঁৱৰি থাকিলে কি হব ? এতিয়াৰ অসমীয়া জীয়ৰী ছোৱালীয়ে বিহুৰ সময়ত নিজৰ ভাল-পোৱা ল'ৰাটোক দিবলৈ বিহুৱানখনো সৌ ইউ-পিৰ শিপিনী বাইদেউ কেইগৰাকীয়ে বৈ দিলেহে হয়। যদি বাহিৰৰ পৰা 'মাল চাপ্লাই' বন্ধ, অসমীয়া ছোৱালীৰ পিৰিতিও বন্ধ।

উৱা ! কিহে, কিয় কবা দুখীয়া বুলি ! আজিৰ যুগ-পৰিবৰ্ত্তনৰ যুগ, কুৰি শতিকাৰ বিজ্ঞানৰ যুগ। বিজ্ঞানৰ ওপৰত ভৰ দি আজিৰ বিশ্বৰ মানুহে দোপত দোপে উন্নতি কৰিব লাগিছে। কৌতি-কলীয়া সেই মান্ধাতা যুগৰ নীতি এৰি বিজ্ঞানে আগবঢ়োৱা নতুন কৌশলৰ পিনে মানুহ অগ্ৰসৰ হৈছে তেন্তে, আমিনো কিয় পিচ পৰি থাকো ? আমিও আটাইৰে লগত সমানে খোজ মিলাই যাব লাগিব। গতিকে এই সৰু-সুৰা কথাবিলাকত লাগি থাকি অযথা সময় নষ্ট কৰাৰ দৰকাৰ নাই। আৰু যিটোৱে এইবোৰত লাগি থাকে, সি এটা 'বুৰ্বক'। এতিয়াৰ বিজ্ঞানৰ যুগৰ লগত সমানে ফেৰ মাৰিবলৈ আটাইতকৈ দৰকাৰী বস্তুটো হৈছে 'টকা'। টকাই সকলো বস্তুৰ মূল। যাৰ ওচৰত টকা আছে, তাৰ ওচৰত সকলো আছে। আৰু অসমৰ অসমীয়াৰ হাতত বৰ্ত্তমান এই টকা আছে। গতিকে সকলো আছে। যদি কেইটামান টকা খৰচ কৰিলেই তোমাৰ সকলো কাম হৈ যায়, তেন্তে কি দৰকাৰ তুমি কাম কৰাৰ আৰু তাৰ লগে লগে আনৰ উপকাৰোতো কৰা হৈছে। যদি আমিয়েই সেই বাহিৰৰ মানুহ কেইটা অতিথি হিচাপে দুই চাৰিটকা দি ভাতমুঠি মোকলাবলৈ সুবিধাটো নিদিওঁ, তেন্তে কোনে দিব ? আৰু এনেওতো নহয়, দস্তুৰমত কাম কৰি দিছে। সেয়েহে এইবিলাক সৰু সৰু কথা চিন্তা কৰা বাদ দি আজিৰ অসমীয়াই ন ন দিশত উন্নতি কৰিব লাগিছে। যিবিলাক আজিৰ যুগত অতিকৈ দৰকাৰী বুলি ধৰা হয়।

আনক ভাল দেখিব নোৱাৰাত (আনক মানে কেৱল অসমীয়াৰ নিজক কেইটাকহে) অসমীয়া এক নম্বৰত। 'দম' দিয়াত অসমীয়া লৰা এক নম্বৰত। তুমি ভাল কাম এটা, দহৰ উপকাৰী কাম এটা কৰিবলৈ লবা, দিব দম, ল'বা নতুন গাড়ী এখন নিব দুটামানে দকাহকা দি। মিউনিচিপালিটিৰ 'নলা চাফাই' ঠিকা কৰিবলৈ লবা, আহিবই নহয় দুটামান—"খবৰদাৰ তুমি ঠিকা লব নোৱাৰা" কিটো কৰিবা ঠিকা। সেইফালে আধ্যা। লবা এল-পি স্কুলৰ চাকৰি এটা যোগাৰ কৰি কত খাটনি কৰি দুই তিনি কিঃ মিঃ অ'াতৰত, জইন কৰাৰ দিনা ৰাতিলৈ তোমাৰ পদ্বলিত ধপধপী খাবা, "খবৰদাৰ, বাহিৰৰ মানুহৰ No Chance, Local first" অকল মুখেৰে কৈ এৰিবনে, তোমাক কৈঁছো নহয়—, পিস্তলৰ নলী দুই চকু আৰু কপালৰ মধ্যবিন্দুত। কিটো কৰিবা মাষ্টৰী, ক-খ- কেইটা পঢ়াই মৰিবলৈ নাই নহয়। আকৌ, ছোৱালী জোকোৱাৰ ফালেতো নকবাই আৰু অসমৰ লৰাই গ্ৰীনীজ ৰেকৰ্ড কৰিব। সেই যে তিনি আলি চাৰি আলিৰ মূৰত আৰু বাচ ষ্টপেজ কেইটাত দাদাইত বহি থাকে, তেওঁলোকে নবৌ, বাইদেউ ভনী একোকে নেবাচে। সকলোকে একোটি মিঠা সুৰৰ মন্তব্য দিয়ে। আপুনি ইচ্ছা কৰিলে বাচ ষ্টপেজ এটালৈ গৈ প্ৰমাণো চাব পাৰে. প্ৰেম পিৰিতিতো আজিৰ অসমীয়া ডেকা গাভৰু পিছ পৰি থকা নাই। পঢ়াশুনাৰ লগতে প্ৰেমতো দোপত দোপে আগবাঢ়ি গৈছে, দিগন্ত, ৰাতুল, জিতু, নিতু, পপী, ৰিম্পী, ডিম্পি, মমি, মণিহঁতে কলেজত ক্লাচ কৰি থকাৰ লগে লগে প্ৰেমৰ ক্লাচো কৰি যায়। আৰু আন পৰীক্ষাত ফেল কৰিলেও প্ৰেমৰ পৰীক্ষাত ফেল কৰাৰ কিন্তু আজিলৈ ৰেকৰ্ড নাই। "ভেচপাৰ"ৰ ওপৰত উঠিবলৈ পালেতো কথাই নাই। যিহে পিৰিতিৰ স্পিড্। যাহঁনি এৰি পকা ৰাস্তাত উঠিব লাগিলেতো তুমি যমৰ ঘৰৰ Green Signal দেখিবাই। গতিকে খোজকাঢ়োতে বিশেষ সাৱধান।

অসমৰ মহিলা সমাজো এতিয়া কোনো গুণে পিছ পৰি থকা নাই। তচ্‌লিমা নাছৰিণ, সুস্মিতা সেন, ঐশ্বৰ্য্য ৰায়ৰ লগত সমানে ফেৰ মাৰিব পৰা হৈছে। এতিয়া অসমৰ গাৱে ভূঞে গলিয়ে গলিয়ে Beauty pourlaur. তাৰপৰা নিতৌ শ-শ সুন্দৰী বাহিৰ হব লাগিছে। তাৰ লগে লগে চাৰিওফালে সুন্দৰীয়েই ভৰিপৰিছে। স্কুল, কলেজ, অফিচ, ৰাস্তা, যেনি তেনি সুন্দৰীয়েই সুন্দৰী। এতিয়া ইয়াত বান্দৰী এগৰাকীও নাই বুলি কব পাৰি। "সু তিৰী কেদলী" — কি কলা ? ধুৰ জক্কৰটো -। Fashion Show, Beauty Queen Cent st আজিকালি সকলো ঠাইতে যিকোনো সময়তে উদ্‌যাপন কৰা হয় আৰু সুন্দৰীসকলক সুস্মিতা সেন, ঐশ্বৰ্য্য ৰায় আদিৰ আদৰ্শৰে অনুপ্ৰাণিত হবলৈ আহ্বান জনোৱা হয়। আমাৰ সুন্দৰী সকলে তাক সাদৰেৰে গ্ৰহণ কৰি দোপত দোপে আগবাঢ়ি গৈছে। আৰু অলপ দিনৰ ভিতৰতে নিশ্চয় লক্ষ্যত উপণীত হব। চেষ্টাৰ অসাধ্য একো নাই। গতিকে আমি সেইটো শুভদিনলৈ বাট চাই ৰলো।

ইমানখিনি কোৱাৰ পিছতো কোনোবাই কব নেকি অসমীয়া দুখীয়া বুলি। নাই নোৱাৰে। অসমীয়া দুখীয়া নাছিল। নহইও আৰু নহবও। আহক আমি আটায়ে ৰসৰাজৰ সুৰত একে সুৰতে গাওঁ,

আমি অসমীয়া নহও দুখীয়া
কিহৰ দুখীয়া হম,
সকলো আছিল সকলো আছে
নুশুনো নলওঁ গম। ●

# মানুহৰ মগজু বনাম যন্ত্ৰৰ মগজু ঃ
## এটি চমু আলোকপাত

— বুবুল কুমাৰ গগৈ
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

শ্ৰেষ্ঠতাৰ শিখৰত থকা মানুহৰ স্বাভাবিক বুদ্ধিক বৰ্ত্তমান মানুহেই অন্য এক উন্নত ৰূপ দিবলৈ প্ৰয়াস কৰিছে! মানুহৰ স্বভাবগত বুদ্ধিক যান্ত্ৰিক প্ৰক্ৰিয়াৰে এক সম্পূৰ্ণ নতুন তথা উন্নত ৰূপ দিয়াৰ প্ৰচেষ্টা আজিৰ পৰা চাৰিটা দশকৰ আগতেই আৰম্ভ হৈছিল। এই প্ৰচেষ্টাৰ অন্তৰালত মানুহৰ মগজুক বৌদ্ধিক কাম কাজৰ ক্ষেত্ৰত সকাহ দিয়াৰ উদ্দেশ্য নিহিত হৈ আছে। মানুহৰ মগজু বনাম যন্ত্ৰৰ মগজু ঃ মানুহৰ সকলো কাৰ্য কলাপ মগজুৱে নিয়ন্ত্ৰিত কৰে। বুদ্ধিমান প্ৰাণী মানুহৰ বুদ্ধিৰ লগত চিন্তা, যুক্তি, আবেগ সকলোৰে সম্পৰ্ক আছে। মানুহৰ মগজু কিছুমান সৰু সৰু স্নায়ুকোষৰ সমষ্টি। সেয়েহে মানুহৰ ক্ৰিড়া কালাপ এই কোষবোৰৰ দ্বাৰাই নিয়ন্ত্ৰিত ও পৰিচালিত হয়। মানুহৰ আবেগ আৰু যুক্তিয়ে বুদ্ধিক নিয়ন্ত্ৰণ কৰে।

কিন্তু প্ৰধান আৰু প্ৰাথমিক অনুমান হৈছে এটা নিৰজীৱ যন্ত্ৰক বুদ্ধি মত্তা প্ৰদান কৰাৰ ক্ষেত্ৰত যন্ত্ৰটোক মগজু তথা যুক্তি চিন্তা, আবেগ সৰ্বস্ব কেনেদৰে কৰি তোলা হয় তাৰ ওপৰত। কিয়নো মানুহৰ দৰে পেশীযুক্ত স্নায়ুকোষ কিছুমান জীৱন্তৰূপত যন্ত্ৰ এটাৰ লগত সংযুক্ত কৰি কাৰ্য্যক্ষম কৰিব পৰাটো সম্ভৱ নহয়। সেয়েহে এনেক্ষেত্ৰত সহায় লোৱা হয় বৰ্ত্তমানৰ যুগান্তকাৰী অৱদান মাইক্ৰপ্ৰচেচৰ চিপ অৰ্থাৎ ইলেকট্ৰনিকৰে অৱদান। সেয়া হলেও কৃত্ৰিম ভাবে তৈয়াৰ কৰা এই প্ৰাণহীন চিপবোৰৰ আবেগ, যুক্তি আদিৰ ক্ষমতা মানুহৰ দৰে নহয়। আচলতে আবেগ সৰ্বস্ব বুদ্ধি মাত্ৰাই মানুহৰ মগজুক কৃত্ৰিমভাবে যন্ত্ৰক প্ৰদান কৰা বুদ্ধিৰ পৰা ভাগ কৰি ৰাখিছে।

মানুহৰ আবেগ নিয়ন্ত্ৰিত হয় চিন্তা আৰু ইন্দ্ৰিয়জ উপলব্ধিৰ দ্বাৰা। সেয়েহে আবেগ চিন্তাৰ আতঁদালো নিৰ্ণয় কৰে বহু ক্ষেত্ৰত। পৰিবেশজনিত এনেকুৱা আতঁবোৰৰ পৰা মগজুৱে তথ্যৰ যোগান ধৰে। এনে তথ্যৰ ওপৰত ভিত্তি কৰিয়েই মগজুৱে সিদ্ধান্ত গ্ৰহন আৰু জটিল প্ৰক্ৰিয়াবোৰ সমাধান কৰে।

সাধাৰণতে মানুহে যিবোৰ চিন্তা কৰে সেইবোৰ প্ৰতীকিৰূপত হয়। যন্ত্ৰ এটাক যেতিয়া কৃত্ৰিমভাবে চিন্তা শক্তি প্ৰদান কৰা হয়, তেতিয়া যন্ত্ৰটোৱে সংখ্যাৰ প্ৰচেচিং কৰি চিন্তা কৰে। মানুহৰ বুদ্ধি মত্তাই মগজুৰ ক্ষমতাৰ ওপৰত ভৰসা কৰে। যন্ত্ৰ এটাৰ ক্ষেত্ৰত ইয়াক এনে কামত সংখ্যা প্ৰচেচ কৰিব পৰাকৈ ডিজাইন কৰা হয়।

যন্ত্ৰক কৃত্ৰিম বুদ্ধিমত্তা প্ৰদান কৰা ক্ষেত্ৰত শিক্ষন প্ৰক্ৰিয়াটোও ঘনিষ্ঠভাবে জড়িত। শিক্ষন মানে নতুন জ্ঞান আহৰণ। মানুহৰ কাৰণে শিক্ষন হৈছে এটা প্ৰাকৃতিক প্ৰক্ৰিয়া। মানুহৰ দৰে যন্ত্ৰ একোটাকো শিকিব পৰা কৰি তোলাটো বৰ্ত্তমান সম্ভৱ হৈ উঠিছে। মানুহে স্মৃতিৰ পৰা সুঁৱৰি শিকে বা অভিজ্ঞতাৰ আচোৰে মানুহক শিকায়। মানুহে বিশ্লেষন কৰে, ঘটনাবোৰ সংগঠন কৰে আৰু সহ সম্বন্ধ নিৰ্ণয়ৰ দ্বাৰা জ্ঞান পৰিসৰ কৰায়। এতিয়া যন্ত্ৰ এটাকো যদি কৃত্ৰিম ভাবে স্মৃতিশক্তি প্ৰদান কৰা হয় তেতিয়া হলে যন্ত্ৰটোৱেও মানুহৰ দৰেই জ্ঞান আয়ত্ব কৰিব পাৰিব। এনেদৰেই যন্ত্ৰৰ বুদ্ধিমত্তা মানুহৰ বুদ্ধিমত্তা সামঞ্জস্য হৈ উঠিব। বৰ্ত্তমান কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগে প্ৰগেমৰ সহায়ত নিৰজীৱ যন্ত্ৰক বুদ্ধিমান ৰূপে ব্যৱহাৰ কৰিব পৰাকৈ গঢ়ি তুলিছে। এই বুদ্ধিমান যন্ত্ৰটোক শিকায় দিয়া হয় মানুহৰ দৰেই সমস্যাৰ বিশ্লেষন কৰিবলৈ তথা সিদ্ধান্ত গ্ৰহণ কৰিবলৈ। ★



## গল্প

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, উপন্যাসিক
ডঃ লীলা গগৈৰ সোঁৱৰণত ডিক্ৰৱানৰ
গল্প শিতানটি উৰ্চগা
কৰিলো।”

—সম্পাদক

চুটি গল্প হঠাতে উদ্ভৱ হোৱা এটা আচহুৱা বস্তু নহয়;
ই গল্প চৰ্চাৰ ক্ৰমবিৱৰ্ত্তনৰ এক পৰিণতি মাথোন।

—উদয় দত্ত

গল্প

# হৃদয় এক নদীৰ নাম :

— জয়ন্ত মাধৱ গগৈ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)



লাইটাৰটোৱে অকণমান সময়ৰ বাবে মোৰ সন্মুখৰ ঠাইডোখৰ পোহৰ কৰি তুলিলে। চিগাৰেটটোত দীঘলকৈ টান এটা দি গাটো চকীখনত অলসভাবে এৰি দিলো। ধোঁৱাঁবোৰ লাহে লাহে বতাহত মিলি যাবলৈ ধৰিলে। পুনৰ টেবুলৰ ওপৰত পৰি থকা নবৌৰ চিঠিখনলৈ চকু গ'ল। সেইখনটো চিঠি নহয়, যেন কোনো আলোচনীৰ সম্পাদকৰ মেজলৈ অহা উপন্যাসৰ পাণ্ডুলিপি। মনে মনে হাঁহি উঠিল, ঘৰৰ ইমানবোৰ জেঙা সামৰি ইমান সোপা লিখিবলৈ নবৌয়ে বাৰু সময় পালে ক'ত ?

"..... ... মৰমৰ সৰুমইনা ঘৰলৈ আকৌ কেতিয়া আহিবা ? মই আৰু অকলে ঘৰখন চম্ভালিব নোৱাৰা হৈ আহিছোঁ। তুমি পাৰা যদি ঘৰত কাম কৰা 'চাকৰণী' এজনী যোগাৰ কৰাৰ ব্যৱস্থা কৰা। মা-দেউতাৰো সেয়ে আশা ....... "বুজিছোঁ নবৌয়ে চাকৰণী বুলি কি বুজাইছে। এবা সময় কাৰোবে বাবে বৈ নাথাকে। সাতাইছ বছৰ বৰ এটা কম সময়টো নহয়। কেনেকৈযে দিনবোৰ হেৰাই গৈছে, ধৰিবই পৰা নাই। হস্পিতেল, ৰোগী, দৰৱ এইবোৰৰ মাজতে আবদ্ধ হৈ পৰিছোঁ। সৰুতে হাঁহ কুকুৰা এটা মৰা দেখি ভয়তে চিঞৰি উঠা মানুহটোৱে, দুহাতৰ মাজতে মানুহ মৰা দেখি নিৰ্বিকাৰ হৈ চাই আছো, চকুৰ আগতে মৰাশলৈ 'খচ্‌খচ্‌' কটাৰী চলাইছোঁ। হৃদপিণ্ডলৈ চাই ভাবো ইয়াকে অন্তৰ বোলেনে ভয়তে বুকুখনত থামুচি চাই আশ্বস্ত হৈছো মোৰ হৃদপিণ্ডটো ঠিকেই চলি আছে। আঃ কিযে এক আচৰিত জীৱন।

অলপ আগতে ৰোগী এজন আহি ভৰ্তি হৈছেহি, মনত আৰু অলপ দিন জীয়াই থকাৰ আশা। জানো; তেওঁ আৰু বেছিদিন জীয়াই নাথাকে, তথাপিও আশ্বাস দিছোঁ, পৰীক্ষা কৰিছো, দৰৱ দিছো। আটাইবোৰ ফাঁকি। মনে মনে হাঁহি উঠে, আৰু তেতিয়া নিজকে পুতৌ কৰিবৰ মন যায়। ভাব হয়, মইও তেনে শাৰী শাৰী বিচনাবোৰত থকা ৰোগীবোৰৰে এজন। সেই মানুহজনৰে পুতেকে আহি অনুৰোধ কৰি গৈছেহি, মই দেউতাকক এবাৰ চাই আহিব লাগে। বেচেৰা, সচাঁ কথাতো কৈ দিওঁ নেকি, যে "তোমাৰ দেউতাৰা আৰু দুই এদিনতে মৰিব" বুলি, কিন্তু ইমান নিষ্ঠুৰ হবলৈ মন নগল। আন এটা ৰুমৰ কাষেদি যাওঁতে এনেয়ে ৰুমটোত সোমাই গলো। লাহেকৈ পৰ্দাখন গুচাই ভুখোজমান গৈয়ে মই থত্‌মত্‌ খাই ৰৈ গলো। মোৰ অজানিতে মুখৰ পৰা এক অস্ফুট আৰ্ত্তনাদ বাহিৰ হৈ আহিল। সন্মুখৰ বেডখনত পিঠিত গাৰু এটা লৈ আওঁজি বহি

থকা গাভৰুগৰাকীয়েও তীক্ষ্ণ দৃষ্টিৰে এবাৰ মূৰ তুলি চাই প্ৰায় চিঞৰি উঠিল—

ঃ জয়ন্ত তুমি ? মই হতবাক হৈ পৰিছিলোঁ। নেকি ! এনে এটা পৰিবেশত হঠাৎ এইভাবে নিশাকয়ে পুনৰ লগ পাম, তাকো প্ৰায় দহ বছৰ বিৰতিৰ পাছত সেয়া মই কল্পনাও কৰা নাছিলো। হয়তো, এইয়া নিশাই হয়। কলেজত একেলগে পঢ়িছিলো, হাঁহি-ছিলো। কিন্তু ইমানযে শেতাঁ হৈ গল তাই সদা হাস্যময়ী চঞ্চলা নিশাৰ আজি এই ৰূপ। এটা বৰ্ণাব নোৱাৰা দুখে বুকুখন হেচাঁ মাৰি ধৰিলেহি।

ঃ কি হল ? তুমি দেখোন একেবাৰে সৰগ পৰা মানুহৰ দৰে থ'ৰ লাগি ৰ'লা। চিনি পোৱা নাই নেকি ? বহুত সলনি হৈ গলোতো, আচৰিত হৈছা ছাগৈ নহয়। বহাচোন মোৰ কাষতে। (শেতা) হাঁহি এটাৰে কোৱা তাইৰ কথাখিনিত মোৰ সম্বিত ফিৰি আহিল।

ঃ "নিশ্যা তুমি ইয়াত ? মইতো সপোনতো ভবা নাছিলো যে তোমাক ইয়াত হঠাৎ লগ পাম"

ঃ অথচ সেয়াই হ'ল নহয়। এদিন তোমাক কোৱা নাছিলোনে ? — চিৰপৰিচিত অথচ দুৰ্বোধ্য হাঁহিটোৰে তাই কোৱা কথা কেইটাই মোক পুনৰ অতীতলৈ, দহ বছৰৰ আগৰ কলেজীয়া দিনবোৰলৈ ওভোটাই লৈ গ'ল। জীৱন ইতিহাসৰ পাতবোৰ ফৰ ফৰকৈ উৰি আহি মোৰ চকুৰ আগত ভাঁহি উঠিল।

অকণমান অভিমান আৰু তাৰ লগতে মোৰ খেয়ালী মন, তাৰেই দানযে এদিন এনেদৰে দিব লাগিব তাক আমি এজনেওতো এবাৰলৈ ভবা নাছিলো।

নয়ন, দেব, ধ্ৰুব, প্ৰণামী, .... .... .... কিমান যে বন্ধু-বান্ধবী আছিল; হাঁহি স্ফূৰ্টি, আদ্দাৰ মাজেৰে বৰ ছলস্থুলীয়া ভাবে দিনবোৰ যে কেনি গৈছিল তাৰ খেয়াল কাৰোৰে নাছিল। আটাইবোৰ বন্ধুৱেই আছিল যদিও নিশাৰ কথা সুকীয়া। কাৰণ তাই কেবল মোৰ বন্ধুৱেই নাছিল, তাতকৈ বেছি কিবা, যাক মই কোনোদিনে ব্যাখ্যা কৰিব পৰা নাছিলো। নিশাৰ লগত পোন প্ৰথমে ক'ত কেতিয়া চিনাকি হৈছিলো মনত নাই; কিন্তু তাৰ পাছৰেপৰা ক্ৰমাৎ বৃদ্ধি পাই এক সমন্ধ গঢ়ি উঠিছিল। আনকি দুয়ো-দুয়োকে নিজৰ অতি গোপন কথাটোও কৈছিলো। আৰু তেতিয়াহে আমি শান্তি পাইছিলো। ভাবিলে আচৰিত লাগে আমাৰ সম্পৰ্ক। ক'ব নোৱাৰাকৈয়ে তাই যেন মোৰপৰা বহুখিনি দাবী কৰি লৈছিল। সেয়ে কেতিয়াবা ভাবিছিলো, নিশাকযেন মই বুজি উঠিছোঁ। কিন্তু তাইৰ ওঁঠত দেখি থকা ক্ষীণ হাঁহি-টোৱে এই সকলোবোৰ ওলট-পালট কৰি দিয়ে। বন্ধুবোৰে আমাৰ সম্পৰ্কে কিবা-কিবি নোকোৱা নহয়, মইও হয়তো অলপ দুৰ্বল হব বিছাৰিছিলো। কিন্তু নিশাৰ কথা বা কামততো তাই কোনোদিনে তেনে একো প্ৰকাশ কৰা নাছিল। মোৰ সকলোবোৰ চিন্তা তাইৰ ক্ষুদ্ৰ হাঁহিটিত তল পৰি গৈছিল। — এদিনৰ কথ মনত আছে। যিদিনা মাথো মই তাইৰ চকুত সামান্য দুৰ্বলতা (?) দেখা পাইছিলোঁ। কিন্তু সেয়া দুৰ্বলতা নহবওতো পাৰে।

সেইদিনা আমি দুয়ো চহৰৰ পৰা নিলগৰ এটা সৰু মন্দিৰলৈ ফুৰিবলৈ গৈছিলো। চহৰৰ বুকুৰ চঞ্চলতাৰপৰা আঁতৰৰ এখন নিৰিবিলি ঠাই। মন্দিৰৰ পৰা অলপ আতঁৰেদি এটা সৰু জুৰি নে কোনো নৈৰ এবাসুঁতি বৈ গৈছে। তাৰ সিটো পাৰে এখন পাতল হাবি। এইপাৰে এখন চাহ বাগিছা। সুঁতিৰ পাৰত এখন নিমজ ঘাঁহনি। বেলিটো লাহে লাহে পশ্চিমলৈ আগুৱাই গৈছে। বতাহত নাম নজনা ফুলৰ গোন্ধ। আমি দুয়ো ঘাঁহনিতে বহি পৰিলো। ফ্লাস্কৰপৰা চাহ একাপ মোলৈ আগুৱাই দিয়া নিশাক মোৰ বৰ মৰম লাগি গৈছিল। কপালত অবাধ্য চুলি দুডাল-মানে মনে মনে তাইক আমনি কৰি আছিল।

ঃ এই জয়ন্ত, ব'লানা মন্দিৰত দুয়ো নিৰ্মালী লম।

ঃ মই ! না বাবা না, তাতকৈ ভাই নাস্তিক এটাকে ধৰি বান্ধি তোমাৰ পাচে পাচে লৈ যোৱা।

ঃ আঃহঃ, তোমাৰ খালি চব কথাতে ধেমালি। অলপ চিৰিয়াচ হোৱানা। যোৱা তোমাক মই আৰু এটা কথাও নকওঁ।" — তাইৰ ওফোন্দ খাই যোৱা মুখখনলৈ চাই নিজৰ দৰে হো-হোৱাই হাঁহি দিছিলো। আৰু তাইক জোৰকৈ টানি আজুৰি মন্দিৰলৈ আগুৱাই গৈছিলোঁ। নাম নজনা দেৱতাজনৰ আগত আঁঠুলৈ প্ৰাৰ্থনা কৰি-ছিলো—"আজিৰ দিনটো যেন সোনকালে শেষ নহওক।"



পুনৰ আগৰ ঠাইলৈ ঘূৰি আহি ভাবিছিলো, আজি অন্তঃত অতদিনে মনৰ মাজতে পাগুলি থকা কথাবোৰ তাইক কম। ভাবি থাকোতে তাইয়ে নিজকে কোৱা-ৰদৰে আৰম্ভ কৰিলে।

ঃ জানা, আজি মোৰ কিয়জানো খুওব ভাল লাগিছে। সেয়ে তোমাক ইয়ালৈ জোৰ কৰি লৈ আহিলোঁ। তোমাৰ ছাগৈ খঙেই উঠিছে নহয় ? আচলতে কি জানা, মাজে মাজে মানুহক নিৰ্জনতাও লাগে; য'ত তুমি মনৰ সৈতে অকলে অকলে কথা পাতিবা। তাতো এটা অদ্ভুত আমেজ আছে। কিন্তু চহৰততো তুমি এনে এটা পৰিবেশ নোপোৱা।" — একেলগে বহুত কথা কৈ তাই অলপ ৰল। পুনৰ তুৰণিত চকু থৈ আপোন মনে কৈ গল—

ঃ কেতিয়াবা নিজক বৰ অকলশৰীয়া যেন লাগে অকলে অকলে কোনোবা অচিন গৰখীয়াৰ বাঁহীৰ সুৰত যেন এখুজি দুখুজিকৈ আগুৱাই গৈছিলো পাছে গৈ পাই দেখিলো চাৰিওফালে শূন্য। — আঃ কিযে এক যন্ত্ৰণা। "মই .... .... ....।" তাই উত্তেজিত হৈ পৰিছিল। আৰু দুচকুত এক অদ্ভুত তিৰবিৰণি ফুটি উঠিছিল। মোৰ বুকুখন অজানিতে ধপধপাই উঠিল। তাই কি ক'ত বিচাৰিছে বাৰু ? হঠাৎ প্ৰকৃতিস্থ হৈ তাই কৈ উঠিল।

ঃ "যাঃ কাৰ মূৰ বলকিছোঁ, এইবোৰ। এইবোৰ বাদ দিয়া। আমি কিয় আহিছিলোঁ বাৰু ইয়ালৈ ?" — কি ক'ম ভাবি নাপাই বুৰ্বকৰদৰে তাইকে ঘূৰাই সুধিছিলো,

ঃ কিয় বাৰু ?

ঃ ধেৎ অকৰাটো। মুখখন জপোৱা দেউ। একেবাৰে বেঙাটোৰদৰে দেখি। নহলে মই সৌ পানীত জপিয়াই দিমগৈ হলে কৈ দিলো। দেখিছো তুমি ধেমালিও নুবুজা। চাৰিওফালে চোৱাচোন, ইমান ধুনীয়া ঠাই। শান্ত, সৌম্য পৰিবেশ আগতে কৰবাত দেখিছা ? — হাঁহি থকা নিশাৰ চকুত কতো আগৰ সেই তিৰ-বিৰণি নাই। মোৰ মনতো পুনৰ কোঁচ খাই আহিল।

ঃ "তুমি বাৰু মন্দিৰত সেৱা কৰোঁতে কি বুলি ভাবিছিলা ?"

ঃ "কব নোৱাৰো।" নিকত্তাপভাবে ক'লো।

ঃ ইস, মই কম, ? তুমি ভাবিছিলা প্ৰভু আজিৰ দিনটোযেন কেতিয়াও শেষ নহয়। ই হৈ ৰওক অক্ষয়। হয়নে নহয় ? — আৰ্শ্চয্যই মোৰ পাৰ বাগৰি গৈছিল। ই কেনেকৈ সম্ভৱ।

ঃ তুমি কেনেকৈ জানিলা ?

ঃ জানিলো আৰু, তোমাক কেলৈ, মুঠতে তুমি কেতিয়া কি ভাবা, মই তাক আগতেই জানো। আৰু তোমাক যদি নাজানো, আৰুনো কাক জানিম ? কাৰণ তুমিয়েইতো মোৰ আটাইতকৈ ভাল বন্ধু নহয় নে ?" — কিন্তু মইতো তাইক ক্ষুদ্ৰতমো বুজি নাপালো। আৰু এইটোৰে মোৰ আটাইতকৈ দুখ।

ঃ আয়ৈ দেহি ! মুখখন ঘূৰাই নিয়া দেউ, মোৰ বেথা লাগি গৈছেগৈ। একেবাৰে কান্দিহে পেলাব যেন। অনুগ্ৰহ কৰি উঠা। সন্ধ্যা লাগিবই এতিয়া। গতিকে যাবৰো হল।" মোৰ দুচকুত অজানিতে দুফোঁট চকুলো ভাঁহি উঠিছিল। লৰালৰিকৈ মোহাৰি জাপ মাৰি উঠিলো।

ওৰে বাটটো দুয়ো মনে মনে আহিলো। হোষ্টেলৰ সন্মুখত এৰা এৰি হবৰ সময়ত তাই কলে

ঃ আজি তোমাক বহু বিৰক্ত কৰিলো নহয়। বেয়া নেপাবা। আটাইবোৰ কথাকে মুল্য দিবলৈ নাযাবা। — এইবুলি তাই এবাৰো ওভতি নোচোৱাকৈ থৰথৰকৈ হোষ্টেললৈ সোমাই গৈছিল।

তাৰ পাছতো বহুত মূল্যবান সময় পাৰহৈ গৈছিল। কলেজ, পিকনিক, স্ফূৰ্ত্তি, এইবোৰৰ মাজেৰে দিনবোৰ গতানুগতিকভাবে পাৰহৈ গৈছিল। তাৰ পাছতে আহিছিল। সেই অভিশপ্ত দিনটো। যাৰ বাবে মই জীৱন জুৰি অনুতপ্ত হৈ থাকিব লগা হৈছে। অথচ সি তেনেই সাধাৰণ।

কলেজ এৰিবলৈ এমাহমানহে বাকী পৰীক্ষা পাছে-হিয়েই। সৰুৰেপৰা মই ডাক্তৰ হোৱাটো ঘৰৰ আটাইৰে আশা। নিশাইও এদিন কৈছিল, "তুমি ডাক্তৰ হবা বুজিছা ? তেতিয়া মই কিবা এটা ডাঙৰ বেমাৰ পাছি লম। যাতে তোমাৰ কাষত সদায় থাকিব পাৰো কাৰণ বেমাৰী য'ত ডাক্তৰ ত'ত।" গতিকে খুওব কষ্ট কৰি পঢ়িবলগীয়া হৈছিল। নিশাও পৰীক্ষাৰ বাবে ব্যস্ত হৈ পৰিছিল বাবে বহুদিন লগ

পোৱা নাছিলো। ইতিমধ্যে বন্ধু মহলত আমি চৰ্চাৰ বিষয় হৈ পৰিছিলো বাবে হোষ্টেললৈ গৈ লগ কৰিবলৈও বেয়া লাগিছিল। তথাপি পৰীক্ষাৰ আগদিনা পৰীক্ষাৰ শুভেচ্ছা জনাই 'কাৰ্ড' এখন দিবলৈ হোষ্টেললৈ গৈছিলো। ভিজিটিং ৰূমত তাইক দেখি ভাল লাগি গৈছিল। কিন্তু তাই যেন বহুত সলনি হৈ গৈছে। নিৰসভাবে দুই এষাৰ কথা পাতি দেৰি হৈছে বুলি ব্যস্তভাবে গুছি গ'ল। মই অবাক হৈ গলো। ভিজিটিং ৰূমৰ আটায়ে যেন মোক পুতৌ কৰি চাইছে। মোৰ তেনে লাগিল। তাৰ পৰা ওলাই আহি খণ্ডতে কাৰ্ডখন টুকুৰা টুকুৰকৈ ফালি গুচি আহিলো।

পৰীক্ষাৰ কেইদিন তাইক দেখিছিলো, এজাক ছোৱালীৰ মাজত মোৰ কাষেদিয়ে পাৰহৈ যায়। চকুত দোষী-দোষী ভাব। পৰীক্ষাৰ শেষৰদিনা নিশাই মোক লগ ধৰি কৈছিল।—

ঃ তুমি মোক খুওব বেয়া পাইছা নহয়? এইকেইদিনৰ ব্যৱহাৰৰ বাবে বেয়া নেপাবা। আজি আবেলিকৈ মোক যেনেতেনে এবাৰ লগ ধৰিবা। তোমাক সকলো কম।" — কিন্তু মোৰ তেতিয়া তাইৰ একো কথা শুনাৰ ধৈৰ্য্য নাছিল। মোৰ খং অভিমানলৈ ৰূপান্তৰিত হৈছিল।

ঃ চোৱা তুমি মোক আৰু অপমান কৰিবলৈ চেষ্টা নকৰিবা। আৰু লগ ধৰিবলৈও যত্ন নকৰিবা। যত্ন কৰিলেও তাত মই সহাঁৰি নিদিওঁ। গতিকে বেয়া নেপাবা। নিশাও মোৰ সমানে গৰ্জি উঠিল।

ঃ বেচ; এয়ে যদি তোমাৰ শেষ কথা। মই একো নকওঁ। মাথো চেষ্টা কৰিবা যাতে তুমি তোমাৰ কথা ৰাখিব পাৰা।

— আৰু এইদৰে আমি দুয়ো-দুয়োৰে পৰা আঁতৰি আহিছিলো। ইতিমধ্যে মই মেডিকেল পঢ়িবলৈ গুচি আহিছিলো নিশাও সময়ৰসতে খোজ মিলাই নিজৰ কক্ষপথত সোমাই পৰিছিল। মোৰ মনৰ মাজত নিশাৰ স্মৃতি ক্ৰমাৎ ধূসৰ হৈ আহিছিল। কিন্তু সম্পূৰ্ণ অপ্ৰত্যাশিতভাবে পুনৰ আমাৰ কক্ষপথ দুটাযে এনেদৰে লগ লাগিব তাক মই ভবা নাছিলো। কিযে আচৰিত সংযোগ। .... .... ....

ঃ "আচৰিত সংযোগ নহয়নে?" নিশাই কৈছিল। তাইলৈ চালো। তাইৰ দুচকুত একেই কৌতুক। "জানো এতিয়া আৰু অভিমান কৰাৰ বয়স নাই। তথাপিও পুৰণা ৰোগটোৱে পুনৰ উক্ দিলে। তাই হয়তো মোৰ মনৰ কথা পঢ়িলে তাই কৈছিল—

ঃ কি হ'ল, পুৰণা খংটো মাৰ যোৱাই নাই নেকি? তুমি মোক অকনো নুবুজিলা, আচলতেনো কি হৈছিল, জানিবলৈ চেষ্টাই নকৰিলা। আৰু মৰোতো কম নহয়, অভিশপ্ত খণ্ডটোকে আগত ঠাই দিলো। — বাৰু বাদ দিয়া সেইবোৰ পুৰণা কথা। কোৱাচোন তোমাৰ কথাবোৰ শুনিবলৈ বৰ মন গৈছে। —" কথাবোৰ কওঁতে তাই ফোঁপাইছিল। দুৰ্বল চকুযুৰি তিৰবিৰাই উঠিছিল।

ঃ কি কম, ক'ব লগাতো একোৱেই নাই। কিন্তু তোমাৰ হৈছে কি? মইযে কি, তোমাক সোধাই নাই।

ঃ "সেইয়া, মই আকৌ তোমাৰ কামটো কেনেকৈ কৰো। তুমিহে ডাক্তৰ। এতিয়া মোৰ জীৱনটোও তোমাৰ ওপৰতে নিৰ্ভৰ কৰিছে।" নিজৰ বুৰ্বকামিত নিজৰ ওপৰতে খং উঠিল। খৰধৰকৈ তাইৰ ৰিপৰ্ট বোৰ চাবলৈ ধৰিলো। কিন্তু এয়া কি? ক্ৰমাৎ মোৰ উশাহ-নিশাহ বন্ধ হবৰ উপক্ৰম হৈ আহিল। ৰিপৰ্টতো পঢ়ি যেতিয়া শেষ কৰিছিলো। অনুভৱ হৈছিল মোৰ ভৰিৰ তলৰ পৃথিৱীখনযেন আঁতৰি গৈছে। ভগবানক কাতৰভাবে মাতিছিলো 'হে ভগবান,' এয়া যেন নহওক। আটাইবোৰ ৰিপৰ্ট যেন মিছা হয়।' মোৰ অজানিতে দুহাতত তাইৰ কণমাণি হাতখন তুলি লৈ যুঁজ কৰিছিলো বিবেকৰ সতে। কিন্তু সকলো অসাৰ। নিজৰ অক্ষমতাত নিজকে ধিক্কাৰ দিছিলো। তাইৰ চকুলৈ চাব পৰা সাহস তেতিয়া মোৰ নাছিল।

ঃ জয়ন্ত! কি হ'ল? তুমি ভয় খাইছা নহয়? তুমি নকলেও মই জানো, মোৰ কেন্সাৰ হৈছে। তোমাৰ ডাক্তৰী শাস্ত্ৰত হয়তু ইয়াৰ কোনো সমাধান নাই। সেয়ে তোমাৰ দুখ মই খুওব উপলব্ধি কৰিছো। দুখ কৰিবলৈ কিটো আছে। প্ৰথমে ভগবানৰ ওপৰতে ক্ষোভ হৈছিল, মোলৈ বাৰু তেওঁৰ ইমানেই আক্ৰোহনে? তুমিয়েই কোৱাচোন, তেওঁ বাৰু এবাৰো মোক পুতৌ কৰি হলেও মূৰ তুলি চাব নাপায়নেকি? অকণমান অভিমান কৰিছিলো, কিন্তু তাৰ বাবে ইমান ডাঙৰ শাস্তি। তোমাৰ বাৰু মনত আছেনে এদিনযে আমি ফুৰিবলৈ গৈছিলো। মন্দিৰ এটাৰ কাষলৈ।" তাই আপোন মনে কৈ গৈছিল। — "মই পাছতে। কেইবাবাৰো তালৈ গৈছিলো। কিন্তু আগৰদৰে স্ফুৰ্তিয়েইবা ক'ত? উকা মন এটা লৈ উভতি আহিছিলো। তোমালৈ খুওব মনত পৰিছিল। তোমাক এবাৰ লগ পোৱাৰ বৰ ইচ্ছা আছিল। ভগবানে তাক পূৰণ কৰিলে, এতিয়া আৰু মোৰ আন একো দুখ নাই। মই এতিয়া নিশ্চিন্তে মৰিব পাৰিম।'

ঃ প্লিজ, আৰু নকবা।" — মোৰ হৃদপিণ্ডটো ফাটি যাবৰ উপক্ৰম হৈছিল। এনে এটা ভয়ংকৰ সত্য ইমান সহজভাবে তাই লব পাৰিছে, মই কল্পনাও কৰিবপৰা নাই। ওঁঠত সেই একেই পুৰণা হাঁহি। কিন্তু দুচকুত এই প্ৰথমবাৰৰবাবে দুফোট চকুলো। সহ্য ন'হল, মুখখন ঘূৰাই ললো। নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। কিহে পাইছিল, বাৰু মোক ইমান স্বাৰ্থপৰ হবলৈ। এবাৰলৈও বুজিবলৈ চেষ্টা নকৰিলে। নিশাৰ সৰল অন্তৰৰ পবিত্ৰতাখিনিক। খুওব শাও দিলো নিজকে।

বহুত সময় কোনেও কথা কোৱা নাছিলো। ভাবিছিলো কি বুলি কম, আগৰ ভূলৰ প্ৰায়শ্চিত্তৰ বাবে নিজকে সাজু কৰিলো। নৰৌৰ চিঠিখনলৈ মনত পৰিল। তাইলৈ ঘূৰি চাইছিলো। কিন্তু তাইৰ দুচকুলৈ ইমান আন্তৰিক ভাবে প্ৰশান্তি নামি আহিল কৰপৰা। এক অজান আশংকাত বুকুখন কপি উঠিল। উন্মাদৰদৰে খেপিয়াই চাইছো ক্ৰমে চেচাঁ হৈ যোৱা তাইৰ হাতৰ স্পন্দন। আটাইবোৰ বুজিও যেন একো বুজা নাছিলো। চিঞৰে নিশাৰ মুখখন ঢাকি দিয়াৰ আগতে এবাৰ হেপাঁহ পলুৱাই তাইক চাইছিলো কিমান অভিমানেৰে যে তাই আঁতৰি গ'ল মোৰ কাষৰপৰা। অনুভৱ হৈছিল, মোৰ চাৰিওফালৰ বস্তুবোৰ, পৃথিৱীখন যেন ক্ৰমাৎ ভয়ংকৰভাবে কঁপি উঠিছে ... .... .... ॥ ★ ✶

যিয়ে মোৰ ভোকৰ ভাত, পিয়াহৰ পানী, সৰ্বশ্ৰেষ্ঠ ভাষাক ধ্বংস কৰিব খোজে — তাক বিজুলী, বজ্ৰপাত, অগ্নিঅস্ত্ৰই আঘাত কৰক।

— অথৰ্ব বেদ

ছুটি গল্প

# আমি বোৰেই কুকুৰ

— দেৱজিত হাজৰিকা
স্নাতক ৩য় বৰ্ষ
বিজ্ঞান শাখা

সন্ধ্যা সময়ত আড্ডা দিয়াটো মোৰ বাবে এটা নিয়মৰ দৰে। যদিও মোৰ বন্ধুবোৰ বিভিন্ন কলেজত পঢ়ে, তথাপি এই গধূলি সময়খিনিত আমি আটাইবোৰ লগ হওঁ, উদ্দেশ্য আড্ডা দিয়া। দিনটোত প্ৰতিজনে সন্মুখীন হোৱা বিভিন্ন ঘটনাৰ আৰু প্ৰত্যেক জনৰ ভিন্নসুৰীয়া মন্তব্য আগবঢ়োৱা আমাৰ এটা নিত্য-নৈমিত্তিক কাম। কেতিয়াবা আড্ডাৰ আলোচ্য বিষয়ে উচ্চস্তৰলৈ গতি কৰে। তেতিয়া আহি পৰে ৰাজনীতি, বৰ্ত্তমানৰ সমাজ ব্যৱস্থা আদি। এইবোৰৰ বিষয়ে আলোচনা কৰি থাকোঁতে পৰিস্থিতিয়ে কেতিয়াবা অন্য ৰূপ লয়। আৰম্ভ হয় তৰ্ক, ইজনে-সিজনক হেয় প্ৰতিপন্ন কৰিবৰ বাবে প্ৰত্যেকে নিজৰ নিজৰ মস্তিস্কৰ সকলো সিৰা-উপসিৰা জাগ্ৰত কৰি সন্মুখ প্ৰতিদ্বন্দ্বীৰ প্ৰতি নিক্ষেপ কৰে কথাৰ ব্ৰহ্মাস্ত্ৰ। তেতিয়াও যদি শত্ৰুপক্ষ ধৰাসায়ী নহয়, তেতিয়া ক্ষোভেৰে নিজৰ আসন এৰি ঘৰমুৱা হোৱাৰ বাহিৰে অন্য গত্যন্তৰ নাথাকে।

এদিন এইদৰে আড্ডা দি থাকোঁতে হঠাৎ আমাৰ মাজৰে এজনে উপস্থাপন কৰিলে এটা নতুন আলোচ্য বিষয়। বিষয়টো হল—"দৰিদ্ৰ নিচলাৰ প্ৰতি আমাৰ উদাৰতা কিমান?" বিভিন্ন জনে বিভিন্ন ধৰণৰ সচাঁ মিছাৰ ৰহন সানি আগবঢ়ালে একো একোটা ৰসগোল্লাৰ দৰে মিঠা উদাৰতাৰ মন্তব্য। যদিও সেই সময়ত আড্ডাত আমাৰ বন্ধুবোৰৰ বাহিৰে আন কোনো নাছিল, তথাপি যদি কোনোবাই দূৰৰ পৰাই আমাৰ কথাবোৰলৈ কৰ্ণপাত কৰি আছিল, তেন্তে উক্ত শ্ৰোতাই নিশ্চয় ভাবিবলৈ বাধ্য হৈছিল যে এইটো বাৰু ডেকা-যুৱকৰ উশৃংখল কথাৰ কুছ কোৱাছৰ ঠাই নে, মহৎ লোকৰ আলোচনা শিবিৰ। এই আলোচনাত মই মোৰ মন্তব্য আগবঢ়াবলৈ গৈ কিছু সময় থমকি ৰ'ব লগা হ'ল। কাৰণটো হ'ল কেইমাহমানৰ আগতে আমাৰ ঘৰতে ঘটি যোৱা এটা ঘটনা। য'ত মোৰ উদাৰতা ফুটি উঠাতো দূৰৈৰ কথা। বৰঞ্চ লাভ কৰিছিলোঁ এটা তিক্ত অভিজ্ঞতা।



আমাৰ ঘৰত প্ৰাণী চাৰিটা। মই, দাদা আৰু মোৰ মা-দেউতা। দাদা গুৱাহাটীত পঢ়ি আছে। গতিকে বৰ্ত্তমান সময়ত ঘৰত মাথো তিনিটি প্ৰাণী।



এবাৰ এই তিনিটি প্ৰাণীয়েই 'বাণিজ্যে বসতে লক্ষ্মী। বোলা কথাষাৰ স্মৰণ কৰি ঘৰতে একোখন কুকুৰা ফাৰ্ম খোলাৰ অভিপ্ৰায়েৰে এক আলোচনাত মিলিত হলোঁ। মা-দেউতাই ফাৰ্মখনৰ গঠন প্ৰণালীৰ বিষয়ে কিছুমান পৰিকল্পনা গুণা-গথাঁ কৰি থাকোতে মইও মোৰ সীমিত জ্ঞানেৰে কিছুমান মন্তব্য আগবঢ়ালো। শেষত সকলোবোৰ দিশ চালিজাৰি চাই আটাইকেইটি প্ৰাণীয়ে এই সিদ্ধান্তত উপনীত হলো যে প্ৰথমে ফাৰ্মখন বাহেঁৰে সাজোঁ, যদি লাভ হোৱা যেন দেখোঁ, তেন্তে পৰিকল্পনা মতে অদূৰ ভবিষ্যাতে ইয়াৰ উন্নতি সাধন কৰা হ'ব। আমাৰ সিদ্ধান্তত আমাৰ কাষতে বহি থকা লিজাইও নেজ জোকাৰি সন্মতি প্ৰদান কৰিলে। কথামতে কাম। পিছদিনা ব্ৰহ্মপুৱাতে দেউতাই শোৱা-পাটী ত্যাগ কৰি বাহঁ আৰু হাজিৰা কাম কৰা মানুহ বিচৰা অভিযান আৰম্ভ কৰিলে। কিছুসময়ৰ পাছতে এখন ঠেলাত বাহঁ আৰু দুটা মিঞা মানুহ লগত লৈ দেউতা আহি ঘৰ পালেহি। আহিয়েই দেউতাৰ আৰম্ভ হ'ল ব্যস্ততা। বাহঁ ইয়াত পেলা, তোমালোকে প্ৰথমতে ভেটিটোৰ বাবে মাটি তুলি লোৱা আদি। বাহিৰত ঘটি থকা উক্ত প্ৰস্তুতি পৰ্ব, অভিযান আদিৰ ওপৰত মাৰ ক'মেণ্টেৰী শুনি থকা স্বত্বেও মই কিন্তু বিচনাতে কেৰমেৰাই থকা আমোজটো ত্যাগ কৰা নাছিলো। কিন্তু যেতিয়া দেউতাৰ মাত, বাহঁ পেলোৱাৰ শব্দ, মিঞা কেইটাৰ ভঙা-ভঙা অসমীয়া, এই সকলোবোৰ মিলি পাশ্চাত্য সঙ্গীতৰ ৰূপ ললে, মই উঠি যাবলৈ বাধ্য হলো। বাহিৰলৈ গৈ দেখিলো যুদ্ধকালীন ক্ষিপ্ৰতাৰে প্ৰথম পৰ্য্যায়ৰ কাম আৰম্ভ হৈছে। দেউতাই একান্ত মনেৰে কাম চাই আছে। হঠাতে দেউতাই দৃষ্টি ঘূৰাই মোলৈ উদ্দেশ্যে কৰি কলে— "তোৰতো কলেজ বন্ধ। গতিকে তইয়ে অলপ চাই মেলি দিবি। মই অফিচৰ পৰা সোনকালেই আহিম।"—মই একান্ত বাধ্য ছাত্ৰৰ দৰে মূৰ জোকাৰি সন্মতি প্ৰকাশ কৰিলো। গতিকে মই দেউতাৰ আদেশ সৰোগত কৰিবৰ বাবে মুখখন ধুই, গাটো অকণমান তিয়াই লৈ মূঢ়া এটা আনি নিৰ্মাণ স্থলীৰ অলপ কাষতে বহি ললো। অলপ পাছতে মায়ে চাহৰ কাপ এটা আৰু বিস্কুট কেইটামান প্ৰদান কৰিলেহি। চাহৰ কাপটোত চুমক দি দি অভিজ্ঞ ইঞ্জিনীয়াৰৰ দৰে মিঞা কেইটাৰ খুটি নাটি ধৰিবৰ বাবে শেনচকুৰে বাট চাই ৰ"লো। মাজে মাজে মিঞা কেইটাৰ সতে দুই এটা কথাৰো আদান-প্ৰদান কৰিলোঁ। কিছু বেলিৰ পাছতে লিজা আহি উপস্থিত হল। উদ্দেশ্য নিৰ্মাণ কাৰ্য্যৰ প্ৰগতিৰ বুজ লোৱা। লিজাক দেখি মিঞা কেইটা উচপ খাই উঠিল। যদিও লিজাই আজিলৈকে মানুহ খেদি বা মানুহ কামোৰাৰ অভিলেখ স্থাপন কৰা নাই, তথাপি মিঞা দুজনৰ শঙ্কা দূৰ কৰিবৰ বাবে মই কলো— "ঘৰৰ মানুহ থাকিলে তাই একো নকৰে।" মোৰ কথাত মিঞা দুজনে কিছু সকাহ পোৱা যেন লাগিল। পুনৰ কাম আৰম্ভ হ'ল। কথাৰ মাজতে সুধিলো,— "ককাই, আপোনালোকৰ ঘৰত কুকুৰ আছেনে নাই?" মোৰ ফালে নোচোৱাকৈ এজনে কলে, "নাই।" পুনৰ সুধিলো, "কিয়? কুকুৰ এটা থাকিলে চোৰ-তোৰ আদিৰ পৰা বহুখিনি ৰেহাই পোৱা যায়।" মোৰ কথা শুনি ওচৰতে বহি থকা লিজাই বুকুখন অলপ ফোলাই দিলে। এইবাৰ মিঞা এটাই মুখত এটা মিচিকীয়া হাঁহি লৈ কলে,— "আমিবোৰেইতো কুকুৰৰ দৰে। ভাতমুঠি যোগাৰ কৰিবলৈ ইঘৰৰ পৰা সিঘৰলৈ ঘূৰি ফুৰোঁ। চোৰেনো চুৰ কৰিবলৈ আমাৰ বোৰৰ ঘৰত কিটো পাব? আমিবোৰেই কুকুৰ। বেলেগ কুকুৰ কিয় লাগিছে?"— মিঞা দুজনৰ উত্তৰটো হজম কৰিবলৈ মই টান পালো। যুক্তিৰে মই কথাষাৰ সত্য নহয় বুলি প্ৰতিপন্ন কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলো। তথাপি মিঞা দুজনে মোৰ কথালৈ কোনো কাণসাৰ নকৰি নিজৰ কামত মনোনিবেশ কৰিলে। কিছু বেলিৰ পাছত আমাৰ চিৰ নমস্য সূৰ্য্য দেৱতা আহি মূৰৰ ওপৰত অবস্থান ললেহি। দেখা পালো মায়ে কলপাত দুখন কাটি আনিছে। কিহৰ আয়োজনতনো কলপাত দুখন অনা হ'ল তাৰ বুজ লবলৈ বহাৰ পৰা উঠি পাকঘৰ মুৱা হলো। ঘটনাৰ বুজলৈ জানিলো যে তাত মিঞা দুজনক ভাত দিব। মই আপত্তি কৰিলো। আৰু কলো, "সিহঁতকতো থালতো দিব পাৰি।" মোৰ কথাত ব্যস্ততাৰ মাজতো মায়ে কলে,— "মিঞা মানুহ, জাতত অজাতি। সিহঁতক নিজে খোৱা থালত দি ঘৰখনৰ

গোঁসাই নাইকীয়া কৰিলেহে হব।" মোৰ বুজিবলৈ বাকী নাথাকিল মোৰ প্ৰতিবাদৰ গুৰুত্ব ইয়াত নাই। তথাপি সুধিলো" সিহঁতক কত খাবলৈ দিবা।" পোনপটীয়া উত্তৰ, "টিউবেলৰ পাৰত।" আমাৰ টিউবেলৰ পাৰতো পকাৰ আৰু পাকঘৰৰ গাতে লাগি আছে। তথাপি মোৰ বেয়া লাগিল। কাৰণ তাতে-ইতো আমাৰ লিজাই তাইৰ দৈনন্দিন আহাৰ ভক্ষণ কৰে। গতিকে বিনয়ৰ সুৰত কলো,— "সিহঁতকতো বাৰান্দাতো দিব পাৰা।" এইবাৰ মায়ে খঙত কেৰাহীকৈ চাই চকু ৰঙা কৰি কলে — "ঘৰৰ ভাল বেয়া বেছি তই জান নে মই? এইবোৰ একো নামানিলে ঘৰখনৰ কি অপায় অমংগল হব পাৰে তই সেইবোৰ জান জানো?" মাৰ ৰঙা চকু দেখি বুজিলো, বেছিপৰ ইয়াত থাকিলে পৰিস্থিতিয়ে বিপৰীত মূৰ লব। গতিকে লাহে লাহে পাকঘৰৰ পৰা ওলাই আহিলো। মনতে ভাবিলোঁ। এৰা মিঞা কেইটাই ঠিকেই কৈছিল— "আমি বোৰেই কুকুৰ।" □

> যি আত্মসন্মান ৰাখি নচলে সি সমাজত লাঞ্ছিত আৰু ঘৃণিত হয়। যি নিজৰ সন্মান ৰাখি নচলে, সি-লোকৰ পৰা সন্মান পাবলৈ আশা কৰা বৃথা।
>
> —লক্ষ্মীনাথ বেজবৰুৱা



[ চুটি গল্প ]

# প্ৰতীক্ষা ঃ

বিনীতা বৰুৱা
স্নাতক চুড়ান্ত বৰ্ষ ( বিজ্ঞান শাখা )

দিনমণি দিগন্ত পাৰ হবলৈ বেছি সময় আৰু নাই। ঘৰমূখী পক্ষী অৰ্দ্ধচক্ৰাকাৰে আকাশ চালি উৰা মাৰিছে আপোন কলৰবেৰে; পাতলীয়া ডাৱৰে পশ্চিম আকাশ সিঁচি থোৱা তুলাৰ দৰে আৱৰি আছে। অস্তগামী সূৰুযৰ হালধীয়া পোহৰ গাত সানি লৈ ডাৱৰৰ থুপবোৰে নীলা আকাশৰ আভা আৰু মোহময়ী, বিনন্দীয়া কৰি তুলিছে। ক্ৰমাং ঘন হব খোজা গছ-বিৰিখৰ ছাঁবোৰ শান্ত সৌম্য হৈ পৰিবেশ গম্ভীৰপৰা গম্ভীৰতৰ কৰি আনিছে। মৃদু সুহুৰীৰে অলসভাৱে বৈ অহা মলয়া এছাতিয়ে বুকুত অনুকম্পা জগাই গাৰ লোম থিয় কৰোৱা আবেষ্টনীৰ অনুশীলনী কৰিছে। অপলক ভংগীত এইখন আকাশলৈকে চাই চাই কবীন আত্মবিভোৰ।

"নাই, নাই, কিবা এটা কৰিবই লাগিব। শ্বাশ্বত পৃথিবীৰ নিখুঁত সৃষ্টিৰ নিয়ম শৃংখলা অটুট ৰাখিবই লাগিব। ইয়াৰ গত্যন্তৰ নাই। কিন্তু কেনেকৈ? অকলেতো নোৱাৰি। সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ প্ৰক্ৰিয়া নিতৌ ঘটিয়ে আছে। ইয়াত জানো কিবা বাধা দিব পাৰোঁ? সেয়েহে সৃষ্টিৰ ক্ৰিয়া কলাপ জটিল বুলি মানি লবলৈ মানুহ বাধ্য হৈছে! তথাপি আনমনা পৃথিবীখনযে ইমান আপোন! জীৱজগতৰ প্ৰাণবো প্ৰাণত ইয়াৰ চালিকা শক্তি যে নিহিত হৈ আছে! ইয়াৰ অপত্য স্নেহত জীৱজগত মোহাচ্ছন্ন। শিল্পী, সাহিত্যিক, কবি, বৈজ্ঞানিক আটায়ে এই নাগপাশ ছিন্ন কৰিবলৈ অপাৰগ হৈছে। নানা দিশত নানা গৱেষণাৰ পাতনি মেলিও ইয়াৰ উৱাদিহ উলিয়াব নোৱাৰা হৈছে! তেন্তে অকলে কিবা এটা কৰিম বুলিলেইতো কৰিব নোৱাৰি। ছিঃ এইবোৰ কি কথা ভাৱ আছোঁ?॥

আন্ধাৰে পৃথিৱীখন দেখোন আৱৰি ধৰিলেই। দুৰৈত নিশাচৰ প্ৰাণীৰ চিঞৰ বাখৰ আৰম্ভ হলেই। কালিতো ৰতনৰ ঘৰলৈ যাম বুলি কোৱা আছিল। দেৰীয়েই হল।



ৰতন কবীনৰ নলে-গলে লগা বন্ধু। আধুনিঃকতাৰ চাকনৈয়াৰ পৰা গা নচাই ফুৰা প্ৰকৃতিৰ মানুহ। জীৱন যুঁজৰ জঞ্জালবোৰ জলাঞ্জলি দি শান্তি সৌম্যৰ পীপাসাত মজি থকা স্থিত প্ৰজ্ঞৰ মানুহ। নিয়তিৰ বিধান আখৰে আখৰে পালন কৰি চলা-ফুৰা কৰিবলৈ ভাল পোৱা মানুহ। সঙ্গ কম। কোনো কাম আৰু কথাত ধামখুমীয়তা নাই। আকালো নাই ভৰালোঁ। নাইকিয়া বিধৰ পৰিয়ালৰ মানুহ।

মানুহে পাতে ঈশ্বৰে ভাঙে। নেমানি উপায় নাই। ভাবিছিলোঁ — ৰতনৰ ঘৰখনৰ আটোমটোকাৰী অৱস্থাৰপৰাই প্ৰকৃত মানুহ ওলাই পৰিয়ালটোৰ লগতে দহৰো উপকাৰ কৰিব পাৰিব। গৈ দেখোঁ, ৰতনৰ ঘৰখন কাইঁ পৰি জীন যোৱা। ৰতন আৰু আন আটায়ে বিষন্ন মনৰ। ভু-লৈ জানিব পাৰিলো, ৰতনৰ ভায়েক নিখোজ। নিচেই পুৱাতে চাকৰিৰ সাক্ষাৎকাৰৰ বাবে ঘৰৰ পৰা ওলাই গৈছিল। লগত লগৰীয়া কেইজনমানো গৈছিল। বহু আশাৰ ধন, পৰিয়ালটোৰ চকুৰ মণি আছিল ভায়েক। অশেষ কষ্ট স্বীকাৰ কৰি তাক পঢ়োৱাই শুনোৱাই প্ৰকৃত মানুহৰ শাৰীলৈ অনাৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। আবেলি খবৰ আহিল ভাইটি নিখোজ। পুৱাতে সকলোৰে আৰ্শীৱাদ শিৰত লৈ 'ভাইটি' ওলাই গৈছিল আৰু সাক্ষাংকাৰত উত্তীৰ্ণ হৈ হাঁহি মুখে উলটি আহিব বুলি ৰতনহঁত উদগ্ৰীব হৈ আছিল। আশাৰ মূৰত চেচাঁ পানী ঢালি নিখোজ হোৱাৰ বাতৰিহে তিনিমান বজাত পালেহি। সৰগ ভাগি মূৰত পৰাৰ অৱস্থা হল। কাক সুধিব? কাক কব? কৰপৰা ভাইটিৰ সন্ধান পাব? ভাবি একো ঠিক কৰিব নোৱাৰা হল ৰতন। মুহুৰ্ত্তৰ ভিতৰতে অনুসন্ধানৰ ব্যৱস্থা কৰিবলৈ সিহঁত আৰ্থিক ভাবে দুৰ্বল। খবৰ পায় মাকো মূৰ্চ্ছিতপ্ৰায়। এৰিও যাব নোৱাৰি। অনেকৰপৰা বুদ্ধি ভৰসা পাবলৈও লগ-সঙ্গ কম। ৰতন নিৰুপায়। মাথো দুই এষাৰ কথাৰে মোৰ আগত মনৰ ভাব ব্যক্ত কৰি বিষাদ-গধূৰ বুকুখন অলপ পাতলাইছে। ৰতনে যেন চাৰিওফালে আন্ধাৰ দেখিছে। তাৰ কথা শুনি ময়ো বিব্ৰত হৈ পৰিলো। আমি দুয়োটা প্ৰায় একে প্ৰকৃতিৰ। নিতৌ ঘটি থকা অপহৰণ, হত্যা, লুণ্ঠণ আদি মানুহৰ মুখ বাগৰি অহা কথাবোৰে মন অস্থিৰ কৰি ৰাখিছেই তাতে ৰতনৰ ঘৰত ইয়াৰ বাস্তব ছবিখন চাই মন আৰু অস্থিৰ হল। মনলৈ বাৰে বাৰে মাত্ৰ এটা ভাবকে আহিবলৈ ধৰিলে — "সৃষ্টিৰ অপূৰ্ব লয়ৰ সুষমাত মানুহে সচাঁকৈয়ে উদ্বেলিত হবলৈ নাপায় নেকি? "শান্তিৰ অপূৰ্ব বন্যাত সাঁতুৰি নাদুৰি ফুৰাৰ অধিকাৰ মানুহৰ নাই নেকি? মানুহৰ সৃষ্ট বন্দুক বাৰুদ, গ্ৰেনেদ বোমা, আদি শান্তি প্ৰবৰ্তনৰ বাবে নে মানুহৰ অৱক্ষয়ৰ বাবে??' কথাবোৰ যিমানে ভাবিলো, মনটো আৰু গধূৰ হৈ আহিল। ৰতনলৈ নোচোৱাকৈ বহু সময় তলমূৰলৈ ৰহি থাকিলো। ইফালে সন্ধ্যা নামি আহিল। ৰাতিও গহীন হৈছে, ৰতনক যাওঁ বুলি কৈ ঘৰলৈ উভতিলো। আহোঁতে বাটত ৰতনৰ দৰে অলেখ মুখ চকুৰ আগলৈ ভাঁহি আহিল। আবেলিৰ আকাশখনলৈ খং উঠি গল, কব নোৱাৰাকৈয়ে খং উঠি গ'ল উৰি যোৱা চৰাইজাকলৈও। পৃথিবীৰ মানুহক ইতিকিং কৰি বিমল আনন্দেৰে উৰি যোৱাৰ অধিকাৰ সিহঁতে বাৰু ক'ত পালে? সিহঁতক যেন গুলিয়াই এটা এটাকৈ মাৰি পেলাম। অপৰূপ সৌন্দৰ্য্যৰ পোহাৰ মেলা গছ-গছনিবোৰো যেন কাটি শেষ কৰি পেলাম।" ওহোঁ মোৰ ভুল হৈছে। মই বাৰু কিয় ইমান নিষ্ঠুৰ হৈছোঁ? হত্যাৰ বাবে কিয় উদ্যত হৈছোঁ? ইহঁতেনো বাৰু ভাইটিক কি কৰিলে ভাইটি নিখোঁজ হোৱাৰ বাবে ইহঁতনো কেনেকৈ দায়ী হব?

"বিপদত ধৈৰ্য্য ধৰি বিপদ অতিক্ৰম কৰাৰ সু-পথ বিচৰাটোহে জ্ঞানীজনৰ কাম।" ভাইটিৰ সন্ধান-পাবলৈ দেহে কেহে যত্ন কৰাটোহে মোৰ কাম। ভাইটিক বিচাৰি ঘৰলৈ ঘূৰাই আনিবই লাগিব। কিন্তু কেনেকৈ? ভাইটি যদি লগৰ কেইটাৰ পৰা এৰাএৰি হৈ আকস্মিক দুৰ্ঘটনাত মৃত্যুৰ মুখত পতিত হব লগা হৈছে। সেয়া হব তাৰ কপালৰ দোষ। ভাই-ককাই ইষ্ট-কুটুমৰ দুৰাকাঙ্খাৰ ৰোষ। যদি মৃত্যুৰ অন্যান্য হেতুৰ বাদে ভাইটিয়ে লাঞ্ছিত, উৎপীড়িত, আৰু অবৰুদ্ধ হব লগীয়া হৈছে তেন্তে ময়ো আকুলকণ্ঠে পৃথিবীবাসীক এটি আবেদন জনাওঁ" মুক্ত আকাশ যদি উৰি যোৱা চৰাইৰ বাবে মুক্ত হব পাৰে, একেখন মুক্ত আকাশৰ তলতেই চলা-ফুৰা কৰা মানুহো না ইতৰ জন্তুও মুক্ত হোৱা উচিত। মুক্ত মনেৰে, মুক্ত চিন্তা-কৰ্ষণ কৰি নিজৰ দৰে আনকো মুক্ত অৱস্থাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা উচিত। প্ৰত্যেকে এনে চিন্তাৰ নশবৰ্ত্তী হলে অকল ভাইটিয়েই কিয়, ভাইটিৰ দৰে বহু ভাইটিয়েই ঘৰলৈ ওভতি আহিব হাঁহিমুখে অনাগত দিনৰ সোণালীসপোন লৈ কৰ্মক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব।

ঘৰত আহি দেখোঁ দুই এজন শুলেই। মইও এমুঠি খাই নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ললো। ●



# আকুল অপেক্ষা



— হেমন্ত স্বৰ্গাৰী
স্নাতক দ্বিতীয় বৰ্ষ
কলা বিভাগ

দুজনী কাণ সমনীয়া ছোৱালী জোনালী আৰু মীৰা। দুয়ো একে ক্লাছতে পঢ়ে। ক্লাচ মানে দুয়ো এইবাৰ হায়াৰ ছেকেণ্ডাৰী ফাইনেল দিব। দুয়োজনীৰে বৰ মিল। দুয়োকে সদায় একেলগে দেখা যায়। কলেজলৈও দুয়ো একেলগে অহা যোৱা কৰে। দুয়োজনীৰে কথাৰ মাজত ময়ো প্ৰায় ভাগ লওঁ। অৱশ্যে তেতিয়া সিহঁতৰ লগন ফ্ৰি হব পৰা নাছিলো। কলেজ কেন্টিনতো প্ৰায়ে তেওঁলোকৰ লগত মোৰ আদ্দা বহে। জোনালী আৰু মীৰাই সদায় ছুটিৰ পিছত মোৰ লগত কেন্টিনত সোমাই কিবা এটা খাইহে যায়।

জোনালীৰ প্ৰতি মোৰ আগৰ দুৰ্বলতা আছিল। সেয়ে সিদিনা তাইৰ বাক্যটোৰে কব নোৱাৰাকৈয়ে মোৰ মনটোক জোকাৰি গৈছিল। জোনালীয়ে অৱশ্যে আইন ভাবতো কথাতো কব পাৰে। কাৰণ কেন্টিনত খোৱাৰ খৰচ ময়ে আগতিয়াকৈ দিওঁ আৰু সিহঁতৰ কথাবোৰৰ মাজত ৰসাল কৰি হাঁহিৰ খোৰাক যোগান ধৰো। জোনালীয়ে বুজি পাইছিলনে নাই সেইয়া অবশ্যে মই নাজানো। লাহে লাহে জোনালীৰ লগত মই মুকলি ভাবে কথা পাতিবলৈ লৈছিলো। মোৰ অনুৰোধত সিহঁতে মোক 'আপুনি'ৰ পৰা 'তুমি' কৰিবলৈ লৈছিল।

বন্ধুবোৰে দিয়া উৎসাহ আৰু সাহসতেই চিঠি এখন লিখি আজি মই জোনালীক দিলো। তাকো যাবৰ সময়ত তাই সুধিলে — "কি দিলা এইয়া?"

ঃ কিবা লিখা আছে পঢ়ি চাবা।"
তাই একো নকলে।

ঃ "কালিলৈ কলেজলৈ আহিবা নহয় জোনালী?"

ঃ "আহিম।"

ঃ "কালিলৈ কলেজলৈ আহোঁতে মোক লগ কৰিবা প্লিজ, মই চৌকিডিঙ চাৰিআলিত ৰৈ থাকিম যাওঁতে নহয় — আহোঁতে।"

তাই কোনোমতে হাঁহি এটা মাৰি হব বুলি কলে। তাইৰ মুখখন ৰঙা পৰি গৈছিল। ৰ'দত নে লাজত সেইয়া অবশ্যে অনুমান কৰিব নোৱাৰিলো। জোনালীক সেই সময়ত খুউব ধুনীয়া লাগিছিল।

এসপ্তাহ পূৰ হল জোনালীক

মই দেখা নাই। অকল জোনালীকেই নহয়, মীৰাকো দেখা নাই। দুয়ো কলেজলৈ অহা নাই। সিহঁত দুয়ো কলেজলৈ নহাৰ কাৰণটো জানিবলৈ মই ব্যাকুল হৈ পৰিছোঁ। দুয়ো নহাৰ কাৰণ কি হব পাৰে মই ভাবি নাপালো। দুয়ো হয়তু মীৰাৰ ঘৰ মধুপুৰলৈ গৈছে। হয়তো কোনোবা এজনীৰ কিবা অসুখ হৈছে। নাই, কোনোটো কাৰণেই মোৰ মনঃপুত নহয়। মই সচাকৈ অস্থিৰ হৈ পৰিছোঁ। কতো মন বহোৱাব পৰা নাই। জোনালীহঁতে আগতে এনেদৰে ক্লাছ ক্ষতি কৰা কেতিয়াও মনত নপৰে। মোৰ বন্ধুবোৰেও এই ক্ষেত্ৰত কোনো সহায় কৰিব পৰা নাই। জোনালীক এবাৰ চাবলৈ, এবাৰ লগ পাবলৈ তাইৰ মুখৰ পৰা মোৰ প্ৰশ্নৰ উত্তৰ শুনিবলৈ মই পাগলৰ দৰে হৈ পৰিছোঁ। মোৰ প্ৰশ্নৰ উত্তৰ তাই কি কয় নাজানো, কিন্তু মোৰ এনে লাগে, জোনালীয়ে যেন আহি কব— "হেমন্ত, ময়ো তোমাক ভাল পাওঁ। বহুদিনৰ আগৰেপৰাই ভাল পাওঁ তোমাক।"

জোনালীক দেখা নোপোৱা আজি দহদিনেই হ'ল। মীৰাও অহা নাই কলেজলৈ কিনো হল মোৰ জোনালীৰ। জোনালীহঁত মিলন নগৰত থাকে। সিহঁতঁৰ ঘৰো মই চিনি নাপাওঁ। ভাবিলো আজি যদি নাহে কালিলৈ পুৱাতে সিহঁতৰ ঘৰলৈ যাব লাগিব। ঘৰ বিচাৰি পাওঁ নাপাওঁ সেয়া পিছৰ কথা। এনেতে আহি ওলাল এজন পুলিচ বিষয়া। তেওঁ কলে— "তোমাক থানালৈ মাতি পঠাইছে অ' চি য়ে।" থানা? কিয় বা? মনত এশ এবুৰি প্ৰশ্ন লৈ ওলালোগৈ পুলিচ থানা। অ' চিয়ে গহীনাই সুধিলে—"তোমাৰ নাম হেমন্ত স্বৰ্গাৰী?"

ঃ "হয়।" কলো।

ঃ এইখন আপোনাৰ চিঠি নেকি?" এইবুলি এটা লেফাফা মোলৈ আগবঢ়াই দিলে। হাতত লৈ চালো। ওপৰত মোৰ ঠিকনা লিখা আছে। প্ৰেৰকৰ নামটো দেখি আনন্দত নাচি উঠিল। জোনালীৰ চিঠি। স্থান, কাল পাহৰি গৈ লেফাকাটো খুলি চিঠিখন চকুৰ আগত মেলি ললো।

"মৰমৰ হেমন্ত,

মোৰ মনৰ কথাটো তুমি যে আগতেই প্ৰকাশ কৰি দিলা। মই চিৰ কৃতজ্ঞ তোমাৰ ওচৰত। অসুখৰ বাবেই এইকেইদিন কলেজ খতি। মীৰাও এইকেইদিন ঘৰত নাছিল। তোমাৰ প্ৰশ্নৰ উত্তৰ চিঠিৰে দিয়াৰ বাবে ক্ষমা কৰিবা। বহুতো মৰমেৰে

তোমাৰ জোনালী'

ঃ "কিন্তু এইখন চিঠি আপোনাৰ হাতত পৰিল কেনেকৈ?" মই আচৰিত হৈ অ' চি ক সুধিলো।

ঃ "আজি পুৱাতে ইউনিভাৰচিটিৰ ওচৰত বাছ দুৰ্ঘটনা এটা হল। তাত মৃত্যু হোৱা ছোৱালীৰ বেগত এই চিঠিখন পাইছো। নহলে মৃতদেহটো চিনাক্ত কৰাৰ উপায়েই নাছিল। আই এম চ'ৰি, শৱটো মৰ্গত আছে। তমি এবাৰ চাই ঘৰলৈ নিয়াৰ ব্যৱস্থা কৰা।

অ'চিৰ কথা শুনি মই বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ গলো। জোনালী মৰিল। নাই, জোনালী মৰিব নোৱাৰে। মই দুহাতেৰে মুখখন ঢাকি ওচৰতে থকা বেঞ্চখনত বহি পৰিলো। চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল যদিও নিজকে কোনোমতে সম্বৰণ কৰি ৰাখিলো। হায়! নিয়তি, তুমি ইমান নিষ্ঠুৰ হলা কিয়? কব নোৱাৰাকৈয়ে চকুলোৰে মোৰ গাল দুখন তিতি গল।

ঃ "ৰিলেক্স মিঃ স্বৰ্গাৰী। ট্ৰাই টু কণ্ট্ৰল ইয়ৰছেলফ।" অ চি য়ে মোক কান্ধত থপৰিয়াই শান্তনা দিবলৈ চেষ্টা কৰিলে। পুলিচ এজনৰ লগত গৈ যেতিয়া মৰ্গত উপস্থিত হলো। তাত অন্য এক বিস্ময়ে অপেক্ষা কৰি আছিলে। মৃত দেহটোৰ ওচৰত এজনী ছোৱালীয়ে ইনাই-বিনাই কান্দি আছিল। মই ওচৰ পোৱাত ছোৱালীজনীয়ে মূৰ তুলি মোলৈ চালে। মই বিস্ময়ত হতবাক হৈ শিলৰ মূৰ্ত্তিৰ দৰে থৰ হৈ কেৱল চাই ৰ'লো। এইজনী দেখোন মোৰ জোনালীয়েই। মই চকুৰে ভূল দেখা নাইতো? নাই সচাকৈয়ে এইজনী মোৰ জোনালী। আনন্দত আত্মহাৰা হৈ মই তাইক সাৱতি ধৰিলো।

ঃ "তেনেহলে এইটো মৃতদেহ কাৰ?"

জোনালীয়ে উত্তৰ দিলে সেহজনী তাইৰ বান্ধৱী মীৰা। মীৰাৰ হাতত তাই চিঠিখন দি পঠাইছিল মোক দিবলৈ। মীৰা অহা গাড়ীখনৰ দুৰ্ঘটনাৰ খবৰটো কেনেবাকৈ পাই তায়ো আহিছে মীৰাক চাবলৈ।" ●



# ঃ অব্যক্ত বেদনা ঃ

—মেঘালী বৰগোহাঁই
স্নাতক ৩য় বাৰ্ষিক
(বিজ্ঞান)

কিযে অস্বস্তি। জ্বৰে ঘামে ঘামিবলৈ ধৰিলে ৰুমাই। তাই আজিৰ দিনত হৈ যোৱা ঘটনাটোৱে বুকুত হাতুৰীয়ে কোব এটা দিয়া যেন দি আছে। কিমান আনন্দৰ মাজেৰে সদৌ অসম ভিত্তিৰ পতা চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰটো আনিবলৈ গৈছিল। কিন্তু সকলো আনন্দ চুৰমাৰ হৈ গ'ল পুৰস্কাৰ প্ৰদান কৰিবলৈ মাতি অনা সভাপতিজনক দেখি। ৰুমাই খঙত অভিমানত জ্বলি উঠিল। যেনে তেনে তেওঁ প্ৰতিযোগিতা আয়োজন কৰা কৰ্মকৰ্তা এজনক লগ



ধৰিলে আৰু বিশেষ কামৰ বাবে পুৰস্কাৰটো লব নোৱাৰিব বুলি কৈ কোবাকোবিকৈ ঘৰলৈ ঘূৰি আহিল। ঘৰ পায়েই বিচনাত পৰি দিলে অকণমান শান্তিৰ-ঘৰ পায়েই বিচনাত পৰি দিলে অকণমান শান্তিৰ আশাত কিবা এটা যেন অজান আশংকাই তাইৰ গোটেই শৰীৰটো কঁপাই তুলিছে। মানুহবোৰে বাৰু তাইক লৈ কুৎসা ৰটনা কৰিব নেকি? সমাজে তাইক ভূল বুজিব নেকি? নিজকে শান্তনা দিয়াৰ চলেৰে বুজাইছে— মানুহৰ মুখ আছে যেতিয়া কবই, কওক, যিমান পাৰে সিমান কওক। যি কৰিলে ভালেই কৰিলে। এদিনটো এই মানুহজনেই তাই অঁকা ছবিবোৰ ০ ০ ০। সেই হাত দুখনৰপৰা কিদৰে তাই পুৰস্কাৰ লব। নোৱাৰে ০ ০ ০ ০ ০ " অ - - স - - ভ - - ৱ "

সৰুৰেপৰা ৰুমা পঢ়া-শুনাৰ লগতে ছবি অঁকা গান গোৱা আদিত পাৰ্গত আছিল। দেউতাকে ছবি অঁকাত ৰাপ থকাৰ বাবে আৰ্ট স্কুলত নাম ভৰ্ত্তি কৰি দিছিল। দশমমাম শ্ৰেণীত পঢ়ি থাকোতেই তাইৰ দেউতাকৰ মৃত্যু হল। দেউতাক আছিল উপাৰ্জনৰ একমাত্ৰ পথ। ঘৰখনত তাইৰ উপৰিও মাক, ককায়েক সৰু ভনীয়েক দুজনী আছে। ককায়েকে দেউতাকৰ চাকৰিৰ সলনি সেইটো বিভাগতেই চাকৰি এটা পালে। ঘৰখন কোনোমতে চলিব পৰা হল। দেউতাকৰ মৃত্যুৰ ছমাহৰ পাছত ভনীয়েক এজনীও মৰিল উপযুক্ত চিকিৎসাৰ অভাৱত। মাকৰ অৱস্থা কি হৈছিল কল্পনা কৰিব নোৱাঁৰি। এইবোৰ দেখি তাই মেডিকেল পঢ়িম বুলি আশা কৰিছিল। সেই উদ্দেশ্যে উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত নাম লগালে আৰু দিনক ৰাতি কৰি পঢ়িলে। পৰীক্ষাৰ সময়ত বেমাৰ হোৱাত ভাল ফলাফল নাপালে। তাই কন্দাৰ বাহিৰে একো বিকল্প উপায় নেদেখিলে। কেৱল কান্দিলেতো সমস্যা সমাধান নহয়।

ৰুমাই এইবাৰ কলা বিভাগত স্নাতক শ্ৰেণীত নাম লগালে। এতিয়া পঢ়াৰ লগে লগে ছবি অঁকাত নিজকে ব্যস্ত ৰাখিব পাৰিলে। যি প্ৰতিযোগিতাতেই

যোগদান নিদিয়ক কিয়, প্ৰথম পুৰস্কাৰটো তাই লাভ কৰিবই। ছবি অঁকাৰ লগতে পঢ়াৰ দিশটোও বজায় ৰাখিলে। এটা সময়ত স্নাতক ডিগ্ৰী সুকুমাৰ কলাতো ডিপ্ল'মা তদুপৰি বিয়াও ঠিক হল। বিয়া হৈ গ'ল। কমাৰ গিৰীয়েক ওচৰৰে কলেজ এখনৰ অধ্যাপক। তেওঁৰ সময়েই নাই। ৰাতিপুৱাৰে পৰা গধূলিলৈকে টিউচন আৰু কলেজত ক্লাছ, সভা সমিতি আজি বোলে কবি সন্মিলন, কাইলৈ বোলে কিবা ০ ০ ০"

বিয়াৰ ছবছৰ হৈ গ'ল যদিও ভগবানে সন্তান এটিও সিহঁতৰ জীৱনলৈ নিদিলে। অৱশ্যে এই বছৰকেইটা কিদৰে পাৰ হৈ গৈছিল কমাই ক'ব পৰা নাছিল। বেমাৰী শাহুৱেকৰ আলপৈচান ধৰিবও লাগিছিল। শাহুৱেক মৰাৰ পিছত তাই বৰ অকলশৰীয়া অনুভৱ কৰে — গিৰীয়েক ঘৰত নথকা সময়খিনিত। বহুতো নেদনাই যেন একেলগে গ্ৰাস কৰি পেলাব খোজে। কেবল খাই-লৈ, কথা পাতি, শোৱা-নোপোৱাৰ হিচাব কৰি মূল্যবান সময়বোৰ পাৰ কৰি দি কমাৰ তিতা-কেঁহা লাগিল। মনটোকে সজীৱ কৰি ৰাখিবলৈ ছবি আঁকিবলৈ ঠিক কৰিলে আৰু গিৰীয়েকক কথাটো জনালে। তাই ভবাৰদৰে গিৰীয়েকে প্ৰেৰণা দিয়াটো দূৰৈৰ কথা যিবোৰ কথা কলে সেইবোৰে ভাবিবলৈ বাধ্য কৰাইছিল ইমান শিক্ষিত মানুহো তেনেকুৱা হব পাৰেনে? গিৰীয়েকে কলে বুলিয়েইযে তাকেই কৰিব। সেইটোতো নহয়, নিজৰ বুলি একো নাই নেকি? এইবোৰে তাইৰ মনক জেদী কৰি তুলিলে। গিৰীয়েক নথকাৰ সুযোগ লৈ ডাঙৰ ডাঙৰ কেনভাচবোৰ তুলিকাৰে সজাই পেলাইছিল। ঘৰত যি দুখনমান আঁৰি থৈছিল সেইকিখনে প্ৰতিজন আলহীকে মোহিত কৰিছি।

এদিন ৰাতিৰ কাকতখন চকু ফুৰাওতে এটা বিজ্ঞাপন পালে যে বঙ্গালী হাইস্কুলত সুকুমাৰ কলাৰ এটা পদ খালী হৈছে। তাইৰ মনটো প্ৰথমতে কোঁচ খাই গৈছিল ঘৰৰপৰা আঁতৰত বাবে পাছত ভাবিলে ঘৰৰপৰা আঁতৰিহে কৰ্ত্তব্য কৰাত সফল হব আৰু মনে মনে পদটোৰ বাবে আবেদন কৰিলে।

সময়ত নিযুক্তি পত্ৰ পালে। যেতিয়া এই বিষয়ে গিৰীয়েকক কলে, তেওঁ কোনোপধ্যে ৰাজিটো নহলেই বৰং ছবিবোৰ জ্বলাই পেলালে। কিন্তু শিল্প জ্বলি থকা চাকি নহয়, তেলক'ণ শেষ হৈ গলে পোহৰ শেষ হৈ যাব। কমাই ঘৰৰপৰা গুচি আহিল চাকৰি কৰিবলৈ। কমাক এতিয়া সকলোৱে জানে আগশাৰীৰ চিত্ৰশিল্পী বুলি।

ৰাতিপুৱা কেলেণ্ডাৰখনৰ পাত লুটিয়াই আজিৰ তাৰিখটো দেখি কমাৰ খুওব আনন্দ লাগিছে, কিয়নো পুৰস্কাৰ আনিবলৈ আজিয়েই মাতিছে আৰ্ট গেলাৰীলৈ। কিন্তু পুৰস্কাৰ আনিবলৈ গৈ এয়া কি হ'ল--॥ মনৰ জেদে কমাক আত্ম প্ৰতিষ্ঠা কৰিছিল যদিও প্ৰকৃত সাফল্য দিব নোৱাৰিলে॥



**গল্প**

# আৰ্তনাদ

– অমিয় কুমাৰ বড়া
স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা

শব্দটোৱে অভিজিতৰ কাণেৰে সোমাই গোটেই শৰীৰৰ কোষবিলাকত খুটিবলৈ ধৰিলে। হৃদয়ৰ সীমনাৰ চাৰিওফালে শব্দটোৱে শিল পৰাৰ দৰে পৰিবলৈ ধৰিলে। আফাল-সাফালত ভাৰাক্ৰান্ত আজি অভিজিত। এই পুহমহীয়া মাঘ ৰাতি সি অকলে সহিব লগীয়া হৈছে এটা শব্দৰ প্ৰতিক্ৰিয়া। এটা শব্দ। ইমান প্ৰতিক্ৰিয়া, ইমান তিক্ততা। 'ইমান বৰ্বৰ ভাৱে আক্ৰমণ কৰিব পাৰে এটা শব্দই। যাৰ বাবে নেকি এই ঠাণ্ডাৰ কেঁচা টোপনী কাঢ়ি নিবলৈ সমৰ্থ হৈছে এটা শব্দই। এৰা! শব্দইও স্বাধীনতা বিচাৰে। স্বাধীনভাৱে অবাধে বিচৰণ কৰিব বিছাৰে মানুহৰ মন আৰু শৰীৰত। শব্দৰ পৰা শব্দৰ সৃষ্টি হয়। দুটা শব্দৰ মাজত সংঘৰ্ষ লাগি এটা নতুন শব্দৰ সৃষ্টি হয়। শব্দ শৃংখল। শব্দৰ পাছত শব্দ অনন্তকাল সৃষ্টি হৈ থাকে এনেদৰেই। কিছুমান শব্দ আছে পৃথিৱীত, ইমান সংক্ৰামক, বৰ্বৰভাৱে নিষ্ঠুৰ আৰু কিছুমান শব্দ আছে পানীৰ দৰে মোলায়েম ঠাণ্ডা।

আঃ আকৌ সেই শব্দটো! অভিজিতে ভাবিলে, "শব্দৰ ঠাইত আন্য কোনো জন্তু বা অন্য কিবা হোৱা হলে খেদি পঠিয়ালো হেতেঁন। কিন্তু এটা শব্দকটো খেদি পঠিয়াব নোৱাৰি। কোনোবা অজান দুৱাৰেদি সোমাই মোৰ কলিজাত খোপনি পোতিছেহি। যেনেদৰে জাহাজৰ মাস্তুলে খোপনি পোতে মাটিৰ গঢ়াত। আঃকি যন্ত্ৰণা? লাইটটো জ্বলাই দিব নেকি?" অভিজিতে নিহালীখনৰ পৰা হাতখন উলিয়াবলৈ চেষ্টা কৰিলে। উঃ কি ঠাণ্ডা। বৰফৰ পানীৰ দৰে। শীতকাল। কাৰোবাৰ বাবে চিৰশত্ৰু আৰু কাৰোবাৰ বাবে হিয়াৰ আমঠু। কিছুমানে আৰামক স্বাধীনভাৱে এৰি দিয়ে এই শীতকালতেই। আন কাৰোবাৰ' বাবে শীতকাল নেযায় নোপোৱাই। পিন্ধিবলৈ কাপোৰ এডোখৰ নাই। নিচলা গাৰেই প্ৰত্যাক্ষান জনাই শীতকালৰ অমানিশা দিনবোৰক। কাৰোবাৰ বাবে থাকিবলৈ জুপুৰি এটাৰ অভাৱ। কাৰোবাৰ বাবে শতীতাপ নিয়ন্ত্ৰিত কম। কি বৈষম্য মানুহৰ জীৱন ধাৰণ পদ্ধতি। এই বৈষম্যই হয়তু প্ৰদূষিত কৰিছে মানুহৰ পৰস্পৰে পৰস্পৰৰ ওপৰত থকা সৌহাদ্যপূৰ্ণ সম্পৰ্কত। হয়তু বৈষম্যই বহল কৰিছে অবিশ্বাস, সন্দেহ আৰু হিংসাৰ পথাৰ।

পুনৰ ঠাণ্ডাৰ মাজেৰেই সোমাই গল শব্দটো নিশব্দে অভিজিতৰ মনলৈ, তাৰ পাছত হৃদয়লৈ। পুনৰ আগৰ প্ৰতিক্ৰিয়াৰ দৰে স্পৰ্শ কৰিলে কলিজাত। শব্দ, কলিজা, ঠাণ্ডা ··· - আঃ ইমান যন্ত্ৰণা। শব্দটো ক্ৰমসঃ বহল হৈ যাব ধৰিলে লগতে শব্দটোৰ লগত লিপিতথাই থকা বিষ দ্ৰব্যখিনিও। এনে কি পাপ কৰিছিল অভিজিতে, যাৰবাবে শব্দৰ বৰ্বৰ আক্ৰমণৰ বলি হব লগা হৈছে। পৃথিৱীত অকল সিয়েই আছে নেকি অকলে সহিব লাগে এই শব্দৰ সমষ্ঠ নিষ্ঠুৰতা। সন্তৰ্পনে অভিজিতে চুইছটো অন কৰি দিলে। ষাঠি পাৱাৰৰ বাল্বটোৱে গভীৰ আন্ধাৰখিনিক কমৰ পৰা খেদি উলিয়াই দিলে। সচকিতে অভিজিতৰ দৃষ্টিগোচৰ হ'ল বেৰত আৰি থোৱা ফটো এখনলৈ। ফটো মানে কলাজ্। সি আৰু তাৰ কমমেট্ অমৰে বনাইছিল। বাতৰিকাকত, আলোচনী আদিৰ পৰা বিভিন্ন ধৰণৰ ফটো কাটি কাটি এখন বগা কাগজত বিভিন্ন সজ্জাৰে লগাইছিল। এফালে জ্যাউদ্ ইব্ৰাহিমৰ ফটো আনফালে মহাত্মাগান্ধী, এফালে হৰ্ষদ মেহতাৰ ফটো আনফালে মাদাৰটেৰেছাৰ। কোনোবা চুকত টেণ্ডুলকাৰ আনকোনো চুকত নগাৰঁৰ আৰক্ষীচকীত টায়াৰেৰে চিতা জ্বলোৱা আলফাৰ মৃতদেহ — ···· এফালে ফুল ··· - তন্ময় দৃষ্টিৰে অভিজিতে কলাজ্‌টোলৈ চাই থাকিল। অভিজিতৰ দৃষ্টিত প্ৰশ্নহে আছিল,

উত্তৰ কিন্তু নাছিল। এই ভাৱেৰে চাই আছিল কলাজ্‌টোলৈ অভিজিতে। কলাজ্‌টো উপলব্ধি কৰাত সি হয়তু অসমৰ্থ হোৱা নাছিল। এইয়াযে তাৰ নিজৰেই সৃষ্টি। সি উপলব্ধি কৰিব নোৱাৰৰ প্ৰশ্ন কেনেদৰে আহিব। নিজৰ সৃষ্টিত জানো কাৰো-বাৰ সন্দেহ থাকিব পাৰে!

কলাজ্‌টোৰ মাজৰ ফুলপাহী অভিজিতৰ ভাৱৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। ফুলপাহীৰ মাজেৰে অভিজিতে অতীতৰ কোনো এক বন্দৰত উপনিত হৈছিল। তাৰ হৃদয়খনত ভায়োলিনৰ এক মৃদু কম্পন অনুভৱ কৰিছিল। অনামী নামৰ ছোৱালীজনীয়ে তাক সেই ফুল পাহীটো দিছিল। সচাঁ কথা কবলৈ গলে সি প্ৰেমত পৰিছিল অনামীৰ লগত। অনামী আজি অৱশ্যে তাৰ ওচৰত নাই। অভিমানেৰে আতঁৰি গৈছিল অনামী। আজিও সেই দিনটোলৈ মনত পৰিলে অভিজিতক দুখৰ আন্ধাৰ বোৱে বেৰি ধৰে। আন্ধাৰত পোহৰ বিছাৰি ফুৰা ক্লান্ত সৈনিকৰ দৰে লাগে অভিজিতৰ।

ঃ "তুমি এতিয়াও শুৱা নাই অভিজিত দা?"

ওচৰতে শুই থকা অমৰৰ মাতত উভতি আহিল অভিজিত মনটো অতীতৰ সেই বন্দৰটোৰ পৰা। দৌৰি দৌৰি আঁতৰি গৈছিল অনামী নামৰ সেই শব্দটো

ঃ "টোপনী অহা নাই অ'"। ক্লান্তি, হতাশ মিশ্ৰিত বাক্যফাঁকি অভিজিতৰ দুই ওঠ ফালি ওলাই আহিছিল। হয়তু দুখবোধৰ চৰম সীমাত উপনিত হৈ মাতটো সঠিক ৰূপত পৰিচালনা কৰাত অসমৰ্থ হৈছিল অভিজিতে। অৱশ্যে মাতষাৰ অমৰৰ বৰ অচিনাকি নহয়। অনামীৰ প্ৰতি খংবোধ জন্মিছিল অমৰৰ। অমৰে অভিজিতৰ সকলো কথা জানিছিল। অনামীৰ কথাও এদিন কওঁ নকওঁকৈ কৈ পেলাইছিল অভিজিতে। সেইদিনাৰ পৰাই অমৰে প্ৰত্যক্ষ কৰিছিল অভিজিতৰ হতাশাৰ স্পৃষ্ট চাপ। কিবা ক'বৰ মন যায় অমৰৰ, কিন্তু দাদাসুলভ সমীহ ভাৱটোৱে বাধা দি ৰাখিছিল। ঃ "অভিজিত দা আপোনাক মই সহায়......" প্ৰচণ্ড সমীহবোধৰ বাবে অমৰৰ ওঠ দুটি চাপ খাই গৈছিল আৰু আগন্তুক শব্দটো ভাৱৰ মাজতেই হেৰাই গৈছিল। "চা অমৰ, তোক অথনিৰে পৰা জগাও বুলিও জগাব পৰা নাই, বিচনাখনত তোৰ দেহটো ইমান অলসভাৱে এৰি টোপনী গৈছ যেন তোক সমস্ত দুখ বেদনা, চিন্তাই একেবাৰে এৰি থৈ গৈছে।" একেটা উশাহতে অভিজিতে শেষ কৰিছিল কথাখিনি। অপলক দৃষ্টিৰে অমৰে অভিজিতৰ মুখলৈ চাই আছিল। কৌতুহল আৰু উদ্বিগ্নতাৰ এক ক্ষীণ চাপ অমৰৰ মুখমণ্ডলত ফুটি উঠিছিল। অভিজিতদাক এক নতুন ৰূপত দেখিছিল অমৰে।

"এটা শব্দৰ চৰমতম আক্ৰমণত বলি হৈছো মই অমৰ। শব্দটো খুবেই সংক্ৰামক আৰু প্ৰতি-ক্ৰিয়াশীল। সেইবাবেই অসমৰ্থ হৈছিলো তোক জগাবলৈ জানোচা তোলৈও সংক্ৰামিত হয়।"

কোনোবা যুদ্ধ ভূমিৰ পৰা এজন সৈনিকে বন্ধুৱেকৰ মৃত্যুৰ বাতৰি মৃত বন্ধুৱেকৰ মাকক কোৱাৰ দৰে কৈছিল অভিজিতে। অমৰৰ প্ৰতি অভিজিতৰ যে প্ৰকৃত মৰম আছিল আজি সি বুজি উঠিছিল। প্ৰথম দিনা অভিজিতৰ লগত অলপ আচহুৱা অনুভৱ কৰিছিল অমৰে। অভিজিতৰ গুৰু-গম্ভীৰ কথাবোৰ প্ৰথমে হজম কৰিব পৰা নাছিল। কিন্তু লাহে লাহে সকলো আয়ত্বলৈ আনিব পাৰিছিল অমৰে। আৰু বুজি উঠিছিল অভিজিতৰ প্ৰকৃত সত্বাটো। অমৰৰ চকুদুটা এক অজ্ঞান আনন্দত সেমেকি উঠিছিল। দুখবোধৰ চৰম আঘাটে যেনেদৰে বেদনাৰ চকুলো বুৱাই, তেনে-দৰে আনন্দৰ আঘাটেও চকুলো বোৱাই। হয়তু আনন্দৰ চৰম আঘাট পাইছিল অমৰে।

কৰ প.। কেনেকৈ জানো বুঢ়াজন আহি ক্লাৱটোৰ বাৰাণ্ডাত আশ্ৰয় লৈছিল। ছাঁয়াৰ দৰে ক'লা, হনু ওলোৱা, চকু সোমাই মগজ পোৱা বুঢ়াজনৰ মুখৰ অৱয়ৱ প্ৰত্যক্ষ কৰিলেই তাৰ করুণ অৱস্থাটো উপলব্ধি কৰিব পাৰি। বাৰ্ধক্যৰ আচোঁৰৰ ওপৰিও বেমাৰৰ তীব্ৰ যন্ত্ৰণাৰ বাবে মুখখন দুগুণে বিকৃত কৰি তুলিছিল। সম্পূৰ্ণ আনৰ ওপৰত অৰ্পিত বুঢ়াৰ জীৱন। মানুহৰ প্ৰতি তাৰ বিশ্বাস আছিল। মানৱীয়তা, সহানুভূতি আদি যে পৃথিৱীৰ পৰা একেবাৰে নিঃচিহ্ন হৈ যোৱা নাই সেই কথা মনত লৈ হয়তু বুঢ়াই আশ্ৰয় লৈছিল ক্লাৱটোত। কিন্তু বুঢ়াজনৰ সেই গভীৰ, নিষ্পাপ বিশ্বাসক জানো মানুহে প্ৰকৃতাৰ্থত মুল্য দিব পৰিছিল? মানুহৰ নৈতিকতাৰ গৰাখহনীয়া ৰূপটো বুঢ়াই হয়তু দেখা নাছিল। যান্ত্ৰিকতাৰ ওচৰত আত্ম-সমৰ্পন কৰা আধুনীক (তথাকথিত) মানুহৰ সময় আছিলনে বুঢ়াজনৰ প্ৰতি অলপ অনুকম্পা, অলপ সহানুভূতি দেখুৱাৰ? পেটৰ জ্বালা আৰু বেমাৰৰ অসহনীয় যন্ত্ৰণাৰ উপৰিও মানুহৰ পৰা পোৱা চুড়ান্ত অৱহেলাৰ ফলশ্ৰুতিত বুঢ়াজনৰ মানুহৰ বিৰুদ্ধে তীব্ৰ ঘৃণাৰ ভাৱ এটা সক্ৰিয় হৈ উঠিছিল। তথাপিও সি জীয়াই আছিল। শেষমুহুৰ্তলৈকে হয়তু যুঁজ দি যাব সি জীয়াই থকাৰ প্ৰৱল তাৰণাত। সেইদিনাই মই জীয়াই থকাৰ এটা ডাঙৰ যুক্তি বিচাৰি পাইছিলো। এৰা! বুঢ়াজন জীয়াই থকাৰ এটা ডাঙৰ যুক্তি হব পাৰে।

এখোজ, দুখোজেৰে আমি ওলাই গৈছিলো Club টোৰ পিনে। ভৰি আৰু নিয়ৰসিক্ত দুবৰিৰ সংস্পৰ্শত সৃষ্টি হৈছিল এটি মৃদু শব্দৰ। সেইদিনাই প্ৰথমবাৰৰ বাবে অনুভৱ কৰিছিলো খোজৰ শব্দ।.........

নিশ্চুপ নিষ্প্ৰাণ অবয়ৱ এটা পৰি আছিল বাৰান্দাত। টৰ্চৰ তীব্ৰ পোহৰ পেলাইছিল অমৰে। তন্ময় দৃষ্টিৰে চাই আছিলো বুঢ়াৰ নশ্বৰ দেহটোলৈ, বহুপৰ। অনুতাপত নে অনুশোচনাত মোৰ সমগ্ৰ সত্বা জিকাৰ খাই উঠিছিল। বুঢ়াজনৰ প্ৰতি থকা দায়বদ্ধতাখিনি জানো মই পালন কৰিব পাৰিছিলো? সেইদিনা বৰষুণত তিতি থকা বুঢ়াজনৰ করুণ আহ্বানক মই জানো নিৰ্লজ্জ ভাৱে প্ৰত্যাখান কৰা নাছিলো। ওচৰতে থকা মোৰ 'মই' টো কিয় বাৰু দূৰলৈ আতঁৰি গৈছিল বুঢ়াজনৰ পৰা। সেইদিনটোৰ কথা মনত পৰিলে মোৰ বুকুত কোনোবাই বাগী কুঠাৰ মৰা যেন লাগে এতিয়াও।

মোৰ দৰে বাৰু কাৰোবাৰ এনে হৈছিল নেকি? অনুতাপ, অনুশোচনাৰ তীব্ৰ আক্ৰমণৰ বলি হয়নেকি আন কোনোবা? কিয় বাৰু আমি কিছুমান মানুহৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিবলৈ যত্ন কৰো? সিহঁতৰ লগত আত্মীয়তা গঢ়ি তুলিবলৈ নিবিচাৰো কিয় আমি? কিয়??? প্ৰশ্নবোৰে মোৰ মনটোক উদ্বেলিত কৰি তুলিছিল। সঁচা কথা কবলৈ গলে ধন ঐশ্বৰ্য্যৰ নিয়ন্ত্ৰণত থকা বিবেক নামৰ যন্ত্ৰটো আজি একেবাৰে অন্ধ হৈ পৰিছে। যাৰ বাবে পৃথিৱীৰ সমষ্ট তীক্ততা, বেমাৰৰ যন্ত্ৰণা, দুখ বাস্তৱত সোলোকাই, থৈ গুচি গৈছিল বুঢ়াজন। সুখৰ কোনো এক অজান দেশলৈ। আজি সি শুইছে। ভাল দৰেই শুইছে। পুহমহীয়া ঠাণ্ডাইও তাক তলাব পৰা নাই। পৃথিৱীৰ সমষ্ট ওম পাইছে সি এতিয়া। সি যেন পৃথিৱীৰ মানুহক চিঞৰি চিঞৰি কৈছে, চোৱাহ'ক, মই কিমান সুখেৰে আছো। মোৰ ইয়াত ধন ঐশ্বৰ্য্যৰ কোনো মূল্য নাই। ইয়াত মই তোমালোকে কৰাৰ দৰে কোনো ৰূঢ় আচৰণবো মুখামুখী হোৱা নাই।" নিৰৱে উভতি আহিছিলো আমি নিজৰ কমলৈ। বুঢ়াৰ কাৰণে নিয়া কাপোৰখনকে লৈ মই পঢ়াৰ টেবুলত বহিছিলো। পঢ়াত কিন্তু মনটো বহুৱাব পৰা নাছিলো মই। শব্দটো বাৰু বুঢ়াৰ লগতেই গুচি গ'ল নেকি? পৰিত্ৰাণৰ আশাত মই উদ্বিগ্ন হৈ পৰিছিলো। উঃ ইমান নিষ্ঠুৰ মই। মানুহজনৰ লগতে শব্দটোও অৱহেলা কৰিবলৈ ওলাইছো। এনেবোৰ সংক্ৰামক শব্দৰ কাৰ-খানাক ধ্বংস কৰিবলৈ মোৰ মনটোৱে কৰ্কালত টঙালী বান্ধিছিল। ঘটং .... ঘটং .. টং ...... ....!! কিছুমান শব্দই আহি মোৰ কাণত জিৰণী লৈছিলহি। বুজিবলৈ বাকী নাথাকিল মোৰ যে, ক্লাৱটোৰ লৰাবোৰে বুঢ়াৰ নশ্বৰ দেহ শ্মশান শালীলৈ নিবলৈ বুলি বাঁহ কাটিছে, চাঙী বনাবলৈ। এই পাৰ্থিৱ শব্দ বিলাকৰ কোনো প্ৰতিক্ৰিয়া অনুভৱ নহল মোৰ। গতানু-গতিকতাৰ আশ্ৰয়ত প্ৰচণ্ডভাৱে ডুব গ'লো মই সেই মুহুৰ্তত। ●

……… ঈশ্বৰ, আত্মা, পৰকাল আদিৰ কথা উঠিলেই অবধাৰিতভাৱে ধৰ্মৰ প্ৰসঙ্গ আহি পৰে। মই ধৰ্মত বিশ্বাস নকৰো। পৃথিৱীত সৎ আৰু আদৰ্শ জীৱন যাপন কৰিবলৈ ধৰ্মৰ কোনো প্ৰয়োজন নাই। বৰং বহুতো তথাকথিত ধৰ্ম-বিশ্বাসীতকৈ নাস্তিকৰ মাজত সৎ, বিবেকী আৰু মানৱ-প্ৰেমিকম মানুহ বেছি দেখা যায়।

……… সংক্ষেপে ক'বলৈ গ'লে ধৰ্মই মানুহক যিবোৰ প্ৰতিশ্ৰুতি দিব খোজে মোৰ কাৰণে সেইবোৰ প্ৰতিশ্ৰুতিৰ কোনো মূল্য নাই। ধৰ্মৰ basic premise-টোৱেই মোৰ কাৰণে গ্ৰহণযোগ্য নহয়। ধৰ্মই যি ঈশ্বৰক কল্পনা কৰিছে সেই ঈশ্বৰত মই বিশ্বাস নকৰো।

……… ঈশ্বৰ আছেনে নাই মই নাজানো। থাকিলেও তেওঁৰ আচল মতলব কি মই নাজানো। চেতনা বস্তুৰ পৰাই উদ্ভুত নে সি বস্তুৰ ওপৰত আৰোপিত সেই তৰ্কও চিৰকালৰ কাৰণে সমাপ্ত হৈছে বুলি মই নাভাবো। কিন্তু মানুহৰ দুৰ্বল ইন্দ্ৰিয়-চেতনা আৰু দেশ-কালৰ দ্বাৰা সীমিত ক্ষুদ্ৰ জীৱনৰ সীমাৰ বাহিৰত আন একোৱেই নাই, নাই আপাত দৃষ্টিত অৰাজক এই বিশ্ব-বিধানৰ মুলতে কোনো কেন্দ্ৰীয় শৃংখলা— সেই কথাও বিশ্বাস কৰিবলৈ মই টান পাওঁ।

— হোমেন বৰগোহাঞি
( আত্মানুসন্ধান )



## অন্তৰঙ্গ আলাপ ঃ

# অভিনেতা, শিল্পী, বিষ্ণু খাৰঘৰীয়াৰ সৈতে *

মৰম আকলুৱা মানুহৰ মনে কাৰোবাৰ সহাঁৰি পালে ভাল পোৱাৰ দৰে আজিও মঞ্চৰ প্ৰতি শ্ৰদ্ধা জীয়াই ৰাখিছোঁ।

০ ০ ০ বিষ্ণু খাৰঘৰীয়া

নাটকৰ পৰা কথাছবি জগতলৈকে ধাৰাবাহিক ভাৱে অভিনয় কৰি এখন স্বকীয়া আসন লাভ কৰা বিষ্ণু – খাৰঘৰীয়া আমাৰ সকলোৰে পৰিচিত। খাৰঘৰীয়াদেৱে ল'ৰালি কালৰে পৰা আৰম্ভ কৰি এতিয়ালৈকে, চৰকাৰী চাকৰিৰ দৰে এটা গধুৰ দায়িত্বত থাকিও "অসমীয়া ছবি দৰ্শকে নাচায়" বোলা আক্ষেপ মুলক বাক্যশাৰী নেওচি, সমস্ত অশান্তি আৰু সভ্যতাৰ সংকটৰ মাজেৰেই শান্তিৰ বীজ অংকুৰিত হ'ব ০ ০ ০ এই আশাৰেই জীৱন কালত কঠিনতকৈ কঠিন সময়তো আত্মবিশ্বাস আৰু দৃঢ়তা মনত বান্ধি দুঃসময়ৰ মাজতো জীয়াই ৰাখিছে— তেওঁৰ শিল্প-সত্তা।

সিদিনাখন আছিল শুক্ৰবাৰ। ১৯৯৫-ৰ ২২ ডিচেম্বৰ। সময় ঠিক ৩ - বাজি ৩০ মিনিট পাৰ হৈছিল। এনে এক শুভক্ষণত খাৰঘৰীয়াদেৱক ( পুৰ্বকল্পিত ভাৱে ) কানৈ মহাবিত্তালয়ৰ আগচালিত লানি লানিকৈ প্ৰাচীন ভাস্কৰ্য্যৰ দৰে থিয় হৈ থকা পাইন গছ এজোপাৰ তলতে লগ ধৰি মই উত্তৰ বিচাৰি কিছুমান প্ৰশ্ন আগবঢ়াইছিলোঁ। তেখেতে ব্যস্ততাৰ মাজত থাকিও প্ৰশ্নসমূহৰ উত্তৰ আগবঢ়োৱাৰ বাবে এই ছেগতে কৃতজ্ঞতা জনাই থ'লোঁ। আৰু সেই শুভক্ষণৰ অন্তৰংগ মুহুৰ্ত সমূহৰ" অন্তৰঙ্গ আলাপ' নামাকৰণৰে 'ডিক্ৰুৱান'ৰ সমূহ পাঠক পাঠিকা সকললৈ আগবঢ়ালোঁ।

০ ০ ০ সম্পাদক

## প্ৰশ্নসমূহ ঃ

১। বিষ্ণুদা আপোনাৰ অভিনয় জীৱনৰ আৰম্ভণি কেনেদৰে হৈছিল ?

২। আপুনি এটা চৰিত্ৰত অভিনয় কৰিবলৈ নিজকে কেনেদৰে প্ৰস্তুত কৰি তোলে ?

৩। আপুনি চৰিত্ৰ এটাই দাবী কৰামতে অভিনয় কৰি ভাল পায় নে, পৰিচালকে বিচৰামতে অভিনয় কৰি ভাল পায় ?

৪। আপোনাৰ মতে আৰ্ট ছবি বুলি কোনো ছবি নাই। বাণিজ্যিক সফলতা আৰু ছবিৰ প্ৰসংশা এই দুয়োটাই একেলগে পাব পৰা অসমীয়া ছবি নিৰ্মাণ কৰিবলৈ কেনেধৰণৰ পদক্ষেপ ল'ব লাগে বুলি ভাৱে ?

৫। অসমীয়া ছবিৰ প্ৰচাৰ ব্যৱস্থা কেনেকুৱা বুলি ভাৱে ? অধিক প্ৰচাৰ কাৰ্য্যই ছবিৰ সফলতা আনেনে ?

৬। অসমীয়া ছবিৰ যি সমালোচনা হয়— আমাৰ আলোচনী, দৈনিক কাকত বোৰত; তাৰ দ্বাৰা এখন ছবি কেনেদৰে সফল বা বিফল হব পাৰে বুলি আপুনি ভাবে ?

৭। অভিনয়ৰ বাবে প্ৰথম প্ৰেৰণা কাৰ পৰা পাইছিল ?

৮। অভিনয় দিশটো বজাই ৰাখিও আপুনি পঢ়া শুনা ইত্যাদি বিলাকত কেনেকৈ আগবাঢ়িছিল ?

৯। এই ক্ষেত্ৰত অভিনয়ে আপোনাক কিবা বাধা দিছিল নেকি ?

১০। আমাৰ উদীয়মান শিল্পীসকলৰ প্ৰতি কিবা কবনে ?

প্ৰতি,

শ্ৰী অমিয় কুমাৰ বড়া

আলোচনী সম্পাদক [ ডিব্ৰু-মহাবিদ্যালয়, ডিব্ৰুগড় ]

আপোনাৰ প্ৰশ্নসমুহৰ এটা মাত্ৰ উত্তৰ একমাত্ৰ ব্যস্ততাৰ বাবেই দিব পৰা নাই-- ইমান দিনে। মাজে মাজে ভাব হয়, এনে পুৰস্কাৰ নোপোৱাহ'লেই ভাল আছিল। কেতিয়াবা এনেকুৱা ভাৱ হয় মানুহক বেছিকৈ ভাল পালেও বেয়া। কোনোবাই সুবিধা লয়। মঞ্চত বৰ ডাঙৰ ডাঙৰ কথা কৈ সন্মান প্ৰদৰ্শন কৰি এতিয়াও খোজ কঢ়াই ঘৰলৈ পঠিওৱা বা পুৰণা শৰাই দি পাছত হহাঁও শুনিছোঁ; কিন্তু অসমীয়া মানুহৰ বৰ্তমান অৱস্থাৰ কথা ভাবি মোৰ ভৱিষ্যং প্ৰজন্মৰ কাৰণে শঙ্কিত হৈ তাৰ পাছতো আগবাঢ়ি যাওঁ— কিবা এটা কৰি যাব পাৰোঁৱেই কিজানি। ভাৰতীয় মানুহৰ গঢ় আয়ুস বোলে ষাঠি বছৰ মাত্ৰ। অৰ্থাৎ, সময় বৰ কম। এইয়াই সময়। এতিয়া কিবা ক'লে হয়তো শুনিব পাৰে।

যিহেতু, প্ৰশ্নসমূহৰ উত্তৰ হিচাবে দিয়া নাই আপোনালৈ সম্বোধন কৰাৰ পৰাই আলোচনীত স্থান দিব। পঠনযোগ্যও ( Readable ) হব আৰু বহুত কথা পাঠকেও জানিব।

আপোনাৰ প্ৰশ্নসমুহৰ উত্তৰ মই এনেধৰণেই দিছোঁ।—

মই প্ৰথম অভিনয় জীৱন আৰম্ভ কৰোঁ বোধকৰো প্ৰথম মান শ্ৰেণীত পঢ়ি থাকোতেই 'কাশ্মীৰ কুমাৰী' নে 'লাচিত বৰফুকন' নাটকত পাহৰিলো। ভাৱৰীয়াৰ অভাৱৰ হেতু দুত আৰু প্ৰহৰী দুয়োটা ভাৱতেই অভিনয় কৰিছিলো কিন্তু। লগত মোৰ সমবয়সীয়া সোণমণি [ শ্ৰী ঈশ্বৰ দত্ত, ] মনো [শ্ৰী মুনীন্দ্ৰ লাল বৰুৱা ], শ্ৰী প্ৰবীণ বৰুৱা আৰু বুবু



[ শ্ৰী বিনয় বৰুৱা ], আৰু ৺ পৰিমল বৰুৱা হতঁ আছিল। তেতিয়াৰ পৰাই অৱশ্য আমি বচন বেচ ভালদৰেই আওৰাবলৈ চেষ্টা কৰিছিলো। আনকি মঞ্চত দৰ্শকৰ আগৰ পৰা প্ৰস্থান কৰাৰ পাছত বচন লিখি থোৱা কাগজখন পুনৰ মেলি লৈছিলোহি। এইখিনি সময়ত দৰ্শকৰ পৰা পোৱা প্ৰতিক্ৰিয়া আৰু মৰমেই আজিও কব নোৱাৰাকৈ উৎসাহিত কৰে। মৰম আকলুৱা মানুহৰ মনে কাৰোবাৰ সহাঁৰি পালে ভাল পোৱাৰ দৰে আজিও মঞ্চৰ প্ৰতি শ্ৰদ্ধা জীয়াই ৰাখিছোঁ। মানে এনেধৰণে 'Love at first sight'।

নাট্যকাৰে নাটক লিখে দৰ্শকৰ কাৰণে কিছু বক্তব্য প্ৰকাশ কৰিবলৈ কৰণীয়ক আদৰ্শ কৰিবলৈ। পৰিচালকে তাকে নিজৰ চিন্তা ধাৰাৰে নিজৰ উপস্থাপনা পদ্ধতিৰে সেই বক্তব্য প্ৰকাশ কৰি দৰ্শকক উদ্ধুদ্ধ কৰে। কিন্তু সেই সকলোবিলাক দৰ্শকক ভালদৰে ক'বলৈ, প্ৰকাশ কৰিবলৈ অভিনেতা-অভিনেত্ৰী সকল দৰ্শকৰ লগত পোন পটিয়া সম্পৰ্ক। গতিকে তেওঁলোকৰ প্ৰধান কৰ্ত্তব্য কৰিবলৈ দিয়া ভাওটো সম্পৰ্কে সম্পূৰ্ণৰূপে অৱগত হোৱাটো। অৰ্থাৎ নিজে নাটখনৰ বিষয়ে, বক্তব্যৰ বিষয়ে, চৰিত্ৰটোৰ নাটখনত থকা সম্পৰ্কৰ বিষয়ে আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে চিন্তা কৰিব লাগে। কিন্তু পৰিবেশনৰ কাৰণে পৰিচালকৰ নিৰ্দ্দেশনা চূড়ান্ত বুলি মানিব লাগে। কাৰণ পৰিচালকে নাটখনৰ বক্তব্য প্ৰকাশৰ বাট নিজস্ব ধৰণে উপস্থাপনা কৰিব। অন্যথাই দৰ্শকক অবাটে লৈ যোৱাৰ সম্ভাৱনাই অধিক। নাটকেই হওঁক বা ছবিয়েই হওঁক মোৰ পদ্ধতি কিন্তু এইয়াই।

এই নাটক বা ছৱি কৰোঁতে অৰ্থৰ প্ৰয়োজন হয়। ছবি কৰোঁতে যথেষ্ট অৰ্থৰ প্ৰয়োজন। ছবি কৰাটো এটা শিল্পকৰ্ম। শিল্পই মানুহৰ জীৱনলৈ, মনলৈ উন্নতিহে আনে। নাটক ; ছবি দৰ্শকৰ অনুভৱৰ কাৰণে। দৰ্শকে যদি বুজি নেপায়, আকৌ দৰ্শকৰ মনক যদি মানবিক কৰি নোতোলে অৰ্থাৎ মানসিক উৎকৰ্ষ সাধন নহয়, তেন্তে ই শিল্পগুণ হেৰুৱাব। অৰ্থাৎ দুয়োটাতে অৰ্থৰ অপচয় মানে 'Economical Crime' বুলিয়েই মই ভাবো।

এই বিশাল অৰ্থৰ প্ৰয়োগৰ এটা প্ৰতিক্ৰিয়া, অৰ্থাৎ Return ৰ প্ৰয়োজন। নিজৰ ছবি বুলি দৰ্শকক আনিবলৈ, প্ৰচাৰ লাগিবই। অসমীয়া ছবিৰ সিংহভাগ দৰ্শক চহৰৰ পৰা নিলগত। কাৰণ অসমীয়া মানুহ আজিও শান্তিপ্ৰিয়, তদুপৰি গাঁৱৰ কৃষিজীৱি। ছবি চাবলৈ সপৰিয়ালেহে আহে। মানে এখন ছবি চাবলৈ একোটা পৰিয়ালক কিছু প্ৰস্তুতিৰ প্ৰয়োজন। সেয়ে ছবিঘৰ বা পৰিৱেশকৰ অসমবাসী হিচাপে এইটো, মানে দৰ্শকৰ প্ৰস্তুতি পৰ্ব্বৰ বাবে আগতীয়া প্ৰচাৰ একান্তই আৱশ্যকীয়। কাকতপত্ৰৰ সমালোচনাই দৰ্শকক অৱশ্যেই আগ্ৰহী কৰি তোলে।

এই ছবি আলোচক-সমালোচক সকলৰ এটা সংস্থা গঢ়ি উঠাটো একান্ত শুভলক্ষণ। ছবি সংক্ৰান্ত এনে সংস্থাই এই শিল্পকৰ্ম্মৰ লগত জড়িত সকলক জীয়াই থকাৰ আশা দিছে।

এই প্ৰচাৰ মাধ্যমে আমাক এই শিল্পকৰ্ম্মৰ লগত জড়িত সকলক ক'ত কি হৈ আছে সেই বিষয়ে অৱগত কৰাই থাকে। মানে আমি সেই বিষয়ে এইবিলাক পঢ়িব লাগিব। বিদ্যালয়ৰ শিক্ষাৰ লগতে এই বিষয়ে পঢ়িবলৈ সময় উলিয়াই লোৱাৰ দৰে, নাট্যকৰ্ম্ম কৰিবলৈও সময় নিজে নিজেই ওলাই। লাগে মাত্ৰ আগ্ৰহ আৰু কৰিবলৈ লোৱা কামটোৰ প্ৰতি সততা আৰু নিষ্ঠা। 'সময় অমূল্য ধন জানিবা নিশ্চয়' — কবিতাৰ শাৰীটো হৃদয়ঙ্গম কৰিব লাগিব। মই অৱশ্যেই বহুত হেৰুৱাইছোঁ। দুখ নাই কাৰণ আনক কব পৰাকৈ অভিজ্ঞতা হ'ল। এই লিখনি অভিজ্ঞতাহে মাত্ৰ।

সেই অভিজ্ঞতা লৈয়েই এটা সৰু উপায়। যেনে— আমি ধৰি ল'লো এখন নাটক মঞ্চস্থ কৰিবলৈ লৈছো, সেই স্থলীত গোটখোৱা ভাৱৰীয়া বা নাট্যকৰ্ম্মী সকলে এখন বা দুখন দৈনিক কাকত লৈ যায় তেন্তে প্ৰত্যেকে পঢ়াও হ'ব। মাজত পোৱা বিৰতিৰ সময়-খিনিত তাৰ আলোচনা হ'লে এজনে আনজনক বুজিবও আৰু লগে লগে বাহিৰৰ খবৰ-বিলাকো এই সময় কনতে জানিব।

শেহত আপোনাৰ আন্তৰিক প্ৰচেষ্টাৰ গম পালো, বাৰে বাৰে মোৰ এই লিখনিৰ বাবে কষ্ট কৰা দেখি বুকুত আশা জাগিছে— এতিয়াও সৎ নিষ্ঠাবান কৰ্ম্মীৰ অভাৱ হোৱা নাই। আলোচনী এইবাৰ নৱসাজত ওলাব।

শুভেচ্ছা সদায় আছে। ❀

আজি শিল্পীয়ে প্ৰথমেই সকলো ভয়, দুৰ্ব্বলতা, ভ্ৰান্তি, স্থকুমাৰ কলাৰ অস্ত্ৰলৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় হবগৈ লাগিব। মোহমুক্ত অৰ্জ্জুনে যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে। আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু শত্ৰু হৈছে দুষ্কৃতি। জনতাৰ অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈয়ে আছে তাৰেই আমি জনতাক জ্ঞান দিব লাগিব।

—জ্যোতিপ্ৰসাদ আগৰৱালা



# ছাত্ৰ একতা সভা ১৯৯৪-৯৫ বৰ্ষ


সুমিত্ৰ তামুলী
উপ-সভাপতি


সুজিত কুমাৰ লিগিৰা
সাধাৰণ সম্পাদক


গিৰীন্দ্ৰ কুমাৰ লাহন
সহঃ সাঃ সম্পাদক


চুছংমুং গগৈ
সম্পাদক, সাংস্কৃতিক বিভাগ


জেচ্মিন্ বেগম
সম্পাদিকা, সংগীত বিভাগ


গৌতম দত্ত
সম্পাদক, ছাত্ৰ জিৰণি কোঠা


অমিয় কুমাৰ বড়া
সম্পাদক, আলোচনী বিভাগ


ৰূপম সোনোৱাল
সম্পাদক, সমাজ সেৱা বিভাগ


কৰিমউদ্দিন আহমেদ
শ্ৰেণী প্ৰতিনিধি


প্ৰদীপ হাজৰিকা
সম্পাদক, শৰীৰ চৰ্চা বিভাগ


মনোজ কুমাৰ বড়া
সম্পাদক, সাধাৰণ খেল বিভাগ

# সম্পাদনা সমিতি



অধ্যাপক
বীৰেণ বৰুৱা
উপদেষ্টা



অধ্যাপক
মহেশ চন্দ্ৰ জৈন
উপদেষ্টা



সুকন্য কুমাৰ গগৈ
সদস্য



ঘনজ্যোতি বড়া
সদস্য



সম্পাদক
অমিয় কুমাৰ বড়া



গিৰীন্দ্ৰ কুমাৰ লাহন
সদস্য



গণেশ কুৰ্মী
সদস্য



মনোজ কুমাৰ বড়া
সদস্য



হেৰম্ব কুমাৰ গগৈ
সদস্য



শ্ৰী প্ৰবোধ গগৈ
শ্ৰেষ্ঠ খেলুৱৈ (৯৪-৯৫)



শ্ৰী দীপাঙ্কৰ শইকীয়া
শ্ৰেষ্ঠ শক্তি মানৱ



শ্ৰী বিশ্বজ্যোতি বড়া
শ্ৰেষ্ঠ, বেডমিণ্টন (পুৰুষ)
একেৰাহে ৯১,৯২,৯৩,৯৪



শ্ৰী কিশোৰ গগৈ
২য় শ্ৰেষ্ঠ বক্সিং প্ৰতিযোগী



শ্ৰী যোগানন্দ দাস
পেশী মানৱ মহাবিদ্যালয় সপ্তাহ
ডিব্ৰুগড়শ্ৰী, ডিব্ৰুগড় জিলাৰ ভিতৰত শ্ৰেষ্ঠ



শ্ৰী হিমেন হাজৰীকা
শ্ৰেষ্ঠ বক্সিং প্ৰতিযোগী



শ্ৰী পদ্ম প্ৰধান
শ্ৰেষ্ঠ দবা খেলুৱৈ
একেৰাহে ৯৪,৯৫,৯৬



শ্ৰী গণেশ পেগু
শ্ৰেষ্ঠ গ্ৰাবৰ



শ্ৰী দীপজ্যোতি হাজৰীকা
কলিকতাত অনুষ্ঠিত উত্তৰ পূব
মান্দলিক আন্তঃ বিশ্ববিদ্যালয়
ফুটবল প্ৰতিযোগীতাত ডিব্ৰুগড়
বিশ্ববিদ্যালয়ৰ হৈ অংশ গ্ৰহন কাৰী



জিতেন্দ্ৰ গগৈ
শ্ৰেষ্ঠ অভিনেতা আৰু
শ্ৰেষ্ঠ পৰিচালক



জেচ্‌মিন বেগম
শ্ৰেষ্ঠা গায়ীকা আৰু
শ্ৰেষ্ঠা "কইনা" প্ৰতিযোগী



কুকিল দুৱৰা
শ্ৰেষ্ঠ আকস্মিক বক্তা



স্বপ্না দলে
শ্ৰেষ্ঠা খেলুৱৈ মহাবিদ্যালয় সপ্তাহ
ৰাষ্ট্ৰীয় জুডু প্ৰতিযোগীতাত অসমৰ হৈ অংশগ্ৰহণকাৰী খেলুৱৈ



চন্দ্ৰ গগৈ
স্নাতক, প্ৰথম শ্ৰেণীৰ অষ্টম
(গণিত বিভাগ) ১৯৯৪-৯৫



জয়ন্ত গগৈ
শ্ৰেষ্ঠ মাইম প্ৰতিযোগী



পঙ্কজ কছাৰী
স্নাতক, প্ৰথম শ্ৰেণীৰ দশম
(গণিত বিভাগ) ১৯৯৪-৯৫

# কবিতা

ভ্ৰমিলো বহুতো বাট

কিন্তু দুৱাৰ মুকলি ক'ত ?

বন্ধ দেখু সকলো দুৱাৰ ।

দুৱাৰ মুকলি মাথো অচল ছবিৰ কিতাপ দমত থকা

নিকোলাচ ৰ'ৰিকৰ এখন ছবিৰ ।

কলং পৰীয়া কবি প্ৰয়াত ছেৰকান্ত বৰুৱাৰ সোঁৱৰণত 'ডিক্ৰুয়ান'ৰ

কবিতা শিতানটি উৰ্চগা কৰিলো ।

—সম্পাদক

## কবিতা

### শান্তি

—অজন্তা শইকীয়া
স্নাতক ৩য় বাৰ্ষিক ( বিজ্ঞান)



শান্তি,—
জানা, তোমাৰ বাবে মই হেৰুৱাইছিলোঁ
মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱনক
হত্যা কৰিছিলোঁ মোৰ সেই
সেউজীয়া স্বপ্নক ।

বাঢ়নী পানীৰ দৰে বাঢ়ি অহা
এজোলোকা ৰঙা তেজক
বন্দী কৰি অন্ধকাৰ পোতাশালত
হেৰাই গৈছিলোঁ মই তোমাৰ সন্ধানত ।

তোমাৰ ঠিকনা বিচাৰি মই
থিয় হৈছিলো আল্পছ পৰ্ব্বতৰ শিখৰত
আৰু ক'ত জানা—
ভূটানৰ ভয়াল হাবিত থকা ওখ ওখ গছৰ ফেৰেঙণিত

তোমাক বিচাৰিলো মই
বাৰুদৰ ধোৱাঁৰ মাজত
আৰু ধৰ্ষিতাৰ কেচাঁ তেজত ।

চীনৰ প্ৰাচীৰ বগাই
মিছৰৰ পিৰামিডৰ মাজতো
তোমাৰ সন্ধান নাপালোঁ
গান্ধী, আৰাফট, মেণ্ডেলাক
সুধিও মই ব্যৰ্থ হ'লোঁ ।
নাই ! সচাঁই তুমি প্ৰহেলিকা
কেৱল তোমাৰ ঠিকনা বিচাৰি
যুগে যুগে আৱৰ্তমান মোৰ এই অন্তহীন যাত্ৰা ।

## প্ৰতীক্ষা

দেৱকান্ত গগৈ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

তুমি মোৰ পৰাণত জগাই তুলিলা
এটি নতুন আলোড়ন
সেয়া প্ৰেম ।

যাযাবৰি আত্মাই বিচাৰি পালে
কেৱল তোমাৰ প্ৰাণতে
মোৰ কল্পিত সুৰ ।



নিস্তব্ধ তোমাৰ দুটি চকুত আছে
হৃদয় বাউলি মতা
নিৰলে আহ্বান ।

তোমাৰ যৌৱনৰ উপকূলত মই
খোজ দিছোঁ অকলশৰে
প্ৰতীক্ষাৰে তোমাৰ মনটিলৈ ০ ০ ০ ।

## প্ৰেমৰ অনুভূতি

—অজানিতা সোনোৱাল
উচ্চতৰ মাধ্যমিক বিজ্ঞান
দ্বিতীয় বৰ্ষ ।



অজানিতে আহিছিলা এদিন
মোৰ বুকুৰ মাজলৈ
তোমাৰ দীঘল খোজ
গৰ্বিত শৰীৰ আৰু
চঞ্চলতাই মোক
নিৰৱে কন্দুৱাইছিল ।
নাজানো মোৰ কি ভুলৰ বাবে
আঁতৰি গলা তুমি
আজি কান্দিব খুজিও কান্দিব পৰা নাই
মোৰ চকুপানীবোৰ বৰফ হ'ল ।
বৰফবোৰ গলাবলৈ
তোমাৰ হৃদয় উত্তাপৰ অতি প্ৰয়োজন । +





## হৃদয় বনাম কবিতা

—বিজিত কুমাৰ নেওগ
স্নাতক চূড়ান্ত বৰ্ষ [বিজ্ঞান]

১-

অনুভূতিৰ পাৰ বাগৰি
তোমাৰ হৃদয়লৈ বৈ যোৱা
মোৰ ভাৱৰ বন্যাতে
উটি যায় কবিতা

২

পৃষ্ঠাৰ পাছত পৃষ্ঠা ঘহাঁই থাকিলেও
আঁকিব নোৱাৰো
হৃদয়ৰ ছবি
কাপেৰে চিয়াঁহি নিগৰিলেই
উকা কাগজে ধাৰণ কৰে
কবিতাৰ মালা
হৃদয় সুতাডালেৰেই যে গাঁথা হ'ল
মোৰ কবিতা । ✱



# মোৰ পৰা—অন্তৰংগ হৃদয়লৈ

—গিৰীন কুমাৰ লাহন
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)

১

নিৰৱতাৰ মধু জোনাকত
তোমাৰ দুহাতেৰে
এবাৰ সাৱটি ধৰি ছোৱাচোন
. . . মোৰ নিসংগতাক . . .

বহুত কঠিন নয়নে (?)
ঠিক তোমাৰ হৃদয়খনৰ দৰে।

২

পূজাৰ বেদিত শতিকাৰ নিয়ন লাইট
গৰ্ব্বিত পদক্ষেপ
শকুন্তলা—
দুষ্মন্তক আদৰি আনাগৈ
. . . নিয়নৰ জোৰ ;
নিয়ন নিকা
প্ৰতিশ্ৰুতি . . .
বৰণৰ মালাগাঁথি লোৱা
অলপ বগা—
. . . নিশা বৰণীয়া।



৩

যিদিনা মই তোমাক
লৈ যাম——
মোৰ বুকুৰ মাজলৈ
তেজৰ ডোঙাত ছট্‌ফটাই থকা
মোৰ সখিয়তী সপোনবোৰে
ৰূপান্তৰ কৰিব তোমাক
এচমকা কঠিন শিললৈ।

৪

মোৰ মানুহতকৈও গধুৰ
কোনো এটি প্ৰজন্মৰ
শেষ সেই শীতলী সন্ধ্যা ;
পৃথিৱীৰ সেই অন্তৰংগ শিলচটাতকৈও
কঠিন হ'ব পাৰে
কদৰ্য্য তোমাৰ হৃদয়ৰ সত্বা ;
সেয়ে ভাবিছোঁ বহুৰাতি হ'ল
— কবিতা —
সাজবোৰ সলোৱা।





# কাপুৰুষ

—ঘনজ্যোতি বড়া
স্নাতক ২য় বৰ্ষ [বিজ্ঞান]

গগন ফালি চিঞৰি কৈছিলি,
"আমি লাচিতৰ দেশৰ যুঁজাৰু"
সমুখ-সমৰ এৰি থৈ
পলায়নৰত যুঁজাৰু তইঁত
নহৱ লাচিতৰ বংশধৰ ;

নাই তইঁতৰ সেই বীৰ্য, সেই সাহস
দেশৰ হকে মোমায়েৰৰ শিৰচ্ছেদ কৰাৰ।
নহৱ তইঁত সত্যবাদী অথবা ত্যাগী।

দল বাগৰা ৰাজনীতিৰ দৰে
নিজৰ কথাৰে স্থিৰতা নাই,
অৰ্থলোভী স্বাৰ্থান্বেষী তইঁত
পাৰিবি জানো জননীৰ প্ৰাণ ৰাখিব ?
পাৰিবি জানো আইৰ লাজ ৰাখিব ?



অপমানিত জননীৰ আহ্বানত,
লাঞ্ছিতা জীয়ৰী - বোৱাৰীৰ ক্ৰন্দনত,
যাৰ হিয়া নকঁপে,
শুনিও নুশুনা, দেখিও নেদেখা,
মৌন দৰ্শক কেৱল ;
ধিক্কাৰ তেনে বিপ্লৱী,
ধিক্কাৰ সেই বিপ্লৱ . . .

যুৱ-মানসিকতা পংগু কৰা,
মানৱতা ধ্বংস কৰাৰ।
বিপ্লৱীৰ কণ্ঠত বাজে
'সমুখ-সমৰত ভয় নকৰিবি
মুক্তি যুঁজাৰু হুঁচিয়াৰ . . .।"
পাৰিবি জানো মৃত্যু বিজয় কৰিব ;
স্বাধীনতাৰ দুৱাৰ খুলিব ?

এই বিপ্লৱ, বিপ্লৱ নহয়,
তইঁত বিপ্লৱী, বিপ্লৱী নহঁৱ,
নহৱ তইঁত শান্তিকামী,
আৱৰ্জনা মাথোন ৰঙীন মাজত।
শান্তি প্ৰতিষ্ঠাৰ নামত,
অধিকাৰ প্ৰতিষ্ঠাৰ বিপ্লৱেৰে
ধ্বংস আনোতা,
মানৱতাহীন নৈতিকতা বিহীন
কেতবোৰ সুবিধাবাদী কাপুৰুষ . . .।

কাপুৰুষ . . .॥

কাপুৰুষ . . .। ★

## দুৰ্দিন

—চন্দ্ৰগুপ্ত বৰা
প্ৰবক্তা, প্ৰাণী বিদ্যা
ডিব্ৰু মহাবিদ্যালয়।

সোণালী শইচৰ পথাৰত
এতিয়া ৰ'দ মুকুতাৰ খেতি।
দিগন্ত বিয়াপী চকুত জলমল
বানে গড়কা লঠঙা গাওঁ।

সূৰুজ দিনৰ স্বপ্ন হেৰাই গ'ল।

চেতনা অহাৰ পাচত
উৰুষা চালেৰে তৰা নেদেখিলো
তাৰ মানে ডাৱৰ
তাৰমানে আকৌ বৰষুণ
তাৰমানে আকৌ বান।



ৰিলিফ কেম্পৰ প্ৰতিটো দিন
প্ৰতিটো ক্ষণ মোৰ চিনাকী
বানে খচকা মানুহৰ
উদাস দৃষ্টিত আৰু আছে কি ?
এখন উকা পথাৰ।

ৰ'দ মুকুতাৰে দলিছা পতা
উৰ্বৰা পথাৰখন তেনেই নিহাৰ হাৰ।

## জীৱন

মনোজ কুমাৰ বড়া
স্নাতক ৩য় বৰ্ষ ( বিজ্ঞান )



জীৱন
স্পন্দিত হৃদয়ৰ
মাথো এটি ক্ষণ

যি ...

হাঁহিৰে হয় মধুৰ,
অশ্ৰুৰে হয় গধুৰ !





## ফটোটো শত-শ্বহীদৰ আত্মাৰ ভিতৰত ঃ

—ভৰত গোহাঞি
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান)



আবেলি পঢ়া বাতৰিখনে মোক
গধুলি পুনৰ লগ পাব বিচাৰে,
বাতৰিখনে তাৰ মনৰ অস্ফুট ভাববোৰ
উদাৰভাৱে প্ৰকাশ কৰে মোক অকলশৰে।

মোক আকুল আহ্বান কৰে
বিদ্ৰোহ তথা সংগ্ৰাম কৰিবলৈ
লগতে ছবিটিও প্ৰতিফলিত হোৱা
করুণাময় শোকৰ ছায়া বিশ্বত ধৰ্ণা দিবলৈ।

প্ৰথম শাৰীত প্ৰকাশ পাইছিল ;
এই মাতৃ ভূমিৰে এজন সচেতন ডেকাৰ মৃত্যু
ডেকাৰ দেহ কাৰ্টিজেৰে থকা - সৰকা
এয়েই জীৱনৰ তাৰ শেষ ৰক্তবিন্দু !

তথাপিতো সি ওঁঠ দুটি কপাঁই অস্ফুট স্বৰেৰে কৈ গ'ল -
"হে ! তোমালোক দেশৰ সচেতন জোৱান !
মোৰ সংগ্ৰাম সফল কৰা অহিংসাৰে।"

অন্তিম শাৰীত লিখা আছিল, "হে মোৰ সংগ্ৰামী বন্ধু !
বাতৰিৰ ফটোটো সযত্নে ৰাখিবা।"
শত শ্বহীদৰ আত্মাৰ পিঞ্জৰাত
য'ত হিংসা, দ্বেষ তথা কলুষতা নাই
মই যেন সুখত দিন নিয়াব পাৰোঁ।

পুনৰ মোক ইতিহাসে বিচাৰিব
সেই পশুৰূপী সেনানীয়ে গুলিবিদ্ধ কৰা
মৃতজনৰ ফটোখন ক'ত ? ? ?

# অনুৰাগ

—ৰূপম সোনোৱাল
স্নাতক ২য় বৰ্ষ ( কলা )

বৰ্ষাৰ অমানিশা ৰাতি
বুকুৰ কাচলি উদঙাই
যাচিছো স্নেহ মোৰ
প্ৰেম মদিৰাৰ ।



প্ৰীতি এনাজৰী মায়াৰে আবৰা ;
সপোন সু-কোমল সুৰভি ভৰা ।

জীৱনৰ মধুৰ ক্ষণৰ
বুকুৰ মাধুৰী লই
যাচিলো
বুকুত তোমাৰ ।

আশাৰ সূৰ্য্যমুখীৰ
এচেৰেঙা কোমল ৰ'দ
চঞ্চল চপলা মোৰ
মন উতলা... ... ।

তোমাৰ পৰশত
কুৰঁলী ফালি বিকশিত হোৱা
উদিত হৃদয়ৰ সূৰ্য্যৰ আভা
সাতো ৰঙৰ ৰঞ্জিত ৰামধনুখনি
বাজি উঠে মোৰ
হৃদয়ৰ প্ৰতিধ্বনি
ধূসৰ নিয়ৰে সিক্ত
মোৰ হিয়াৰ
কহুঁৱা কোমল অনুভূতি
উজাগৰী নিবিড় অনুৰাগ । ★





# কুঞ্জলতা ; যদি কেতিয়াবা .....

—অজিত হাজৰিকা ( দীপক )



কুঞ্জলতা,

লাগে যদি কেতিয়াবা
মোৰ বাতৰি
মহাকালক সুধিবা ;

নতুবা
নিয়তী চৰাইক
জীৱন বাটত লগপোৱা
সিহঁতে দিব তোমাক
মোৰ বাতৰি ।
আৰু যদি কেতিয়াবা
মনতো পৰে তোমাৰ

কুঞ্জলতা,

সূৰ্য্য উঠা দিগন্তলৈ চাবা
নতু
পৰী-নচা জোনাক ৰাতি
আকাশলৈ চাবা
শুকুলা ডাৱৰৰ মাজে মাজে
মোক দেখিবা ।

কুঞ্জলতা

কাল - ধুমুহাৰ নিশা
বজ্ৰ - জিলিকনি ফালে
সময় পালে চাবা
দেখিবা মোক তাতে । + + +

## নিবানে মোকো তোমালোকৰ সতে০০০

—গণেশ কুৰ্মি
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)



কিহৰ যন্ত্ৰনাত
ক'ৰপৰানো আহিছা
ঘৰ - বা ক' তোমালোকৰ
কলৈনো যোৱা
নিবানে মোকো তোমালোকৰ সতে
তোমালোকৰ গাওঁ খনলে'
এই চিনাকি পৃথিৱীৰ
অচিনাকি
হাবিতলীয়া লুংলুংভীয়া বাটেৰে'
য'ত হেনো হয়
জোন, বেলি, তৰাৰ উদয়
জেঠ-মহীয়া ৰ'দতো য'ত ছাঁ পায়।



কোৱাচোন। নোকোৱানো কিয়?
কিহৰ যন্ত্ৰনাত
ক'ৰপৰানো আহিছা
ঘৰ - বা ক'ত তোমালোকৰ
ক'লৈনো যোৱা
নিবানে মোকো তোমালোকৰ সতে
তোমালোকৰ গাওঁখনলে'
এই চিনাকি পৃথিৱীৰ
অচিনাকি
হাবিতলীয়া লুংলুঙীয়া বাটেৰে'
য'ত আতুৰত পিয়াহ পলায়
শ্যামলী নিশাই
জিল্ মিল্ জোনাকত কাপোৰ সলায়

নিবানে মোকো তোমালোকৰ সতে। ++

[ পূৰ্বে প্ৰকাশিত : পূৰ্বাচল '৯৫ ]





## নিঃসঙ্গতা, দুঃসময়, সন্ধান

— ভুপেন গগৈ
স্নাতক ৩য় বাৰ্ষিক (কলা)

নিঃসঙ্গতা মোৰ জীৱনৰ লগৰী
তোমাৰ সঙ্গতাই কিছুদিন কৰিছিল আমনি
এতিয়া মই শান্তিৰ সু-হৃদয় ফুলাম বুকুত
ধৰা দি তোমাৰ সু-নিৰ্মল চুচকুত।



তুমিতো নাজানা সখী
উজাগৰী দুঃসময় কেনেদৰে কটাইছো ৰাতি
স্বপ্নৰ আলমলৈয়ে নদীৰ আলহী হওঁ;
তোমাৰ ঠিকনাৰ সন্ধানত কল্পনাত—
থিতাপি লওঁ।

তোমাৰ সন্ধান কৰোঁ—
কলম, কাগজ, শব্দৰ আবেষ্টনীত
তোমাৰ মৌনতাই, উৰ্বৰতা
মোৰ কবিতাৰ ০ ০ ০।

## চিলা

—ৰূপা দেউৰী
উঃ মাঃ ২য় বাৰ্ষিক (কলা)



তেওঁৰ সতে
মোৰ
এক পুৰণি সম্পৰ্ক

আবেগে আমনি কৰিলেই
সাজি উৰুৱাই দিওঁ
মোৰ হৃদয়খন +

# নিৰন্তৰ

—মিতালী বৰুৱা
স্নাতক ১ম বাৰ্ষিক [বিজ্ঞান]

আন্ধাৰতে খুপি খুপি
জোনাকী পৰুৱাজাকক আওকান কৰি
আগুৱাই আহিল তেওঁ।

জোনাকী পৰুৱাজাকে ক'লে : সাৱধান, তেওঁক হৃদয় নেবেচিবা
হাজাৰ বছৰীয়া ধ্বংসস্তুপৰ পৰা উঠি অহা
তেওঁ ভগ্ন প্ৰায় এজন,
তেওঁ বাৰু জানিছিল নেকি পৰুৱাজাকৰ বাধাৰ কথা।
সেউজীয়া ঘাহঁনি এখনেৰে মেৰিয়াই সন্তৰ্পনে লুকুৱাই আনিছিল
এটোপোলা আশা——
হৃদয়ৰ এচকল কাটি উপহাৰ দিলো
লোৱা। মোক বিচাৰিলে মোকেই পাবা
অচিন সুৰ এটা সুহুৰিয়াই সুহুৰিয়াই অহা বাটে



তেওঁ উভতি গ'ল,
মোৰ হাতৰ তলুৱাতে দি গৈছিল তেওঁৰ প্ৰাচীন ঠিকনা।
হাজাৰ বছৰীয়া ধ্বংসস্তুপক উপেক্ষা কৰি তেওঁ
আহক বা নাহক
অথচ কি আকণ্ঠভাৱে নিমজ্জিত মই তেওঁৰ সেউজীয়া
ঘাহঁনিডৰাত
তেওঁ কিন্তু জানে মলডি ৰোৱা মোৰ সপোনৰ কথা
অধৈৰ্য্য গীত এটা উচুপি উচুপি শুই পৰাৰ কথা
তথাপিও মই যোগদান কৰা নাই
জোনাকী পৰুৱাৰ সন্মিলিত সভাত
এতিয়া মই ঘাহঁনিডৰাৰ সতে আছোঁ বা মোৰ সতে ঘাহঁনিডৰা
কোনেও চেষ্টা কৰা নাই ইজনে সিজনৰ
বুকুৰ ভিতৰত বিলীন হোৱাৰ





মই মৌনতাৰ সতে আলাপ কৰো বা মৌনতাই মোৰ সতে
এই পদ্ধতি মোৰ অকনো সহ্য নহয়
সেইবাবেই প্ৰতিশ্ৰুতিহীন সেউজীয়া ঘাহঁনিৰ লগত মোৰ মিত্ৰতা

হয়তোবা হাজাৰ বছৰীয়া ধ্বংসস্তুপৰ ভাষা জনাৰ প্ৰয়াস
পৰিপূৰ্ণৰ দৰে আছোঁ,
কাৰোবে সতে এতিয়াও মই আৰম্ভ কৰা নাই আত্মীয় আলাপ
হাজাৰ বছৰীয়া ধ্বংসস্তুপৰ এনে কি ভাষা
বিষাদে ভাৰাক্ৰান্ত কৰা পাঠ য'ত সন্নিবিষ্ট কৰা নাই

গীত সপোন ঘাহঁনি
অদৰকাৰী বেমেজালিত দিন কটাৰ কথা
তেওঁ আহিলেই কয়

তেওঁ পুণৰবাৰ অহা নাই
জোনাকী পৰুৱাজাকে স্থগিত ৰাখিছে জৰুৰী সভা
পৰুৱাজাকেও বাৰু জানিছিল নেকি তেওঁ অহাৰ আগতেই
ভূমিষ্ঠ হোৱা মোৰ সপোন এটাৰ কথা। ★

## এটি গীত

—অনুপম শইকীয়া
উঃ মঃ ২য় বাৰ্ষিক (কলা)

সপোন মোৰে ভাঙি গ'ল
গোলাপ মোৰে সৰি ৰ'ল
জীৱনৰে সপোনবোৰ
সপোন হৈয়ে ৰৈ গ'ল ।

কাৰেং মোৰে ভাঙি গ'ল
আশা মোৰে শেষ হ'ল
মাথো চকুলোৰ জীৱনটো ৰচিলোঁ !

তপত চকুলো মোৰ
ৰেখায়েদি বাগৰিল
পখালি বা চৰণ দুটি
বিন্দিয়া মাজেৰে

ৰচিছিলোঁ সপোন মই
নিজকে লগত লৈ
জ্বলাইছিলোঁ বন্তি মই
হঠাতে নুমাই গ'ল
সপোন মোৰে ভাঙি গ'ল । ০ ০ (২)

নেলাগে আৰু মোক
মানুহৰে মৰম বোৰ
নিবিচাৰোঁ আৰু মই
মানৱৰে মৰম বোৰ ।

সপোন মোৰে ভাঙি গ'ল ।
গোলাপ মোৰে সৰি ৰ'ল
জীৱনৰে সপোনবোৰ
সপোন হৈয়ে ৰৈ গ'ল ।





## যদি

**[ RUDYARD KIPLINGৰ 'IF' নামৰ কবিতাৰ ভাবানুবাদ ]**

কবীন ফুকন

[ যোৱা অক্টোবৰ মাহত বৃটিছ ব্ৰডকাষ্টিং কৰ্পোৰেশ্বনৰ এক সমীক্ষাত কিপলিঙৰ এই কবিতাটো এশটা প্ৰখ্যাত ইংলিছ কবিতাৰ সৰ্বশ্ৰেষ্ঠ ঘোষিত হৈছে । ]

**('Brother Square-Toes'–Rewards and Fairies)**

If you can keep your head when all about you
Are losing theirs and blaming it on you,
If you can trust yourself when all men boubt you
But make allowance for their doubting too;
If you can wait and be tired by waiting,
Or being lied about, don't deal in lies,
Or being hated, don't give way to hating,
And yet don't look too good, nor talk too wise:

If you can dream–and not make dreams your master
If you can think– and not make thoughts your aim
If you can meet with Triumph and Disaster
And treat those two impostors just the same;
If you can bear to hear the truth you've spoken
Twisted by knaves to make a trap for fools,
Or watch the things you gave your life to, broken,
And stoop and build 'em up with worn-out tools

If you can make one heap of all your winnings
And risk it on one turn of pitch-and-toss,
And lose, and start again at your beginnings
And never breathe a work about your toss;
If you can force your heart and nerve and sinew
To serve your turn long after they are gone,
And so hold on when there is nothing in you
Except the Will which says to them: 'Hold on!'

যদি অধীৰ দিনতো পাৰা সৌম্য ৰাখিব মন. কেউপিনে যেতিয়া তোমাৰ
সকলোৰে মগজুত তোলপাৰ, আৰু তোমাতেই তাৰ বাবে সকলোৱে
জাপি দিয়ে দোষ ;
যদি নিজত ৰাখিব পাৰা পৰম বিশ্বাস যেতিয়া তোমাক লৈ সকলোৰে
মনত সন্দেহ,
আৰু যদি তথাপিও তেনে সন্দেহৰ বাবে, তুমি দিব পাৰা আনক
ৰেহাই ;
যদি তুমি প্ৰতীক্ষা কৰিব পাৰা আৰু প্ৰতীক্ষাই নলগায় অকণো ভাগৰ,
তোমাক আভুৱা ভাবি তোমাৰ ৰটনা ৰটি ফুৰিলেও আনে, যদি তুমি
নামাতা আসৈ ;
যদি তোমাক ঘিণাইছে বুলি ঘৃণাৰ আশ্ৰয় তুমি অলপো নোলোৱা,
আৰু তথাপিও তুমি যদি অতি ভাল অতি বিজ্ঞ বোলাব নোখোজা ;

যদি তুমি সপোন তৰিব জানা— আৰু তথাপিও সপোনকে প্ৰভু
পাতি সজাই নোলোৱা ;
যদি তুমি ভাবিব চিন্তিব পাৰা—আৰু ভাবেই সকলো বুলি ভাবনাকে
টোৱাই নাথাকা ;
যদি তুমি প্ৰশান্ত মনেৰে বিজয় আৰু দুৰ্যোগৰ মুখামুখি হ'ব পাৰা,
আৰু যদি সেই দুই ছলাহকো সমভাবে সোধ পোছ কৰা ;
যদি তুমি শুনিও সহিব পাৰা, একালত তুমিয়েই নিজে কোৱা নিৰ্ঘাৎ
সঁচা কথা
দুষ্টই দুৰ্জনে ফান্দ পাতি নিৰ্বোধলৈ জানি শুনি বিকৃত কৰা ;

If you can talk with crowds and keep your virtue,
Or walk with Kings–nor lose the common touch,
If neither foes nor loving friends can hurt you,
If all men count with you, but none too much;
If you can fill the unforgiving minute
With sixty seconds' worth of distance run,
Yours is the Earth and everything that's in it,
And–which is more–you'll be a Man, my son !

● ●

যদি তুমি মুকলি মনেৰে সমুদায় বিজিত সম্পদ এথুপ কৰিব পাৰা ;
আৰু ঢালত বুলাই গুটি একোবতে সকলোকে পণ বুলি থ'ব পাৰা ;
আৰু যদি তেনেকৈয়ে সৰ্বস্ব হেৰুৱাঁ, আৰম্ভ কৰিব পাৰা পুনৰাই
প্ৰথমৰে পৰা,
আৰু ক্ষয়-ক্ষতি হ'ল বুলি হুমুনিয়াহ এবাৰো নাকাঢ়ি
পেশী স্নায়ু হৃদয়ক যদি তুমি সমূলে সমুখলৈ' সঁচাই বলাব পাৰা,
সৰ্বস্ব হানিব পৰা বহুদিন যোৱাৰ পিছতো স্নায়ু-পেশী-হৃদয়ক কামত
লগাব পাৰা ;
যদি তুমি সাহসেৰে জীৱনত খামুচি ৰাখিব পাৰা সৰ্বস্বান্ত হৈও,
"নেৰিবা নেৰিবা" বোলা অদম্য অভীপ্সা বিনে আন একো নাথাকোতে
হাতৰ সমল ;
যদি সাধাৰণ লোকৰ সতে আলাপ কৰিব পাৰা—ঠিকে ৰাখি আপোন
স্বধৰ্ম,
ৰজাৰো লগেৰে তুমি বাট বুলি যাব পাৰা, আৰু তথাপিও নেহেৰুৱা
হৃদয়ৰ সুলভ মমতা ;
শত্ৰুৱে, আৰু স্নেহময় বন্ধুৱেও, নোৱাৰে হানিব যদি তোমাক আঘাত,
যদি তুমি সকলোৰে লেখ ৰাখা, পাছে অত্যধিক গুৰু বুলি কাকোৱেই
নাভাবা ;
যদি তুমি দুৰ্বাৰ দয়াহীন প্ৰতিটো ক্ষণৰ প্ৰতি পল প্ৰতি অনুপল
পূৰ্ণ কৰিব পাৰা, দৌৰাই উচিত জোখত, সঠিক আৰু উচিত দূৰত্ব,
তেনে তোমাৰেই, তোমাৰেই হ'ব বসুমতী, আৰু তেওঁৰ সমস্ত সম্ভাৰ,
আৰু সবাতোকৈ' গুৰু কথা— তুমি যে মানুহ হ'বা, অ' মোৰ
স্নেহৰ পুতাই !

● ●



# আমাৰ দেশ :

মূল হিন্দী : সচ্চিদানন্দ হীৰানন্দ
বাৎস্যায়ন অজ্ঞেয়
অনুবাদক : ড° সত্যদেৱ প্ৰসাদ
মুৰব্বী, হিন্দী বিভাগ
ডিব্ৰু-মহাবিদ্যালয়, ।

এইবোৰ ঘাহঁ খেৰৰ চালিৰে ঢকা
অনিয়মীয়া গাৱলীয়া
পজাবোৰতেই আমাৰ দেশখন
বসবাস কৰে ।

এইবোৰৰ পৰা ঢোল - মাদল - বাঁহীৰ
উলহ-মালহেৰে ওলোৱা সুৰতেই
আমাৰ সাধনাৰ সাৰ
নিজৰি পৰে ।

এইবোৰৰ মৰ্মক অজ্ঞাতভাৱে
নগৰবোৰৰ ঢাক খোৱা লোলুপ
বিষাক্ত বাসনাৰ সাপে
কামুৰি লয় ।

এইবোৰতেই তৰঙ্গিত নিৰ্জু
আমাৰ কৃষ্টিৰ দুৰ্দশাত
সভ্যতাৰ ভূতে
হাঁহে বাৰে বাৰে ! ★

অনুবাদ গল্প

# প্ৰত্যাৱৰ্তন

মূল হিন্দী — উষা প্ৰিয়ংবদা
অনু :— ডঃ সত্যদেব প্ৰসাদ

গজাধৰ বাবুৱে কোঠালিত গোট খোৱা বস্তুবোৰৰ ওপৰত চকু ফুৰালে, — দুটা বাকচ, খৰাহী, বাল্টী ....

ঃ হে'ৰা গনেশ, এইটো কিহৰ টেমা হে ? — তেখেতে সুধিলে। বিচনাখন বান্ধি থকা গনেশে অলপ গৌৰৱ, অলপ দুখ লগতে অলপ লাজেৰে সৈতে কলে—

ঃ গৃহিনীয়ে বেছনৰ লাডু কেইটামান বান্ধি দিছে। আমি দুখীয়া মানুহ, এতিয়াৰ পৰা আৰু বাবুজীক খাতিৰ কৰিবলৈতো নাপাওঁ। — ঘৰলৈ যোৱাৰ আনন্দৰ মাজতো গজাধৰ বাবুৱে অকনমান বিষাদ অনুভৱ কৰিলে। এখন সৰল, মৰমীয়াল সংসাৰৰ পৰা বিচ্ছেদৰ দুখ।

ঃ কেতিয়াবা আমাৰো খবৰ - খাতি লৈ থাকিব। — বিছনাখন বান্ধি থকাৰ মাজতে গনেশে কলে।

ঃ অঁ। এই আঘোনৰ ভিতৰতে জিয়ৰীক বিয়া দি দিবা। দৰকাৰ হলে মোলৈও লেখিবা গনেশ। —

ঃ আপোনালোকেই সহায় নকৰিলে আৰুনো কোনে কৰিব। আপুনি ইয়াত থকা হলে আন নহলেও অন্ততঃ দিহা - পৰামৰ্শকে পালো হেতেন। — গামোছাৰ আগটোৰে চকুযোৰ মোহাৰি মোহাৰি গনেশে কলে।

গজাধৰ বাবুৱে যাবলৈ বুলি ওলাই পুনৰ ঘুৰি চালে। ৰেলৰে কোৱাৰ্টাৰৰ এইতো কোঠালি, য'ত তেওঁ বহু বছৰ অতিবাহিত কৰিলে, তেওঁৰ বস্তু-বাহানিবোৰ লৈযোৱাৰ পাছত তেনেই উলংগ হেন লাগিল। চোতালৰ মুৰৰ গছ কেইজোপাইও যেন তেওঁক পিছলৈ হাতবাউলি মাতিছিল। তথাপিও বহু দিনৰ পাচত পত্নী আৰু লৰা - ছোৱালীহঁতৰ লগত একেলগে কটোৱাৰ আনন্দৰ আগত এই বিচ্ছেদ এটি দূৰ্বল, সৰু চৌবদৰে মাৰ গ'ল। তেওঁ খৰ - ধৰকৈ ঘৰমুৱা ৰেলখনত উঠি পৰিল।

গজাধৰ বাবু সুখী হৈছিল, বহুত সুখী। পঞ্চলীশ বছৰৰ চাকৰিৰ পাচত তেখেত ৰিটায়াৰ হৈ আজি ঘৰমুৱা হৈছে। এইখিনি সময়ৰ বেছিভাগ তেওঁ অকলশৰেই কটাইছিল। অকলশৰীয়া মুহুৰ্ত বোৰত যেন তেওঁ আজিৰ দিনটোলৈকে অধীৰ আগ্ৰহেৰে বাট চাই আছিল। আৰু এই আশাতে তেখেতে বিনা বাক্যব্যয়ে নিজৰ অভাৱ - অভিযোগৰ বোজাটো বৈ নিছিল। গজাধৰ বাবুৰ জীৱন সফল বুলিব পাৰি। তেওঁ চহৰত মাটি লৈ এটা সৰু ঘৰো সজালে। ডাঙৰ লৰা অমৰ আৰু ছোৱালী কান্তিৰ বিয়া পাতিলে। দুটি সন্তান উচ্চ শ্ৰেণীত পঢ়ি আছে। লৰা - ছোৱালীৰ পঢ়াশুনাত অসুবিধা হয় বুলি তেওঁ নিজে পিচপৰা, সৰু ষ্টেচনত পৰি থাকিও পত্নী আৰু লৰা - ছোৱালীবোৰক চহৰত ৰাখিছিল। আৰু এতিয়া অধীৰ অপেক্ষাৰ অন্ত পেলাই তেওঁ পত্নী আৰু লৰা - ছোৱালী হতঁক লগ পাবলৈ বুলি ঘৰমুৱা হৈছে।

গজাধৰ বাবু যিদৰে মৰমিয়াল ব্যক্তি, তেখেতে আনৰ পৰাও মৰম আশা কৰিছিল। তেওঁ যেতিয়া প্ৰথমে পৰিয়ালৰ লগত আছিল সকলো সময় বৰ ফুৰ্ত্তিৰে পাৰ হৈছিল। কামৰ পৰা আহিয়ে লৰা-ছোৱালীৰ লগত হাঁহি - ধেমালী কৰিছিল, পত্নীৰ লগত নানা গল্প - কৌতুক কৰিছিল। তেওঁলোক গুচি যোৱাৰ পাচত তেখেত গম্ভীৰ ভাবে নিসংগ হৈ পৰে। আজৰি সময়বোৰ অসহ্য হৈ পৰিছিল। তেনে সময়ত মনৰ মাজেদি পৰিয়ালৰ সৈতে কটোৱা মুহুৰ্তবোৰ দ্ৰুত গতিৰে পাৰ হৈ যায়। তেওঁৰ মৰমীয়াল পত্নী দুপৰীয়া গৰমৰ দিনতো জুইৰ কাষত তেওঁৰ বাবে ৰুটি সেকি থাকে আৰু তেওঁ যেতিয়া ষ্টেচনৰ পৰা ক্লান্ত হৈ ওভটে, তেওঁৰ — পদধ্বনি শুনিয়ে সাদৰী পত্নী পাকঘৰৰ দুৱাৰ মুখলৈ — ওলাই আহে। তেওঁৰ ৰঙা পৰা মুখৰ লজ্জাপূৰ্ণ চাৱনীত গজাধৰ বাবুৰ দিনটোৰ ক্লান্তিখিনি যেন নিঃশেষ হৈ পৰে। তেখেতে খাই থাকোতে মানা কৰিলেও পত্নীয়ে জোৰ কৰি তেওঁৰ কাঁহিত আৰু কিবা - কিবি পৰিবেশন কৰা, গৰমত — আথে - বেথে বিচনীৰ বা দিয়া আদি কথাবোৰ মনত পৰি তেখেত মনে মনে উৎফুল্ল হৈ উঠে। আৰু আজি বহুত দিনৰ মুৰত পুনৰ সেই দিনবোৰ ঘুৰি অহাযেন পাই গজাধৰ বাবু মনে মনে খুওব সুখী।

ঘৰ পাই গজাধৰ বাবুৱে টুপিটো খুলি লাহেকৈ বিচনাত ৰাখিলে আৰু জোতাযোৰ খুলি তললৈ সৰকাই দিলে। ভিতৰৰ পৰা বাৰে বাৰে হাঁহিৰ মাত আহি আছিল। সেইদিনা দেওবাৰ আছিল। বোধহয় লৰা - ছোৱালীহঁতে — একেলগে বহি জলপান খাই আছে। গজাধৰ বাবুৰ শুকান মুখখনত স্নিগ্ধ মিচিকিয়া হাঁহি এটা বিৰিঙি উঠিল। তেখেতে হাঁহি হাঁহিয়ে একো শব্দ নকৰাকৈ ভিতৰলৈ গ'ল। ভিতৰত নৰেন্দ্ৰই ককালত হাতদি যোৱা ৰাতি চোৱা চিনেমাৰ দৃশ্য নকল কৰি আছিল আৰু তাকে চাই বাসন্তী হাঁহিত ফাটি পৰিছিল। অমৰৰ ঘৈনিয়েকৰো হাঁহিত গা মুৰৰ কাপোৰৰ প্ৰতি হুঁচ নোহোৱা হৈ পৰিছিল। গজাধৰ বাবুক দেখিয়ে নৰেন্দ্ৰ ধুপকৈ বহি পৰিল আৰু চাহৰ বাটিটো মুখত লগাই গহীন হৈ পৰিল। বোৱাৰীয়েকে আঁচলেৰে মুৰটো ঢাকি ললে। কেৱল বাসন্তীৰ গাটো হাঁহি দমনৰ চেষ্টাত বাৰে বাৰে লৰি থাকিল। — মুঠতে অতি দ্ৰুত গতিত পৰিবেশটো সলনি হৈ গ'ল। গজাধৰ বাবুৱে মিচিকিয়া হাঁহিমাৰি তেওঁলোকলৈ চালে।

ঃ হেৰা নৰেন্দ্ৰ, কি নকল কৰি আছা।

ঃ একো নাই দেউতা। — বিমোৰহৈ নৰেন্দ্ৰই কলে। গজাধৰ বাবুৱে ভাবিছিল, এই আমোদত তেঁওৱো ভাগ লব। কিন্তু তেওঁ অহাৰ লগে লগে আটায়ে কুণ্ঠিত হৈ চুপ হৈ গ'ল। তেওঁ মনে মনে অলপ দুখিত হ'ল। তেওঁ বহিল।

ঃ বাসন্তী, চাহ একাপ মোকো দিবি। মাৰাৰ পূজা-চলিয়ে আছে নেকি ?

ঃ আহিবই এতিয়া। — মাকৰ কোঠাৰ পিনে চাই তাই কলে। বোৱাৰীয়েক আগতেই ওলাই গৈছিল, এতিয়া নবেন্দ্ৰইও চাহ শেষ কৰি উঠি গ'ল। কেৱল তলমুৰকৈ পাকঘৰত বাসন্তী বহি ৰ'ল। গজাধৰ বাবুৱে চাহ এঢোক খাই কলে —

ঃ মাজনী চাহত চেনি কম হৈছে।

ঃ দিয়ক আৰু অলপ চেনি দি দিওঁ।

ঃ থাওক। মা আহিলে একেলগে খাম।

অলপ পাচতে হাতত অৰ্ঘ্যৰ পাত্ৰ লৈ পত্নী ওলাই আহিল আৰু অশুদ্ধ শুচি পাঠ কৰি কৰি তুলসী জোপাত বাকি দিলে। তেওঁক দেখিয়ে বাসন্তীও উঠিল। পত্নীয়ে তেওঁৰ কাষলৈ আহি কলে —

ঃ হেৰি, আপুনি অকলে অকলে বহি আছে। ইহঁত কলৈ গ'ল ? — গজাধৰ বাবুৰ মনতে বৰ দুখ লাগিল।

ঃ নিজা নিজা কামত গুচি গ'ল। আছে ক'ৰবাত। — তেওঁৰ পত্নী পাকঘৰলৈ আহি চাৰিওফালে সিচৰিত হৈ থকা বাচন বোৰলৈ চাই নাক কোচাই পেলালে।

ঃ চাৰিওফালে লোকে খাই এৰা বাচন পৰি আছে। এই ঘৰটোত ধৰম - কৰম নোহোৱা হ'ল। পূজা ঘৰৰ পৰা ওলাইয়ে এইসোপাতে সোমাব লাগে। — কৈ কৈ তেওঁ কাম কৰা লবাটো চিঞৰি মাতিলে। উত্তৰ নেপাই কলে —

ঃ বোৱাৰীয়ে বজাৰলৈ পঠাইছে চাগৈ। — আটাইবোৰ দেখি - শুনি গজাধৰ বাবুয়ে এটা দীঘল হুমুনিয়াহ এৰিলে।

গজাধৰ বাবুৱে বহি বহি চাহ - জলপানলৈ অপেক্ষা কৰি থাকিল। তেওঁৰ মনলৈ হঠাৎ গনেশৰ কথা আহিল। ভাত তেওঁ কোনোদিনে এনেদৰে চাহৰ বাবে ৰব লগা হোৱা নাছিল। প্ৰতিদিনে ৰেল আহি পোৱৰে আগতে গজাধৰ বাবু ওলাই সাজু হয় মানে গনেশৰ গৰম জিলেপী আৰু চাহো ৰেদি হৈ যায়।

চাহৰ কাপটোৰ কাষতে চিচাৰ প্লাচত অকনমান গাখীৰ আৰু চেনী, লগতে গৰম জিলেপী। ৰাণীপুৰত বেল লেট হলেও গনেশৰ চাহ কোনো দিনেই লেট নহয়। তেওঁক আনকি কোনো দিনে একো কব লগাও হোৱা নাই।

ঘৈনিয়েকৰ গৰিহনা শুনি গজাধৰ বাবুৰ ভাবনাত যতি পৰিল।

ঃ এই হই-হুলস্থুলতে গোটেই দিন শেষ হৈ যায়। এই সংসাৰখন চম্ভালোতেই বয়স পাৰ হৈ গৈছে। কোনেও যদি অকনমান সহায় কৰিব।

ঃ বোৱাৰীয়ে কি কৰি থাকে ঃ— গজাধৰ বাবুৱে সুধিলে।

ঃ এনেই পৰি থাকে। বাসন্তী আকৌ কলেজলৈ যাব লাগে। — গজাধৰ বাবুৱে উৎসাহতে বাসন্তীক মাতিলে। বাসন্তী লৌৰেকৰ ৰুমৰ পৰা ওলাই আহিল।

ঃ বাসন্তী, আজিৰ পৰা ৰাতিৰ ভাত বন্ধাৰ দায়িত্ব তোমাৰ। ৰাতিপুৱাৰ সাজ তোমাৰ বৌৱেৰাই বান্ধিব। — গজাধৰ বাবুৰ কথা শুনি মুখখন বিবৰ্ণ কৰি বাসন্তীয়ে কলে —

ঃ দেউতা, আকৌ যে পঢ়িবও লাগে। — তেওঁ মৰমেৰে বুজালে —

ঃ তুমি আবেলিতে পঢ়ি লবা। তোমাৰ মাৰাৰ বয়স হৈছে, শক্তিও কমি আহিছে। তুমি আছা, নবৌয়েৰা আছে, দুয়ো মিলি কামত সহায় কৰিব লাগে। — বাসন্তী মনে মনে থাকি আতৰি গ'ল। মাকে লাহেকৈ কলে —

ঃ পঢ়াটো এটা বাহানা মাত্ৰ। কাহানিও গা-লগায়ে নাই। লাগিব কেনেকৈ ? শীলাৰ পৰায়ে ছুটি নাই। তাহাঁতৰ ঘৰত ডেকা লৰাৰে ভৰি থাকে। সদায়ে তাত সোমাই থকাতো মোৰ পচণ্ড নহয়। কলেও নুশুনে।

একো নকৈ গজাধৰ বাবু ড্ৰইং ৰুমলৈ ওলাই আহিল, ঘৰটো বৰ এটা ডাঙৰ নাছিল। তাৰোপৰি এনেদৰে বন্দবস্ত হৈ গৈছিল যে গজাধৰ বাবুলৈ ঠায়ে নাছিল। আলহীৰ বাবে থোৱাৰ দৰে ড্ৰইং ৰুমৰ চকী-টেবুলবোৰৰ কাষতে তেওঁৰ বাবে সৰু খাট এখন থোৱা হৈছিল। এই খাটখন দেখিলেই তেওঁৰ নিজৰ অস্থায়িত্বৰ কথা মনলৈ আহে। তেওঁ যেন ষ্টেচনলৈ অহা ৰেলবোৰৰ দৰেহে, যিবোৰ অলপ সময়ৰ পাচতে পুনৰ আন দিশলৈ গতি কৰে।

ড্ৰইং ৰুমৰ কাষতে তেওঁৰ পত্নীৰ বাবে এটা ৰুম আছিল। কিন্তু তাত এফালে আচাৰ, ঘিউ, দাইল, চাউলৰ টিন আৰু আনফালে পুৰনি লেপবোৰ দ'ম পাতি আছিল। কাষতে পুৰণি টিনৰ বাকচ এটাও গৰম কাপোৰেৰে ভৰি আছিল। মজিয়াত থকা আলনাটোত প্ৰায়ে বাসন্তীৰ কাপোৰবোৰ বিশৃংখল হৈ পৰি থাকিছিল। সেয়ে গজাধৰ বাবুৱে পাৰ্য্যমানে সেই ৰুমটোত নোসোমাইছিল। আনটো কোঠালিত অমৰ আৰু বোৱাৰীয়েকৰ। তৃতীয় কোঠালিৰ সন্মুখৰ, এই ৰুমটোৱে হ'ল ড্ৰইং ৰুম। গজাধৰ বাবু অহাৰ আগতে ইয়াত অমৰৰ ঘৈনিয়েকে অনা বেটৰ চকী-টেবুলৰ চেট্ পৰি আছিল। চকীকেইখনত নীলা ৰঙৰ কুছন পৰা আছিল।

যেতিয়াই ঘৈনিয়েকে ঘৰৰ কথালৈ পাতনি আৰম্ভ কৰে তেতিয়াই গজাধৰ বাবুৱে নীৰৱে ড্ৰইং ৰুমৰ মজিয়াত পাটি এখন পাৰি লৈ দীঘল দিয়ে। লাহে লাহে গজাধৰ বাবুৱে ঘৰ-পৰিয়াল কথা বোৰলৈ মন দিলে। এদিন তেওঁ পাতলকৈ কলে —

ঃ এতিয়াৰ পৰা হাতত টকা-পইচা কম হব। গতিকে খৰচটো কিছু কম কৰিব লাগে।

ঃ খৰচবোৰ একেবাৰে দৰকাৰী। কাৰনো পেট কাটিব পাৰো। এই যোগ-বিয়োগ কৰোঁতেই বুঢ়ী হলো। ইচ্ছামতে খালোৱে নে পিন্ধিলো। — গজাধৰ বাবুৱে আহত আৰু বিস্ময়েৰে ঘৈনিয়েকলৈ চালে। তেওঁ ঘৰৰ অৱস্থাৰ কথা নজনা নহয়। তাকে চাই ঘৈনিয়েকে কথাষাৰ মধ্যস্থতা কৰি কোৱা হলে তেওঁ ভাল পালে হেঁতেন। কিন্তু ঘৈনিয়েকৰ কথাত সহানুভূতিৰ তেনেই অভাৱ আছিল। গজাধৰ বাবুৱে বেয়া পালে। ঘৰৰ আটায়ে তেওঁৰ লগত আলোচনা কৰাৰ পৰিৱৰ্তে কেৱল ওজৰ-আপত্তিবোৰহে আনে, যেন অভাৱৰ বাবে কেৱল তেৱেঁই জগৰীয়া।

ঃ হেৰা, তোমাৰনো কিহৰ অভাৱ — বোৱাৰী আছে, লৰা-ছোৱালী আছে। কেৱল টকা থাকিলেহে মানুহ ধনী হয় নেকি ?

ঃ হৈছে। বোৱাৰীৰ পৰা বৰ সুখ পাইছো নহয়। আজি ৰান্ধিবলৈ গৈছে, চাব কি হয়। — কৈ ঘৈনিয়েকে চকু মুদি শুবলৈ ধৰিলে। গজাধৰ বাবু বহি থাকিল। তেওঁৰ কথাষাৰত সহানুভূতি আৰু আন্তৰিকতা আছিল যিটো তেওঁৰ পত্নীয়ে বুজি নাপালে।

গজাধৰ বাবুৱে ভাবিলে, এইজনীয়ে তেওঁৰ ঘৈনিয়েক নে যাৰ হাতৰ কোমল পৰশ, মিচিকিয়া হাঁহি স্মৰণ কৰিয়ে তেওঁ গোটেই জীৱন কটাই দিছে। তেওঁৰ ভাব হ'ল যেন সেইজনী লাৱন্যৱতী জীৱন বাটত কেনিবা হেৰাই গৈছে আৰু তাৰ ঠাই দখল কৰিছেহি এজনী নিতান্ত অপৰিচিতা তিকতাই। নিদ্ৰিত পত্নীৰ গধুৰ গাটো বহুত অগঢ়ী আৰু কুৰূপযেন, আৰু মুখখন শ্ৰীহীন — শুকান যেন লাগিল তেওঁৰ। গজাধৰ বাবুৰ মুখৰ পৰা কব নোৱাৰাকৈয়ে এটা উদাস হুমুনিয়াহ বাগৰি আহিল।

ভিতৰত কিবা এটা পৰাৰ শব্দত তেওঁৰ পত্নী খকমককৈ সাৰ পাই ভিতৰ পালেগৈ।

ঃ মেকুৰীয়ে কিবা পেলাইছে চাগৈ। — গজাধৰ বাবুৱে ভাবিলে। অলপ পাচতে মুখখন ফুলাই বকি বকি তেওঁৰ পত্নী ওলাই আহিল।

ঃ চাওক বোৱাৰীয়েকৰ কাণ্ড; পাকঘৰ খুলি থৈ আহিছিল। মেকুৰীয়ে দাইলৰ চৰু উবুৰিয়াই পেলালে। আটাইবোৰেই খাবলৈ আছে, কি যে কৰো এতিয়া। উশাই লবলৈ তেওঁ অলপ ৰ'ল। — তৰকাৰী আৰু চাৰিটামান পৰঠা বনাওতেই গোটেই টেমা ঘিও ঢালি দিলে। অকনো বিচাৰ নাই, উপাৰ্জন কৰোঁতাইহে জানে। ইয়াত বস্তু লুট হব ধৰিছে। মইতো জানিছোৱে এইতো কাম কাৰ হব পাৰে।

গজাধৰ বাবুৱে গম পালে যে এই বকনি সহজে শেষ নহয়। তেওঁৰ কানত যেন জনজননি উঠিল। — বিৰক্তিত মুখ বেঁকাই তেওঁ কাতি হৈ গৃহিনীৰ ফালে পিঠি দিলে।

ৰাতিৰ সাজ বাসন্তীয়ে ইচ্ছা কৰিয়ে তেনেকৈ ৰান্ধিলে যাতে কোনেও খাব নোৱাৰে। গজাধৰ বাবুৱে একো নকৈ খাই উঠিল। কিন্তু নৰেন্দ্ৰই কাঁহি ঠেলি গৰজি উঠিল।

ঃ মই এনেকুৱা খানা খাব নোৱাৰো।

ঃ নেখাবা আকৌ, কোনেও তোমাক জোৰ কৰা নাই নহয়। বাসন্তীয়েও সমানে চিঞৰি উঠিল।

ঃ তোক কোনে ৰান্ধিবলৈ কৈছিল ?

ঃ দেউতাই।

ঃ বহি বহি দেউতাই আন কথা নেদেখে নেকি ?— মাকে বাসন্তীক উঠাই পঠাই নৰেন্দ্ৰক নানা কথা কৈ বুজালে আৰু নিজে কিবা ৰান্ধি খোৱালে। পিছত গজাধৰ বাবুৱে গৃহিনীক কলে —

ঃ ছোৱালীজনীয়ে এতিয়ালৈকে একো ৰান্ধিবলৈ নিশিকিলে কেনেকৈ হ'ব।

ঃ জানে, সকলো জানে। কিন্তু কৰিব খোজা নাই।

পিচদিনা, মাকক পাকঘৰত দেখি বাসন্তীয়ে কাপোৰ সলাই ক'ৰবালৈ ওলাই যাওঁতে গজাধৰ বাবুৱে সুধিলে —

ঃ কলৈ যোৱা ?

এনেই। শীলাৰ ঘৰলৈ।

ঃ একো দৰকাৰ নাই। ভিতৰলৈ যোৱা আৰু পঢ়া। — গজাধৰ বাবুৰ মুখৰ পৰা অলপ টানকৈয়ে ওলাল নেকি, বাসন্তী অলপ পৰ তভক মাৰি বৈ ভিতৰ সোমাল। অলপ ফুৰি অহাৰ পাচত তেওঁক গৃহিনীয়ে কলে—

ঃ বাসন্তীক কি ক'লা। মুখ ওফন্দাই পৰি আছে, একো খোৱাও নাই। — গজাধৰ বাবু বিমৰ্ষ হৈ পৰিল। তেওঁ একো উত্তৰ নিদিলে। মনে মনে ঠিৰাং কৰিলে যে বাসন্তীক বিয়া দিবৰ হ'ল। সেই দিনাৰে পৰা বাসন্তীয়ে বাপেকক কাতি দিলে। কাকো নোকোৱাকৈ পিছফালেদি শীলাৰ ঘৰলৈ যায়। পত্নীক সুধিলত তেওঁ জীয়েকক একো নকৈ কলে —

ঃ খঙত আছে। — গজাধৰ বাবুৰ বৰ খং উঠিল। ছোৱালী জনীৰ ইমান অহংকাৰ, বাপেকৰ কথাও অমান্য কৰে। ঘৈনিয়েকে আকৌ খবৰ দিলে যে অমৰে বেলেগে থকাৰ কথা ভাবিছে।

ঃ কিয় ? — গজাধৰ বাবু চক্ খাই উঠিল। ঘৈনিয়েকে স্পষ্টকৈ নকলেও মুটামুটি তেওঁ বুজা কথাখিনি হ'ল অমৰ আৰু বোৱাৰীয়েকৰ অভাৱ-অভিযোগ বহুত। গজাধৰ বাবু সদায় ড্ৰইং ৰুমতে পৰি থাকে বাবে আলহীৰ বাবে বহিবলৈ ঠাই নাই। তেওঁ অমৰক এতিয়াও সৰু বুলি ভাবে আৰু সময়-অসময়

নেচাই উপদেশ দি থাকে। বোৱাৰীয়েকক কাম কৰিবলৈ লগাইছে।

ঃ মই অহাৰ আগতেও কেতিয়াবা এনে ঘটনা, কথা হৈছিল নেকি ? — পত্নীয়ে মুখ জোকাৰি নাই বুলি কলে। আগতে অমৰ মুখীয়াল আছিল, বোৱাৰীয়েকৰ একো বাধা-নিষেধ নাছিল। ড্ৰইং ৰুমত আটায়ে বন্ধু-বান্ধৱৰ সৈতে আড্ডা দিছিল। আৰু ভিতৰৰ পৰা চাহ-জলপান পঠোৱা হৈছিল। বাসন্তীহঁতেও ইয়াকে বিচাৰে। বৰ লাহেকৈ তেওঁ কলে—

ঃ আমৰক কৰা, বৰ তত্‌তৈয়া নকৰে যেন।

পিচদিনা ৰাতিপুৱা ফুৰি আহি তেওঁ দেখে, তেওঁৰ বিচনাখন ড্ৰইং ৰুমত নাই। ভিতৰলৈ সোমাওঁ বুলি ভাবোতেই পাকঘৰত বহি থকা পত্নীৰ ওপৰত চকু পৰিল। বোৱাৰী ক'ত বুলি সুধিবলৈ লৈও তেওঁ কিবা ভাবি চুপ হৈ ৰ'ল। ঘৈণীয়েকৰ ৰুমলৈ ভুমুকিয়াই চাই নিজৰ খাটখন আচাৰ, লেপ আৰু টেমাবোৰৰ মাজত আৱিষ্কাৰ কৰিলে। গজাধৰ বাবুৱে কোটটো খুলি থবলৈ বুলি ৰুমত চকু ফুৰালে। শেষত এপাক ঘুৰাই আলনাৰ মুৰত অকমান ঠাই অটাই তাতে থলে। তেওঁ একো নকৈ খাটখনত বাগৰ দিলে। যি নহওক, বুঢ়া দেহ, ফুৰি আহি ভাগৰি পৰিছিল।

গজাধৰ বাবুৰ নিজা ডাঙৰ, মুকলি কোৱাৰ্টাৰ-টোলৈ মনত পৰিল। নিশ্চিন্ত জীৱন। ৰাতিপুৱা পেচেঞ্জাৰ ট্ৰেনৰ সৈতে অহা চিঞৰ-বাখৰ, চিনাকি-অচিনাকি মুখবোৰ আৰু ৰেলৰ লাইনত চকাৰ ঘট্‌-ঘটনি, এই আটাইবোৰ তেওঁৰ বাবে এক মধুৰ সংগীতৰ দৰে আছিল। ধুমুহাৰ দৰে মেলট্ৰেনৰ ইঞ্জিনৰ চিঞৰ তেখেতৰ একান্ত ৰাতিৰ লগৰীয়া আছিল। ৰামজিমলৰ মিলৰ অনেক লোক আহি তেওঁৰ তাত কেতিয়াবা বহেহি। সিমানেই তেওঁৰ সংসাৰ আছিল। সেই জীৱন এতিয়া অতীতত হেৰাই গ'ল। তেওঁৰ এনে লাগিল যেন একো পায়ো পোৱা নাই।

তেখেতে খাটখনত পৰি থাকিয়ে ঘৰৰ ভিতৰৰ পৰা অহা শব্দবোৰ শুনি থাকিল। বোৱাৰী আৰু শাহুৰ সৰু-সুৰা কাজিয়া, বাল্টিত খুলা টেপৰ শব্দ, বাচনবোৰৰ খটখটনি আৰু বাহিৰত চৰাইৰ কিচিৰ-মিচিৰ শব্দ ইত্যাদি। হঠাৎ তেখেতে সিদ্ধান্ত কৰিলে এতিয়াৰ পৰা তেওঁ ঘৰৰ কোনো কথাতে হস্তক্ষেপ নকৰে। যদি ঘৰৰ মুৰব্বীজনৰ বাবে খাটখনৰ ঠাই ইয়াতে হয়, তেন্তে তেওঁ ইয়াতে পৰি থাকিব। আৰু যদি আন ক'ৰবালৈও লৈ যায় তাতো তেওঁ আপত্তি নকৰে। ল'ৰা-ছোৱালীৰ জীৱনত তেখেতলৈ ঠায়ে যদি নাই তেওঁ নিজৰ ঘৰতে আলহীৰ দৰে নীৰৱে পৰি থাকিব। আৰু সচাঁকৈয়ে সেইদিনাৰ পৰা গজাধৰ বাবুৱে একো কথাতে মাত মতা নাই। নৰেন্দ্ৰই টকা বিচাৰি আহিলত নিৰ্বিবাদে টকা দি দিছিল। বাসন্তীয়ে আন্ধাৰ হোৱালৈকে প্ৰতিবেশীৰ ঘৰত থকাৰ পাচতো তেওঁ মাত মতা নাই। কিন্তু তেখেতৰ আটাইতকৈ ডাঙৰ বেজাৰ হ'ল তেওঁৰ পত্নীয়েও এইবোৰ একো লক্ষ্য নকৰে। তেওঁ মনে মনে যে কিমান গধুৰ বোজা এটা বৈ আছে তাক অনুভৱ কৰিবলৈ চেষ্টা নকৰে। বৰঞ্চ তেওঁ এনেদৰে নিষ্ক্ৰিয় হৈ পৰাত তাই ভালহে পাইছিল। তেওঁ কেতিয়াবা কয়—

ঃ ভালেই হৈছে, আপুনি মাজত নপৰে যেন। সন্তান ডাঙৰ হৈছে, আমি আমাৰ কৰ্তব্য কৰিছো। পঢ়াই শুনাই বিয়া দিমগৈ।—

গজাধৰ বাবুৱে মৰ্মাহত দৃষ্টিৰে ঘৈণীয়েকলৈ চালে। তেওঁৰ অনুভৱ হ'ল যেন তেওঁ কেৱল ঘৰ-খনৰ বাবে ধন আৰ্জনৰ মেচিনহে। যাৰ অস্তিত্বই পত্নীক সেওঁতাত সেন্দুৰ লোৱাৰ অধিকাৰী কৰে, সমাজত প্ৰতিষ্ঠিত কৰে, তেওঁক পত্নীয়ে সমুখত ভাতৰ থালী দিয়ে নিজৰ কৰ্তব্য শেষ বুলি ভাবিছে। তেওঁৰ পত্নী ঘিওঁ আৰু চেনীৰ টেমাত ইমান মগ্ন যেন সেয়ে তেওঁৰ সংসাৰ। গজাধৰ বাবু তেওঁৰ জীৱনৰ কেন্দ্ৰ হ'ব নোৱাৰে। তেওঁ ছোৱালীৰ বিয়াৰ বাবেও উৎসাহ নোপোৱা হ'ল। কোনো কথাত হস্তক্ষেপ নকৰাৰ পাচতো সেই পৰিবেশত তেখেত খাপ খাব পৰা নাই। তেখেতৰ উপস্থিতি পৰিয়ালটোত ড্ৰইং ৰুমৰ তেওঁৰ খাটখনৰ দৰেই যেন সম্পূৰ্ণ অনাহুত। তেখেতৰ সমস্ত আনন্দ এটি গভীৰ উদাসীনতাত বুৰ গ'ল।

ইমান সহ্য কৰাৰ পাচতো এদিন গজাধৰ বাবুৱে মাত মাতিবলৈ বাধ্য হ'ল। পত্নীয়ে নিজা স্বভাৱ অনুসাৰে কাম কৰা লৰাটোৰ বদনাম গাই আছিল।

ঃ কিমান যে এলেহুৱা। বজাৰৰ প্ৰত্যেক বস্তুতে পইচা মাৰে, খাবলৈ বহি খাইয়ে থাকে। — গজাধৰ বাবুৱে সদায় অনুভৱ কৰিছিল যে তেওঁৰ ঘৰত আয়তকৈ ব্যয় অতি বেছি। পত্নীৰ কথা শুনি তেওঁ খৰচ কমাবলৈ চাকৰটোৰ উপস্থিতি নাকচ কৰি দিলে। সৰু-সুৰা কাম, ঘৰত তিনিটা মতা মানুহ, সিহঁতে কৰি দিব পাৰে। অমৰ অফিচৰ পৰা আহি চাকৰক মাতিবলৈ ধৰাত বোৱাৰীয়েকে কলে—

ঃ তাক দেউতাই ছুটি দি দিলে।

ঃ কিয় ?

ঃ কৈছে খৰচ বহুত হয়। — কথাতো তেনেই সাধাৰণ। কিন্তু বোৱাৰীয়েকে যি সুৰত কথাতো কলে তেওঁৰ অলপো ভাল নালাগিল।

সেইদিনা গা-ভাল নলগাত তেওঁ ফুৰিবলৈ নগৈ আন্ধাৰতে খাটখনত পৰি থাকিল। কথাতো মন নকৰি নৰেন্দ্ৰই মাকক কবলৈ ধৰিলে—

ঃ মা তুমি দেউতাক নোকোৱা কিয় ? ৰহি বহি একো কৰিবলৈ নাপাই চাকৰটোকে খেদি দিলে। মই কিন্তু চাইকেলত ঘেঁহুৰ বস্তা নি গুৰি কৰিবলৈ যাব নোৱাৰো।

ঃ মা, মই কলেজলৈও যাম আৰু ঘৰত বাঢ়নীও মাৰিম তেনে কেতিয়াও নহয়। — সেয়া বাসন্তীৰ মাত।

ঃ বুঢ়া হ'ল। মনে মনে পৰি থাকক, সকলো কথাতে মাত মাতিবলৈ যায় কিয়। — অমৰে ভোৰ-ভোৰালে।

ঃ আৰু একো নুবুজি বোৱাৰীক পাক ঘৰলৈ পঠাই দিলে। ফলত পোন্ধৰ দিনৰ কাম এদিনতে শেষ কৰিলে নহয়। — পত্নীয়ে ব্যংগ কৰি কলে। তাৰ পাচতে নিজৰ ৰুমলৈ সোমাই আহি গজাধৰ বাবুক পাৰি থকা দেখি তেওঁ বিয়োৰত পৰিল। তেওঁক মুখা-পৰি থকা দেখি তেওঁ বিয়োৰত পৰিল। তেওঁৰ মনৰ ভাৱ পত্নীয়ে অনুভৱ কৰিব বয়বৰ পৰা তেওঁৰ মনৰ ভাৱ পত্নীয়ে অনুভৱ কৰিব পৰা নাই। গজাধৰ বাবুৱে নিমাতে চকু মুদি পৰি থাকিল।

০ ০ ০ ০

গজাধৰ বাবুৱে চিঠিখন হাতত লৈ ভিতৰলৈ আহিল আৰু পত্নীক মাতিলে। তেওঁ তিতা হাতখন মচি মচি ওলাই আহিল।

ঃ মই ৰামজিমলৰ চেনী মিলত চাকৰি পাইছো। বহি থকাতকৈ ঘৰলৈ দুপইচা আহিব। তেখেতে আগতেই কৈছিল, মইহে মানা কৰিছিলো। — অলপ বৈ নুমাই যোৱা জুইৰ ফিৰিঙতি জ্বলি উঠাৰ দৰে কোনো ভুমিকা নকৈ তেওঁ কবলৈ ধৰিলে— মই ভাবি-ছিলো, বহু বছৰৰ পাচত পৰিয়ালৰ সৈতে একে লগে কটাম। যাব দিয়া। পৰহিলৈ যামগৈ। তুমিও যাবা ? "মই" ? পত্নীয়ে স্তম্ভিত হৈ ক'লে, "মই গ'লে ইয়াত কোন চাব ? ইমান ডাঙৰ ঘৰ-সংসাৰ তাতো গাভৰু ছোৱালী - - -।"

কথাখিনিৰ মাজতে গজাধৰ বাবুৱে নিৰাশাৰ সুৰত ক'লে, "বাৰু, তুমি ইয়াতে থাকা। মইতো এনেয়ে কৈছিলোঁ। আৰু তেওঁ গভীৰ মৌনতাত ডুবি গ'ল।

নৰেন্দ্ৰই বহুত ফুৰ্ত্তিৰে বিছনাখন বান্ধি ৰিক্সাখন মাতি নিলে। গজাধৰ বাবুৰ টিনপাতৰ বাকচ আৰু পাতল বিছনা ওপৰত তুলি দিলে। জলপানৰ কাৰণে ল্যাড্ডু আৰু ঘোলৰ টুকুৰীটো হাতত লৈ গজাধৰ বাবু ৰিক্সাত বহিলগৈ। এবাৰ পৰিয়ালবৰ্গলৈ দৃষ্টি ঘুৰাই আনফালে চাবলৈ ধৰিলে আৰু ৰিক্সাখন চলিল। তেখেত যোৱাৰ লগে লগে সকলো ভিতৰলৈ উভতি অহাত বোৱাৰীয়েকে অমৰক সুধিলে, "চিনেমা লৈ যাবা নে ?" বাসন্তীয়ে জাপ মাৰি ক'লে, "ককাইদেউ, মোকো নিবা কিন্তু।"

গজাধৰ বাবুৰ পত্নী পোনে-পোনে পাকঘৰলৈ গ'ল। বাহি হোৱা ঘোল বাল্টিত লৈ নিজা কোঠালিলৈ আনিলে আৰু টেমাৰ ওপৰত ৰাখিলে। আকৌ বাহি-ৰলৈ আহি ক'লে, "হেৰা নৰেন্দ্ৰ, দেউতাকৰ খাটখন কোঠালিৰ পৰা আতঁৰাই দে। কোঠালিত ফুৰিবলৈকে ঠাই নাই।" ●

## যিকেইটা আদৰ্শই মোক জীৱনত বাট দেখুৱাইছে

এজন মানুহৰ নিজৰ জীৱনত কোনটো কথা আটাইতকৈ বেছি তাৎপৰ্য্যপূৰ্ণ সেই কথা মানুহে নিজেই নাজানে। সেই কথা ভাবি আনৰো মূৰ ঘমাবৰ কোনো প্ৰয়োজন নাই। মাছে গোটেই জীৱন পানীৰ মাজতে সাতুৰি - নাদুৰি থাকে। কিন্তু পানীৰ বিষয়ে মাছে কি কথা জানে ?

জীৱনৰ তিতা-মিঠা অভিজ্ঞতাবোৰ আহে বাহিৰৰ পৰা। কিন্তু যি কঠিন সি আহে ভিতৰৰ পৰা, মানুহৰ নিজৰ চেষ্টাৰ পৰা। মোৰ নিজৰ স্বভাৱে যিবোৰ কাম কৰিবলৈ মোক বাধ্য কৰে মই বেছিভাগ সময়তে সেইবোৰ কামেই কৰো। তাৰ কাৰণেই ইমান বেছি স্নেহ-শ্ৰদ্ধা পাব লগীয়া হোৱাটো এটা বৰ অস্বস্তিকৰ অভিজ্ঞতা। মোক লক্ষ্য কৰি মাজে মাজে ঘৃণাৰ শৰো নিক্ষেপ কৰা হৈছে। কিন্তু সেইবোৰে মোক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। মোৰ কাৰণে সেইবোৰ বেলেগ এখন জগতৰ বস্তু। সেইখন জগতৰ লগত মোৰ কোনো সম্পৰ্ক নাই।

মই এনে এক নিৰ্জনতাৰ মাজত বাস কৰো যি নিৰ্জনতা যৌৱনকালত যন্ত্ৰণাদায়ক, কিন্তু পৰিণত বয়সত অতি উপভোগ্য।

যি কেইটা আদৰ্শই মোক জীৱনত বাট দেখুৱাইছে আৰু হাঁহি মুখেৰে জীৱনৰ মুখামুখি হ'বলৈ সাহস যোগাইছে সেইকেইটা হ'ল, প্ৰেমত সৌন্দৰ্য্য আৰু সত্য। সম্পত্তিৰ অধিকাৰ, বৈষয়িক কৃতকাৰ্য্যতা, পাৰ্থিব ভোগ বিলাস— মানসিক কৰ্মোদ্যমৰ এনেবোৰ গতানুগতিক লক্ষ্য মই সদায় ঘৃণনীয় বুলি বিবেচনা কৰি আহিছো।

কাৰ্য্য-কাৰণৰ মূল নীতিয়েই বিশ্ব চৰাচৰ পৰিচালিত কৰিছে বুলি যি মানুহে বিশ্বাস কৰে তেওঁ এক মুহূৰ্তৰ কাৰণেও এই কথা বিশ্বাস কৰিব নোৱাৰে যে বিশেষ কোনো এক সত্তাই জগতৰ ঘটনা'প্ৰবাহত হস্তক্ষেপ কৰিব পাৰে। তেওঁৰ জীৱনত ভীতিপ্ৰদৰ্শনকাৰী ধৰ্মৰ যেনেকৈ কোনো প্ৰয়োজন নাই, ঠিক তেনেকৈ সামাজিক বা নৈতিক ধৰ্মৰো কোনো প্ৰয়োজন নাই। যি ঈশ্বৰে শাস্তি দিয়ে আৰু পুৰস্কাৰ দিয়ে তেনে এজন ঈশ্বৰ তেওঁৰ ধাৰণাৰে অতীত। মানুহৰ প্ৰতিটো কাম কাজ নিয়ন্ত্ৰিত হয় বাহিৰৰ আৰু ভিতৰৰ প্ৰয়োজনৰ দ্বাৰা। এনে অৱস্থাত এডোখৰ শিল তাৰ গতিবেগৰ কাৰণে যেনেকৈ কাৰো ওচৰত দায়ী হ'ব নোৱাৰে, ঠিক তেনেকৈ মানুহো নিজৰ কামৰ কাৰণে ঈশ্বৰৰ চকুত দায়ী হ'ব নোৱাৰে। মানুহৰ নৈতিক আচৰণৰ ভেটি হোৱা উচিত সহানুভূতি, শিক্ষা, সামাজিক সম্পৰ্ক আৰু প্ৰয়োজন। তাৰ কাৰণে কোনো ধৰ্মীয় ভিত্তিৰ প্ৰয়োজন নাই। যদি মানুহে কেৱল মৃত্যুৰ পিছত শাস্তিৰ ভয়ত বা পুৰস্কাৰৰ আশাতহে সৎপথত চলিবলৈ বাধ্য হ'ব লগা হয় তেন্তে তেনে মানুহৰ জীৱন ধিক।

—এলবাৰ্ট আইনষ্টাইন



উপন্যাসিকা

*'O lift me as a leaf, a wave*
*a cloude,*
*I fall upon the thorns of life*
*I bleed'.*

—P. B. Shelley

# হৃদয়ত তোমাৰ মৰম তৃষা

শ্ৰীজিন্তু কুমাৰ চাংমাই
স্নাতক তৃতীয় বৰ্ষ
বিজ্ঞান শাখা

### প্ৰথম অধ্যায়

এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত সৰু গাওঁখন। গোটেই গাওঁখনকে দিগন্ত জুৰি বিয়পি থাকে এক শান্ত নিৰিবিলি পৰিৱেশ। তাৰ মাজে মাজে বনৰীয়া চৰাইৰ কিচিৰ্‌ মিচিৰ্‌, মিশ্ৰিত কোলাহল। বন বিৰিখৰ আঁৰে আঁৰে গাওঁখনৰ মোহনীয়া পৰিৱেশ। সন্মুখত এখন বিশাল পথাৰ। তাৰ মাজতে গাওঁখনলৈ যোৱা মূল পথটো। পথটোৰ দুয়োকাষে বিস্তৃৰ্ণ পথাৰখনৰ অপৰূপ জেউতী খেতিৰ দিনত শস্যাই ভৰপূৰ হৈ দুগুণে বঢ়াই তোলে। গুটি গুটি ধানৰ হাওলী পৰা সোণালী থোকবোৰৰ কেঁচা গোন্ধে মতলীয়া কৰি তোলে খেতিয়কৰ চিৰসেউজ মনবোৰ। গাওঁখনৰ কাষেৰে বৈ গৈছে এখনি সৰু নদী। পূৰ্ণিমাৰ ৰাতি, নিশব্দে সৰু বৰ তৰংগ তুলি বৈ যোৱা নদীখনৰ বুকুত চন্দ্ৰমাৰ ৰূপোৱালী কিৰণ পৰি জিলিকি উঠে নদীৰ ৰূপালী পানী; চিক্‌মিকাই উঠে দুয়োপাৰৰ মুঠি মুঠি বালি।

এই সৰু গাওঁখনতে এটি মধ্যবিত্ত পৰিয়ালৰ কনিষ্ঠ সন্তান জয়ন্ত। পিতৃ নীলকান্ত ফুকন স্থানীয় এম্, ভি, স্কুলখনৰ প্ৰধান শিক্ষক। ঘৰখনত মাক-বাপেক, ককায়েক শৈৱাল আৰু জয়ন্ত; এটি সৰু অথচ সুখী

পৰিয়াল। শৈৱালে যোৱা বছৰ অংকত অনাৰ্চ সহ স্নাতক ডিগ্ৰীটো লৈ ওচৰৰে উচ্চ মাধ্যমিক বিদ্যালয় এখনত শিক্ষকৰ পদত যোগদান কৰিলে। বৰ্তমান ঘৰখন সিয়েই চলায়। কাৰণ যোৱা বছৰ বাপেকে ৰিটায়াৰ কৰিলে। কোনোদিন অসৎ পথেৰে নোযোৱা নীলকান্ত ফুকনে নিজৰ সন্তান কেইটিকো সেইদৰে তুলিছিল আদৰ্শ পিতৃ হিচাপে। আৰু সেই হিচাপে শৈৱাল আৰু জয়ন্ত বাপেকৰ আদৰ্শৰ পৰা কনমানো বিচ্যুত নহৈছিল। কোনো পৰিস্থিতিতে; কেতিয়াও।

জয়ন্ত; জয়ন্ত ফুকন আছিল ঋজু দেহৰ, সুন্দৰ সুঠাম এজন যুৱক। বাপেকৰ আদৰ্শৰে ডাঙৰ দীঘল হোৱা জয়ন্তক সকলোৱে মৰম কৰিছিল, ভাল পাইছিল; সকুবোৱে সমীহ কৰি চলিছিল। নিজৰ আদৰ্শৰ পৰা কনমানো বিচ্যুত হব নোখোজা জয়ন্তৰ কিমান আশা, কিমান কল্পনা আছিল ভৱিষ্যতৰ সম্পৰ্কত। ককায়েকৰ দৰে সিও মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পাছ কৰি কলেজত নাম লগাইছিল বহুতো আশাৰে, বহুতো হেপাহেৰে। বিজ্ঞানৰ ছাত্ৰ হোৱাৰ বাবে সি যথেষ্ট কষ্ট কৰিব লগা হৈছিল পৰীক্ষাৰ ভাল ফলাফলৰ বাবে। তাৰ মাজতো লগৰ বন্ধু-বান্ধৱী সকলৰ লগত যথেষ্ট হাঁহি ধেমালীৰ জীৱন উপভোগ কৰিছিল সি। কিমান অনুপম, কিমান সুন্দৰ আছিল এইবোৰ দিনৰ প্ৰতিটো মুহূৰ্ত। লগৰ সহপাঠী, ভাস্কৰ, দীপ, জ্যোতি, জিতু, নিলোৎপল, অমিয়, তপন, মনোজ....... আদি অলেখ মৰমৰ বন্ধুৰ লগত তথা প্ৰিয় বান্ধৱী পলী, স্মিতা, জৱা, নিশা, মিতালী, শেৱালী, মণি আৰু .........ময়ুৰীৰ লগতে বহুতৰ লগত যিমান স্ফূৰ্টিৰে সহজ-সৰল তথা হাঁহি ভৰা জীৱন উপভোগ কৰিছিল সেইবোৰৰ স্মৃতি জানো সি পাহৰিব পাৰিব? বিশেষকৈ তাৰ অতি প্ৰিয় বান্ধৱী ময়ূৰীৰ মাদকতা ভৰা মৰমৰ স্মৃতিয়ে তাক পদে পদে আমনি কৰি থাকিব। যিহেতু সিহঁতৰ প্ৰগাঢ় বন্ধুত্বই কেৱল বন্ধুত্বৰ সীমাৰেখাৰ মাজতে আৱদ্ধ নাথাকি ই বেলেগ ফাললৈ ঢাল খোৱাৰ উপক্ৰম কৰিছিল। হয়তু ভাল পোৱাৰ ফাললৈ মানে প্ৰেমৰ বুকুলৈ আগবাঢ়িবলৈ লৈছিল সিহঁতৰ বন্ধুত্বই। কিন্তু শেষমূহূৰ্ত্তলৈকে কোনেও প্ৰকাশ কৰিব নোৱাৰিলে সিহঁতৰ মনৰ কথা; নিজৰ মাজত ভুল বুজাবুজি হোৱাৰ আশংকাত। অৱশ্যে জয়ন্তইও এই বিষয়ত আগবাঢ়িবলৈ অসমৰ্থতা প্ৰকাশ কৰিলে পাছৰ সময় বোৰত। কাৰণ তেতিয়ালৈ তাৰ জীৱনলৈ 'বনু'ৰ আগমন ঘটিছিল। সেয়ে ময়ূৰীৰ মন আকাশৰ পৰা জয়ন্ত ফালৰি কাটিবলৈ বাধ্য হৈছিল। গতিকেই সিহঁতৰ সুগভীৰ আন্তৰিকতা, বন্ধুত্বৰ মাজতে সীমাবদ্ধ হৈ থাকিল। কিন্তু সিহঁতে কেতিয়াও পাহৰিব নোৱাৰে ইটোৱে সিটোৰ সান্নিধ্যৰ স্মৃতি। পাহৰাতো সম্ভৱ নহয় কোনোদিন। প্ৰত্যেক মানুহৰে কিছুমান স্মৃতি থাকে যি মৰি মৰিও জীয়াই থাকে অন্তৰৰ কোনোবা একান্তই নিভৃত কোণত। সেই স্মৃতিয়ে জীয়াই ৰাখে কাৰোবাৰ অন্তৰঙ্গতাৰ প্ৰতিচ্ছৱি। জয়ন্ত বনুৰ স্মৃতিও ঠিক এনেদৰেই জীয়াই থাকিব দুয়োটাৰে অন্তৰত। ময়ূৰীৰ লগত হোৱা নাটকীয় চিনাকীৰ মূহুৰ্ত্তটো এতিয়াও জয়ন্তৰ স্পষ্টভাৱে মনত আছে। তাৰ কলেজীয়া জীৱনৰ আৰম্ভনী আছিল সেইয়া।

দ্বিতীয় অধ্যায়

( এক )

## কলেজীয়া জীৱন এক অনুপম ক্ষণ ঃ

ঃ আমি চিনাকী হব পাৰোনে?' — কাৰোবাৰ মিঠা কণ্ঠস্বৰত উচাপ খাই উঠিল জয়ন্ত। এজনী নিষ্পাপ যেন লগা, সহজ সৰল অৱয়ৱৰ ছোৱালী; তাৰ সহপাঠী। কলেজলৈ ক্লাছ কৰিবলৈ অহা প্ৰায় এমাহ মানেই হ'ল যদিও তেনেদৰে কাৰোৱেই লগত চিনাকী হোৱা নাই সি। কিন্তু ক্লাছ কৰোতে দেখা দুই এখন মূখ ইতিমধ্যে সি চিনি উঠিছে' তাৰ ভিতৰত এই ছোৱালীজনীকো সিহঁতৰ লগতে ক্লাছ কৰা দেখিছে সি।

ঃ 'কি হ'ল? হাঁ বা না কিবা এটা কোৱা আক'। তাৰ নিৰ্ৰ্বাক দৃষ্টি দেখি তাই হাঁহি দিলে। সহজ-সৰল নিষ্পাপ হাঁহি। এনে হাঁহিত প্ৰৱিত্ৰতা থাকে।

ঃ 'অ' নিশ্চয়, বহা ইয়াতে। —বহি থকা বেঞ্চখনৰ এটা মূৰলৈ আঙুলীয়াই জয়ন্ত সপ্ৰতিভ হবলৈ চেষ্টা কৰিলে।

তাৰ কাষত বেঞ্চখনতে বহি পৰিল ছোৱালীজনী। এক মিঠা, মন উন্মনা কৰা সুমধুৰ গোন্ধে খন্তেকৰ বাবে আনমনা কৰি তুলিলে তাক। ছোৱালী দেহৰ সুতীব্ৰ সেউজ গোন্ধ।

ঃ 'তুমি আমাৰ ক্লাছৰে?' — জয়ন্তই সুধিলে।

ঃ ওঁ! একেই ক্লাছৰে।

ঃ তাৰ মানে আমি দুয়ো সহপাঠী?

উত্তৰত আকৌ হাঁহি দিলে ছোৱালীজনীয়ে। এটা নিশব্দ হাঁহি। কিছুমান হাঁহিত কলিজাৰ বং সনা থাকে। তেনে হাঁহিয়ে গোপনে স্পৰ্শ কৰে কাৰোবাৰ হৃদয় প্ৰদেশ। ছোৱালীজনীৰ নম্ৰ সেউজীয়া হাঁহিত জয়ন্তৰ বুকুত অনুভূতি হ'ল এটা মিঠা অনুভ'তৰ।

ঃ তোমাৰ নামটো কবা?

ঃ ওঁ; ময়ূৰী. ময়ূৰী চেতীয়া। তোমাৰ?

ঃ জয়ন্ত! জয়ন্ত ফুকন মোৰ নাম।

বচ! সেই চিনাকী পৰ্বই আছিল আৰম্ভ। তাৰ পাছত .. .......। তাৰ পাছৰে পৰা সিহঁতৰ মাজত গঢ় লোৱা আন্তৰিকতা খিনিয়ে নিষ্প বন্ধুত্বৰ ৰূপ ললে। দুয়োটাই একে বিষয়ত Major লৈছিল। গতিকে এই-বিষয়ত দুয়োটাই ইটোৱে সিটোক সহায় কৰিছিল সততে। Practical কৰোতেই ইটোৱে সিটোৰ সঙ্গী হয়। ইটোৰ 'নোট্চ্' সিটোৱে টুকি লয় অন্য 'থিয়ৰি ক্লাছ'বোৰৰ। মুঠতে পঢ়াৰ বিষয়ত ইটোৱে সিটোক সৰ্বতো প্ৰকাৰে সহায় কৰিছিল। এইবোৰৰ মাজতো সময়ৰ ফাঁকে ফাঁকে ব্যস্ততাৰ আঁৰে আঁৰে থাকে নিষ্পাপ ধেমালীবোৰ, হাঁহি স্ফুৰ্টি, খন্তেকীয়া খং, সৰু সৰু অভিমানবোৰ।

এনেদৰেই ক্ৰমবৰ্ধমান সিহঁতৰ সম্পৰ্কটো যেন লাহে লাহে বেছি গাঢ় হৈ আহিল। সেই সম্পৰ্কই যেন হৃদয়ৰ সম্পৰ্কলৈ পৰিৱৰ্তিত হবলৈ ধৰিলে ক্ৰমান্বয়ে। কিছুমান বুজাব নোৱাৰা অনভুতিয়ে ভৰি পৰিল সিহঁতৰ মন আকাশ। যৌৱনৰ দুৰ্বলতাখিনি দুইটাই একে সময়তে অনুভৱ কৰিলেও কিন্তু কোনেও প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল সেই কথা; স্বপ্নভঙ্গ হোৱাৰ ভয়ত; সিহতৰ আন্তৰিক বন্ধুত্বৰ মাজত বিভেদ অহাৰ আশংকাত। এটা অপ্ৰত্যাশিত পৰিস্থিতিৰ উদ্ভৱ হৈ সিহঁতৰ বন্ধুত্বত ফাঁক মেলক সেয়া কোনেও বিচৰা নাছিল, কোনোদিন। সেয়ে সিহঁতৰ অপ্ৰকাশিত আশাই, মনৰ আকুল হেপাহে প্ৰাণ পাই নুঠিল কোনোদিন।

ঠিক এনেকুৱা সময়তে জয়ন্তৰ জীৱনলৈ আহিছিল বনু; বনলতা। আস্! কি যে এটা মিঠা অনুভুতি।

বনু মানে বনলতা জয়ন্তহঁতৰ গাওঁৰ সমীপৰ অন্য এখন গাওঁৰ ছোৱালী। এজনী সহজ-সৰল অন্তৰৰ মৰম লগা ছোৱালী। জয়ন্তৰ প্ৰাণ প্ৰতিমা, প্ৰেয়সী। প্ৰায় ২-৩ কিঃ মিঃ আতৰত থকা বনুহঁতৰ ঘৰলৈ জয়ন্ত-হঁতৰ ঘৰৰ মানুহখিনিৰ অথবা বনুহঁতৰ ঘৰৰ মানুহখিনি জয়ন্তহঁতৰ ঘৰলৈ আহ যাহ আগৰে পৰাই আছিল। বনুৰ মাক, জয়ন্তৰ মাকৰ দূৰ সম্পৰ্কীয় ভনীয়েক। সেই সুত্ৰে জয়ন্ত-শৈৱালে বনুৰ মাক-দেউতাকক মহা-মাহী বুলি সম্বোধন কৰিছিল। তদুপৰি বনুৰ দেউতাকে জয়ন্তৰ দেউতাকে শিক্ষকতা কৰা স্থানীয় এম, ভি স্কুলখনৰ সহ শিক্ষক আছিল। গতিকেই তেওঁলোকৰ মাজত থকা ঘনিষ্ঠতাই জয়ন্তহঁতকো স্পৰ্শ কৰিছিল। বনুৰ মাক-দেউতাকে জয়ন্ত-শৈৱালহঁতক অত্যন্ত মৰম কৰিছিল। সেয়ে তেওঁলোকৰ মৰমৰ মোহতে আটাইতকৈ বেছিকৈ বনুহঁতৰ ঘৰলৈ আহিবলৈ লৈছিল জয়ন্ত। মাজে মাজে

মহা-মাহীৰ একান্তই মৰমৰ দাবীত সি বনু আৰু ভাইটী মানে বনুৰ একমাত্ৰ ভায়েকটোৰ পঢ়া শুনাও চাই দিব লগা হৈছিল। বনুহঁতৰ পৰিয়াল নিচেই সীমিত ; মাক দেউতাক, বনু আৰু ভাইটি। জয়ন্ত যেতিয়া হায়াৰ চেকেণ্ডাৰীৰ বিজ্ঞান শাখাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ তেতিয়া বনু আছিল হাইস্কুল শেষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী আৰু ভাইটী আছিল ক্লাছ ছেভেনৰ ছাত্ৰ। গতিকেই বনু আৰু ভাইটিৰ পঢ়া শুনাবোৰ মাজে মাজে চাই দিয়াৰ ভাৰ সিয়েই লব লগা হৈছিল মহা মাহীৰ মৰমৰ দাবীত।

সৰুৰে পৰা অত্যন্ত মৰম কৰা বনুক তেজৰ কোনো সম্পৰ্ক নাথাকিলেও জয়ন্তই এজনী আপোন ভনী বুলিয়েই ভাবি আহিছিল। তাতে বয়সত তাতকৈ প্ৰায় দুই তিনিবছৰ সৰু বনু আৰু সি শৈশৱ আৰু কৈশোৰ একেলগেই ওমলি জামলি ডাঙৰ দীঘল হৈছিল। নিয়মিত দেখি থকা বনুক সি বেলেগ কিবাকৈ ভবাৰ অৱকাশ পোৱা নাছিল সেই সময়ত। কিন্তু ... যেতিয়া শৈশৱ কৈশোৰৰ দেওনা পাৰ হৈ দুয়োটাই যৌৱনত ভৰি দিলে তেতিয়াই সিহঁতৰ সম্পৰ্কটোৱে বেলেগ ফাললৈ গতি কৰিবলৈ ললে। কৈশোৰৰ নিষ্পাপ ধেমালীবোৰে লাহে লাহে ভালপোৱালৈ ৰূপান্তৰিত হব ধৰিলে নিজন অজানিতে। সদায়ে একেলগে হাঁহি মাতি থকা, মৰমৰ আব্দাৰ ধৰা বনুৱে লাহে লাহে জয়ন্তক লাজ কৰিবলৈ ললে। তাৰ মাজে মাজে ঠাই ললে কিছুমান সৰু সৰু মিঠা অভিমানে। অভিমানী আছিল বনুৰ অন্তৰখন ; লগতে জেদীও। জয়ন্তইও জানে বনুৰ স্পৰ্শকাতৰ সৰল স্বভাৱটোৰ কথা। সিও জানে যে তাইৰ অলপ কথাতেই খং উঠে বুলি ; অংশ্যে খন্তেকলৈহে থাকে সেই খং, সেই অহেতুক অভিমান। সেয়ে জয়ন্তই তাইক জোকাবলৈ বুলিয়েই, খং উঠাবলৈ বুলিয়েই কেতিয়াবা টান কথা কৈ দিয়ে অথবা তাই নকৰিবলৈ কোৱা কিবা এটা কৰি দিয়ে। বচ্, হৈ গ'ল আৰু। তাৰ লগত মাত কথা বন্ধ। সি সিহঁতৰ ঘৰলৈ গলেও তাইৰ পৰা মাত এষাৰ পোৱাটো হৈ নুঠে।

: 'এই ! কি হ'ল তোমাৰ ?' —তাৰ মাতটো কোনো প্ৰত্যুত্তৰ নিদিয়ে বনুৱে। কিন্তু যিটো করুণ চাৱঁনিৰে তাই তাৰ ফাললৈ মূৰ তুলি চাই, সিয়ে জয়ন্তৰ অন্তৰৰ দুৰ্বলতম প্ৰদেশ কঁপাই তোলে কিবা এক বোবা বেদনাত।

: ছ'ৰি বাবা ! আজিৰ পৰা এনেকুৱা নকৰো বাৰু। হব ? ? —সি তাৰ দোষ স্বীকাৰ কৰি দিয়ে। কিন্তু নাই, কোনো প্ৰত্যুত্তৰ নাহে বনুৰ পৰা। তেতিয়া জয়ন্তই অন্য পন্থা হাতত লব লগা হয়। কাৰণ সি জানে বনুৰ দুৰ্বলতা ক'ত। কেনেদৰে তাইৰ অভিমান ভাঙিব পাৰি।

: ঠিক আছে, তুমি যদি নামাতা মই আজিৰ পৰা নাহোঁ তোমালোকৰ ঘৰলৈ। হব নে ?

তৰলকৃত দুচকুৰ আদ্ৰতাৰে বনুৱে মূৰ তুলি চায়।

: নাই নহব ! ! —ক্ষণিক বিৰতিৰ অন্তত ঘোষণা কৰে বনুৱে। পুণৰ মুখৰিত হৈ পৰে শুভ্ৰ চৌদিশৰ আকাশ।

এনেদৰেই পাৰ হৈ যায় সিহঁতৰ মধুৰ সময়বোৰ। অলপ হাঁহি, অলপ কান্দোন, অলপ অভিমানৰ মাজেৰে। ইতিমধ্যে জয়ন্তই হায়াৰ ছেকেণ্ডাৰী পাছ কৰে। বনুৱেও মেট্ৰিকটো পাছ কৰি ওচৰৰে হায়াৰ ছেকেণ্ডাৰী স্কুলখনত কলা বিভাগত নাম ভৰ্ত্তি কৰে। জয়ন্তই এইবাৰ উচ্চ শিক্ষাৰ বাবে দূৰৈৰ চহৰৰ একমাত্ৰ 'ছাইন্স' কলেজখনত নাম লগায়গৈ। তাৰ বাবে সি গাওঁৰ মোহ এৰি চহৰমূখী হয়। চহৰত ভাৰাঘৰত থকাৰ বন্দোবস্ত কৰি লয় সি। আৰু এদিন সি ঘৰৰ পৰা তালি টোপোলা বান্ধি চহৰলৈ বুলি গুচি যায় বুকুত কিছুমান অব্যক্ত বেদনাক সাৱতি। গাওঁৰ আপোন পৰিবেশ, তাৰ মৰমৰ ঘৰৰ পৰিয়ালটো এৰি যাব লগা হোৱাত, লগতে বনুহঁতক এৰি আতৰি থাকিব লগা হোৱাত তাৰ যি দুখ লাগিছিল



তাৰ বাবে সি ভাৰা ঘৰটো বহুদিনলৈ সহজ হব পৰা নাছিল। বিশেষকৈ বিদায়ৰ মুহূৰ্ত্তত দেখা বনুৰ দুখবোৰ তাৰ অন্তৰত ভালকৈ অনুভৱ কৰিছিল সি।

( দুই )

এটা নতুন জীৱন ; কলেজীয়া জীৱন। প্ৰত্যক্ষ কৰিলেও জয়ন্তই ইয়াৰ আচহুৱা তথা তাৰ বাবে এক নতুন পৰিৱেশ। বিভিন্ন প্ৰান্তৰ, বিভিন্ন মতাদৰ্শৰ জ্ঞান-পিপাসু ছাত্ৰ-ছাত্ৰীৰ সমাগম। লগ পালে ভাস্কৰ, জ্যোতি, নিলোৎপল, অমিয়, নিখিল, জিতু, মদনহঁতৰ দৰে অলেখ অন্তৰঙ্গ বন্ধুক ; পলী, স্মিতা নিশা, জবা, শেৱালী, মিতালী.........আৰু ময়ুৰীৰ দৰে বহুতো নিস্বাৰ্থ, সুহৃদ বান্ধৱীক। সিহঁতৰ সহজ সৰল নিষ্পাপ, নিষ্কলুষ ব্যৱহাৰে পাহৰাই তোলে তাক ঘৰৰ মোহৰ কথা, গাওঁৰ চিনাকী পৰিৱেশৰ কথা। সিহঁত হৈ পৰে তাৰ একান্তই আপোন, আনন্দৰ সঙ্গী। ফুৰ্টিময় হাঁহি-ধেমালীৰ মাজেৰে পাৰ হৈ যায় তাৰ সময়বোৰ।

কিন্তু ইমান হাঁহি-ধেমালীৰ মাজতো কেতিয়াবা একো একোটা একান্তই নিৰিবিলি মূহুৰ্ত্তই মনত পেলাই দিয়ে তাক বিদায়ৰ সময়ত দেখা বনুৰ করুণ কোমল মুখখনৰ প্ৰতিচ্ছৱি। তেতিয়াই তাৰ মনটোৱে তীব্ৰভাৱে হাঁহাকাৰ কৰি উঠে বনুৰ সান্নিধ্যৰ বাবে।

সঁচাই, কিমান মৰম কৰিছিল সি বনুক। বনুৱেও সেই একেদৰেই তাকো অকৃত্ৰিম মৰমৰ দোলেৰে আবৰি ৰাখিছিল। তাইৰ মৰমপূৰ্ণ ব্যৱহাৰৰ মাজত সি হেৰাই যাব খুজিছিল কোনো এক ৰঙীন স্বপ্নভূমিৰ মাজত। তাইৰ আদৰসনা মাত কথাই তাক খন্তেকলৈ হলেও পাহৰাই তোলে বাহ্যিক পৃথিৱীৰ পংকিলতাৰ কথা। কিমান যে সুন্দৰ আছিল সেই দিন বিলাক। প্ৰথম অৱস্থাত জয়ন্তই বনুক তাৰ ভনীবিহীন জীৱনত এজনী আপোন ভনী বুলিয়েই গ্ৰহণ কৰিছিল। সি তাৰ সমগ্ৰ মৰম তাইক দি তাৰ ভগ্নী অসম্পূৰ্ণতাক পূৰ্ণ কৰিব বিচাৰিছিল তাইৰ যোগেদি। তাইও হয়তু তেনেদৰেই ভাবিছিল প্ৰথম অৱস্থাত। সেয়ে তাইৰ সঁচা মৰমৰ বন্যাৰ মাজত ডুবাই ৰাখিছিল তাক। সৰু ছোৱালীৰ দৰে অভিমান কৰিছিল, ঠেহ পাতিছিল তাৰ ওচৰত। কিন্তু———। সময় বৰ নিষ্ঠুৰ। সময়ে মানুহৰ ভাৱধাৰাৰ বহুতো পৰিৱৰ্ত্তন আনে। এই চিৰপ্ৰৱাহমান সময়ৰ লগে লগে জয়ন্ত—বনুহঁতৰ জীৱনলৈও পৰিবৰ্ত্তন আহিল। সিহঁতৰ দেহত যৌৱনৰ আগমন হোৱাৰ লগে লগে সিহঁত দুয়োটা যেন অধিক কাষ চাপি গৈছিল নিজৰ অজানিতে। সিহঁতৰ মৰমৰ প্ৰকাশ সলনি হবলৈ ধৰিলে সময়ৰ তালে তালে। ইটোৱে সিটোক নেদেখিলে থাকিব নোৱাৰা হ'ল দুয়োটা।

সেয়ে, জয়ন্ত—বনুৰ সময়বোৰ কলেজ তথা স্কুলৰ কিতাপ বহিৰ মাজত আৱদ্ধ হৈ থাকিলেও তাৰ মাজে মাজে ইটোৰ কথা সিটোৰ মনলৈ সঘনাই আহিবলৈ ধৰে। জয়ন্তই কলেজৰ বন্ধু বান্ধৱীৰ মাজত হাঁহি-ধেমালীৰে কটালেও, বনুৰ কথা মনত পৰিলেই নিৰৱ তথা শান্ত হৈ পৰে তাৰ সদা উৎফুল্লিত মনটো। তেতিয়াই ব্যাকুল হৈ পৰে সি বনুৰ ওচৰলৈ যাবলৈ, উদ্বাউল হৈ পৰে বনুৰ এষাৰ মৰমপূৰ্ণ মাতৰ বাবে। আৰু...— আৰু অশান্ত মনক কোনো পথ্যেই বাধা দিব নোৱাৰি সি ঘৰলৈ গুচি আহে ; ...তাৰ পাছত বনুৰ কাষলৈ। সি গৈ বনুৰ ওচৰ পোৱাৰ লগে লগে এজনী সৰু ছোৱালীৰ দৰে হাত পাতে তাৰ ওচৰত —

: 'জান দা !' —'জান', তাক ঘৰত মৰমতে মতা নাম। : 'মিঠাই দিয়া'।

নিশ্চুপ নিস্তব্ধ হৈ যায় জয়ন্ত। ইমান যে সহজ সৰল এই বনুজনী। শান্ত হৈ পৰা অন্তৰেৰে সি নিশব্দে তাৰ জেপৰ উলিয়াই দিয়ে তাইলৈ বুলি লৈ যোৱা মিঠাই— 'মৰ্টন' অথবা নানা ধৰণৰ 'টফী'। তাই পৰম

আগ্ৰহেৰে তাৰ পৰা সেইবোৰ লৈ নিজে খোৱাৰ লগতে তাকো যাচিব,—

: তুমি নোখোৱা ? এটা খোৱানা। তাইৰ মৰমৰ অনুৰোধ পেলাব নোৱাৰি সি কেতিয়াবা লয়; কেতিয়াবা খং দেখুৱাই নলয়।

: 'মোক কিয় দিছা ? মই সৰু ল'ৰা নেকি এইবোৰ খাবলৈ ?' – কৃত্ৰিম খঙেৰে সি মৃদুকৈ তাইক ধমক দিয়ে। লগে লগে তাই নিৰৱে ভিতৰ সোমাবগৈ তাৰ ওপৰত অভিমান কৰি। তাইক মাতিলেও ওলাই নাহে তাই। অৱশেষত সি 'যাওঁগৈ' বুলি বহাৰ পৰা উঠাৰ লগে লগে তাই আহি তাৰ হাতত ধৰিবগৈ—

ক'লৈ যোৱা ? চাহ বনাইছো, খাই যোৱা। নহ'লে চব পেলাই দিম। তোমাৰ বাবেহে বনাইছিলো।

কি ক'ব জয়ন্তই ! নাই একো কব নোৱাৰে সি বন্নুক; নকয়; কেতিয়াও। অভিমানী তাইৰ অন্তৰ, সহজ সৰল তাইৰ নিষ্পাপ-নিষ্কলুষ মনটো। সামান্য কথাতে কন্দা তাইৰ সৰু কোমল অন্তৰখনক সি কেতিয়াও দুখ দিব নোৱাৰে। সেয়ে সি তাইক কোনো কথাতে দুখ দিয়া নাছিল। তাৰ পৰিবৰ্তে অত্যাধিক মৰম কৰিবলৈ লৈছিল তাইক। আৰু এসময়ত সিয়ে যে ভালপোৱাৰ ৰূপ ললেগৈ সি অথবা বন্নু কোনোৱে গমকে নাপালে। মুখেৰে কোনোদিন প্ৰকাশ নকৰিলেও এটা সময়ত দুয়ো বুজি উঠিছিল যে ইটোৰ অবিহনে সিটোৰ জীৱনে কেতিয়াও স্বয়ং সপূৰ্ণ নহয়। অসম্পূৰ্ণ হৈ ৰ'ব সিহঁতৰ আকাঙ্খিত আশাবোৰ। এই অনুভৱৰ পাছৰ পৰাই বন্নুৱে জয়ন্তক সকিয়াই থকা হ'ল— মদ নাখাবা, চিগাৰেট নাখাবা; ইটো নকৰিবা সিটো নকৰিবা, ভালদৰে পঢ়িবা ইত্যাদি অলেখ মৰমৰ উপদেশ, দাবী। অৱশ্যে জয়ন্তই নিজেও কোনোদিন সেইবোৰ কৰা মনত নাই। নকৰেও। কাৰণ কলেজলৈ অহা অন্য দহজন ছাত্ৰৰ দৰে ছিগাৰেট খোৱা, মদ খোৱা, আড্ডা মাৰি অবাবত সময় কটোৱাৰ পক্ষপাতী নহয় সি, সময়ত সামান্য ফূৰ্তি—তামাচা কৰিলা বচ হৈ গ'ল। এতিয়াতো বনুৰ মৰমৰ দাবীত সি এইবোৰৰ ওচৰলৈ যোৱাটো কল্পনাই কৰিব নোৱাৰে। তাৰ বিবেকেও নকয় সেইবোৰ কৰিবলৈ। কাৰণ বন্নুৱে তাৰ এনেকুৱা এটা বেয়া স্বভাৱৰ কথা জানিলে কিমান মৰ্মান্তিক আঘাট পাব পাৰে সি ভালদৰে জানে। সি পাছলৈ বুজি উঠিছিল যে তাৰ সৰু জীৱনটোত বন্নুৰ মৰমৰ দাবীবোৰৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব কিমান।

গতিকেই বন্নুৰ দাবীবোৰৰ প্ৰয়োজনীয়তাৰ কথা বুজি উঠি সি কোনো বাদ-প্ৰতিবাদ নকৰি তাইৰ দাবীবোৰ পৰাপক্ষত মানি চলিবলৈ লৈছিল। এনেদৰে বন্নুৰ মৰমৰ অনুশাসনৰ মাজত থাকি জয়ন্তই যেন এক বেলেগ মাদকতাৰ মাজত ডুব গ'ল। তাৰ হৃদয়ৰ একেবাৰে নিভৃতলৈ তাই আগবাঢ়ি আহিল তাৰ জীৱনৰ দাবীবোৰৰ আজীৱন অংশীদাৰ হবলৈ। তাইৰ সৰু সৰু আমনি নলগা মান অভিমানেৰে ভৰাই তুলিলে তাৰ নিৰস জীৱনৰ সুকোমল পাপৰি। কোনোদিন কোনেও প্ৰকাশ নকৰা এই সঁচা ভালপোৱাৰ প্ৰকাশ কিন্তু প্ৰথমে বন্নুৱেই কৰিছিল। সেয়া কিমান দিনৰ কথা বাৰু ....... ॥

• • • • •

( তিনি )

... "গোটোৱা গোলাপ কলি / থাকোতে সময় সখি,
জীৱনৰ সোঁত বলি যায়।
সিটি ফুলে হাঁহি আজি / ফুলনি ফুলাই তোলে
কালিলৈ পাহি মেলি / নেহাঁহে দুন্যাই" ।...

"যতীন্দ্ৰনাথ দুৱৰা"

জয়ন্তহঁতৰ Part Iৰ ফাইনেল পৰীক্ষা হৈ যোৱাৰ পাছত তাৰ হাতত আজৰি সময় ওলাল বহুতো গতিকে সি প্ৰায় দুমাহ মানৰ বাবে ঘৰত থাকিবলৈ বুলি ওলাল। সেই সময়ত বন্নুয়েও হায়াৰ ছেকেণ্ডাৰীৰ শেষ পৰীক্ষা দি ঘৰত আজৰি সময় কটাইছিল। গতিকেই দুয়োটাৰে হাতত অফুৰন্ত সময়। এই সময়খিনিতে সিহঁতে প্ৰেমৰ বহল অনুভূতিৰ মাজত প্ৰৱেশ কৰিলে। সদা সুখ-আনন্দৰ অনুভূতিৰে ভৰি পৰিল সিহঁতৰ মনবোৰ। বহুতো ৰঙীন কল্পনাৰ মাজত ডুব গ'ল দুয়োটা। আনন্দৰ মাজেৰে কেতিয়াবা অলৈ তলৈ ফুৰিবলৈ যায় দুয়োটা নাম নজনা এক মিঠা অনুভূতিৰ মাজেৰে। ইমান মিঠা সুখৰ প্ৰাচুৰ্য্যৰ মাজত হেৰাই গ'ল দুয়োটাৰে দুখৰ সময়বোৰ এনেদৰেই।

কিন্তু সুখৰ সময় যে ক্ষন্তেকীয়া। জয়ন্ত-বন্নুহঁতৰো সেয়ে হ'ল। এদিন দুদিনকৈ সিহঁতৰ অফুৰন্ত আনন্দময় সময়বোৰ এদিন শেষ হৈ গ'ল। দুটা মাহ কালৰ বুকুত হেৰাই গ'ল; কব নোৱাৰাকৈ। জয়ন্তই পুণৰ কলেজৰ গতানুগতিক পৰিৱেশৰ মাজলৈ ঘূৰি যাবৰ হ'ল। সিহঁতৰ Part Iৰ ৰিজাল্ট দিবলৈ হৈছিল তেতিয়া। ক্লাছবোৰো দুই এদিনতে আৰম্ভ হব ছাগে।

এনে পৰিস্থিতিত সদা চঞ্চল, লাস্যময়ী বন্নু যেন লাহে লাহে গহীন হৈ পৰিল জয়ন্তৰ বিদায়ৰ দিন সমাগত হোৱাৰ লগে লগে। জয়ন্তইও ভুগিব ধৰিলে এক অজান বেদনাৰ মাজত; বন্নুক এৰি আতৰি থকাৰ বেদনা। তেতিয়ালৈকে যে তাৰ মনৰ কথাও কোৱা নহ'ল। কথাৰ আঁত হেৰাই যায় তাৰ বন্নুৰ আগত, সেইবোৰ কথা কবলৈ ললে। অৱশেষত যেতিয়া সি সংকল্প ললে যে সি বন্নুক জনাই দিব যে সি আৰু পলম নকৰে। সি তাইক..... ।

এই উদ্দেশ্যেৰে জয়ন্ত ওলাল বন্নুহঁতৰ ঘৰলৈ বুলি পাছদিনা আবেলি সময়ত। ইটো সিটো বহুতো মধুৰ আলাপৰ মাজেৰে সময়বোৰ অতিবাহিত হ'ল। কিন্তু জয়ন্তই তাইক তাৰ মনৰ আকুল হেপাহৰ কথা কবলৈ কোনো সুবিধাই নাপালে। তাইৰ সৰল মুখখনে সকলো পাহৰাই তুলিলে তাক। এই বিষয়ত কোনো কথাই তাৰ মুখৰ পৰা ওলাই নাহিল। হঠাৎ বন্নুৱে তাক কৈ উঠিল,

: 'জ্ঞান দা', তোমাক মোৰ ডাঙৰ কথা এটা কবলৈ আছে। তাইৰ মাতত এক লজ্জাগধুৰ সুৰ।

: কি কথা, কোৱা আঁক'।

: এতিয়া নকওঁ। তুমি যোৱাৰ আগদিনা কম।

: কিয় ? এতিয়া কলেনো কি হব ?' —জয়ন্তই যেন কিবা এটা অনুমান কৰিব পাৰিছিল সেই মুহুৰ্ত্তত।

: নাই নকওঁ, তোমাৰ খং উঠিব হয়তু !

: ঠিক আছে. নালাগে বাৰু কব। মইও তোমাক কিবা কথা এটা কম বুলি ভাবিছিলো। তুমি নোকোৱা যদি মইও নকওঁ।

: তোমাৰ কথাটো কোৱাচোন। তেতিয়া মই মোৰ কথাটো কৈ দিম।

: নাই নহব। তুমি যিহেতু আগেয়ে কৈছা, গতিকে প্ৰথম তুমিহে কব লাগিব।

: কম বাৰু। কিন্তু আজি নহয়, পাছত। হব ?

: হব আৰু, এতিয়া নোকোৱা যদি।

ইতিমধ্যে জয়ন্ত প্ৰায় নিশ্চিত হৈছিল যে বন্নুৱে তাক কি কবলৈ বিচাৰিছে। হয়তু সি ভবাৰ দৰে তাই তাক কব "জান দা ! মই তোমাক ভাল পাওঁ !" তেতিয়া বাৰু সি কি কব তাইক ? তাৰ ইমান দিনৰ কল্পনা বাস্তবায়িত হোৱাৰ পথত উপনিত হলে। পাৰিবনে সি 'ভনী' বুলি ভাবি থকা ছোৱালীজনীক প্ৰেমীকাৰ আসনত বহুৱাব ? তাৰ বুকুৰ গভীৰতম প্ৰদেশত সংগোপনে ৰাখিব পাৰিবনে তাইক ? তাৰ সমগ্ৰ মৰমৰে আৱৰি ? ইমানদিনে যদিও সি 'ভনী' সম্বন্ধটোক অগ্ৰাহ্য কৰিব

লৈছে ক্ৰমান্বয়ে ; তথাপিও চুড়ান্ত মূহুৰ্ত্ত কি কৰিব সি? তাই তাৰ ভনীয়েই হৈ থাকিবনে ? নে তাইক তাৰ আজীৱন সুখ দুখৰ সমভাগী হোৱাৰ পৰ্য্যায়লৈ লৈ যাব সি ? কি কৰিব বাৰু সি এতিয়া ? কি কৰিব ? ? ?

জয়ন্ত চহৰৰ মেছলৈ যোৱাৰ দুদিন আগত বন্নু আহিল জয়ন্তহঁতৰ ঘৰলৈ। আগতেও আহে তাই। কিন্তু সেইদিনা যেন কিবা ব্যতিক্ৰম। যথেষ্ট গম্ভীৰ হৈ পৰিছিল বন্নু সেইদিনা ; করুণ হৈ আছিল তাইৰ সমগ্ৰ মুখাৱয়ব। কথা বতৰাতো যেন ফুটি উঠিছিল অব্যক্ত বেদনাৰ করুণ সুৰ। তথাপিও তাৰ মাজতে বহুতো সময় কথা পতাৰ পাছত জয়ন্তই সুধিলে,

: কি হ'ল বন্নু, কোৱা আৰু কি কবলৈ আছিল তোমাৰ মোক !

নিৰৱ হৈ পৰিল বন্নু। তাই মাথো মূৰটো জোকাৰিলে। কিন্তু তাইৰ শান্ত হৈ পৰা দুচকুৱে যেন তাক বহুতো কথাই কৈ দিলে।

: কোৱা আৰু'।

: 'নাই নকওঁ, তোমাৰ কথাটোকে কোৱা, জানদা'। - দুৰ্বল স্বৰে কলে বন্নুৱে।

: ওহোঁ নহব, 'তুমি নকলে মই কিয় কম ?

: তুমি আগতে কোৱাচোন। তাৰ পাছত মই কম নহয়।

: নহব ; তুমি আগেয়ে কব লাগিব। নহলে মই নকওঁ।

: ঠিক আছে কম বাৰু, কিন্তু এতিয়া নহয়, মই ঘৰলৈ যোৱাৰ আগত। হব ?

: ওঁ ! !

: বন্নুৱে ঘৰলৈ যোৱাৰ আগমূহুৰ্ত্ত তাক কলে,

: জান দা, তুমি চহৰলৈ যোৱাৰ দিনা আমাৰ ঘৰত সোমাই যাবাচোন।

: হব বাৰু। পিছে তোমাৰ কথাটো ?

উত্তৰত তাই তাৰ হাতত তুলি দিলে এখনি সৰু কাগজ আৰু তলমূৰকৈ কলে, —"মোৰ কথাটো ইয়াতে লিখি থোৱা আছে। পঢ়ি চাবা। মই যাওঁ এতিয়া।"

বন্নু যোৱাৰ পাছত জয়ন্তই লৰালৰিকৈ তাই দি যোৱা কাগজখন মেলি চালে। দুটামান বাক্যৰে সৰু এখন চিঠি। চিঠি দিয়াৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে আৰম্ভ কৰা চিঠিখনত লিখা আছে দুটামান নীলাভ বাক্য, কলিজাৰ ওমেৰে লিখা—

... .. ... জান দা তুমি মোক ভাল পোৱানে নোপোৱা মই নাজানো। কিন্তু মই তোমাক ভাল পাওঁ, খুব ভাল পাওঁ। মই তোমাক কিমান ভাল পাওঁ তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো, 'জান দা'। মোৰ ভাল পোৱা অসীম ; সদায়ে থাকিব মোৰ এই অকৃত্ৰিম ভাল-পোৱা তোমাৰ প্ৰতি। অ' জান দা, তোমাক ভাল পাই যদি দোষ কৰিছো তেন্তে তুমি মোক ক্ষমা কৰি দিবা, এজনী সৰু অবুজন ছোৱালী বুলি ভাবি। তুমি চহৰলৈ যোৱাৰ আগেয়ে তোমাৰ মতামতটো জনাই যাবা বুলি আশা কৰিলো। নহলে মই ইয়াত কেনেদৰে থাকিম তুমিয়ে কোৱা। বহুতো মৰমেৰে আজিলৈ আহোঁ। উত্তৰ দিবা সোনকালে।

ইতিত
তোমাৰেই
বন্নু।

চিঠিখন পঢ়ি আনন্দত আত্মহাৰা হৈ পৰিল জয়ন্ত। তাৰ জীৱনৰ বহু প্ৰত্যাশিত চিঠিখন পোৱাৰ লগে লগে তাৰ অশান্ত অন্তৰ শান্ত হৈ পৰিল এক বুজাব নোৱাৰা অনুভূতিৰ তৃপ্তিত। তাৰ সৰু হৃদয়খন ভৰি পৰিল এক অনিৰ্বচনীয় আৱেশত। কিন্তু .... . .... তাৰ মনলৈ আহিল তাৰ মহা মাহীৰ কথা। সি বন্নুৰ প্ৰেমক স্বীকৃতি দিলে মহা মাহীক প্ৰতাৰণা কৰা হব নেকি ? তেওঁলোকৰ তাৰ ওপৰত থকা সৰল বিশ্বাসক



কুঠাৰঘাট কৰা হব নেকি ? তেওঁলোকে অন্তৰত আঘাত পাব নেকি বাৰু ? ? একালে তাৰ বহু প্ৰত্যাশিত প্ৰেম আনফালে মহা মাহীৰ প্ৰতি থকা বিশ্বাস। একালে তাৰ ভৱিষ্যত জীৱনৰ সোণালী সপোনৰ প্ৰতিশ্ৰুতি, আনফালে তাৰ পূজ্য কোনোবাৰ সৰল বিশ্বাস ভংগৰ সমস্যা। কোনটো এৰি কোনটো ধৰিব সি এতিয়া ?

সেইদিনা গোটেই ৰাতি প্ৰায় ওজাগৰে থাকি বহুত ভাবিলে জয়ন্তই। অৱশেষত সি সিদ্ধান্ত ললে যে সি বন্নুৰ নিভাঁজ প্ৰেমক স্বীকৃতি দিব। অন্তত: সি নিজৰ মনটোকতো ফাঁকি দিব নোৱাৰে। নোৱাৰে তাৰ প্ৰতি থকা বন্নুৰ প্ৰেমৰ মহত্বতাক নুই কৰিব। যিহেতু সিহঁতে কোনো পাপ কৰিবলৈ ওলোৱা নাই। এখন সৰল অন্তৰক, আন এখন মনে বিচৰা অন্তৰে আৱৰি ৰখাত যদি কাৰোবাৰ পৰা বাধাও আহে তেন্তে সিহঁতি সেই বাধা অতিক্ৰম কৰিব। কৰিবই লাগিব। নহলে যে জীৱনত বহুত কিবা কিবি হেৰুৱাব লগা হব পাৰে।

প্ৰেম স্বৰ্গীয়। স্বতঃস্ফূৰ্ত এই সঁচা প্ৰেম। কাৰোবাৰ পৰা জোৰকৈ প্ৰেম আদায় কৰিব নোৱাৰি। বিশ্বাস, সততা আৰু নিভাঁজ মৰমৰ মাজেৰে দুখন নিষ্কলুষ অন্তৰৰ স্বতঃস্ফূৰ্ত মিলন তথা সঠিক বুজাবুজিৰ উপ-লব্ধিয়েই হ'ল প্ৰকৃত প্ৰেম। প্ৰেম হল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা। প্ৰেমৰ মাজেৰেই পোৱা হয় নতুন প্ৰেৰণাৰ উপলব্ধি। ইয়েই জীয়াই ৰাখে, একো একোটি সৰল প্ৰাণৰ ; পৃথিৱীৰ সমষ্ট পবিত্ৰতা। ইয়াত কোনো বৈধতাৰ প্ৰশ্ন নাহে। তেন্তে ... ...। সি কিয় স্বীকৃতি নিদিব বন্নুৰ প্ৰেমক ? সি বন্নুৰ প্ৰেমত সন্মতি দিব, দিবই লাগিব। নহলে যে সি বন্নুৰ মৰমক প্ৰত্যাখান কৰা হব। তাই যে মনত গভীৰ আঘাট পাব, যিটো সি কেতিয়াও নিবিচাৰে। তাতে নিজৰ অন্তৰকতো ফাঁকি দিব নোৱাৰে সি। তাৰ অন্তৰে জানো বন্নুক মনে প্ৰাণে নিবিচাৰে। তাৰ হৃদয়ৰ গভীৰত সাঁচ বহি যোৱা বন্নুৰ প্ৰতিচ্ছৱি জানো সি মোহাৰিব পাৰিব ? জয়ন্তই বন্নুলৈ

তাইৰ প্ৰেমৰ সন্মতি জনাই এখন চিঠি লিখিলে। পাছ-দিনা যে সি বন্নুৰ কাষৰ পৰা যাবগৈ।

পাছদিনা যাওঁতে বিদায় লবলৈ বুলি জয়ন্ত বন্নুহঁতৰ ঘৰত সোমাই গ'ল। বন্নুৱে যেন সেইদিনা তাৰ আগত ওলাবলৈ সঙ্কোচ কৰিলে। কোনোদিন তাৰ আগত এনেদৰে লাজ—সঙ্কোচ নকৰা বন্নুৰ মুখ মণ্ডল যেন এক লজ্জাগধুৰ আৱৰণে আৱৰি ধৰিলে। তাৰ আগত আগৰদৰে কথা পাতিবলৈও কথা বিচাৰি নোপোৱা হ'ল তাই। লাজ লাগিছে আজি তাইৰ জয়ন্তৰ আগত ওলাবলৈ। যিহেতু তাই তাক ভালপোৱাৰ প্ৰস্তাৱ দি থৈছে। এতিয়া জয়ন্তই কি বা কয় তাইক ? আচলতে তাই নিজৰ মনৰ ভাববোৰে আউল লগাই থকাতহে জয়ন্তলৈ এনে এখন চিঠি দিবলৈ সাহস কৰিব পাৰিলে। জয়ন্ত চহৰলৈ যোৱাৰ আগতে তাই তাইৰ সমগ্ৰ মৰমেৰে তাক আৱৰি ৰখাৰ প্ৰয়াসেৰে সেই চিঠিখন দিছিল, দিবলৈ বাধ্য হৈছিল, তাইৰ অবুজন অশান্ত মনক সান্তনা দিব নোৱাৰি। কাৰণ তাইৰ ভয় হৈছিল যে যদি জয়ন্তই সেইখিনি সময়তে তাৰ মৰমবোৰ, তাৰ ভালপোৱা অন্য কাৰোবাক দি দিব বুলি। তেতিয়া কাক লৈ জীয়াই থাকিব তাই ? সেয়ে তাই লিখিবলৈ বাধ্য হ'ল এনে এখন চিঠি। ইয়াত তাইৰ ভুল ক'ত ?? হলেও এতিয়াহে তাইৰ ভয় লাগিছে, জানোছা জয়ন্তই তাইৰ আলসুৱা মৰমক প্ৰত্যাখান কৰে। তেতিয়া তাই কি কৰিব বাৰু ?

: বন্নু ! এই বন্নু ! কি হ'ল নিমাত হৈ ৰ'লা যে, কিবা কোৱা আৰু'। - জয়ন্তৰ মাতত তাই ভাৱ বোৰত খেলি মেলি লাগি গ'ল।

: হুঁ ... ... অ' ... ... ! !

: দুখ লাগিছে নেকি ? মই যামগৈ বুলি !

: ওঁ ... ... ... ! ! —নিজৰ অজানিতে বন্নুৰ মাতটো কঁপি উঠিল।

: চিন্তা নকৰিবা, এনেও ঘৰলৈ আহিয়ে থাকিম দেখো।

: আকৌ কেতিয়া আহিবা? অলপ সোনকালে আহিবাচোন পাৰিলে।

—এক অজান দুখত মাতটো কৰুণ হৈ গ'ল তাইৰ, হয়তু কান্দোনৰে ৰূপান্তৰ।

: চাওঁ কি হয়। প্ৰথমে গৈ লওঁচোন।

নিৰৱ হৈ পৰিল বন্নু; জয়ন্তও। দুয়ো নিজৰ নিজৰ ভাৱত বিভোৰ। কেতিয়াবা যেন নিৰৱতাৰো ভাষা থাকে। নিৰৱতাৰ মাজতো কিবা এক মিঠা আমেজ পোৱা যায়। কিছু সময়ৰ পাছত জয়ন্ত লাহেকৈ বহাৰ পৰা উঠিল।

: 'মই যাওঁগৈ। এইখন লোৱা।' —বন্নুলৈ লিখা সৰু চিঠিখন আগবঢ়াই দিলে জয়ন্তই, য'ত লিখা আছে তাৰ অন্তৰৰ কথা। বন্নুৰ সৰল প্ৰেমৰ সন্মতি জনাই দিয়া তাৰ সম্পূৰ্ণ সহাঁৰি।

: মই কম বোলা কথাটো। হব?

: ওঁ ... ... ... হব ... ... ! ! —বন্নুৱে নিশব্দে মূৰ দুপিয়ালে।

: বাৰু মই এতিয়া যাওঁদেই। এইবোৰ কথা বৰকৈ ভাবি নাথাকিবা। মনটো বেয়াহে লাগিব।

: ওঁ।

ঘৰৰ আটাইকে মাত লগাই জয়ন্ত বন্নুহঁতৰ ঘৰৰ পৰা ওলাই আহিল। বন্নুৱে পদুলিলৈকে আগবঢ়াই দিলে তাক। দুখ লাগিছিল তাৰ, ঘৰৰ পৰা আঁতৰি, বিশেষকৈ বন্নুৰ পৰা আঁতৰি থাকিব লগা হোৱাত। কিন্তু উপায়যে নাই। কৰ্ত্তব্যৰ তাগিদাত এইখিনি ত্যাগ কৰিবই লাগিব। সহ্য কৰিব লাগিব এনেকুৱা বহুতো দুখ। নিজৰ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা কৰিলেতো নহব। পদুলিত মূৰত ৰৈ জয়ন্তই বন্নুলৈ চালে— তলমূৰকৈ কিবা ভাবি আছে তাই।

: হব বন্নু, যোৱাগৈ যোৱা। —জয়ন্তৰ মাতত বন্নুৱে মূৰ তুলি চালে। তাইৰ বেদনাদগ্ধ দুচকুৰ মায়াই তাক আনমনা কৰি তুলিলে খন্তেকৰ বাবে।

: যোৱাগৈ ভালদৰে থাকিবা। —কান্দো কান্দো হৈ থকা বন্নুৰ চকুপানীয়ে গাল পালেহি। আৰু সামান্য উচুপি তাই দৌৰ মাৰি গ'ল ঘৰলৈ বুলি।

চট্‌ফটাই উঠিল জয়ন্তৰ অন্তৰখন, এক গভীৰ দুখত। কিন্তু কি কৰিব পাৰে সি? ভাৰাক্ৰান্ত মনেৰে সি তাৰ পৰা লাহে লাহে আতৰি আহিল। অলপ দূৰ আহি সি পুণৰ উভতি চালে। চোতালৰ পৰা বন্নুৱে তেতিয়া তালৈকে চাই আছে অপলক নেত্ৰেৰে।

. . . . .

## ( চাৰি )

....'কোন কাৰ জগতৰ কোন কাৰ মৰমৰ  
চকুৰ চিনাকী দুদিনৰ।  
সসীমৰ ৰূপ তৃষা অসীমত বুৰ যাব  
খহি গ'লে জৰী মৰমৰ'॥ ...

"নলিনীবালা দেৱী"

কলেজৰ গতানুগতিক পৰিৱেশৰ মাজলৈ আহিও মন বহাব নোৱাৰিলে জয়ন্তই। যেতিয়াই তেতিয়াই মাথো বিদায়ৰ পৰত দেখা বন্নুৰ কৰুণ মূখখনে আমনি কৰি থাকিল তাক। বাহ্যিক দৃষ্টিত কলেজৰ ক্লাছবোৰ নিয়মিত কৰি গৈছিল যদিও ক্লাছত যেন মন বহাব পৰা নাছিল জয়ন্তই। লগৰ বন্ধু-বান্ধৱীৰ লগত হাঁহি ধেমালীৰে কটালেও কেতিয়াবা সি হঠাৎ অন্যমনস্ক হৈ পৰে। তেতিয়াই সি আতৰি পৰে বন্ধু-বান্ধৱীৰ সংগৰ পৰা। আৰু কোনো এক নিৰিবিলি পৰিবেশত নিৰলে বহি থাকেগৈ। পুণৰ বন্নুৰ ওচৰলৈ যাবলৈ মন যায় তাৰ। কিন্তু যায় কি বুলি সি যেতিয়াই তেতিয়াই? সি ভাবি উলিয়াব নোৱাৰে। জয়ন্তৰ এই আকস্মিক পৰিৱৰ্তনৰ কথা কলেজৰ অন্য কোনেও গম নাপালেও, তাৰ একান্ত অন্তৰঙ্গ তথা



মৰমৰ বান্ধৱী ময়ুৰীয়ে কিন্তু ঠিকেই গম পাই গৈছিল তাৰ এই আকস্মিক নিৰৱতাৰ কথা। তাই যেন কিবা এটা বুজি উঠিছিল। এই বিষয়ে সুধি সুধি তাই তাক ব্যতিব্যস্ত কৰি তুলিছিল।

: এই জয়ন্ত! তোমাৰ কি হৈছে বাৰু? হুঁ।

: মোৰ! কি হোৱা দেখিলা তুমি? সহজ হবলৈ চেষ্টা কৰি সি ওলোটাই সোধে তাইক।

: তোমাৰ নিশ্চয় কিবা এটা হৈছে। তুমি যেন আগৰ দৰে হাঁহি ধেমালী নকৰা হ'লা?

: আস্, কৈছো নহয়, একো হোৱা নাই মোৰ। ক'তনো মই হাঁহি ধেমালী নকৰা হ'লো? আগৰ দৰেই হাঁহি মাতি থাকো দেখো।

: ওহোঁ! তুমি কলেই হবনে? তোমাক কিবা মই নাজানোনেকি? হাঁহি ধেমালীৰ মাজতো হঠাৎ তুমি আনমনা হৈ পৰা কিয়? হঠাৎ আমাৰ মাজত পৰা আঁতৰি আহাঁ কি?

: — — — — — ??

কি কব জয়ন্তই? কেনেদৰে কৈ দিয়ে সি এই-বোৰ কথা ময়ূৰীক; তাৰ ভালপোৱাৰ কথা। গতিকেই নিৰুত্তৰ হৈ পৰে জয়ন্ত। কাৰণ সিও জানে যে ময়ুৰী আৰু তাৰ সম্পৰ্কটো বন্ধুত্বৰ মাজতে সীমাবদ্ধ হ'লেও ময়ূৰীয়ে তাৰ পৰা আজিকালি আৰু বেছি অন্তৰঙ্গতা আশা কৰে। তাৰ হৃদয়ৰ গভীৰতালৈ সোমাব খোজে তাই। কিন্তু প্ৰকাশ নকৰে সেই কথা। ময়ুৰীৰ কথা বতৰাই তাক জনাই দিয়ে প্ৰকৃততে তাই তাৰ পৰা কি বিচাৰে। কেনেদৰে লব বিচাৰে তাৰ বন্ধুত্বক। আগতে হোৱা হলে সি হয়তু আদৰেৰে আকোৱালী ললেহেঁতেন ময়ুৰীক। আগ্ৰহেৰে সহাঁৰি জনালেহেঁতেন তাইৰ 'মৰম'ক কিন্তু এতিয়া .. ...? এতিয়া সি যে নিৰুপায়। সি এতিয়া বন্নুৰ বাহিৰে আনৰ কথা নাভাবে; ভাবিব নোৱাৰে। সি যে পুণৰ অন্যৰ প্ৰতি মোহাছন্ন হব নোখোজে নোৱাৰে বন্নুক এৰি অন্যৰ লগত ভালপোৱাৰ অভিনয় কৰিব। বন্নুৰ সৰল প্ৰেমক সি মূল্য দিছে। তাইৰ সঁচা প্ৰেমক প্ৰতাৰণা কৰি সি বিশ্বাসঘাটক হব নোৱাৰে। প্ৰতাৰণাক সি ঘিণ কৰে। তাৰ প্ৰকৃত ভাল-পোৱা কেৱল এবাৰেই এজনৰ লগতে সীমাবদ্ধ হব। সিয়েই হব তাৰ জীৱনৰ প্ৰথম তথা অন্তিম প্ৰেম। গতিকেই জয়ন্তই আজি কালি পৰাপক্ষত ময়ুৰীৰ পৰা আতৰি থাকে। কিন্তু তাই মনত আঘাট পাব বুলিয়েই আগৰ দৰে হাঁহি মাতি থাকে তাইৰ লগত। তথাপিও তাৰ বাবে কেতিয়াবা অসহ্য হৈ পৰে কলেজৰ হুলস্থুলীয় পৰিৱেশ। তেতিয়াই সি অলপ নিৰিবিলি ও শান্ত ঠাই বিচাৰে। তেনে ঠাইত অলপ সময় নিৰলে বহিলেই তাৰ মনত পৰে বন্নুৰ কথা। উদ্বাউল হৈ পৰে সি বন্নুৰ অলপ নিবিড় সান্নিধ্যৰ বাবে। আৰু মনক বাধা দিব নোৱাৰি ঘৰলৈ গুচি যায় সি আৰু ...... তাৰ পাছত বন্নুৰ ওচৰ।

: আৰে! জান দা, কেতিয়া আহিলা? ভালনে তোমাৰ? আকৌ কেতিয়াকৈ যাবা? —তাক দেখাৰ লগে লগে বন্নুৰ মূখখন উজ্জ্বল হৈ পৰে। উচ্ছাসতে সুধি দিয়ে ভালেকেইটা প্ৰশ্ন।

: আহ্‌হা। অলপ লাহে লাহে। একেলগে ইমানবোৰ প্ৰশ্ন কৰিলে কেনেকৈ উত্তৰ দিম মই?

: ওঁ — — —! কেতিয়া আহিলা? —খন্তেক আগতে উৎফুল্লিত হৈ উঠা বন্নুৰ সমগ্ৰ মুখমণ্ডল লাজৰ কোমল আভাই আৱৰি ধৰেহি। ৰঙা পৰি উঠা তাইৰ নিষ্পাপ যেন লগা মুখখনলৈ চাই জয়ন্তৰ মৰম লাগি যায় তাইলৈ।

: ঘৰলৈ অহাৰ সময় হ'ল। ঘৰত জিৰাই মেলি এইয়া তোমাৰ ওচৰলৈ আহিছোঁ।

নিৰৱতাৰ মাজেৰে পাৰ হৈ যায় কিছু সময়।

: ভালনে তোমাৰ? – জয়ন্তই সুধিলে।

: ওঁ ভালেই, 'তোমাৰ'?

: ভাল।

তাৰ পাছত ? নাই কোনো কথ ই উলাই আহিব নোখোজে দুয়োটাৰে মুখৰ পৰা। মাজে মাজে দুই এটা কথা কয় যদিও বেছি সময় এক অসহনীয় নিৰৱতাই সাৱতি ধৰে ৰুমটোৰ বায়ুবোৰক। কিবা এক নাম নজনা লাজে আৱৰি ধৰে দুয়োটাৰে মন আকাশ। ইটোৱে সিটোৰ চকুলৈ চাই থাকিব নোৱাৰে বেছি সময়। আৰু জয়ন্ত ? ইমানদিনৰ পাছত তাইক লগ পাই তাইক কবলৈ বুলি সাঁচি ৰখা কথাবোৰ কবলৈ আঁত হেৰাই যায় তাৰ। পাহৰি থাকে সকলো কথা, কিবা কম কম বুলিও কব নোৱাৰে সি, ভাষা হেৰাই যায়। আগৰ কথা চহকী বন্ধুৱেও যেন প্ৰয়োজনতকৈ অধিক শান্ত হৈ থাকে। কম কম বুলি ভবা কথাবোৰো পা.ি থাকে। নিৰৱতাৰ মাজেৰে পাৰ হৈ যোৱা সময়বোৰৰো যেন কিবা এটা মাদকতা থাকে। তেনেদৰে থাকিয়ে দুয়োটাই অনুভৱ কৰে সেই মাদকতাৰ তৃপ্তি। উঠি আহিম বুলিও বন্ধুৰ কাষৰ পৰা উঠি আহিব নোৱাৰে জয়ন্তই। কিন্তু তেনেদৰেও আমনি লাগে দুয়োটাৰে এসময়ত। 'নাযাওঁ' বুলিও উঠে জয়ন্ত বহাৰ পৰা। চঞ্চল হৈ পৰে বন্ধু। জয়ন্তক আৰু অলপ সময় বহিবলৈ কবলৈ লৈও কব নোৱাৰে তাই। তাইৰ অনামী লাজে বাধা দিয়ে তাইক। জয়ন্ত যোৱাৰ পাছত অকলে অকলে উচুপি উঠে তাই, নিজৰ ৰুমৰ দুৱাৰ মাৰি। জয়ন্তক তাইৰ মনৰ কথা একো এটাই কব নোৱাৰি বেদনাত চাতি ফুটি কৰিব ধৰে তাইৰ সৰু কোমল আলসুৱা অন্তৰখন। আকৌ চাবলৈ মন যায় তাইৰ মৰমৰ 'জান দা'ক। কিন্তু তেতিয়া যে সময় অতীত হৈ যায়। তাইৰ 'জান দা' যে পুণৰ গুচি যায় নিজৰ কৰ্তব্যৰ তাগিদাত।

০ ০ ০ ০ ০ ০

( পাঁচ )

কলেজলৈ আহি অশান্ত হৈ পৰে জয়ন্তৰ মনটো। ঘনাই মনত পৰি থাকে তাৰ বন্ধুলৈ। কিন্তু কি কৰিব সি ? মনৰ কথাবোৰ সি কিয় যে খুলি কব নোৱাৰে ? এতিয়া ইয়াত আহি চাতি-ফুটি কৰি থাকিব লগা হয়। কলেজৰ সময়বোৰ বাহ্যিক দৃষ্টিত তাৰ ভালদৰে কাটি গলেও সিহে জানে তাৰ মনৰ অৱস্থাতো। তাৰ এই অশান্ত মনৰ অৱস্থাতো কিন্তু আনে নাজানিলেও তাৰ প্ৰিয় বান্ধৱী ময়ুৰীয়ে ঠিকেই জানি উঠিছিল। হয়তু তাই তাৰ অত্যন্ত অন্তৰংগ হোৱাৰ বাবেহে গম পায় তাৰ মানসিক পৰিৱৰ্ত্তন বোৰৰ কথা। ইতিমধ্যে তাই তাক ভালেকেই বাৰ সুধিছিল তাৰ আকস্মিক পৰিৱৰ্ত্তনবোৰৰ বিষয়ে। কিন্তু প্ৰতিবাৰেই সি অস্বীকাৰ কৰিছে এই বিষয়ে, কিছুমান দুৰ্বল যুক্তি দেখুৱাই। জানে সি, তাই বিশ্বাস কৰা নাই তাৰ কথা। কিন্তু কেনেকৈ কব সি তাইক তাৰ মনৰ কথা।

আনফালে আজিকালি ময়ুৰীয়ে তাৰ লগত বেছিকৈ লাগি থকা হৈছে। তাৰ ধাৰণা তাই হয়তু ইতিমধ্যে সিদ্ধান্ত লৈ লৈছে। অতি সোনকালে হয়তু তাই তাক 'Proposal' দিব যে 'তাই জয়ন্তক ভাল পায়'। তেতিয়া বাৰু সি কি প্ৰত্যোত্তৰ দিব ? নিৰুপায় হৈ পৰিছে জয়ন্ত। এফালে তাৰ বন্ধুৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, অন্যফালে ময়ুৰীৰ লগত থকা তাৰ অন্তৰঙ্গতা ভংগৰ আশংকা। সেই বাবে আজি কালি সি ময়ুৰীৰ পৰাও আতৰি থাকিবলৈ লৈছে। কাৰণ সি নিবিচাৰে বন্ধুৰ প্ৰতি অবিচাৰ কৰিব অথবা ময়ুৰীৰ লগত থকা তাৰ আন্তৰিক সম্পৰ্ক শেষ কৰিবলৈ। গতিকে বিশেষ কাম নাথাকিলে সি তাইৰ ওচৰো নাচাপে অন্য দিনৰ দৰে। আগৰ দৰে তাইৰ লগত অন্তৰংগভাৱে কথা পাতিবলৈও এৰি দিছে সি। জানে সি, ময়ুৰী যে তাৰ ওপৰত 'নাৰাজ' হৈ আছে। খং উঠাতকৈ দুখ পাইছে তাই তাৰ নিৰ্লিপ্ততাত। দুবছৰৰ গভীৰ আন্তৰিকতা নাইকীয়া হৈ যোৱাত। কিন্তু সেই কথা তাই প্ৰকাশ কৰা নাই; উদঙাই দেখুৱাটো নিবিচাৰে কোনোদিন। লাগিলে নিজে দহি দহি শেষ হৈ যাওক তাই।

কিন্তু ময়ুৰীও ভাঙি পৰিল এদিন তাৰ নিৰ্লিপ্ততাত। তাইৰ প্ৰতি কৰা তাৰ অমনোযোগী ব্যৱহাৰে তাইৰ ধৈৰ্য্যৰ বান্ধোন শেষ কৰি দিলে। মুখামুখীকৈ প্ৰশ্ন কৰিলে তাই জয়ন্তক,

: 'জয়ন্ত ! কি হৈছে বাৰু তোমাৰ ? কিয় মোৰ পৰা আতৰি ফুৰিছা তুমি ? কিয় এনে ব্যৱহাৰ কৰিছা মোৰ প্ৰতিও ? - জয়ন্তই স্পষ্টকৈ অনুভৱ কৰিলে তাইৰ ক্ষোভ, হৃদয়ৰ বেদনাবোৰ।

: কি হোৱা দেখিলা তুমি মোৰ ?

: একো নাই হোৱা যদি মোৰ সতে কিয় আগৰ দৰে মাতবোল নকৰা তুম ? কিয় ??

: ক'তনো তোমাৰ সতে মোৰ ব্যৱহাৰ পাতি সলনি হোৱা দেখিছা ? সদায়ে মাতবোল কৰোচোন তোমাক।

: "হুঁহ ! সদায়ে মাতা !! নিজে আগতীয়াকৈ নামাতিলে আজি কালি তুমি মোৰ সতে কথাই নাপাতা। কেতিয়াবা দেখিও নেদেখাৰ ভাও জোৰা তুমি। কি দোষ কৰিছিলো মই তোমাৰ ওচৰত ? কিয় আমাৰ সৰল সম্পৰ্কটো, আমাৰ আন্তৰিকতাখিনি পাহৰি যাবলৈ চেষ্টা কৰিছা তুমি ? কিয় ছিন্ন কৰিব বিচাৰিছা আমাৰ মধুৰ সম্পৰ্কটো ? কিয় ...?? কোৱা মোক, কি দোষ কৰিছিলো মই ?" —ময়ুৰীৰ আলসুৱা বুকুৰ দুখবোৰে যেন অস্পষ্ট কান্দোনৰ ৰূপ ললে। তাইৰ সমস্ত বেদনাৰ ঢৌ আহি গভীৰভাৱে অনুভূত হ'ল জয়ন্তৰ হৃদয়ত। কিছুসময় নিৰৱে থকাৰ পাছত তলমূৰকৈ লাহে লাহে জয়ন্তই গভীৰ কণ্ঠেৰে কৈ গ'ল,

: Sorry ময়ুৰী ! মই সঁচাকৈয়ে দুঃখিত মোৰ ব্যৱহাৰৰ বাবে, তোমাৰ প্ৰতি কৰা মোৰ অমাৰ্জিত আচৰণৰ বাবে। মইও ভবা নাছিলো তোমাৰ প্ৰতিও মই যে এদিন এনে ব্যৱহাৰ কৰিব লাগিব বুলি। নভবাটোৱে হবলৈ গৈ আছে এতিয়া। জানো তুমি যে মোৰ আচৰণত গভীৰ দুখ পাইছা বুলি। কিন্তু মই য নিৰুপায় ময়ুৰী। তোমাক মই অনুৰোধ কৰিছো, তুমি যেন কেতিয়াও নোসোধা মোক, তোমাৰ প্ৰতি কৰা মোৰ এনে ব্যৱহাৰৰ হেতু কি ? মোৰ ওচৰত সেই উত্তৰ নাই; থাকিলেও তোমাক কবলৈ মই অপাৰগ। এটা কথা কৈ থওঁ মই, তুমি কোনোদিন নাভাৱিবা যে তোমাক মই বেয়া পাইছো বুলি, কিবা কাৰণত তোমাক মই কব নোৱাৰিম কিয় মই তোমাৰ পৰা আঁতৰি ফুৰিছো আজিকালি। কিয় তোমাৰ সতে মোৰ অন্তৰঙ্গতা কমাই দিছো।

: কিন্তু কি এনে কথা আছে, যিটো মই জানিবও নোৱাৰো। মোক তুমি বিশ্বাসো নকৰা আজিকালি ?

: বিশ্বাস কৰো তোমাক, ময়ুৰী। সম্পূৰ্ণ বিশ্বাস কৰো। কিন্তু এইটো কথা মই তোমাক কব নোৱাৰিম; কেতিয়াও। আশা কৰো তুমি মোক ভুল নুবুজা। আৰু মোৰ ব্যৱহাৰ বাবে ক্ষমা কৰি দিবা মোক। যাওঁ মই এতিয়া ..... ।

ময়ুৰীৰ নিৰ্বাক সজল দৃষ্টিৰ আগেৰে আতৰি আহিল জয়ন্ত। জানে সি, যথেষ্ট দুখ পাইছে ময়ুৰীয়ে অন্তৰত। হয়তু শেষ হৈ যাব সিহঁতৰ মধুৰ সম্পৰ্ক। শোকাবহ হৈ পৰিব সিহঁতৰ বন্ধুত্বৰ শেষ পৰিণতি। এনেদৰেই যে শেষ হৈ যায় কাৰোবাৰ গভীৰ আন্তৰিকতাখিনি। য'ত দুয়োপক্ষই হৈ পৰে নিঃসহায়, উপায়বিহীন।

০ ০ ০ ০ ০ ০

সঁচাকৈয়ে ময়ুৰীৰ লগত থকা জয়ন্তৰ মধুৰ সম্পৰ্কৰ মাজত ফাট মেলিছিল লাহে লাহে। সহজ হব পৰা নাছিল জয়ন্তই, ময়ুৰীৰ ওচৰত। তাইৰ সতে থকা হাঁহি ধেমালীবোৰ লাহে লাহে কমি আহি অৱশেষত একেবাৰে মৰহি গ'ল সেইবোৰ। বাহ্যিক দৃষ্টত সিহঁতৰ সম্পৰ্কৰ মাজত

কোনো অস্বাভাৱিকতা নাই যদিও সিহঁতেহে জানে সিহঁতৰ মনোমালিন্যৰ কথা। লগৰ বাকীবোৰক ঘূণাক্ষৰেও জানিবলৈ দিয়া নাই এই কথা।

তাৰ পাছৰ দিনবোৰ কেলেণ্ডাৰ বুকুৰ পৰা যেন অতি খৰকৈ পাৰ হৈ গ'ল। ইতিমধ্যে বন্নুহঁতৰ হায়াৰ ছেকেণ্ডৰী ফাইনেল পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল। তাই দ্বিতীয় বিভাগত পাছ কৰি এচৰৰে 'আৰ্টচ কলেজ' খনত নাম লগাইছিল। জয়ন্তই সাময়িক ভাবে বন্নুৰ কথা বৰকৈ ভাবি নাথাকি পঢ়াত মনোনিবেশ কৰিলে। বন্নুকো ভালদৰে পঢ়িবলৈ সততে উৎসাহ যোগাই থাকিল সি। ভালপোৱাৰ নামত পঢ়া ক্ষতি কৰাৰ পক্ষপাতি নহয় সিহঁত।

